১১১। অস্তি-সংহাৰৰ (হাড় ঘুনুচা বা হাড় জোৰা) ৰস এটোলা বা তাৰ শুকান চুৰ্ণ চাৰি মাত্ৰাই কিছু দিন ব্যৱহাৰ কৰিলে ঋতু স্ৰাৱ নিয়মিত হয়।

অৰ্শ (কেচু মুৰিয়া)

১১২। অস্তি সংহাৰৰ ৰস সদায় নিয়মিতৰূপে ব্যৱহাৰ কৰিলে ক্ৰিমি ৰোগ আৰু সকলো প্ৰকাৰৰ কেচুমৰিয়া বেমাৰ ভাল হয়।

দাতৰ বিষ

১১৩। অপমাৰ্গৰ (বনসতৰ) পাতৰ ৰস লগালে দাত বিষ উপসম হয়।

খাপৰি

১১৪। শতমূল, কেশৰাজ, আমৰাৰ মূল বতি খাব খাপৰি নাশ।

চিৰ পেত কামোৰণি

১১৫। লেটা গুটি, সিজুৰ চাল, মৰাণ আদা, পুৰাণ মৰিচ, সোলং ৰস, লোণ বতি খাব চিৰ পেত কামোৰণি নাশ।

১১৬। চুনৰ পানী, চোকাখাৰ, আজ্ঞা চিতা ফিলাৰ ৰস বতি খাব। পেত কামোৰণি নাশ।

অনিদ্ৰা ৰোগ

১১৭। ১০০ গ্ৰাম চফ গুটি আধা লিটাৰ পানীত জলতাই আধা পোৱা হলে তাক চেকি গৰুৰ গাখীৰ এপোৱা আৰু ২৫ গ্ৰাম ঘিউৰ লগত চেনি মিহলাই খালে অনিদ্ৰা ৰোগ নাশ।

পুত্ৰ সন্তান

১১৮। ময়ুৰ পাখীৰ মৰ্জ্জা ভাগ গুড়ৰ সৈতে বড়ি বনাই ৩ টা বড়ি ১৫ দিনৰ মুৰে মুৰে খাব লাগে। বড়ি খোৱাৰ দিনা গৰুৰ গাখীৰ বাদে আন একো নেখাব।

কান কলা হলে

১১৯। গোল নেমুৰ ৰস ১০০ গ্ৰামত অলপ চেনি মিহলাই খাব লাগে। দিনে ৫ বাৰ মানকৈ কিছু দিন খালে কানেৰে শুনে।

নাৰেজা

১২০। ধুতুৰা পাত চজিনাৰ চাল খুন্দি গৰম পানীৰে শেক দিলে নাৰেজা ফুটি বাহিৰ হয় বিষো কমে।

এন্দুৰিয়া

১২১। ডালিম ফুল তৰাবিচি বিহ জালুক বতি দিব এন্দুৰিয়া নাশ।

১২২। ডোম চোৰাতৰ শিপা বতি দিব।

১২৩। ভেট ফুল শহাপহৰ হাত চাল বাতি খালে এন্দুৰিয়া নাশ।

বিন্দুসাৰ

১২৪। পাৰিজাত ফুলৰ আলু, কুচিয়া মাছেৰে জালুক পিপলি লৈ তেলেৰে ব্যঞ্জন কৰি খাব বিন্দুসাৰ নাশ।

পোৱা গাম

১২৫। কুজি থেকেৰা বতি দিব পোৱা গাম নাশ।

শিৰা মুৰি

১২৬। ডিমৰ শিপা খুন্দি বসলৰ চেঙেলি মাছেৰে ব্যঞ্জন কৰি খাব শিৰা মুৰি নাশ।

১২৭। তিল, ধুনাৰ গুৰি সিজু আমৰে লেপি দিব।

অঙ্গ ৰোগ

১২৮। অঙ্গ ৰোগ হলে মাখিয়তিৰ শিপা বতি দিব।

জলৰোগ

১২৯। সিজল গুটি আকন্দৰ পাত সিজু পাত বতি খাব।

খাপৰি নাশ

১৩০। শত মূল, কেশৰাজ, আমৰাৰ মূল বতি খাব।

মূৰৰ ঔষধ

১৩১। দ্ৰোনবনৰ শিপা একে উশাহে তুলি তিনি ভাগ কৰি আধা ঘন্টাৰ মূৰে মূৰে খুৱাব।

১৩২। কেৰেলাৰ দক্ষিণৰ চাল তিনি আঙুল পিহি খুৱাব।

উষাহ শূলৰ

১৩৩। নাহৰ পতিয়া লতাৰ পাত এটা, শিলিখা এটা, নীলকণ্ঠ দুই আঙুল, আৰকচন এক আঙুল, জালুক এফাল পিহি খুৱাব।

১৩৪। অকণমান হিং পানীত গুলি খালে কৃমি নাশ।

দাত নসৰা

১৩৫। মানি মুনি শিপা আৰু আদা চোবাব দাত নসৰে।

দাঁত পোকৰ

১৩৬। তৰাৰ গুটি আৰু তেজমুই বতি দিব।

১৩৭। বিচক্ষণীৰ শিপাৰে দাত খৰিকিয়াব আৰু চোবাব দাত পোক নাশ।

বাত নাশ

১৩৮। গুণৰাজ কলিয়া ধুতুৰা গুটি আৰকচন্দ বতি খাব বাত নাশ।

ককালৰ বিষ

১৩৯। সেৰা লতা মৰান আদাৰ ৰস লোণ জালুক পিপলি বটিব ৰাতি অবসানে খাব ককাল বিষ নাশ।

বাত নাশ

১৪০। লং ফুলৰ শিপা কলিয়া বকুলৰ ছাল ডেম দেউকা বতি দিব নানা বাত নাশ।

নখ মৰা

১৪১। বেঙৰ চকু, কুচিয়াৰ চকু, নাঙলৰ মাটি, জেতুকা, থৈকেৰা ৰস মৰা নখত দিব। দিনত তিনিবাৰ।

পদুম নলা

১৪২। আৰকচন্দ লেটা শিপা, নীলকণ্ঠ কাৰিত বড়ি কৰি খাব। পদুম নলা নাশ।

বেচুৰ

১৪৩। ধুতুৰা গুটি, আলাজু বতি লগাব দিব।

ঘোঙোৰ

১৪৪। তেজমুইৰ শিপা, তামোলেৰে খাব।

চকুত ফুল পৰিলে

১৪৫। লেতুকৰ চালৰ ৰস ঘিউৰে ফোট দিব। চক্ষু ফুল নাশ।

পেটৰ বিষ

১৪৬। মনিচাল, গাঠি বন, ভগৰ ফুলৰ মূল ব্যঞ্জয়ন্তিব (ভাতিয়ন্তিব) দক্ষিণৰ মূল, নীলকণ্ঠ, শ্বেত বিৰিণাৰ মূল, তেজমুইৰ মূল, সোন বৰিয়াল কঠাই আজনৰ

মূল সবাকো গুৰি কৰিব আগে জাঁইফল খাব। পাছে ঔষধ খাব। পেটৰ বিষ নাশ।

খপলা ৰোগ

১৪৭। কোটকৰ শিপা, জালুক, পিপলি, আদা, য'নি, মিথি, জাইফল কালজিৰা, ভোগ জিৰা পাগে খাব খপলা ৰোগ নাশ।

পেট কামুৰি

১৪৮। চোকা খাৰ, আগেচিতা, ঘিলাৰ ৰস চুণ পানী বতি খাব। নাশ হয়।

আহোম ফোহোৰা

১৪৯। কোটকৰ বিজ বতি লেপ দিব আহোম ফোহোৰা নাশ।

নখ পোক

১৫০। কাছৰ চলং, খৈৰা গুৰি তুতিয়া একত্ৰ কৰি দিব নাশ।

মৃগী

১৫১। অনন্ত মূলৰ শিপা ধাৰণ কৰিলে সৰু ল'ৰা ছোৱালীৰ মৃগী ৰোগ ভাল হয়।

বসন্ত দাগ

১৫২। বসন্তৰ দাগ উঠাবলৈ তুলসিৰ পাত পিহি মোহাৰিব লাগে।

কণ্যাকাল

১৫৩। ৮/১০ পাহ ৰঙা জবা ফুল পিহি ৰস খালে ঋতু হয়।

১৫৪। অনন্ত মূলৰ ৰস ৫০ গ্ৰাম, গৰুৰ গাখীৰ ২০০ গ্ৰামৰ লগত ৩/৪ দিন খালেও উপকাৰ হয়।

বিন্দুসাৰ

১৫৫। সতমূলৰ ৰস গাখীৰ সমে খাব।

১৫৬। সোম লতাৰ পাত বতি মাছ লোণ জালুক দি ৰান্ধি খাব। বিন্দুসাৰ নাশ খৰ পিৰাও নাশ হয়।

কাহৰ

১৫৭। প্ৰাতস সময়ে হৰিদ্ৰা, পিপলি, সৈন্ধৱ লোণ, পানতলৈ খাব কাহ, শুকান কাহ নাশ হয়।

দাঁত পোকৰ

১৫৮। মৰান আদা জাতি আদা গাঠিয়ন ৰৰকচুৰ আলু মকৰা ফুল সবাকে বতি

টেকলিত ভৰাই সিজাই ভাপ লব। দাঁত পোক মৰে। বাতি পুৱাই লব।

পিত্ত কামোৰণী

১৫৯। সকলো তিতা ঢেকিত খুন্দি ৰস থালিত লৈ পানী সি সিজাব তাৰ পাছত ঠাণ্ডা হলে চেপি সিঠাবোৰ দুভাগ কৰিব। এভাগ দল কছু ধানত সিজাব, সিজাই শুকাবাৰ পাছে এভাগ পানীৰে খবাব ৰ'দত শুকাব চাতে কৰি সিজাই খাব, কিছু কিছু কৰি তিনি বছৰীয়া পুৰণি গুড় মিহলাই খাব পিত কামোৰণী নাশ হয়।

তেজসাৰ

১৬০। বৰ ফুটুকা, ঢেকিয়া, ভেদেলি লতা, মেচাকি সবাৰে আগ চুঙাত দি সিজাই খাব তেজসাৰ নাশ।

কেবেলুৱা

১৬১। মৰান আদা, মৰান পান সাতটা খাব, পাৰৰ লাদ সবাকে বতি দিলে কেবেলুৱা নাশ হয়।

গোধা ৰোগ

১৬২। বগা আকনৰ শিপাৰ চাল কাজি টেঙাৰ সৈতে বতি ১৫ দিন লেপ দিব।

১৬৩। পুৰা আমলখি গছৰ বমুমলাৰ শিপা, ঘিউৰে বতি খাব।

১৬৪। এৰা গুটিৰ তলত শিলিখা ভাজি গৰুৰ মুতৰে খাব।

১৬৫। বাহকৰ চাল আকনৰ শিপা কাজি টেঙাৰ পানীৰে বতি লেপ দিব।

শিলয়াল গলা

১৬৬। **লক্ষণ ঃ** গাল দুখন ফুলি উঠে আৰু বিষায়।

ঔষধ ঃ কাঠ পোক পুৰি এৰাতেল সমকে লগাব।

১৬৭। মৰান আদা জলকীয়া আৰু পাত বতি তপতাই গালত লগাব।

লুৰা বা বাতমূল

১৬৮। **লক্ষণ ঃ** সৰু সৰু ঘামচিৰ নিচিনা বিষায় ফোহোৰা কৰাত মুল বা লুৰা বোলে।

ঔষধ ঃ কেবেলোৰ পাত, মচণ্ডীৰ পাত, জালুক, ভংলাটিৰ পাত, মজাঠি, হাঁহ কণী সমে বতি দিব। বা মুৰ খুৰাই কেতুৰি বতি দিব।

জ্বৰ হাগনী

১৬৯। বেল পাতৰ ৰস মৌৰে খাব ভাল হব।

ভৰি ফটা

১৭০। ভলা গুটি তেলত ভাজি সেই তেল লগালে ভাল হয়।

১৭১। বৰ গছৰ আঠা লগালেও ভৰি ফটা ভাল হয়।

ভয় খালে

১৭২। হঠাৎ ভয় খালে নিমখ খোৱাব লাগে। আৰু একো খাবলৈ নাদব সেই দিনটোৰ বাবে।

মুৰ কামোৰণী

১৭৩। মাহদীৰ আগ ৩ টা বতি লভালে মুৰ কামোৰণী ভাল হয়।

মুদ্‌গৰ

১৭৪। যম লাখুটিৰ আলু সাত চকল, চেঙেলি মাছ সাতটা, বাঁহৰ কুহি তিনিটা, জালুক সাতটা নিমখ সহিতে চুঙাত সিজাই খাব।

মোৰব

১৭৫। শ্যামা কচু অকন মান, এচকল কলৰ মাজত ভৰাই খাব চাব যাতে কলৰ মাজৰ পৰা কচুডোখৰ মুখৰ কটো লাগিবলৈ নেপাই। সাবধানে খুৱাব।

সৰ্ব্ব ব্যাধি

১৭৬। কুজি থৈকেৰা, মৰান আদা, কলাহালধি, তৰা গুটি, তিতসতা গুটি বিজৰ আঠা বাতি এৰা গাখীৰে পান কৰিব। সাত দিনত সৰ্ব্ব ব্যাধি নাশ হ'ব।

বিন্দুসাৰ

১৭৭। কৃষ্ণ তুলসী বতি খাব বিন্দুসাৰ নাশ।

শিৰা মুৰি ধৰা

১৭৮। তিল, ধুনা, গুৰি, সিজুৰ আঠা লিপি দিব শিৰা মুৰি নাশ।

১৭৯। ডিমক শিপা খুন্দি বস লব চেঙেলি মাছেৰে আঞ্জা বান্ধি খাব।

পদুম নলা

১৮০। হালধিয়া, কবি, নাগকণ্ঠা, মৰিচ, ভেকেলা চেঙেলী মাছেৰে ব্যঞ্জন কৰি খাব।

ওকালি (বমি)

১৮১। লেটা গুটি, পানী লোণ, হস্তী কেকেলা, হাবিঠা চাল জালুক ৮ টা বতি খাব।

কুমসাৰ

১৮২। কুজি থৈকেৰা, শুকাব, বেজকচু গুৰি কৰিব, আমবাৰ গুটি বতি খাব। কুমসাৰ নাশ।

দাঁতৰ

১৮৩। মান ধনিয়াৰ শিপা, আদা চোবাব দাত নলবে।

১৮৪। বিলঙ্কনি শিপাৰে দাত খৰিকিয়াৰ, চোবাব দাত পোক নাশ।

এন্দুৰিয়া

১৮৫। বকুলৰ আগ বাতি দিব, ব্যঞ্জন কৰি খাব ভিতৰে পোক মৰে এন্দুৰিয়া নাশ।

দাঁতৰ

১৮৬। বকুল গুটিৰ সাহ, মাখিয়তিৰ শিপা দুইকো বতি বকুলৰ চাল খুন্দি কস লব। সেই কসত দুয়োকো দুবাহ তপতাই বাতিপুৱা বাহি মুখত লব দাত আতিব। কব চেচা হলে উলিয়াই পেলাব। এনেদৰে তিনিদিন ললে দাত নলবে।

বাত নাশ, ককাল বিষ

১৮৭। শুণবাজ কলিয়া ধতুৰাৰ গুটি আবকচন বতি খাব বাত নাশ।

১৮৮। সোৰা লতা, মৰান আদাৰ কস, লোণ, জালুক, পিপলি বতিৰ লগনে থাকি বাতি অবসানে খাব। ককাল বিষ নাশ।

খাপৰি

১৮৯। হিং ১ তোলা, সৈন্ধব লোণ ২ তোলা, নহক ১ তোলা বতি খাব। খাপৰি নাশ।

কুমসাৰ

১৯০। কেশ বাজৰ ফুট দিব চকুত কুমসাৰ নাশ।

পেটৰ ব্যাধি

১৯১। মনিচাল গাছিৰ, তগৰ ফুলৰ মূল, বকআতিৰ নহিলাৰ ফল, নীলকণ্ঠ, বেঙে বিৰিণাৰ মূল তেজমূইৰ মূল সোন বৰিয়াল, কঠাই আদলৰ মূল সকলো গুৰি কৰিব আগে জাইফল খাব পাছে ঔষধ খাব, পেটৰ ব্যাধি নাশ।

চকুকোট

১৯২। পুলৌ নৌৱাৰ কস মৌৰে দিব চকু কোট নাশ।

১৯৩। পুলৌ নৌৱাৰ কস কাজি টেঙাৰে দিব কুকুৰি কনা নাশ।

মুখৰোগ

১৯৪। ডালিমৰ পাত চোবাব মুখৰ ৰোগ নাশ।

চকুত ফুল পৰা

১৯৫। ৰবকচুৰ দক্ষিণৰ শিপা তেলে লোনেৰে চকুত ফুট দিব ফুল পৰা নাশ।

গৰুৰ পোক

১৯৬। চজিনা গছৰ চাল খুন্দি ৰস দিলেও পোক মৰে।

তেহুৰাৰ (গৰুৰ)

১৯৭। কুহিলাৰ গুটি, তেতেলিৰ গুটি, শুকান কলৰ বাকলি বতি গৰুৰ মুখ মেলোতেই তাত ঘহিব। তেহুৰা গুছে।

কুমসাৰ

১৯৮। বেজ কচু গুৰি কৰিব। আমৰ গুটি গুৰি কৰি বৰি বনাই খাব। কুমসাৰ নাশ।

পেট কামোৰণী

১৯৯। তিতা, কেৰেলাৰ পাত, লাই গুটি, জামুৰ চাল একে ৰকমীয়া গৰুৰ গাখীৰে খাব।

ঘোঙোৰা নাশ

২০০। ধোবা লতাৰ পাত, হাতে মুখে ঘহিব মধু পাখিৰ পাবোক তুতিয়াৰে সোলেঙ ৰসত পান কৰিব ঘোঙোৰ নাশ।

কুষ্ট (সিদ্ধ)

২০১। বনশঠৰ গুটিৰ ৰসত মূলাৰ গুটি বতি লেপ লগালে সিদ্ধ নামৰ কুষ্ঠ ৰোগ ভাল হয়।

ৰক্ত পিত্ত

২০২। মুখ, নাক, কান, মলদ্বাৰে আৰু পেচাব দ্বাৰে তেজ পৰিলে শতমূলৰ ৰস ২ তোলা, গাখীৰ আধা পোৱা, পানী ডেৰ পোৱা দুয়োকো লগ লগাই গৰম কৰি আধা পোৱা মান ৰাখি দিনে ২/৩ বাৰ ব্যৱহাৰ কৰিব।

ৰক্ত পিত্ত

২০৩। নেফাফাৰ কোমল পাত তিনিটা, নহৰ ৫ ফোটোৱা লগত গুৰুত দি প্ৰতি সপ্তাহত বাহি পেটত খাব।

নেফাফু গছৰ চিনাকী ঃ ধপাত তিতা গছৰ দৰেই পাতজ সেউজীয়া বৰণৰ। গছৰ

দুইফালে থকা পাতৰ ঠাৰিৰ ওপৰত দুটা কুঁহ পাতৰ দৰে কুঁহ থাকে।

খৰপিড়া

২০৪। চতিয়নাৰ চাল, দক্ষিণৰ মাচোকল মিঠা লাউৰ ৰস লৰ খুদ ভন্দুলেৰে বান্ধি খাব বাহি কৰি। নানা খৰ পিড়া নাশ।

কাল ব্যাধি নাশ.

২০৫। তুকুৰিয়া লতাৰ আলু ইয়াক পিহিঁ লোণ জালুক মাহ চাউল গুৰি কড়াইৰে খাব।

শুকান লেঙ্গ

২০৬। লক্ষণ ঃ কাহ মাৰোতে বুকু পিঠিয়ে.খোচ মাৰি ধৰে তাকে শুকান লেঙ্গ বোলে।

ঔষধ ঃ মৰান আদা, তেজমুইৰ চাল, মনিচাল, জালুক ৫ টা পিপলি ৯ টা সবাকো বতি ৰসলৈ অলপ তপত কৰি খাব। তথা লেং নাশ।

২০৭। আঁচকৰিৰ আগ তিনিটা খুন্দি ৰস লৰ আঠিয়া কলৰ বাকলি পুৰি খাৰানি লৰ দুইকো মিশ্র কৰি চাকা কাপোৰে চেকি খাব। শুকান লেং নাশ।

হৃদৰোগ (বুকু খৰফৰ কৰা)

২০৮। অৰ্জ্জুন গছৰ চাল দুই তোলা, পানী ভেৰপোৰা আৰু গাখীৰ আধাপোৰা সকলো সিজাই আধা পোৰা মান ৰাখি ব্যৱহাৰ কৰিলে বেছি উপকাৰ হয়। তেজৰ চাপত ও ভাল ফল দিয়ে।

শিশুৰ পানী লগা কাঁহ

২০৯। তুলসী পাতৰ ৰস, আদাৰ ৰসত মৌ এটোপ দি খুৱাব।

আমেৰা

২১০। তগৰ ফুলৰ দক্ষিণৰ শিপা ৭ খণ্ড, ৭ খন তামোলৰ লগত খাব।

২১১। আফুলা কোটাহি বেঙ্কোৰ ৭ খণ্ড শিপা, ৭ খন তামোলৰ লগত খাব।

শিণ্ডিমুৰি, পৰা

২১২। এটা কাজি নেমুৰ মুখখন কাটি মুখখন ওপৰলৈ কৰি জুইত তপতাব। যোতয়া টেঙাৰ ভিতৰত বুৰবুৰণি শব্দ উঠে তেতিয়া নমাই টেঙাটোৰ ভিতৰ খোলা অসুখ হোৱা আঙুলিটো আঙুল হাড়ালৈকে সেই টেঙাৰ ভিতৰলৈ ভৰাই দিব। এইদৰে ২/৩ বাৰ কৰিলে নিশ্চয় ভাল হব।

নাকৰ ঘা

২১৩। পুনি, কলমৌ পুলি খুতুৰা, লোণ, জালুক দি ৰান্ধি খাব।

বাঘে খালে

২১৪। অমিতাৰ আঠা ঘাত দিলে বিষ গুচে জাই মৰে।

দাঁতৰ

২১৫। বকুলৰ গুটিৰ সাহ মাখিয়তিৰ শিপা দুইকো বতি বকুলৰ ছাল খুন্দি ৰস লব সেই ৰসত দুইকো তপতাই প্ৰাতঃহে ৰাহি মুখত খাব। দান্ত আতিব। ৰৰ চেচাত লেঙুৰিয়াই পেলাব এইৰূপে তিনি দিন ললে দান্ত নসৰে।

ভৰি ফটা

২১৬। ভীম কলৰ বাকলি পুৰি সেই খাৰ আঙঠা ভৰিত লগালে ভৰি ফটা ভাল হয়।

পায়েৰীয়া

২১৭। কঠালৰ দিলা পুৰি তাৰ চাই দাঁতৰ আলুত ঘহিব।

২১৮। খৰুৱা বেঙেনাৰ পাত চুঙাত ভৰাই পানী দি সিজাব তাৰ ধোৱা মুখত লব একে দিনাই ভাল হব।

সাৰৰ

২১৯। যম লাখুতিৰ আলু ৪ আঙুল, ৰূপ কলিয়া এমুঠি, দুবৰি বন এমুঠি কাচিদৰিয়া এমুঠি খুন্দি ৰস উলিয়াই মিচিৰি মিঠাকে দি জহা চাউল খচা পানী আধাপোৱা আৰু অধা পোৱা গাখীৰ মিলাই বাহি পেটত খাব।

২২০। মালভোগ, খুতুৰাৰ ৰস বা সিজাই ৰস খালে সাৰ বেমাৰ ভাল হয়।

প্ৰসৱ জ্বলিলে

২২১। দেমদেউকা বা কৰিয়া বজীল এজোপা খচি মিচিৰি মিহলাই এগিলাচ কৈ খাব।

দাঁতৰ

২২২। সিজুৰ শিপা দাঁতেৰে কামোৰি ধৰি থাকিলে দাত পোক মৰে। হিং তপতাই লগালেও দাত পোক মৰে।

টনচিল

২২৩। তেজমুই গছৰ দক্ষিণ ফালৰ শিপা নিজৰ কেঞা আঙুলিৰ এপাৰ কাটি মুখত লৈ থাকিব ভাল হ'ব, জান মৰিব।

অজ্ঞ বাত্ৰ

২২৪। ধনিয়া সৈন্ধ্যা লোণ জেঠিৰ লাদ সৰে মহিৰ অজবাত্ৰ গুছে।

দাঁত নসৰা

২২৫। বনশঠৰ শিপা একে উশাহে তুলিব। তাৰ পাছত আগ দাঁত কামুৰি ধৰিব অলপ পাছত চোবাব দাঁত বেদনা গুচে।

গাখবোম্বা

২২৬। ভেদাই লতাৰ ঠাবিৰ বস, আগবাৰ শিপা, লোণ জালুক দি পাগে খাব।

কাহৰ

২২৭। খেপাহি তিতাৰ মূল বাহকৰ মূল তেজমুইৰ মূল সবাকো বতি লোণ জালুক দি তপত কৰি খাব।

ককাল বিষ

২২৮। তুকিয়া লতাৰ আলু, আকন বিষ্কা, লোণ, জালুক, মাহ, চাউল গুৰি কৰি কৰাইৰে খাব ককাল বিষ নাশ।

ভেদাই লতাৰ গুণ

২২৯। শৰীৰৰ শক্তি বল বৃদ্ধি কৰে। নিতৌ পুৱা গধুলি ১ চামুচকৈ ভেদাই লতাৰ বস খালে পুষ্টি সাধনত ভাল ফল পোৱা যায়। বাত বিষ, গাঠি বিষ আদিতো ভাল ফল পোৱা যায়।

তল পেট কামোৰণি পেট ফুলা আদি বেমাৰৰ কাৰণেও ভেদাই লতাৰ বস উপকাৰীতা অশেষ। ই হজম শক্তি বঢ়ায় আৰু ভোক লগাই।

ভেদাই লতাৰ পাত খেতেলি বেছি পৰিমাণৰ নহৰ দি আঞ্জা ৰান্ধি প্ৰসৱ হোৱা মাইকী মানুহক খুৱাব লাগে।

নখ চুকিয়া

২৩০। শুকান শিলিখাৰ গুড়ি পানীত তিয়াই নখৰ গুৰিত বান্ধিব লাগে।

নখত খৰ হলে

২৩১। দুফটা নহৰ মিহিকৈ খুন্দি নখৰ ওপৰত বান্ধিব।

২৩২। কণি বিহৰ গুটি ২/৪ ভাগ খুন্দি নখত কিছু সময় বান্ধি তলে নখৰ খৰ ভাল হয়।

তেজ বন্ধ হোৱা

২৩৩। মানিমুনি এমুঠি ভালদৰে খুন্দি কটা ঠাইত লগালে লগে লগে তেজ বন্ধ হয়।

হাড়ভঙাত

২৩৪। অৰ্জ্জুন গছৰ ছাল খুন্দি তাত নহৰু খুন্দি বান্ধি দিলে হাড় জোৰা লাগে।

ককালৰ বিষৰ

২৩৫। কেঁচা আলুগুটি ২ টা পিহি ককালত লগাই ১০/১৫ মিনিট সময় ৰাখিলে আৰাম পায়।

২৩৬। নহৰু এটা খুন্দি বিষ হোৱা ঠাইত ১০ মিনিট সময় লগালে আৰাম হয়।

অকালতে চুলি পকা

২৩৭। তিল ৫০ গ্ৰামকৈ সদায় খাব ল্যাগে চুলি ক'লা হোবাৰ উপৰিও দীঘল আৰু সুন্দৰ হয়।

২৩৮। কৰবী গছৰ শিপাৰ চাল খুন্দি গাখীৰত জুবুৰিয়াই প্ৰলেপ দিলে চুলি ক'লা হয় আৰু অকালতে চুলি পকা বন্ধ হয়।

বাত

২৩৯। বৰুনৰ চাল একতোলা গুণৰাজ একতোলা লোণ জালুক পিপলি সবাকো সমানে বতি খাব বাত নাশ।

জ্বৰ গ্ৰহণী

২৪০। ডাউকাৰ মাংসে ভেদাই লতাৰ ৰস জালুক ডেৰটা পিপলি অলপ লোণ দি সিজাই লব।

বিবাদে জয়

২৪১। দুপতিয়া বগৰীৰ মূল, দুপতিয়া সিজুৰ মূল ফেটি সাপৰ দক্ষিণৰ দন্ত দুটা লব। বিবাদে জয়। সাপে খালেও বিষ নধৰে।

চন্দ্ৰ তাপ

লক্ষণ ঃ পুৰুষতা গুছে ভোক নালাগে পেট ওখাৰে মুখ ফিকে তাৰ ঔষধ।

২৪২। পোজাৰৰ চাল, মাতোক টোকাৰ মূল, জালুক তিনিটা পিপলি তিনিটা ৯ দিন তপতাই খাব।

২৪৩। সুন্দৰ পৰালৰ শিপা বতি জালুক পিপলি দি তপতাই খাব। পেটত যি আছে বাজ কৰি খাব।

শূল

২৪৪। সোন বৰিয়ালৰ ৰস দুধেৰে খাব। শূল নাশ হয়।

এজমাৰ

২৪৫। প্ৰতি পালিত ৩ টাকৈ জালুক আৰু বগা বাহেকৰ শিপা ৪ আঙুল খুন্দি খুৱাব।

কুমসাৰ

২৪৬। বেলি পকাৰ আলু ২ চিতা পিহি ছাগলী গাখীৰৰ লগত নাকেৰে উজাব।

বিন্দুসাৰ

২৪৭। ছাল কুৰৰী পিহি গৰু গাখীৰৰ লগত খুৱাব।

শিশুৰ ঘোমোৰকীয়া

২৪৮। ছাল কুঁৰৰীৰ ২ খন পাত খুন্দি তাৰ বিজলুৱা ৰসত গাখীৰ মিহলাই দিনে দুবাৰকৈ ৩ দিন খুৱালেই ৰোগ ভাল হয়।

খোনা

২৪৯। বাদাম ১২ টা পানীত তিয়াই পিহি ২০ গ্ৰাম মাখন মিহলাই এমাহ খালে খোনা ভাল হয়।

প্ৰমেহ

২৫০। পুৰণি ৰোগত খুতুৰাৰ ৰস ১২ গ্ৰাম, কেচা হালধী ১২ গ্ৰামৰ লগত সামান্য য'খাৰ অলপ পানী মিহলি কৰি খালে ৰোগ ভাল হয়।

২৫১। হেলচি শাকৰ ৫০ গ্ৰাম ৰস দৈনিক একেৰাহে ৭ দিন খালে প্ৰমেহ ৰোগ ভাল হয়।

গৰখীয়া কৰাইৰ বিবৰণ আৰু ঔষধ

২৫২। ইয়াৰ ফলত ভিতৰত তিলৰ নিচিনা এবিধ গুটি থাকে। ইয়াৰ ফুলবোৰ তলমুৱাকৈ ফুলে গতিকে বঙালীত ইয়াক উলট কম্বল বা ওলট কমল বোলে। আয়ুৰ্ব্বেদত ইয়াক পীৱৰী বা যোষীণী বোলে। ঠায়ে ঠায়ে ইয়াৰ নাম বাঘ চুকুৰা বা বন কপাহীও বোলে। ই ৮/১০ হাত ওখ হয়। ইয়াৰ পাত ঢপলা পাত আৰু গুটিত গুং থাকে। ফুলবোৰ সৰু বঙা। ফলবোৰ কেঁচা পদুমৰ চকাৰ দৰে। শুকালে মেল খায়। গছজোপা স্থল পদ্ম গছৰ লগত মিল আছে। ইয়াৰ ঔষধ ঃ তিৰোতাৰ বাধক ৰোগ, ঋতুৰ সময়ত তল পেট কামোৰা, ধাতু যোৱা ইত্যাদিত। কেঁচাত ইয়াৰ শিপাৰ ছাল দুতোলা ওজন পৰিমাণ লৈ সামান্য জালুকৰ গুৰি হলে চাৰি অনা ওজন লৈ জালুকৰ লগত বৰি কৰাই

খাব।

কেছুমুৰিয়াত ইয়াৰ শিপাৰ ছাল, জালুকৰ লগত ১০/১২ দিন খোৱাব লাগে ভাল হয়।

শোথৰ

২৫৩। বনকপাহৰ দক্ষিণৰ শিপা মঙ্গলবাৰে আনি ৰঙা সূতাৰে গুঠি সোঁ কানত পুৰুষে আৰু বাওঁ কানত স্ত্রীয়ে লব। যেতিয়া মতিয়া শোথ হলে বিহমইনা খুন্দি টেকেলি ভৰাই সিজাব। জ্বৰ হলে সেই পানী নখত নলগাকৈ সর্ব গাত ঘহিব শোথ গুচিব।

পেলুৰ

২৫৪। ছাগলীৰ গাখীৰ, আদাৰস, বনকেঞাৰ ৰস তিনিকো মিশ্র কৰি খাব।

এন্দুৰিয়া

২৫৫। পচতিয়া গছৰ শিপা আৰু পাত খুন্দি ৰস বাহিৰ কৰি তাত অলপ তিল তেল মিহলি কৰি লগাব লাগে।

২৫৬। বসসঠ বীজ আৰু সৈন্ধা লোণ খুন্দি বান্দিব ভাল হয়।

কর্ণমূল বা পিঠা খোৱা

২৫৭। তৰুৱা কদমৰ ছাল ১০ গ্রাম, ২ গ্রাম খয়েৰ মিহলি কৰি খুন্দি ফুলা ঠাইত প্রলেপ দিলে উপকাৰ পোৱা যায়।

২৫৮। ছজিনা গছৰ শিপাৰ ছাল, সমপৰিমাণে সৰিয়হ বতি প্রলেপ দিব লাগে।

২৫৯। ছোৰাতৰ শিপা খুন্দি লগাব লাগে।

২৬০। ত্রিফলা চূর্ণ, মৌ বা ঘিউৰ লগত ৰাতিপুৱা খালে ৰোগ ভাল হয়।

জিভাৰ ঘা

২৬১। বহৰ মাহৰ কেঁচা পাত কেইটামান চোবাই খালেই ভাল হয়।

২৬২। গুহানি বনৰ ফুল পাত চোবাই খালেও ভাল হয়।

২৬৩। মধুৰি গছৰ কুঁহি পাতৰ আগ ৩ টা পিহি জিভাত লগালে জিভাত হোৱা গুটি গুটি তৎক্ষণাত ভাল হয়।

খজুৱতি

২৬৪। নাৰিকল তেলৰ লগত নেমুৰ ৰস মিহলাই খজুৱতি হোৱা ঠাইত লগালে ভাল হয়।

২৬৫। এচামুচ বিলাহী ৰসত ২ চামুচ নাৰিকল তেল মিহলাই লগাব লাগে।

ৰক্তসাৰ

২৬৬। ভুকুমাহ্ মিচিৰি অমিতাৰ আঠা একে ৰবণীয়া গৰুৰ গাখীৰৰ লগত অলপ মান চেনি মিহলাই খোৱাব।

ৰক্তপিত্ত

২৬৭। দুবৰি বনৰ ৰস মৌ'ৰে খাব।

২৬৮। বাহ্কৰ পাতৰ ৰস মৌ'ৰে খাব।

২৬৯। ৰবচা বনৰ শিপা, অমিতাৰ আঠা ৪ টোপ, নিৰ্জলা, এৰা গাখীৰ নাকেৰে উজাব। মুখে ৰক্তপিত্ত উঠিলে যাব।

আংমৰা

২৭০। পাৰ চৰাই গু আৰু সৈন্ধ্যা লোণ পুৰি পুৰুষাঙ্গত লগালে লিতা অঙ্গ দুৰ হয়।

খৰাই হাগনী

২৭১। চূণৰ পানী আৰু হালধী মিহলাই ৰাতি শোৱাৰ আগতে খাব। একে দিনাই ভাল হয়।

উদফাই

২৭২। ৰবাব টেঙাৰ শিপা, শিলিখা, আদা আৰু সৈন্ধ্যালোণ নিতৌ পুৱা দুই তোলাকৈ খালে উদফাই গুছে।

ওখহাসাৰ

২৭৩। যম লাখুতিৰ ৰস গাখীৰৰ লগত খালে ওখহা সাৰ গুছে।

উধফাই বা হাপানী

২৭৪। কাহি বন বা কঁহুৱা বনৰ শিপা কপৌ ঢেকিয়াৰ শিপা, বগৰী গছৰ শিপা, আৰু গোল মৰিচ সকলোৰে আধা পোৱা ওজনৰ লৈ পৰিষ্কাৰ কৰি শুকাই লব। সকলো বিলাক পতাত পিহি গুড়ি কৰি লগত আলুক গুড়ি মিহলাই ফুলি মদৰ লগত মাৰিব দেখিব ঔষধ মিহি হৈছে। পাছত ২ চামুচ পৰিমাণ লৈ ৰোজ কৰি খাব। সকলো প্ৰকাৰৰ হাপানী ভাল হয়।

২৭৫। ডাঙৰ বাদুলী তিনি দিনে তিনিটা ভালদৰে ৰন্ধাই তাৰ জোল খাব ভাল হব।

প্ৰসুতাৰ

২৭৬। বগৰী গছৰ পেটত ওলোৱা গোৱালীৰ মাংস কাটি মাটি মাহৰ সমান লৈ এটা আলুকৰ চাৰি ভাগৰ এভাগ লৈ বটি খুৱাব। একে দিনাই ভাল হয়।

বিহ ফোঁহা পথালি বেঁৰাৰ

২৭৭। চতিয়নাৰ আঠা একে উশাহে তললৈ নমাই তিনিবাৰ মোহাৰি দিব। তাৰ পিছত বহি খাব।

পোৰা গাম

২৭৮। নাহৰ গুটি ধুতুৰা গুটি নুগুচে মানে লিপি দিব।

এন্দুৰীয়া

২৭৯। বৰুণৰ পাত বামি মাছ দি ৰান্ধি খাব। লগতে লোণ জালুক দিব।

শোৰ

২৮০। জালুক গুড়ি কৰি বেল পাতৰ ৰসত লোণেৰে খালে শোৰ, শৌচ বন্ধ আৰু কুমসাৰ গুছে।

২৮১। তংলটিৰ শিপা, ভেদালী লাতৰ শিপা, শ্বেত ভেদালিৰ শিপা, পাত আৰু গছৰ কাথ খালে গা ওখহা শোৰ গুছে।

২৮২। ক'লা তুলসি, বেলপাত মুথাৰ শিপাৰ কাথ খালে শোৰ গুছে।

দাঁতৰ এন্দুৰিয়া

২৮৩। গেন্ধাই ফুলৰ (নাজি ফুলৰ) পাত, জাই পাত্ৰ মইনৰ (কোট কৰা) কাইট বচ, কটকী তিতা আৰু পোৰা আমলখি (হলফলি) কাথৰে মুখ ধুব। ভাল হব।

সৰ্পৰ

২৮৪। বিহলঙনীৰ শিপা হাতত লৈ হে খোৱাৰ বিষ নামি আহিব।

কহুঁৰা লেং

সদায় কুঁহুৰ কুঁহুৰ কাহি থাকে। তাকে কঁহুৰা লেং বোলে।

২৮৫। তিতা ভেকুৰিৰ শিপা ভেদাই তিতাৰ শিপা, কেতাহি বেঙেনাৰ শিপা, ১৩ টা জালুক পিপলি দি খাব নাশ হব।

জ্বৰ তাপ হয় কাহ উঠে, বুকু, পিথি চকুত আৰু মুৰত ধৰে। তাকে চেঙেলিয়া লেং বোলে।

২৮৬। তংলটিৰ শিপা, কথানাৰ শিপা, দীঘলতিৰ ছাল, ১৩ টা জালুক পিপলি দি খাব নাশ হব।

তল পেটত ধৰে হাত দি থাকে জ্বৰ কাঁহ উঠে তাকে

তেকেলিয়া লেং বোলে।

২৮৭। পুৰা উধানৰ মাটি, শিমলুৰ আগ, বৰগুনি পুৰি খাব কৰি লব। অলপ খুন্দি ৰস লব। লোণ জালুক দি খাব নাশ হব।

খহনিয়া হিৰা - ঘা'ৰ মুখত উৰহি ভিন্দাকাৰ হয়। পকি যায়, খহি যায়, দুৰ্গন্ধ হয়।

২৮৮। আজ্ঞাচিতাৰ মূল ২ তোলা, তুতিয়া ২ মহা বাতিব। পকা তেলেৰে তপতাই ঘাত দিব, ঘা শুকায়।

তালুত বোবোৰা হয়, কণ্ঠত বেদনা কৰে তাৰ ঔষধ।

২৮৯। হাইথাৰ বাকলি, কণানাৰ ছাল, লোণ, জালুক দি পগাই খাব।

কছুবালেং - দুই কোষে কাষে ফুটি যায়, নাড়িত খামোচ মাৰে জ্বৰ কাঁহ হয়।

২৯০। আজ্ঞাচিতাৰ শিপা, যকণৰ ছাল, ভেজাবতীৰ শিপা, তেজমুইৰ শিপা বনজিৰা, জালুক পিপলি দি পগাই খাব।

তেজসাৰ ব্যাধি স্ত্ৰীলোকৰ হয়, যোনি দ্বাৰে তেজ যায়।

২৯১। যোগি এৰি পাত, মৰাণ আদা সমে খাব নাশ হব।

২৯২। কঠলোৱাৰ আগ পাতত দি খাব।

২৯৩। জেতুকাৰ পাতৰ ৰস, ১৩ টা জালুক পিপলি দি খাব নাশ হব।

তেজ সাৰতকৈ অধিক তেজ যায় তাকে শৰীৰ ভঙ্গা বোলে।

২৯৪। কেহেৰু ছাল, বনসঠৰ শিপা, ১৩ টা জালুক পিপলি দি খাব।

২৯৫। বাতত ভঙা খোলাকতি, কনাই শিমলুৰ আগ, জাপৰি বাঘিনীৰ মূল সবাকো বতি খাব নাশ হব।

অলপ মান পুৰে বিন্দুপৰে তাকে বিন্দুসাৰ বোলে।

২৯৬। দেউতৰাৰ মূলৰ ৰস, নিয়ৰৰ পানী, এৰা গাখীৰেৰে খাব।

সঘনে পেচাব কৰে, পুৰা অলপ পেচাব কৰাৰ পিছত গোটা ধৰি আছে। তাকে হা ব্যাধি বোলে।

২৯৭। ভেকুৰিৰ গুটি ধুই বটিব এৰা গাখীৰেৰে খাব। গোটা ভাঙি ওলাই আহিব।

২৯৮। আমৰ চাল, কেচেৰু ছাল, চামা কচুপুৰিৰস লব। একে বৰণীয়া গৰু গাখীৰেৰে

খাব গোটা ভাঙি ওলাব।

২৯৯। কনি বিহুৰ চাল আনি কনিষ্ঠ আঙুলিৰ সমান একপাহ বতি একে উশাহ ৰৰি কৰি পকা মালভোগ কলৰ ভিতৰত ভৰাই তিনি পাত কুজি থৈকেৰা, অকমান য'খাৰ দি খাব নাশ হ'ব।

গৰ্ভ মূদ গৰ ওলোৱাৰ লক্ষণ'- পেট ফুলে গাঠি ধৰে শৌচ কৰিব নোৱাৰে সঘনে পেচাব হয়। তাক পুৰুষৰ ৰক্তসাৰ বোলে।

৩০০। ঔটেঙাৰ বিজল একে ৰকণীয়া গৰুৰ গাখীৰেৰে খাব।

ঘোৰাৰ ঘা'ৰ ঔষধ

৩০১। তাৰ্পিন তেল, তুতিয়া, আমৰাৰ ছাল, ৰৰ জামৰ ছাল, আমৰ ছাল, মৌ সিজাই পানীৰে ধোৱাব ভাল হ'ব।

শুকোৰা ঔষধ

৩০২। কৰকৰা ভাত, ভাং এক তোলা ভাজি ছাই কৰিব। চিতল মাছৰ বাকলি পুৰি চাই কৰিব ঘাত বান্ধি দিব।

নাভীৰ পৰা জিহ্বা বাঢ়ে

৩০৩। চামাকচুৰ মূল, আমলখি, য'খাৰ সমে বতি খাব নাশ হ'ব।

মোৰৰ ঔষধ

৩০৪। জাতি আদা, মৰাণ আদা, সক মানিমুনি সৰাকো খুন্দি ৰস খাব নাশ হ'ব।

দাঁত কেঁটৰ

৩০৫। পিপলি, ঘিউ, মৌ, মুখত লৈ থাকিলে দাত কোত ভাল হয়।

গাক চকলিয়াৰ ঔষধ

৩০৬। কলাখাৰ, কাঠফুলা, কেছেক চাল, ভাত ঘিলাৰ ছাল, কাছৰ মুঢ় সকলোকে পুৰি বাঁহত দিব ভাল হ'ব।

পেট কামোৰণি

৩০৭। তিতা জবাৰ শিপা, নিলকণ্ঠৰ শিপা, তৰা গুটি, মৰাণ আদা সৰাকো বতি গৰম কৰি খোৱাব।

আন্তকবালি বা পেট কামোবনি

৩০৮। কাছুৰ মুঢ়, বাঘৰ দাঁত পিহি খোৱাব।

খাপৰি

৩০৯। বগা আজ্ঞাচিতাৰ মূল, বগা ভাতমেলেৰে খাব।

পেট কামোৰণি

৩১০। মৰাণ আদা, বকুল ছাল, লোণ, জালুক, পিপলি দি তেলা কৰি খাব ভাল হব।

গলবেথাৰ

৩১১। আকনৰ আঠা, চতিয়নাৰ আঠা কনকবিৰা সবাকো বটি লিপি দিব।

৩১২। এলাচু পুৰি চাই কৰি খুৱাব।

বাৰ্যে খুৱাৰ বিষ

৩১৩। কোৱা ভাতুৰিৰ আলু, চামাকচুৰ আলুৰ, কৰ্ণে পাত, আলকচুৰ আলু, জাতি আদা সকলোকে বটি ঘাত দিব ভাল হব।

দাত ৰোগ

৩১৪। বিৰিলাৰ দক্ষিণৰ শিপা তেলত কোমলাই দাতন কৰিব।

বলিয়া মেছ খহুৰ

৩১৫। বাজা ঔৰ আগ ৫ টা, লতা মাহদিৰ আগ ৫ টা, মধুৰি আমৰ আগ ৫ টা, বচ এডোখৰ, ৰবাহ এডোখৰ, লোণ, জালুক পিপলি দি পগাই খোৱাব।

পিত্তৰ

৩১৬। চাল কোঁৱৰিৰ পাত, খলিহা মাছৰ পিত, বেলি পকাৰ আলু, জাতি আদা, আজ্ঞাচিতাৰ মূল, বিয়নি সাবোতাৰ শিপা, চেঙেলী মাছৰ মুৰ সবাকো একত্ৰ কৰি লোণ জালুক পিপলি দি পগাই খুৱাব।

দেউভুটৰ ঔষধ

৩১৭। মহৰ সিং এডোখৰ পুৰি চাই কৰিব। মাইকী মানুহৰ চিতা চুলিৰ চাই, নৰসিংহ, ভকৰাকদমৰ ছাল, কচ, ৰবাহ, নহক, হিং, কপুৰ সবাকে একত্ৰ কৰি বটি অলপ খুৱাব ঘহি দিব।

মাইকী মানুহৰ যোনি দুৰাৰ বাজ হলে

৩১৮। মাটি কাদুৰিৰ পাত, মৰাণ আদা, লোন, জালুক পিপলি দি পগাই খাব।

নাৰি শুকনিৰ ঔষধ

৩১৯। শ্বেত ভেদাইলিৰ শিপা ৫ টা, আগৰাৰ আগ ৫ টা, শিপা ৫ টা, কন্দে টেঙাৰ ছাল, লোণ, জালুক পিপলি দি পগাই খাব।

চাহনিৰ ঔষধ

৩২০। কৰ্দ্দৈৰ ছাল, ঘৰুৱা বেঙেনাৰ ফুল, পানৰ আগ, বগা নহৰু, বচ, মৰাণ আদা, মৌ সবাকো একত্ৰ কৰি লোন, জালুক পিপলি দি একে বৰণীয়া ছাগলী গাখীৰেৰে খাব।

কাহঁৰ ঔষধ

৩২১। হু হুৰ চিকাৰ হিয়া, চকাৰ হিয়া, গেন্ধেলি পকাৰ হিয়া, মৰান আদা, বগা নহৰু, লোণ জালুক পিপলি দি পাগে খাব।

মাইকী মানুহৰ ঋতু স্নানৰ সময়ত পেট কামুৰে তাকে চুৰা কামুৰনি বোলে।

৩২২। লাউৰ শিপা, মৰাণ আদা, হিং, একে বৰণীয়া গৰুৰ গাখীৰৰ লগত খোৱাব।

৩২৩। গা, মুখ, ফিকায়েন দেখিলে চেঙেলি, গৰৈ মাছৰ লগত আম্ৰাচিতাৰ মূল সবাকে বতি পাতত দি খাব।

শিৰৰ পৰা বাঢ়ি যায়, বিষায়, খজুৱাই, পাছত ঘা হয়। তাকে হাতি কনিয়া বোলে।

৩২৪। পাৰিজাত ফুলৰ গুটি, কনক ধতুৰাৰ গুটি বতি লেদি দিব।

কানৰ ভিতৰে বিষায়, কানৰ তল বিষায় ফিকে তাক কান মোৰলি বোলে।

৩২৫। বৰুণৰ ছাল, মৰান আদাৰ ৰস দিব আৰু ঘহিব।

গলৰ দুইফালে বিষাই ও ফুলে, গল সেঙেৰায় তাকে গলবেৰা বোলে।

৩২৬। পানী হেলচি, বৰ আগৰা, মৰান আদা দিব নাশ হ্বব।

৩২৭। বনকুহিয়াৰ, কলা হালধি বতি দিব।

গলৰ দুইফালে কাইটে বিন্ধাদি বিন্ধে তাকে ভিনি কৌহিয়া বোলে।

৩২৮। তেজমুইৰ শিপা, কাঠাওাৰ ছাল বতি খাব।

পিঠিৰ বিষত খহি বোৱা যেন হয়, বুকু বিষায়, সোপা মাৰি ধৰে তাকে সোকাখন বোলে।

৩২৯। বকুলৰ ছাল আধা তোলা, পিপলি আধা তোলা, ঘিউ ২ তোলা গৰম কৰি খাব।

বুকে পিঠিয়েদি ফুটি যায় যেন লাগে তাকে হৃদিশূল বোলে।

৩৩০। চামাকচু, কলৰ ভিতৰত ভৰাই খাব নাশ হব।

নাভীৰ ভিতৰত গোলমাল কৰে পেট পাক
মাৰি ধৰে তাকে পেটশূল বোলে।

৩৩১। বঙা উলু, খেৰৰ শিপা, তিতা জবাৰ শিপা খুন্দি ৰস খাব।

ফেতা মৰা মৰি দি ফুৰে তাকে কুচিয়া মোৰ বোলে

৩৩২। চেঙ মৰাৰ আলু, পিপলি ২১ টা, জালুক ২১ টা দি গৰম কৰি খাব।

নাভী পকায়, অম্লউগাৰ আছে, বতি আহে তাকে
আম্লাপক বোলে

৩৩৩। আলাহু, তেল, লোণ দি মিহলাই খাব।

নাভিৰ তলত খোচ মাৰি ধৰে কামোৰা কামোৰি কৰে তাকে
পেত শূল বোলে।

৩৩৪। আমৰাৰ ছাল, উৰি আমৰ ছাল, ভেৰ গছৰ ছালৰ ৰস উলিয়াই তপতাই খাব নাশ হব।

৩৩৫। পথৰুৱা বিলকণি, মৰাপ আদা, জালুক, পিপলি, লং সমে খাব নাশ।

কুমৰ পৰা দুই কাষে দুই খলপা নাভীলৈ বাবে তাকে
মৌ বিচনীয়া বোলে।

৩৩৬। চামা কচু, ষ'খাৰ কটাহি বেজেনাৰ শিপা, জালুক পিপলি দি বতি খাব।

চেং চেং ভকভক কৰে দুটা তিনিটা গাজনি মাৰে তাকে
বাজ পিৰা বোলে।

৩৩৭। ডালিমৰ ছাল আৰু পাত পিহি লিপি দিব।

পাৰ বান্ধি গেলি খহি যায় তাকে খহা বাজ পিৰা বোলে।

৩৩৮। ভত্তা সাঁকো, সিন্দুৰ, গড়ৰ খৰ্পৰ গোঁৰা, ভকান কুজি থৈকেৰা, সবাকো বতি লিপি দিব।

চকলা দি উঠে, পুৰে ভকভকায়, তেক তেকিয়া হয়

তাকে উভতা বাঘচু বোলে।

৩৩৯। কলিয়া হালধী, আৰকচনৰ মূল, নীলকণ্ঠ, কৰৈ গছৰ ছাল, জালুক ২ টা, পিপলি লোণ সমে খাব।

৩৪০। মৌৰ চাক, আদাৰ পাত, বাঘ পৰুৱাৰ বাঁহ পুৰি চাই কৰি মিহলাই নাক, বুকুত আৰু কপালত ফোট দিব। কিছু খাব।

নাভী পকায় বাতি আহে তাকে উকালী ভেদ বোলে।

৩৪১। কদমৰ দক্ষিণ ফালৰ ছাল নাভীৰ জোখৰে উভতাই আনিব। ডেৰটা জালুক পিপলি লোণ সমে খাব।

বাঘচুৰ ঔষধ

৩৪২। তাৰাৰ শিপা, পাতি দৈৰ শিপা বতি খাব।

উকালী ভেদৰে

৩৪৩। লাউখোলা, তলৰ বেতু, লোণ, জালুক পিপলি দি খোৱাব।

দখৰ, বাঘচুৰ, শন্নিপাত

৩৪৪। বিহ ঢেকীয়াৰ শিপা, তিতা কচিৰ শিপা, তেজমুইৰ শিপা, দক্ষিণ ফালৰ কনি বিহৰ ছাল, দীঘলতীৰ আগ, লোণ, জালুক দি বতি বড়ি কৰি, দিনে তিনি পালিকৈ খাব।

৩৪৫। সূৰ্য্যকান্তি ফুলৰ শিপা, লোণ, জালুক তপতাই খাব।

দবোৰা কাথ যেন তান হৈ যায় তাৰ ঔষধ

৩৪৬। বঘুমল্লাৰ আগ, বৰপুনিৰ খাব লিপি দিব ভাল হব।

বনমালাৰ গুটি যেন বিয়লি যায় তাকে কলিয়া বাজ পিৰা বোলে।

৩৪৭। বিয়নী সাপতাৰ আগ, গৰু খিচ বতি দিব।

গল বেৰাৰ

৩৪৮। জাপ তগৰৰ শিপা, জালুক ২ টা, পিপলি আঢ়েটা সমে খাব। যদি নিজে খাব নোৱাৰে কলৰ থুৰিত ভৰাই দিব।

গল ফিকে, বিষায় তাকে গল বেৰা বোলে।

৩৪৯। কঠনাৰ (কাঠাগুৰ) চাল, তেজমুইৰ শিপাৰ ৰস খাব সিঠাখিনি লিপি দিব।

গল ফিকে বিষ কৰে তাকে বাঘমুয়া বোলে।

৩৫০। আকনৰ আঠা, চতিয়নাৰ আঠা, অকল বিহুৰ শিপা বতি দিব নাশ হব।

পেট বৈ পৰে, গা-চেঁচা পৰে, গা-ঘামে তাকে কুমহাৰ বোলে।

৩৫১। তেজমুইৰ শিপা, চেঙ্গামৰাৰ পাত, কলা অপৰাজিতাৰ শিপা একত্র কৰি চেনি মিহলাই খাব।

হাৰিণী ৰোগৰ ঔষধ

৩৫২। ৰঙা হালধী, ৰঙা কুহিয়াৰৰ গুড়, ঘিউ সমে বতি পানী নিদিয়াকৈ তেপা কৰি খাব।

দুই এদিন কৰি নাকেৰে তেজ যায়।

৩৫৩। পানী সতৰ আগৰ ৰস নাকেৰে উজাব।

৩৫৪। উভতাসতৰ আগ সাতটাৰ ৰস, মাটি কান্দুৰিৰ আগ তিনিটাৰ ৰস নাকেৰে উজাব।

মুখে, গুহ্যে তেজ যায় পেট, বুকু বিষায় তাকে গৰ্ভ হৰিণা বোলে।

৩৫৫। মাটি কান্দুৰিৰ আগ, হৰিণা পহুৰ পেটত থকা পোৱালিৰ মাংস, ভুইতিতাৰ আগ, হৰ পহুৰ সিং বচুচ, জালুক আঢ়ৈটা পিপলি ২ টা লোণ সমে পগাই খাব।

শিৰা বেমাৰৰ

৩৫৬। জবা টেঙাৰ পাত ৩ টা, কনাই শিমলুৰ আগ ৩ টা, জালুক ৯ টা, লোণ দি বতি খাব।

সাৰ বেমাৰ

৩৫৭। কেঞা (কেচা) কঠালৰ কুহি তিনিটা, ভলুকা বাঁহৰ পিপলি তিনিটা, পুৰণি কুহিয়াৰৰ গুৰ দি খাব।

খৰৰ

৩৫৮। দহিকচুৰ শিপা, পানী নহৰৰ শিপা, মালভোগ কল গছৰ পানী, ছাগলীৰ গাখীৰ, মানুহৰ গাখীৰ, অসমীয়া খৰ পাতৰ ৰস, বঙালি খৰ পাতৰ ৰস গোলাই সাত দিনৰ পাছত খাইব।

ডোম জ্বৰ

৩৫৯। বাঘ দুদ পিহি কপালত ফুট ললে ভাল হয়।

সৰ্ব্ব জ্বৰ

৩৬০। ভাত গিলাৰ ছাল, পেতৰি ছোৱাৰ ছাল দুইকো মৌ সমে খালে নাশ হব।

পুৰা জ্বৰ

৩৬১। নিমৰ কুঁহি, বগৰিৰ কুঁহি বতি ৰস মুৰত ভৰণ দিলে জ্বৰ গুছে।

সিব জ্বৰ

৩৬২। পশ্চিম ফালৰ শিমলুৰ ছাল, পানী মদাৰ ছাল আৰু শিপা বতি ভৰণ লব।

কাঁহৰ দৰব

৩৬৩। ভাত ঘিলাৰ শিপা, বেঙেনাৰ আগ, য'খাৰ জালুক পিপলি দি খাব।

• গাত বিষ হয় অলপ জ্বৰৰ নিচিনা হয়, পাতল কাঁহ ধৰে তাকে গৰকা লেং বোলে।

৩৬৪। জৰা টেঙাৰ মূল, তেজ মুইৰ মূল, লং ফুল, কেটাহি বেঙেনাৰ মূল, মাতি কান্দুৰীৰ মূল, কেটেলা পহৰ ভুৰু, লোণ জালুক পিপলি দি সবাকে একত্র কৰি ১০০০ লিটাৰ পানীত সিজায় ২৫০ ৰাখি দিনে তিনি তোলা পৰিমাণে খাব

কাকৰি লেং

৩৬৫। চতিয়নাৰ ছাল, তৰাৰ গাজলি ও গুটি লোন জালুক পিপলি দি বতি খাব।

দুই গুখলি ভাঙি সোমাই যায় হেন্দুলনি তোলে গাত জ্বৰ হয়। তাকে ধাই লেং বোলে।

৩৬৬। চিচিবিজ জবাৰ মূল, গোবৰত থকা মোঠাৰ মূল, বাত জবাৰ মূল, তেজমুইৰ মূল, মৰান আদা সবাকে একত্র কৰি লোন জালুক পিপলি দি তপতাই খাব।

কুহঁৰ কুহঁৰ কাহি থাকে গা বিষায় জিহ্বাৰ দুইফালে ফুঁহা হয় তাক বলিয়া লেং বোলে।

৩৬৭। ৰবালি মাছৰ দাৰব চাই, আইতৰ গুকান চালৰ চাই সবাকে একত্র কৰি এটোলা মান পানীত মিহলাই দিন ৩ খাব।

গাত জ্বৰ হয় কাঁহি থাকে মানেবে নুশুনে একে ফালে চাই থাকি বব মন কৰে তাকে কলালেং বোলে।

৩৬৮। আৰকচনৰ মূল, জালুক ১৩ টা, বচ, তিকনি বৰুৱাৰ মূল, লোণ, পিপলি দি খাব নাশ।

যমকতিকাৰ ঔষধ

৩৬৯। দিঘলটিৰ শিপা, চাকলৰি গুটি, ভেদাই তিতাৰ পাত, বন নহৰ মূল, কনাৰি ফুলৰ মূল, তিতা কচিৰ মূল সবাকে বতি খুৱাব।

৩৭০। বৰ সোনবৰিয়ালৰ মূল, লাইৰ গুটি, তামুল গছৰ মূল সবাকো বতি লিপি দিব।

আজঠাৰ

৩৭১। পঘা কুনঠি, মৰাণ আদা, নাহৰ ফুল সবাকে বতি লিপি দিব।

৩৭২। আমৰাৰ গুটি, থৈকেৰাৰ গুটি, কণাৰিৰ গুটি, পঘা গুনঠি সবাকো বতি চাই কৰি লিপি দিব।

হেদালিৰ

৩৭৩। তাৰা গুটি ১টা, জালুক ২১ টা, মৰিচ ২১ টা সবাকো বতি খোৱাব নাশ।

সবাৰ (মুৰত হয়)

৩৭৪। আঠিয়া কলৰ দক্ষিণ ফালৰ শিপা, জালুক পিপলি দি খাব।

৩৭৫। বন কপাহ, নহৰ, বনমৰা, এলাজুপুৰি চাই কৰি লব। একে বৰণীয়া গৰুৰ গাখীৰেৰে খাব।

পুৰা গামৰ

৩৭৬। বেতৰ গাজা, জালুক সমেপিহি লেপি দিব।

গৰু মহৰ বিৰালী হলে

৩৭৭। হিং ২ তোলা, জালুক ২ তোলা, লাই গুটি ৫ তোলা, বৰ বেঙেনা এটা পুৰি গধুলি নিৰায় থৈ পুৰা মিহলাই খোৱাব ভাল হয়।

গৰু মহৰ পোৱালি মৰিলে

৩৭৮। জেঠিৰ নেজ এডোখৰ, কাউৰিয়ে হাগা পাত এখিলা মিচাল কৰি খোৱাব পোৱালি নমৰে।

গৰু মহৰ জল নসৰিলে

৩৭৯। উতনুৱাৰ চাল এডোখৰ, কল পাতৰ নাই মিহলাই খোৱাব তথক্ষনাত জল সৰিব।

জিন প্ৰসুতাৰ

৩৮০। ভেদেলি লতা, ওলাই অহা কলডিল, বিহলঙনিৰ শিপা, ববচা বনৰ শিপা, কাছৰ মুৰ, আহু চাউল, বৰকচুৰ ঠাবি শুকতা, লোণ জালুক দি পকা তেলত দি ভাজি খাব।

গৰু বাঁজি হলে

৩৮১। শিলগুটি ১টা, জাতি লাউৰ শিপা ১টা, তিনি শুৰিয়া পথাৰে পিন্ধাব লাগে পোৱালি হব।

বন্ধ্যাহৈ থকা বা ঋতু নোহোৱাৰ ঔষধ

৩৮২। নলৰ খৰিছা, নগাপান, গন্ধদৈ কথাৰ চুঁচ, পুৰণি গুড়, মৰাণ আদা, গৰুৰ গাখীৰ দৈ কৰি বোকাত পুতি থব সকলোকে একত্ৰ কৰি খুৱাব ভাল হব।

ঘা, শুকোৱাৰ ঔষধ

৩৮৩। হৰিণাৰ মাংসে বতি ঘাত দিলে ঘা শুকাব।

আঙ হোৱাৰ ঔষধ

৩৮৪। মৰাণ আদাৰ ৰস, জালুক, পিপলি, চাধা, ধপাত মিহাল কৰি নাকেৰে উজাব।

ঘুমুৰ ৰোগ

৩৮৫। আহু চাউল তিনি মুঠি, লাই জাবৰি, নহৰ পাত তামোলৰ শিপা একত্ৰ কৰি ভাজি খাব।

লৰাৰ চাহনিৰ ঔষধ

৩৮৬। নগাপান, মানিমুনি, লোণ, জালুক পিপলি দি বতি খাব নাশ হব।

মুদগৰ

৩৮৭। ভাজাৰতিৰ শিপা, চেঙেলিমাছ, লোণ জালুক পিপলি দি বতি খাব।

তেজসাৰ

৩৮৮। বাহকৰ পাত, আৰৈ চাউল সমে খুন্দি খাব। প্ৰায় তিনিদিন মান খালে ভাল পাব।

তেজ গ্ৰহনি

৩৮৯। ঔফুল, কেঁছা ভীম কলৰ ৰস, জাম গছৰ গাখীৰ খাব লাগে তেতিয়াহে ভাল হব।

ৰেচুৰ ঔষধ

৩৯০। মেদেলুৱাৰ গুটি, নেমুটেঙাৰ গুটি, লৰ বকৱাৰ পাত বত্তি লেপি দিব।

৩৯১। বন তুলসিৰ আগ ৫টা, দীঘলতিৰ আগ ৫টা, মধুৰিআমৰ আগ ৫টা সবাকো একত্ৰ কৰি বান্ধি দিব লাগে।

৩৯২। আকনৰ পাত পুৰি চাই কৰিব, চিতল মাছৰ বাকলি পুৰি চাই কৰিব, সিজুৰ আঠা সবাকো একত্ৰ কৰি বেওচা ঘাত বান্ধিব নাশ হব।

লেং কাঁহৰ

৩৯৩। সাচিয়া বন, সক মানিমুনি, কুছিয়া মাছৰ মুৰ, চেঙ মাছৰ মুৰ, লোণ জালুক দি খাব নাশ হব।

পেট কামোৰণি

৩৯৪। বৌ মাছৰ পিত, দ্ৰুণ বনৰ শিপা বৰি কৰি খাব নাশ হব।

হাগনি মোৰৰ

৩৯৫। মেদেলুৱাৰ পাত, দ্ৰুনবনৰ শিপা, লোণ জালুক দি খাব।

ভাত খাওঁতে, বা পানী খাওঁতে বুক চুটি যেন লাগি ধৰে

৩৯৬। ঔৰ বিজ ৩বা ৫ কোহা, চুমৰ ঘট ৯টা, মিচকুৰিৰ দক্ষিণৰ ছাল, গছ মাছদিৰ দক্ষিণৰ ছাল, কঠালৰ মুচি, কেচা কলিৰ কোঁহ ৩/৫ টা খুন্দি অলপ পানী দি খাব।

লৰা ছোৱালী নোহোৱা নাৰীৰ

লৰা ছোৱালী হোৱা ঔষধ

৩৯৭। জবা ফুলৰ ২১পাহ, বিজলৰ ফুল ২১ পাহ, খলিহা মাছ ২১টা, পাছলীৰে বান্ধি ভাতৰ লগত খাব। ঋতু স্নানৰ সময়ত।

কুখাপৰি ওলোৱাৰ লক্ষণ

মতা মানুহৰে সোঁহাতে বাঢ়ি যায় বিষায়, অলপ জ্বৰ উঠে তাকে কুখাপৰি বোলে।

৩৯৮। কলি চেউৰী গৰুৰ মুত, সিলিখা গুটি, ব'খাৰ, কড়ি ১টা ভৰাই থব। কড়ি গেলিলে খোৱাব।

পেটৰ ভিতৰত চপৰা হৈ আহে বিষ হয়, পাতল জ্বৰ গাত থাকে, অলপ কাঁহ ধৰে, বুকুত বিষ কৰে তাকে বুক খহ বোলে।

৩৯৯। পৃথিৱী শলাৰ ৩/৫ টা মূল, ২১টা জালুক পিপলি লোণ দি গৰম কৰি খাব। বলিয়া মাছ, টেঙা গাখীৰ, গুড় খোৱা নিষেধ।

নাকেৰে পুজ যায় তাকে নাসিকা বোলে।

৩৯৯। বনশঠৰ মূল, কলা গৰুৰ মুতেৰে খাব ভাল হব।

চকু ৰঙা হয় বিষায় তাকে চকুশূল বোলে।

৪০০। পনৌ নৌৱাৰ ৰস উলিয়াই চেকি চকুত দিলে চকুশূল ভাল হয়।

চকু পিৰ পিৰায় খুজুৰাই ঘা হয়, পানী ওলাই তাকে অঞ্জল পলাশ বোলে।

৪০১। শ্বেত অপৰাজিতাৰ ফুল তিনি তোলা, ১০ তোলা পৰিমাণৰ পানীৰে ১ সপ্তাহ ধুব নাশ।

চকাচন্দা

এই বেমাৰে চকাচন্দা দেখে, ৰশ্মি হিন কৰে।

৪০২। বেলপাত, কেচাহালধী আলক্ষনিৰ ৰস উলিয়াই বাহি চকু ১সপ্তাহ ধুব ভাল হব।

গাত বিষ হয় অলপ কাঁহ হয় ও পাতল জ্বৰ হয় তাকে গৰকা লেং বোলে।

৪০৩। বনবাজৰ মূল, তেজমুইৰ মূল, লংফুলৰ ফুল, কেতাহি বেঙেনাৰ মূল, মাটি কান্দুৰিৰ মূল, কেতেলা পহুৰ ভুৰু, জালুক, পিপলি লোণ সকলোকে ১ তোলা পৰিমাণে লব। ১সেৰ পানীত সিজায় ১ পোৱা মান ৰাখি বটলত ভৰাই থব। ১ সেৰ পানীত সিজায় ১ পোৱা মান ৰাখি বটলত ভৰাই থব। দিনে তোলা পৰিমাণে খাব নাশ হব।

হেন্দালি কামোৰণি পেট কামোৰে পুৰে তাৰ ঔষধ

৪০৪। তাৰাৰ গুটি ১টা, মৰিচ ২১টা, জালুক ২১টা সবাকো বতি খোৱাব।

৪০৫। বচ, নহৰ পুৰি চাইখিনি মিঠাতেলেৰে গাত ঘহিব।

ঋতু বন্ধ হৈ থকাৰ ঔষধ

৪০৬। মাখিয়তিৰ মূল, তামোলৰ শিপা, ৰকণৰ ছাল সবাকো বতি খোৱাব।

পেচাবৰ আগ খুজুৰৱই পুৰে তাকে মুতখৰ বোলে

৪০৭। চেঙেলি মাছ তিনিটা, চেঙমৰা তিনি আঙুল মিহি কৰি নহৰ দি তেল নিমখ

নিদিয়াকৈ সিজাই বড়ি কৰি খাব।

পেট পুৰে, পেচাব কম, পেচাবৰ আগ পুৰে তাকে গৰ্ম্মিৰোগ বোলে

৪০৮। বোন্দাকেচুৰ ৰস খুৱালে নাশ।

কুহুম সাৰ ব্যাধি

৪০৯। অশোকৰ দক্ষিণ ফালৰ ছাল একে বৰ্ণীয়া গৰুৰ গাখীৰৰ লগত খাব।

বিষৰ

৪১০। চৈ পানৰ শিপা, গৰুণ চৈৰ শিপা, তেজমুইৰ শিপা, বাঁহ গছৰ বাঘ পৰুৱাৰ বাহা সবাকে একত্ৰ কৰি জালুক আধা পোৱা ২৪ মছলাৰ সহিতে জোল কৰি খোৱাব লাগে কুকুৰা এটাৰ লগত খোৱাব।

চুৰা কামোৰনি

৪১১। ডালিমৰ ছাল, টেঙাৰ ছাল, পকা ঢচন্দুলিৰ ছাল, কলপাতৰ ৰসৰ লগত খোৱাব।

গৰলৰ

৪১২। বগা সৰিয়হ, মোন্দাৰ ছাল আৰু গুটি পিহি বান্ধিব।

আঠু কামোৰণি

৪১৩। কটিয়া বিহমনাৰ শিপা, সোন বৰিয়ালৰ শিপা, আঠিয়া কলৰ শিপা, জামিনী ককৰা সবাবো ৰস তপতাই খোৱালে ভাল হব।

পোৰা গামৰ

৪১৪। তিকনি বৰুৱাৰ আগ, বভা পুৰেৰ আগ, চোৰাতৰ শিপা, তিনিকো খুন্দি লগাই দিব।

গুলা হাওৱা

৪১৫। কটিয়া বিহমনাৰ শিপা, তিতা ভেকুৰিৰ শিপা, সোন বৰিয়ালৰ শিপা খুন্দি গৰম কৰি ৰস খোৱাব ভাল হব।

পাচ শূল অহাৰ

৪১৬। বগা নহৰ ৭ কুটা, দুৱাৰত লাগি থকা চুন, কেতাহি মেছেলাৰ ফুলৰ ৰস খুন্দি খোৱাবভাল হব।

মাইকীৰ গাখীৰ ওলোৱা দৰৱ

৪১৭। ভেদালি লতাৰ আগ, তং লতিৰ আগ, মেচাকিৰ আগ সৰু মানিমুনি, জালুক খুন্দি ৰস খোৱাব।

বায়ু নাশিনি

৪১৮। পকা ভীম কল, কেচা তিল, মাটি মাহ, চাল কুৱৰি, পুৰণি থৈকেৰা, পদুমৰ চকা সবাকো গেলাই মুৰত ভৰণ দিব ভাল হব।

দাত পোকৰ

৪১৯। বৰ কচু, মাল ভোগ কলৰ গেলা আলু, দুবৰি বন ৫দাল, আৰৈ চাউল ৫টা, নহৰ ১টা, সোন বৰিয়ালৰ শিপা, টেকেলিত সিজাব লাগে। ৰাতিপুৱাই সূৰ্য্যলৈ সেৱা কৰি লগে লগে সূৰ্য্যলৈ চাই হাঃ হাঃ কৰিব ভাল হব।

আদকপালি

৪২০। সৰু বৰিয়ালৰ আগ আনি হাতত মোহাৰি সূৰ্য্য উদয় হোৱাৰ পূৰ্ব্বে তিনি আলিৰ মুৰত বহি মাটিত দুই ফুটামান ৰস পেলাই দি তাতে ঔষধ দি ঘহিব। ঔষধ দুই ভাগ কৰি দুয়ো হাতে লৈ তাতে সাতোটা মুখ কৰি মাৰি ভৰিব তুলবাত ৭ বাৰ ঔষধ মুছি ঔষধটি বিষ হোৱা কুমত তিপা মাৰি থব। তেবে আদকপালি, সূৰ্য্য কপালী নাশ।

৪২১। পচতিয়াৰ শিপাৰ ৰস, জালুক, গুড়, ছাগলীৰ গাখীৰ, গৰুৰ মুত সবাকো নাকেৰে উজাব।

এন্দুৰিয়া

লক্ষণ ঃ গোটেই গাতে হয়, গোটেই গাটো ফুটে গাত হৈ যায়

৪২২। সন্ধ্যা লোণ, হিং গন্ধকৰ গুটি, মদাৰৰ কুহি সৰা পান, চুন, বিয়নী সাবোতাৰ পাত গুটি কুৰি মাছেৰে দেওবাৰে বান্ধি খাব।

উৰ্দ্ধ ধায় (দিঙিলৈ কফ)

৪২৩। তিত ভোলৰ গুটি, ছতিয়ানৰ চাল, ভাত কেৰেলাৰ আলু টেঙা পনিয়াল, কাঠাগুৰ চাল, পগাই খাব।

৪২৪। জেতুকা, কাপা কানী, তিতা ভেকুৰি, সৰু বৰিয়াল ৰুদ্ৰাক্ষ খাব।

কলহুৱা

লক্ষণ ঃ পেটৰ ভিতৰত পানী জমি পেট কলহ যেন হয়। হাত ভৰি শুকায় যায়। পেটৰ ভিতৰত বিবায় আৰু কলিজা বেদনা কৰিলে বা পৰিলে এনেকুৱা ব্যাধি

হলে বা পেটৰ ভিতৰত হলে তাৰ ঔষধ ঃ-

৪২৫। ছজিনা গছৰ ছালৰ ৰস পুৰা গধুলি খাব।

৪২৬। আদা, ছজিনা আৰু মদাৰৰ চাল পেটত লেপ দিব।

৪২৭। হিং, সন্ধ্যা লোণ, ছজিনা চালৰ কাথ, গাৰু ছজিনাৰ শিপা ঠেটেলি ৰস খাব।

কাচো কামুৰি

লক্ষণ ঃ নাভিৰ ওপৰত কামোৰে।

৪২৮। মৰাণ, আদা, ৰখাৰ, পিপেলি সমে বতি খাব।

কান মুৰলি

লক্ষণ ঃ কানৰ তলত হয়, কগৰিৰ গুটিৰ দৰে ফিকি উঠে।

৪২৯। কাক মাছিৰ (কাউৰ ঠেঙিয়া) চাল, ৰকলৰ চাল বতি দিব।

৪৩০। ভয় বালৰ পাত বতি দিব।

৪৩১। কাঠেগুৰ ছাল, শিপা, সিজুৰৰ দক্ষিণৰ ছাল, তেজমুইৰ ছাল, বনচেইৰ গুটি বড়ি কৰি খাব নাশ।

৪৩২। চলিয়া লতাৰ ৰস ঘিলা সমে বতি খাব।

কুকুৰে খোৰা

৪৩৩। দ্রোনৰ আগ সাতোটা ঘিউত ভাজি নিতৌ খালি পেটতে ৭ দিন খাব। বিষ নাশ।

৪৩৪। বাঘ গোকা, ভোমোৰা পোকা দুয়োকো বতি দিব নাশ।

৪৩৫। খুতুৰা শাকত পৰা আহক (চাই) পোকা, বাঘ পোক, গন্ধৰ কলাই (কন্তৰি) তিনিকো বতি ৰোগীৰ বয়স অনুসাৰে ১ বতিৰ পৰা ৯ অনা সমানে কলৰ ভিতৰত ভৰায় খাব। গাত ঔষধে ধৰিলে মুৰৰ তালুত ভৰন দিব।

৪৩৬। কলা তুলসি, ৩ বছৰিয়া পুৰণি কলাখাৰ, পুৰণি কুজি থেকেৰা, ৰখাৰ, অফিং সবাকো বতি কামোৰা ঠাইত লিপি দিব ও ভৰণ দিব। ৰোগীৰ ৩/৪ বাৰ পেচাব হলে যেতিয়া পেচাবৰ ৰকল কিঞ্চিত তেজৰ ৰকল হয়, তেতিয়া দৈ গাখীৰ চিৰা আঠিয়া কল পেট ভৰাই খাব। পোৰণি বেছি হলে চেচা পানীৰে গা ধুব।

কুমটিয়া

লক্ষণ ঃ গাত হয় কুমটিৰ দৰে ফিকি উঠে।

৪৩৭। মৈৰা চিক্ৰুতাৰ আগ, আইঁতৰ মৰাচাল বাঁহ সমে পুৰি ছাই কৰি দিব।

৪৩৮। বগৰিৰ পাত, আগ, সৰু মানিমুনি ভদ্ৰা লতাৰ পাত তুতিয়া সমে বতি দিব।

৪৩৯। জাইফল, ধনিয়া, তুতিয়া সমে বতি লিপি দিব।

৪৪০। কাজল গৌৰি খাব নাশ।

কুহুম সাৰ

লক্ষণ ঃ প্ৰসুতা নাৰীৰ ভিতৰত বিপ্ৰ কুসুম আকাৰ পিতগোত আছে। সেই নাড়িত ৰস হলে শৰীৰ হালধীয়া বৰণ দৌখি, সৰ্ব্ব গাত উঠে জলন্বাৰে কুসুম বৰ্ণ পৰে তাকে কুসুম সাৰ বোলে।

৪৪১। দাৰমুখ, য'খাৰ, দাৰচুক, জায়ফল ১ফাল, জালুক ২১টা, লং ২১টা, বাৰ মছলা ১তোলা, কাঠেণ্ডাৰ দক্ষিণৰ চাল, লৰা তিতাৰ ছাল, বনশঠৰ শিপা, তিনিটা কৈ বড়ি কৰি ৫ দিন খাব। বগা চন্দনৰ ৰসত মাৰি খাব।

জায়মৰাৰ দৰৱ

৪৪২। আঠিয়া কল, পইটা ভাত, ঢেঙা গাখীৰ সহিতে একত্ৰ কৰি খাব।

৪৪৩। সোন বৰিয়ালৰ মূল, কুমাৰী খোলাৰ গুড়ি ১সেৰ, চন্দ্ৰ লতাৰ মূল, চন্দনৰ মূল, যনী ২তোলা, কাল জিৰা ২তোলা, জাই ফল ১ তোলা মিহলাই বড়ি কৰি খাব।

৪৪৪। গুৱামৰি, ছাল কুবৰি, ডালিমৰ গুটি, টেটুৰাৰ পাত সমান অংশে বতি চেকি গাখীৰ মিশ্ৰী সৈতে খাব।

৪৪৫। ডোম চোৰাতৰ দক্ষিণ খালৰ শিপা, ৰঙা উৰহিৰ শিপা, মনোহৰ কলৰ শিপা, তিনিকো চন্দন কৰি বতিব। পানীলাও মিহি কৰি কাটি লব। মগুৰ গাজি ২ পোৱা, ময়না গিৰি ধানৰ আৰৈ চাউল তিনি পিঠি লব। প্ৰথমে ২ তোলা মান তেলত লাও ও ঔষধ ভাজি লৈ দালি চাউল বহাই দি ভাত ৰান্ধি খাব। যদি ৰোগীৰ সহ্য নহয় তেনেহলে এখন পাতল কাপোৰ গাত দি শুব। ঘাম ওলালে ভাল পাব। ভাত-ৰান্ধোতে মনোহৰ কলৰ পাত পাৰি তাৰে ওপৰত বহি ৰান্ধিব ও খাব।

কুকুৰি কনা (গধূলি কনা বা নেদেখা ৰোগ)

৪৪৬। তালুত ও চকুত ঘিউ দিব।

কুঞ্জৰি স্বাক

৪৪৭। একশত দুবৰিৰ গাঠি, তেপোৰাৰ ছাল দুইকো বতি খাব।

কেঁচু মুৰিয়া - (অর্শ) (শৌচৰ দুৱাৰত হয়)

৪৪৮। কেচুৰ মুৰ ৫ টা কুমতিৰ মুৰ ৫ টা পুৰি চাইখিনি পিহি দিব।

৪৪৯। পকাপান, হালধী, হোকাৰ আঠা, আঠিয়া কলৰ বাকলি পুৰি সবাকো বতি দিব নাশ।

কোষ্ঠ পৰিষ্কাৰ ও ক্ষুধা বৃদ্ধি

৪৫০। সোনাৰুৰ পাত, জনি বাখাৰ, কলা লোণ, সিলিখা, আমলখি, পিপলি, ভঁমৰা সমাকে ভাজি ঢেকিত খুন্দি চালি নিতৌ পুৱাতে আধা তোলা প্ৰমানে গৰম পানী মিহলাই খাব।

খৰ

৪৫১। তুতিয়া, স্বৰ্ণা, ফিতকিৰি, গন্ধক, যখাৰ সবাকো ঘিউত মাৰি ব'দত দি খৰত দিলে ভাল হয়।

খাবৰি, পিলায় যকৃত

৪৫২। কলা গৰুৰ মুত ১ পোৱা, ঘোৰাৰ মুত ১ পোৱা, ভাল খোৱা তেল ১ পোৱা, যখাৰ ১ পোৱা, খাৰ ১ পোৱা, কলা লোন ৫ তোলা, সন্ধ্যা লোন ৫ তোলা, সোলঙ্গ তেটাৰ ৰস ১ পোৱা, নেমুটেঙাৰ ৰস ১০ তোলা, কলা কচুৰ খাৰ ১ পোৱা। এই সকলো খাৰ একত্রে সেই খাৰত বেজকচু (কেছু) এক পোৱা চকত পাগাই বোকা যেন গোত কৰি বগৰি গুটি পৰিমাণে বড়ি কৰি পুৱা খাব।

খৰাহি বা হাগনী

৪৫৩। টংলতিৰ আগ ৫টা, জালুক ৫ টা, পিপলি ৫ টা, লোণ সহিতে পাগে খাব। প্ৰতি দিনে।

৪৫৪। মছুৰৰ তিতা ১ তোলা, জিৰাৰ গুৰা ১ তোলা, নহৰ ১ তোলা তিনিকো বতি বুটৰ পৰিমাণে বড়ি কৰি সুদা পেটত খাব। একমাহ।

৪৫৫। কলা কচুৰ শিপা, চাউল ধোৱাৰ পিপা, সিলিখা, নেমু টেঙাৰ ৰস, এৰা দুখেৰে খাব।

৪৫৬। মিঠা আমৰ চাল, কদমৰ চাল, আমৰাৰ চাল, কেঁচা আঠিয়া কল, পুৰণি গুড় সহিতে খাব।

খহু

৪৫৭। গন্ধক, তুতিয়া, ভাং, ধুতুৰাৰ গুটি গৰুৰ ঘিউত পগাব লগাব।

গৰ্ভ নষ্ট কৰাৰ ঔষধ

৪৫৮। বনসঠ বা আজ্ঞাচিতা ৮ আঙুললৈ দুই আঙুলত তুলা মেৰাই তাতে আধা তোলা হিং দি অন্তানৰ ভিতৰত সোমোৱাই দি থলে এপৰ বেলিত গৰ্ভ নষ্ট হয়। পাছত পইতা ভাত আঠিয়া কল খালে শৰীৰ জুৰ পৰে।

গমা, লাহাম, লুকি ৰাজপীড়া

(গঠিয়া গমা, পাভ গমা, শিঙিমুৰি সকলোতে এই ঔষধ খাতিব)

৪৫৯। বৰুণৰ ছাল, কুকুৰ সুতাৰ পাত, বাঘ নলাৰ চাল, শিমলুৰ ছাল, সৰু বৰিয়ালৰ পাত, দেবি টকনৰ আলু, বিহ ঢেকিয়াৰ পাত, কুঠকৰা, বিহ জেনিৰ পাত, হাচতি, ছলা গুটিয়া বন, কদমৰ পাত সবাকো বতি লিপি দিব।

ঘা পকিলে শুকোৱাৰ দৰব

৪৬০। শাল ধুনা গুড়ি কৰি নাৰিকল তেলেৰে মাটিৰ সাজত পগায় লগালে সকলো ঘা শুকাব।

গছুৰ পৰা পৰা

৪৬১। মছুঘৰৰ ভিতা খাব। কদমৰ পাতৰ বস খাব।

৪৬২। তেজ মুইৰ শিপা বতি খাব।

গলকটকিয়া

৪৬৩। পিয়াজ এটা কেঁচাই খাব।

৪৬৪। আম চেকুৰা, হাৰ ঘুণ্ডা প্ৰত্যেকৰে এক মহা, হাঁইঠাৰ বাকলি, শঠখাৰৰ আলু প্ৰত্যেকৰে ২ মহা, সূৰ্য্য কান্তি ফুলৰ দক্ষিণৰ শিপা, আদা, জাবৰং, লং, পিপলি, কালজিৰা, কাঠাগুৰ শিপা, প্ৰত্যেকৰে ১ তোলা সবাকো একত্ৰে বতি তিনি ৰাতি প্ৰমানে বড়ি কৰিব। কপাহৰ তুলাৰ মাজত বড়ি সুমুৱাই চিপিয়াই (বাৰিৰ) আগত লৈ মুখ মেলি ব্যাধিত ৰহিব। দাতৰ গুৰিত চিপা মাৰি চুপি থাকিব ব্যাধি নাশ।

গল কণ্টাৰ দৰব

৪৬৫। কনি বিহৰ চাল অলপমান খাব।

গলগণ্ডা

(মানুহৰ গলত ঘেণাৰ বা গৰুল হয়)

৪৬৬। পিপলি শ্বেত অপৰাজিতা বতি খাব।

গলন্দা

ডিঙিত (গলত) সোপা ধৰা যেন লাগে।

৪৬৭। চঁমাহৰ পেটা, কঁঠালৰ মুচি, কলৰ বাকলি, নাৰিকলৰ বাকলি, পুৰাচাই, পকা জলকীয়াৰ গুৰি পাতত দি খাব।

গল শিৰা

৪৬৮। ফেচাৰ মাংস, ভাই ভতাৰি গছৰ ছাল, বৰিয়ালৰ শিপা, আজ্ঞাচিতাৰ আগ, হেঙুল সমে ফোঁত দিব নাশ।

৪৬৯। চম্পাফুলৰ আগ বতি দিব।

গলসলখা

৪৭০। কটা বেঙেনাৰ শাহ, অভাৱে চাল বতি খাব।

৪৭১। অপৰাজিতাৰ শিপা, জাবৰং, তেজমুই, সূৰ্য্য মুখিয়া জলকিয়া এটা সবাকো বটি খাব।

গালে চকৰিয়া

লক্ষণ ঃ পাব ধৰি চকলা দি উঠে, চেঙ্গ চেঙ্গায়।

৪৭২। কলোবাৰ হাব, দুবাৰ বুকু, চকৰী (পখীলা) ৫টা, কটলাৰ ভোঁহ, হাড় দুবিধ পুৰি ছাই কৰি দীঘলতিৰ পাত সমে সবাকো বতি চুণ্ডাত ভৰাই পুৰি সেকিব লাগে।

৪৭৩। তামোলৰ এৰা চকৰ, কৰ্দৈৰ চাল, তেতেলীৰ ছাল, গাবো (অবহৰ) মাহৰ চাল, নাগেশ্বৰৰ চাল, আহু চাউল একত্ৰ কৰি বতি দিব। নাশ হ'ব।

গাৰ সত যোৱা

৪৭৪। যাত্ৰা সিদ্ধৰ পাত, চক মুখা, জাতিবাঁহৰ এমুঠি, এৰা গাখীৰ, আঠিয়া কলৰ সহিতে খচি খাব।

৪৭৫। পকাপান, মালভোগ কল তিনি গোত, চালৰ ঢেকিয়া, সৰু বৰিয়ালৰ শিপা, টেঙা গাখীৰ, তেতা পান্টা ভাতেৰে কঠালৰ পিৰাত বহি খাব।

৪৭৬। বাহকৰ শিপাৰ ৰস, টেঙা পানীৰ সৈতে খালে ভাল হয়।

৪৭৭। মনোহৰ কলৰ শিপা, চাউহা কলৰ শিপা, আঠিয়া কলৰ শিপাৰ ৰস উলিয়াই মৌ সমে খাব।

গৰুক খাপে খালে

৪৭৮। আদা তিনি চকল, ভেদেলি লতাৰ শিপা লোণ সহিতে খুৱাব। তাৰ ৰস কানে

নাকে দিব। বিষ নাশ।

গো জিহ্বা

(নাভিৰ পৰা বাঢ়ে তাকে গো জিহ্বা বোলে।)

৪৭৯। চানাকচু, চানাবাখৰ খাব ও ঘহিব।

৪৮০। কলৰ বাকলি, বদসঠ, বগা বাদকা, কলি দাদুৰী পাগে শিপা পাচকো পুৰি খাৰলি কৰি খুৱাব।

কাঁহ, কঁফ ঘুগুৰ

৪৮১। কোবা ভাতুৰি, কলৰ বাকলি, নাৰিকলৰ বাকলি বতি খাব।

প্রবল ৰোগত

৪৮২। কানাৰিৰ পাত পুৰি নিয়ৰত থৈ দিব। জিকাৰ গোট ৫ টা দীঘলতিৰ চাল আলাঙ্কু সমে খাব।

৪৮৩। কনি বিহৰ আগ, শিপা, জালুক, পিপলি দি বৰ্ড়ি কৰি খাব।

৪৮৪। ভোত এৰাৰ শিপা ৮টা, সিজুৰ ক্ষীৰ লগ কৰি খাব।

৪৮৫। সোন বৰিয়ালৰ মূল, মৰাণ আদা, ডালচেনি, কোকেৰি পশুৰ মাংস, সিজু গছৰ আগ পাত, পানী কলৰ শিপা, ভুই কোমোৰাৰ বুকু, মৰিচ ২ তোলা, পিপলি ২ টা, সবাকো কুমাৰৰ পাত্ৰত পগাই খালে মেঘ ঘুগুৰ নাশ।

৪৮৬। মৰিচ ২ তোলা, আজ্ঞাচিতা ১ তোলা, নেউলৰ মাংস সহিতে জামৰ পাতেৰে বান্ধি খাব।

চকু বা চকুকোট

৪৮৭। বাঙ্গৰ খাৰ শান বা শিলত পিহি কহতুলী কুঠৰুৰাৰ ৰসত মাৰি চক্ষুত দিব।

৪৮৮। চোকা ধপাতৰ ৰসৰ ফুঁট চকুত দিব, মাছৰ বাকলি বা ফুট পৰা উঠিব।

চকুৰ আজনি

৪৮৯। পুলি আমৰ পাত চিন্তিলে যি আঠা ওলাই, সেই আঠা চকুৰ আজনিত লগালে আজনি বহি যায়।

৪৯০। কলা মাহ পৰিমাণে ফিৎকিৰি গুৰি কৰি ১ তোলা পানীত পেলাই দি সেই পানী ২/৪ টোপ চক্ষুত পেলাস দিলে চকুনমা, বিষোৰা, ৰঙা পৰা উখহা গুচিব।

৪৯১। হালধি, আফিং, নেমুটেঙাৰ ৰসত চন্দন ঘনকৈ পিহি চকুৰ পতাত লিপি দিলে চকুৰ শুল ভাল হয়। বিষ ও ৰঙা পৰা গুচিব।

৪৯২। হালধি, আফিং, নেমু টেঙাৰ ৰসত চন্দন ঘঁহি পিহি চকুৰ পতাত লিপি দিলে চকুৰ শুল ভাল হয়। বিষ ও ৰঙা পৰা গুছে।

৪৯৩। আমৰ পাত, ৰঙা চন্দন, হালধি আফিং সিজুৰ পাতৰ ৰস বতি গৰম কৰি লেপ দিব।

চামদলা

লক্ষণ ঃ ভৰিৰ তলুৱাত হয়, বখলা ঘা হয় বিষ কৰে, পুজ পানী বয়।

৪৯৪। কাঞ্চনৰ শিপা, কনাৰিৰ মূল, মৰিচৰ মূল, তোকৰি লতাৰ মূল সবাকো বতি খাব।

৪৯৫। ইহৰতিৰ শিপা, আজাচিতাৰ শিপা, শঙ্কৰ জটাৰ শিপা, হাতী শুৰিয়াৰ শিপা, হিদলৰ গোট, সমিন্ধ চাল, যথিনী ঢেকিয়া, বাঘিনিৰ শিপা, সূৰ্য্য মেৰাৰ শিপা, গঙ্গা মূলাৰ শিপা, জালুক ২১ টা চাউল তিনি পিঠি, লোণ কৰয় গুৰি মিহলী খাব।

চেঙ্গা

৪৯৬। চেঙ্গামোৰ ১ তোলা, গুনবাজ ১ তোলা, গন্ধক কচু ১ তোলা, সবাকো বটি পাগ কৰি খাব।

জ্বৰ

৪৯৭। লতি পোৰোলাৰ গছ, পাত, শিপা, ধনিয়া গুটি বৰ কাছি দৰিয়া তিনিকো সিদ্ধ কৰি পগাই খাব।

জ্বৰত মুৰ কামোৰিলে বিষালে

৪৯৮। আধা তোলা যখৰ, আধা তোলা নিশাদল, ১ সেৰ পানীত সিজাই, সেই পানী অলপ মূৰত দিব।

কফ জ্বৰত পিয়াহ হলে

৪৯৯। তপত পানী জুৰাই জাতি চন্দন মিহলাই মৌৰাৰ টোপো ভিজাই পানী খাব।

পিত জ্বৰত পিয়াহ হলে

৫০০। নেমু টেঙা চেপি পানী খাব।

ওঁকহলে

৫০১। শ্বেত বেহুৰ বা সৰিয়হ বতি পেটত লেপ দিব চেনী পগাই খাব।

অতি ঘাম হলে

৫০২। ফাকু বা পোৰা মাটি গুৰি কৰি গা'ত ঘহিব।

অতি তাপ বা পোৰণি হলে

৫০৩। যখাৰ আধা তোলা, চেচা পানীত ভিজায়, সেই পানীত অলপ চেনি মিহলাই খাব।

হেকতি বা বাতি হলে

৫০৪। আইঁত গছৰ শুকান চাল পুৰি পানীত পেলায় খাৰ তুলিব সেই খাৰ খাব। হেকটি থামিব।

মহা জ্বৰ

৫০৫। কেশ বাজৰ মূল খুতৰি আদা ভক্ষণে মহাজ্বৰ নাশ।

গাৰু জ্বৰ

লক্ষণ ঃ নাভিৰ তলত জ্বৰ কৰে বাহিৰে জ্বৰ নাই গা'ৰ মাজত জ্বৰ থাকে তাকে গাৰু জ্বৰ বোলে।

৫০৬। বেজ কচু, বৰিয়ালৰ শিপা, আদা সহিতে খাব।

৫০৭। বাহকৰ ৰস ভাদুৰীৰ গোটৰ ৰস, পিপলি লোণ সমে খাব।

অন্তৰ জ্বৰ

লক্ষণ ঃ গৰ্ভৰ ভিতৰত জ্বৰ নুগুছে, বাহিৰে নাথাকে খাব নোৱাৰে, ভোক নালাগে।

৫০৮। আদকৰা আকুলা, কামলতাৰ চন্দন কৰি সোম লতাৰ পাত সহিতে বতি দিব।

ডোম জ্বৰ

লক্ষণ ঃ দুই দিনৰ অন্তৰত একদিন জ্বৰ হয়। কেঁতিয়াবা চাৰি দিনও থাকে।

৫০৯। চেঙ্গা মোৰৰ মূল আদা সমে খাব।

পাল জ্বৰ

লক্ষণ ঃ এদিন জ্বৰ উঠে এদিন নুঠে।

৫১০। পলাশৰ গোটি মধু সমে খাব।

জ্বৰ সাৰা

লক্ষণ ঃ জ্বৰ ভিতৰত গা মুখ উখহে।

৫১১। এৰাৰ গুটি একে বৰণীয়া গৰুৰ ক্ষীৰ সমে খাব।

জ্বৰ শিৰা

লক্ষণ ঃ শিৰ টানে দাত কামোৰে কথা পাতিব নোৱাৰে মুখেদি ফেন ওলাই চকু মেলিব নোৱাৰে।

৫১২। বচৰ পাত মচন্দৰিৰ পাত, নহক দুইকোহ, সবাকো বতি ঘিউত ভাজি বৰি সাজিব, বনশঠ পুৰি চাই লব তাকে সেই বৰিত সানি খাব।

শিৰাৰ জায় মৰা দৰব

৫১৩। লোৱাচুৰ, ছেৰাফল, কঠালৰ ডিলা, নাৰিকলৰ বাকলি জাতি কলৰ বাকলি, কুমাৰনিৰ বাঁহ, পঘাৰ গাঠনি সবাকো পুৰি পানীত পেলাই তাৰে পানী খাব। এতেকে সকলো প্ৰকাৰৰ শিৰা নাশ। অৰ্থাৎ ধনুষ্টংকৰ শিৰা কচোৱা শিৰা, বিযালি শিৰা, বাও শিৰ, ধুপলি সিৰা কটাশিৰা হনুমন্তিয়া শিৰা সকলো নাশ।

জ্বৰ শিৰা

৫১৪। নৰসিংহ, তুলসিৰ পাত, ভেদাই লতাৰ পাত বৰ্চৰ পাত, বিহ ঢেকিয়াৰ পাত, বিহ লেঙ্গিৰ পাত, আউনী পানৰ থাৰি সবাকো বতি ভৰণ দিব। তেহে ৰোগীৰ মাত ওলাব। তাতো যদি শিৰাৰ বিৰ নমৰে, কৰাই গছৰ ছাল পাত খুন্দি ফেন লব যৈতে টানে তৈতে লগাই দিব ভাল হব।

মাত ওলোৱা

৫১৫। নেঠা লতাৰ আলুৰ বস, সলি জাপৰি, কলৰ বাকলিৰ খাৰ। সবাকো সেই বসতে দি খাব। এতেকে মাত ওলাব।

জ্বৰ পিলাই

৫১৬। বেচকচু ১ পোৱা, ২ সেৰ কাতি মহিয়া কলা খাৰত সিজায় গোট কৰি কণৰীৰ গুটিৰ সমানে নিতৌ পুৱা গধুলি ওদা পেটত খাব। পিলাই গুটিৰ জ্বৰ এৰিব।

জলসাৰ (বহুমূত্ৰ)

৫১৭। নাগেশ্বৰৰ মূল মধুসমে মহৰ মূত্ৰ একত্ৰ কৰি খাব।

জাজঠা

৫১৮। জালুক আদখান, পিপলি আদখান লোণ দি খাব।

৫১৯। আমৰ ছাল ও বহিমলাৰ চালৰ বস খাব।

পোৱা জিকৰি

লক্ষণ ঃ গাত খৰ ধৰে পেচাৰ কৰোতে চিৰিং কৰি যায় তলপেট খহি যায় ফেন

লাগে, মুতৰ লগত তেজ আহে তাকে জিকৰি বোলে।

৫২০। বগৰিৰ গোট ৰুদ্ৰাক্ষ বতি খাব।

৫২১। কুহিয়াৰৰ ৰস, ছাগলীৰ দুগ্ধ, কনজৰাৰ শিপাৰ ৰস আঠিয়া কল সমে খচি খাব।

ঝিন ঝিননি বাত

লক্ষণ ঃ ভৰিৰ পৰা শিৰ টানে ককালৰ পৰা শিৰ টানে।

৫২২। চোৰাতৰ শিপা, মৰান আদা, ভাংৰ গচড়া ১তোলা, জালুক ১ তোলা, ধুতুৰা গুটি ১ তোলা, পিপলি ১ তোলা সবাকো গুড়া কৰি আদমহা পৰিমাণে পুৰা খাব।

তেওৰ বা মৃগী ৰোগ

৫২৩। ঢেকীৰ শব্দ নুশুনা কেচুৰ মাটি, ধাৰলিৰ নল, মাকনৰ গোবাৰৰ ধান, ঘৰিয়ালে খোৱা মাছ, দেউলৰ ফুল, গন্ধয় কলাই, নাগ গাঠি (হাতী শুৰীয়া) সবাকে একত্ৰ কৰি বিড়িত ভৰাই হুপিব ভাল হব।

৫২৪। উটৰ মুত নাকেৰে উজাই দিলে মৃগী ৰোগ গুচে।

৫২৫। আদ্ধু, উটৰ লাদ, নহৰু তিনিকো নাকেৰে উজাব।

তেজ পুষ্ট হোৱা

৫২৬। ভোলৰ শিপা, আদা, দুইৰো ৰস খালে তেজ পুষ্ট হয়।

দন্ত মাক্ষী

লক্ষণ ঃ মানুহৰ দাতৰ পৰা ফিকি উঠে।

৫২৭। কাক মাচিৰ (কাউৰ ঠেঙীয়া) চাল, বকুলৰ চাল ঘতি দিব।

দাত চুলি নহৰা দৰৱ

৫২৮। নিকৰিৰ গুটি, পচতিয়া, ছাগলীৰ মুত একত্ৰ কৰি খাব।

দাতৰ পোক ওলোৱা দৰৱ

৫২৯। গীঠিয়ন, কলাপুনি, পচাকলৰ মধা, ভলুকা বাহৰ পাত, কজা পতিয়া গুধা লতা ১ হাত, সবাকো ঠেতেলিয়াই ওপৰত কলপাত দি টোপোলা বান্ধি ভেটউৰাত ভৰায় উহাব। সেই টেকেলিৰ মুখৰ ধুৱাত মুখ পাতি ভালকৈ কলপাত এখনত সা দিব পোক থাকিলে পৰিব।

দাঁত বথা ঔষধ

৫৩০। সৰু ৰবিয়ালৰ শিপা, কোটোহা (কটাহ) বাঁহৰ শিপা বিৰিণানৰ শিপা, দবহাৰ

শিপা, সমকৰি গধুলি শুই দাঁতত‍লৈ থাকিব। এতেকে দাঁত বহে।

৫৩১। ভৃঙ্গৰাজৰ মূল সেকি লৈ বট মূল তামোল সহিতে চোবাব।

৫৩২। গুৰুচিৰ মূল পিচি দাঁতত লেপ দিলে দান্ত ৰোগ নাশ হয়।

৫৩৩। নিলকণ্ঠ, ত্রিফলা, লোণ সহিতে সম ভাগ কৰি দাঁতত ধৰিলে দান্ত শুল নাশ।

৫৩৪। দাৰাচকু, দাৰ মুখ ঘহি দিলে দাতৰ পাইৰা, দান্ত চেলা আদি নাশ।

দেখিব পৰা দৰব

৫৩৫। পেচাৰ ঘি, কচাৰি ঘতৰ চাউল, কেচুৰ ৰস ইয়াকে খুৱালে দেখিব পৰা হয়।

ঘোজিবা

লক্ষণ ঃ জিহ্বাৰ গুৰিত জিভা বাঢ়ে তাকে ঘোজিহ্বা পোলে।

৫৩৬। কলা হালধিৰ ৰস, সোম লতাৰ ৰস সমভাগে খাব। তিনি দিন জিহ্বাতে ঘহিব।

৫৩৭। তামোলৰ দাব, কলৰ বাকলি, বৰত মানিকলৰ জিভা পাত, বগৰিৰ পাত, চকত পুৰি চাই কৰিব, লেঙেৰি শামুকৰ চুন, ডিমা চোকোৰাৰ চুন সবাকো মিহলাই দিব নাশ। লগতে আকন্দৰ আঠা দিব।

৫৩৮। আঠিয়া কলৰ বাকলিৰ খাৰ বাদুলীয়ে খোৱা কলৰ বাকলিৰ চাই লোণ তিনিকো বতি বড়ি কৰি জিভাত দিব।

ধৱজ ভঙ্গ

৫৩৯। মটা ঘৰচিৰিকা চৰাইৰ আগ মংহ, তৰাৰ গুটি ১টা, পাঠাৰ লিঙ্গ ১টা, চেঙ্গমাছ ১টা, চেঙ্গ মৰা কনৰ আলু এক চকলা কলৰ থিয় দিলৰ ভিতৰত কুহি সবাকো ঘিউত ভাজি খাব।

৫৪০। ঘিউ তিনি তোলা, ঘৰচিৰিকা চৰাই ১টা আনি ২১ টুকুৰা কৰি ভাজিব, হাতীৰ বিজ ৯টা কলৰ সমান আনি বতি সেই ভজা মাংসৰ লগত মিহলাই প্রতিদিনে ৭ টুকুৰাকে খাব।

৫৪১। কেশৰাজৰ মূল, ৰোৰ তামোল, পান চুন পুৰাতে নিতৌ খালে বল বৃদ্ধি হয়।

৫৪২। তগৰ ফুলৰ দক্ষিণৰ শিপা ৭ টুকুৰা ৭খন তামোলৰে খাব।

ধাই কফ (উদকাই)

৫৪৩। বন নহৰ খুদি ৰস লব, লৰাতিতাৰ পাত সমে বতি পাগ কৰি খাব নাশ।

উদ্ধ বায়ু

৫৪৪। ভিতা ভোলৰ গুটি, চজিনাৰ চাল, কেকেলাৰ (কাকবালৰ) আলু, পনিয়লিৰ টেঙা, কাঠাগুৰ চাল, জাগ তগৰৰ চাল পাগ কৰি খাব।

গৰ্মি

লক্ষণ ঃ লিঙ্গৰ আগত পুজ বয়ে ও ফিকে। কাঠিৰ কাবেদি চাল খোজায় পানী বয় ও পকি ঘা হয়।

লিপা ঔষধ

৫৪৫। মহানিমৰ পাত, নিলকণ্ঠ তিতা, মাটি কমলাৰ আগ তিনিকো বতি লেপ দিব।

শুকনি ঔষধ

৫৪৬। যেই সেই ২১ডাল গছৰ শিপা আনি পুৰি চাই কৰি নাৰিকলৰ তেলৰ সমে ঘহি দিব।

খোৱা ঔষধ

৫৪৭। জাই ফল ১তোলা, ইলাচি ১তোলা, কৰ্পূৰ ১শিকি, ফিতকিৰি ১শিকি, লং ১শিকি কুঢ়ি মাছ সহ চজনা গছৰ পাত বান্ধি ক্ৰমান্বয় ১ সপ্তাহ খাব।

৫৪৮। বৰিয়ালৰ শিপা পানী নিদিয়াকৈ শুকান শামুক পোৱা, চুনৰ গুড়ি, তুতিয়া ১মহা সবাকো গুৰি কৰি সেই শুকান গুড়ি ঘাত দিব, দৰৰ নুগুচাৰ ঘা শুকাই উঠিব।

ধাতু পুষ্ট

৫৪৯। ভোলৰ শিপা, আদাৰ ৰস খালে তেজ পুষ্ট হয়।

৫৫০। লিঙ্গৰাৰ আঠা ও বিজল ভোলৰ গুটি ঘিউ সমে ভাজি খালে দাত চুলি বহে।

নাক হৰিনা আৰু মুখে ৰক্ত পৰা

৫৫১। দৰছাৰ শিপা, অমিতাৰ আঠা ৪টোপ, নিৰ্জ্জলা, দুগ্ধ সহিতে হৰিনাত নাকেৰে উজাব। মুখে ৰক্ত ওলোত খাব।

নাবেঙ্গা দুষ্ট ব্ৰন

লক্ষণ ঃ পিঠিত গাড় হয় তাকে নাবেঙ্গা বোলে।

৫৫২। আদা, ছজিনাৰ চাল ও মচন্দৰ বতি লেপ দিলে ভাল হয়। যি ঘা নহওঁক ভাল হব।

নাবেঙ্গা

৫৫৩। লাউ বন্ধাৰ পাত গুৱা গছৰ পাত (ঔৰ পাতৰ নিচিনা পাতেৰে এবিধ পাচলি) মাটি মাহৰ পাত, ডালিমৰ পাত, বৰ মানিমুনিৰ পাত, কলাখাৰ সবাকো বতি লেপ দিব নাবেঙ্গা বহি যাব। যদি নৰিয়া পুৰঠ হয় নবহি পকিব। তেতিয়া তাৰ চকুবিলাক গোলাই বহি গলে ৰোগী মৰিব পাৰে। তলত লিখা দৰৰ দিলে চকু

ওলাই ঘা শুকাব। দ্রোণৰ শিপা, ঔৰাৰ আলু চন্দন দৰে বতি তপত পানীৰে মাৰি ঘা'ৰ মুখত ধালি দিলে চকু আপুনা আপুনি ওলাব।

নাৰী লৰা

লক্ষণ ঃ পেট কামোৰে বিষায়।

৫৫৪। সৰু মানিমুনি, বৰমানিমুনি, স্বৰ্ণ জিভা, হাচুতী, আচুক ডালিমৰ আগ ৫টা, জেতুকাৰ আগ ৫টা, তুলসিৰ আগ ৫টা, দ্রোণৰ আগ, বৰমছলা, জালুক ২১টা, লং ১টা, পিপলি ১টা সবাকো বতি লগে লগে লোণ তেল সানি খাব। পেটৰ বিহ কামোৰনি ভাল হব।

পগলা বেমাৰ

৫৫৫। কৰ্পূৰ ১তোলা শিলৰ বাতিতলৈ ম'হৰ শিঙেৰে ২ দণ্ড পিহি সেই কৰ্পূৰ ১ঘন্টা সময় পগলাৰ তালুত ঘহিব ৰোগীৰ টোপনি আহিব ও পগলা ৰোগ ভাল হব।

৫৫৬। পানী হিদলৰ আগ ৭টা, মানুহৰ দুগ্ধ, একে বৰণীয়া ছাগলীৰ দুগ্ধ পগাই খালে পগলা ভাল হয়।

পয়ালগা বা পিঠিয়া লগা

৫৫৭। গোবৰ পেলাওতে হাত আছৰি পেলোৱা শুকান গোবৰ পুৰি ছাই কৰি মন্ত্ৰ লবাবে পেৰাতেলৰ লগত সেই ছাই সানি মঙ্গল বাৰৰ পৰা আৰম্ভ কৰি ৭দিন ৰোগীৰ সৰ্ব্ব গাৱে ঘহিব ভাল হব।

পদুম নলা

লক্ষণ ঃ শৌচ কৰোতে কমল বাজ হয়।

৫৫৮। পদুমৰ গোৰ ৫টা, কাঠাগুৰ গোট ৫টা, বাদুলিৰ তেজ সবাকো বতি দিব।

৫৫৯। ভাতৰ গুটি, কঠালৰ ডিলা দুইকো পুৰি চাঁই কৰি চুন তেলে বতি দিব।

পাত কমলাৰ সাৰ

৫৬০। সোলোঙাৰ ৰস কৰদৈৰ ৰস আমলখি শিলিখা গোদ্ধ বিৰিনা লাই তক, গোৰক টঁই কৰাহুদি মৰান আদা বৰ তাগৰাৰ শিপা, জালুক সবাকো বতি খাব।

পোৰণী প্রসুতা

৫৬১। লেটা গুটি ৫টাবাৰ নলাৰ আগ ২টা, তগৰৰ আগ ৩ টা, হাতী পিপলিৰ ঠাবি, তামোলৰ পুলিৰ কুহি, সবাকো খুন্দি ৰস লৈ চেনী বা খাৰেৰে খাব। কিছু ঘহিব।

৫৬২। পাকই খোৱা চৰাইৰ আগ মাংহ, ডাউকাৰ, নেউলৰ আগ মাংহ শুকায় বতি কলৰ আঠা সহিতে মুগৰ সমানে বড়ি কৰি অনুপাম মিঠা আমৰ চাল, আমৰাৰ চাল, টকুনাৰ চাল মালভোগ কলৰ শিয়াৰৰ ৰসত কিঞ্চিত তপত কৰি খাব।

প্ৰসূতিৰ তলত পিয়াহ হোৱা

৫৬৩। স্বেতবেহৰ ও তিতা ভেকুৰিৰ শিপা গাখীৰেৰে খালে স্তনত পিয়াহ বাঢ়িব।

৫৬৪। খুতুৰা শাকৰ শিপা, শগুণৰ কোমল পাখী, তিল সহিতে পাতত দি খালে পিয়াহ বাঢ়িব।

৫৬৫। ভুইকোমোৰৰ শিপা গুৰি কৰি ২ তোলা, আৰৈ চাউলৰ পিঠা গুড়ি ২ তোলা, এৱা গাখীৰ সমে ২/৪ দিন খালে পিয়াহ বাঢ়িব।

পোৱনি আগ ৰহসৰ

লক্ষণ ঃ পানী জলা ফুতে চেঙ্গ চেঙ্গাই পানীৰয়।

৫৬৬। কলপ লতাৰ এৰা চাল, কঠালৰ এৰা চাল, শগুনৰ এৰা পাখী খোলাত ভাজি গুৰি কৰি দিব।

ফুটুকা ৰোগ

লক্ষণ ঃ গৰ্ভৱতী নাৰী অঙ্গে হয়, পানী অধিক গা ফটফটিয়াই, লৰিব নোৱাৰে। গাটো জল জলীয়া দেখি।

৫৬৭। তিখাচুৰ ৫ তোলা, ভাং ১ তোলা, ধুতুৰাৰ শিপা ১ তোলা, জালুক ৫ তোলা, পিপলি ৫ তোলা সবাকো গুৰি কৰি খাব।

গাৰৰ পাগ অহা দৰৰ

৫৬৮। কুমাৰলি পোকৰ বাঁহ দুটা ও শিলিখা পুৰি পানীত পেলাই সেই পানীতে চুণ ও আঙ্কু মিহলাই পানী খাব।

কফ বা ফুটুকি

৫৬৯। আদা, নিলকণ্ঠ, তিতা জালুক, পিপলি, লং, জাত্ৰৰং, জাই ফল, ইলাচি, ৰস হিঙ্গুৰ, মাকৰি ঘিলা, লতা গুটি, হাইঠাৰ বাকলি প্ৰত্যেকৰে সমান জোখ লৈ ২ ৰতি প্ৰমানে বৰি কৰিব।

অনুপাম ঃ গৰম পানী, লোণ, পচতিয়া পাতৰ ৰস ও আদাৰ ৰসত বড়ি মাৰি খাব।

তাৰে ঘহা ঔষধ

৫৭০। ৰস মানিক ঘহি বিষ হোৱা ঠাইত লিপি দিব।

৫৭১। বেলৰ শিপাৰ চাল আৰু জাইফল বতি লেপ দিব।

বাগচু পিত্ত

লক্ষণ ঃ পেট কামোৰে বিষায় খামোচ মাৰি ধৰে।

৫৭২। নাৰিকলৰ চাল, কুছিয়া মাছ, মৰিছ সমে খাৰেৰে পগাই খাব।

৫৭৩। তিতা লতিৰ গোট, নিলকণ্ঠৰ মূল, বেতাল চণ্ডী সবাকো পগাই খাব।

৫৭৪। মৈবাৰ পাখীৰ চকৰ, জাতি এৰাৰ আগ, বাঘনলাৰ ৰস সবাকো পুৰি বেতাল চণ্ডীৰ চাল বতি তপতাই দখৰা খাৰেদি খাব। উভতা বাগচু নাশ।

বাতি বা বাঁতি

৫৭৫। কৰচৰ চাল ওভতাই কাটি আনি ৰস খাব।

কটা ঘাৰ তেজ বন্ধ হোৱাৰ দৰব

৪৭৬। সৰ্পজিবা, কঠকয়া, দুবৰিবন, ভলুকা বাহৰ চোঁচ, দোম দেউকাৰ গাঁঠি, কলৰ বাকলিৰ খাৰনি বতিব ও তেজ ধুৱাই লগাব।

ঘা শুকোৱা দৰব

৫৭৭। কয়লা, সিন্দুৰ, কাউৰী এটা মাৰি পাখী সৈতে পুৰি চাই অলপ, কাছৰ পিঠিৰ খোলা পুৰা সবাকো বতি গুড়ি কৰি সেই ধুলি ঘাবত মাৰি থাকিব।

বাধক বেদনা স্ত্ৰীৰ ৰোগ

৫৭৮। অৰ্জ্জুন গছৰ ফুল, টংলতিৰ গুটি, বন বকুলৰ গুটি, হেলচিৰ ৰস ও ছাগলীৰ গাখীৰেৰে খাব।

৫৭৯। একুহিয়া নহৰ, পুৰণা মৰাপাতৰ গুটি, হাচুতিৰ পাত, আদ্ৰু, ঝুন ঝুনিয়া (ঘণ্টাকৰ্ণ) গছৰ চাল, পকা জলকীয়া এটাৰ সৈতে বতি ঋতু স্নানৰ পাছত চতুৰ্থ দিনত একোটা বড়ি খাব। এইদৰে তিনি মাহ খাব।

বন্ধ্যাৰ দৰব

৫৮০। ৰক্ত কপাহৰ মূল, নাগদন্তি (হাতীভবীয়া) বৰবিৰালৰ মূল বতি গৰুৰ গাখীৰ সমে ঋতুকালৰ তিনিদিন খাব। স্নান কৰি শুদ্ধ হৈ চতুৰ্থ দিনত বেঙেনা কেটাহি মথি খাব। তাৰ পৰা ২১ দিনলৈ মিথি বতি গাখীৰৰ লগত খাব।

নিয়ম –মিথি ১তোলা, ঘিউ ১তোলা গাখীৰৰ সৈতে মথি খাব।.মৃত্যু বৎসো,

ম্মৃ গৰ্ভা বন্ধা, পুত্ৰহীনা সকলো ৰোগ নাশ হব।

ঋতুকালত এই ঔষধ লব

৫৮১। কুন্দ ভূল বতি ঘিউ সমে ঋতু কালত তিনি দিন খালে বন্ধ্যা পুত্ৰ বত হয়।

বাত (বিষ বেদনা) আঁৰা এৰা বাট

৫৮২। চান্দ সূৰ্য্য (ভান্দো) বৰুণৰ চাল, দুপতিয়া এৰাৰ পাত, ঔকনি কাঠৰ পাত তপতাই দিব।

৫৮৩। দুপতিয়া এৰাৰ শিপা, মৰান আদা, বচৰুণৰ চাল, গুনৰাজ বতি গৰম কৰি তপতে তপতে বান্ধি থব।

গাঠিয়া বাত

লক্ষণ ঃ দুই গাঠি বিষায়, ককাল বিষায় তাকে গাঠিয়া বাত বোলে।

৫৮৪। মদাৰৰ দক্ষিণৰ শিপাৰ ৰস এৰা গাখীৰে মিলাই খাব।

৫৮৫। বাত ৰাজ, গুনৰাজ, গোৰক চই, বৰুনৰ ছাল, তেজমুই, চোৰাতৰ শিপা, লাইতক, হাৰ ঘুনুছা, জালুক, পিপলি, মৰান আদা সবাকো গুড়ি কৰি কৰাই গুড়ি মিহলাই খাব। সকলো বাত গুছে।

ঝিন ঝিননি বাত

৫৮৬। ভৰিৰ আঙুলি শিৰ শিৰাই, ককালৰ পৰা শিৰ টানে সকলো গাৰে ঝিন ঝিনাই।

৫৮৭। চোৰাতৰ শিপা, জালুক, পিপলি, চান্দ সূৰ্য্য (ভান্দো) কালজিৰা, ভোগ জিৰা, যনি, ধনিয়া, সবাকো গুড়ি কৰি তিনি পুৰা খাব।

তেজ বাত

৫৮৮। পূৰ্ব্ব ভাদ্ৰ পদ নক্ষত্ৰত বনসঠৰ মূল বতি লিপি দিব।

সৰ্ব্বাঙ্গ বাত

৫৮৯। মানিমুনি ঘৃত সহিতে খালে সৰ্ব্বাঙ্গ (চৌৰঙ্গী) বাত নাশ।

বাঘে ভালুকে খোৰা দৰৱ

৫৯০। বনসঠ, নিলাজী লতা (আদৰ মালতি), কপাল ফোটা, ঝপাপে ভাৰি, সৰ্প জিবা সবাকো বতি ঘাৱত লগাব।

বিন্দুসাৰ (প্ৰমেহ)

লক্ষণ ঃ মানুহৰ নাড়ী সঙ্কে হয়, তলপেট গেজ্ গেজ কৰে পেচাবৰ ঘাৰে পুজ বয়ে।

৫৯১। কল বিৰৰ ৰস গাখীৰেৰে খাব।

৫৯২। কেচুৰ ৰস পুৰণ মিঠে সমে খাব।

৫৯৩। বাহকৰ মূল ছাগলীৰ গাখীৰেৰে খাব।

৫৯৪। পিপলিৰ মূল ছাগলীৰ গাখীৰেৰে খাব।

৫৯৫। চিতামূল, বচ শুবঠ, পিপলি, সন্ধ্যা লোণ, আদা সম ভাগ কৰি খাব।

৫৯৬। পদ্ম নলা, পদ্ম ঢেকিয়া, দুদকম, বগুলা আদালৰ চোঁচ লৈলাই তিনি আঙুললৈ একে বৰণীয়া গাইৰ ক্ষীৰৰ লগত বতি খাব।

৫৯৭। যম লাখুটিৰ মূলৰ ৰস, এৰা দুধ মিলাই খাব।

৫৯৮। সাগৰীয়া চম্পাৰ মূলৰ ৰস এৰা গাখীৰ মিলায় খাব।

৫৯৯। কেঞ্জাবনৰ গুটি, মেটেকাৰ পাত বতি ৰস লব। পকা আঠিয়া কল চকলিয়াই গাখীৰৰ লগত সমভাগ গাখীৰৰ লগত খাব।

৬০০। পৰ্ব্বতীয়া পিপলি, ফণী চূৰ্ণ সমভাগ গাখীৰৰ লগত খাব।

বিষ ব্যাধি

৬০১। কেশৰাজ, মেঘনাদ, মৰিচ ২১ টা বতি খাব ও ঘহিব।

৬০২। শাঁখিনী সৰ্প মঙ্গল বাৰে মাৰি তাৰে হাড় বাহুত গাঠি দিব সকলো বিষ নাশ।

৬০৩। নহৰ বটি গাখীৰৰ লগত খাব ১ মাহ।

বিহালী

৬০৪। আওনীয়া পানৰ শিপা, অলি আঠা, বকনৰ চাল, বন বাঘিনী সবাকো খুন্দি তেলত বান্ধি খাব।

৬০৫। গড়ৰ খৰ্গ, বকুল ফুলৰ শিপা, নাহৰ ফুলৰ শিপা, বাঘৰ দুধ, সকগ পৰা শিল সবাকো খাব।

বেওঁৰ ঔষধ (গুল্ম)

৬০৬। বাঘী, কুচিয়া, কাছ, চিতল এই কেইবিধ মাছ পুৰি চাই কৰিব। ধুন্দুলীৰ পাত, কেৰেলাৰ পাত, লতাগুটি, বাৰি ঢেকিয়া সবাকো খুন্দি চুঙাত পুৰিব তাৰ পাছত পুৰা মাছৰে চাই সহিতে সানি গন্ধক চেনা বাখাৰ দি পুনৰ বতি দিব ও ঘহিব।

মাঘ ৰোগ বা কালা জ্বৰৰ দৰৰ

লক্ষণ ঃ তল পেটত খাগৰি যেন হয় খামচি থাকে। কিছু বিষায় ভোক নালাগে।

৬০৭। লাউৰ গুটি, কুমাৰণীৰ বাঁহা, নৰহৰ শিপা, মৌলতাৰ আগ ২১টা, সটখাৰ,

বনসঠ, ধোবা খাৰ, চেঙামোৰৰ আলুৰ খাৰ। তিনি বাৰ খাব। কলাকচুৰ খাৰ, বৰুনৰ খাৰ, গোবক খাৰ, জাতি চেৰ খাব ধুতুৰা খাৰ, চমাহুৰ খাৰ, বিহলঙ্গ নিৰ খাৰ বাতি খাব।

৬০৮। মহিয়া কলাখাৰ সমান জোখ কৰি সবাব। চকত ভৰাই ওপৰত তৰুলতা জাগি দি উভয় জোৰাত মাটি লিপিব। গাত খান্দি পুতি থব। ডকৰা খৰিৰে দুই দিন জুই দিব। তাৰ পাছত জুইৰ পৰা তুলি আনি ৰবিবাৰে খাব। কতিকা চেঙ্গা, খাপৰি, মৌ বিচনিয়া, শিলা খাপৰি আদি সমস্ত ব্যাধি নাশ হয়, জ্বৰ খণ্ডন হয়।

মন্দ কৰা

লক্ষণ ঃ মানুহক মাৰিবৰ বাবে দৰব খুৱালে। পেট ডাঙৰ হৈ যায় শৰীৰ ক্ষীনাই দুৰ্বল হয়, হাত ভৰি নছলে চিণ্ডি পৰা যেন লাগে তাৰ ভালপোৱা ঔষধ।

৬০৯। বন নহৰ, কলা কাছমনিৰ শিপাল ছাগলীৰ গাখীৰ সমে খাব। বমি হৈ খোৱা দৰব পেটৰ পৰা ওলাব। তেতিয়া জুৰনী পাব। টেঙা গাখীৰ পকা আঠিয়া কল, পান্টা (যৰ্কা) ভাত সমে খালে বমি গুচিব। দুইবো মৌৰ উঠে, তাৰ দৰৱ, পানী দিয়া ভাত চুকা তামোল খছি খুৱাব তেহে জাই গুছে।

৬১০। কনাড়িৰ কুহি এৰা দৈ সমে খাব।

৬১১। লাজুকী লতাৰ শিপা ২ তোলা, ১ পোৱা কেছা গাখীৰত মিহলাই খাব।

মাউৰ বা জহনী

৬১২। কুহিয়াৰৰ বস, অলপ ৰঙা যেন হোৱাকৈ পগাই কলহ বা টেকেলিত ভৰাই পুৰনি কৰি থব। এবাৰ বা দুবাৰ শৌচ হওঁতেই ৰোগীৰ বয়সমতে ৫ তোলাৰ পাব ২০ তোলা লৈকে খুৱাব। যিমান শৌচ কৰিব সিমান বাৰ খুৱাব।

চৰ্ম্ম ৰোগ

মামৰি

লক্ষণ ঃ খৰ যেন দেখি সৰ্ব গাত হয়। গা'ৰ মাখি চাল চিণ্ডি যোৱা ৰোগ।

৬১৩। সৰু মানিমুনি, বৰ মানিমুনি, বিহ ঢেকিয়া, অৰ্জুনৰ গোট, জাইফল সবাকো একত্ৰ কৰি লোণ সহিতে জোল কৰি খাব।

৬১৪। কৰোঙাৰ চাল, কমলা টেঙাৰ বাকলি, বনশঠৰ শিপা, মৰিছ ২টা, পিপলি সহ বতি দিলে নাশ।

৬১৫। জাবৰং, কমলা টেঙাৰ বাকলি, অপামাৰ্গৰ (বনশঠৰ) মূল, কচক গছৰ চাল, মৰিছ ২ টা পিপলি ২ টা সহ বতি খালে জাতি মামৰি নাশ।

কুকুৰ মামৰি

৬১৬। মদাৰৰ কাইট, খৈৰাৰ কাইট, তুতিয়া মনিকৰা পুৰি ছাই, বান্দৰৰ হাৰ, সিৰিকা মাছৰ মুৰ, কেকোৰাৰ ঠেং সবাকো পুৰি ঘহিব।

মুখৰ ঘা

৬১৭। তগুনাৰ দক্ষিণৰ চাল, লেতুকৰ দক্ষিণৰ চাল, এৰা গাখীৰ দি বতি মুখত লব। শিশুৰ হলে মাকৰ পিয়াহত ঘহি দিব।

মৃত বৎসা - সন্তান হৈ মৰা ৰোগ

৬১৮। শ্বেত জবা, শ্বেত কৰবীৰ শ্বেত শিমলু, শ্বেত আকন শ্বেত অপৰাজিতা সূৰ্য্য গ্ৰহণও শনিবাৰে চন্দ্ৰ গ্ৰহণ কালত তুলি আনিব। স্ত্ৰী লোকৰ মৃত বৎসা ৰোগ গুছে। আৰু ভুতে ধৰিলে এৰে। প্ৰসৱত কষ্ট হলে ধুৱা জল খুৱালে প্ৰসৱ হব আৰু গৰল ৰোগ ভাল হব। ওভটা কৰি ধৰি ধুৱাই পানী খুৱালে সৰ্পৰ বিষ নাশ হব।

ৰক্তসাৰ

লক্ষণ ঃ পেচাবৰ দ্বাৰে তেজ পৰে।

৬১৯। শ্বেত অপৰাজিতাৰ শিপা পানীৰে খাব।

৬২০। ঔগছৰ দক্ষিণৰ শিপা, সোন ৰৰিয়ালৰ মুল, ডিমৰু গছৰ মুল, হাৰ ঘুনুচাৰ চাল, চেঙেলি মাছ সমে ব্যঞ্জন কৰি খাব।

৬২১। নাঙলৰ মাটি, শুকান ঢেকিয়া, শামুক, জাইফল সবাকো বড়ি কৰি ঢেঁকিৰ মুৰত বহি খাব। ৰক্তসাৰ নাশ।

ৰাজপিড়া (প্লেগৰ নিচিনা এবিধ ৰোগ)

লক্ষণ ঃ কানৰ গুৰিত গাৰ উঠে।

৬২২। ৰোৰ তামোলৰ বাকলি, কমলা টেঙাৰ বাকলি, কুজি থৈকেৰাৰ গুটি, শালধুনা, কলৰীৰৰ চাল, বাদুলীয়ে খোৱা আঠিয়া কলৰ বাকলি, উহ চাউল সকলোকে এক কৰি চকত ভাজি পুৰণা গুড় সহিতে লেপ দিব।

লিঙ্গ পোড়া মামৰি (গৰ্মী ৰোগ)

লক্ষণ ঃ লিঙ্গৰ আগৰ গাঠি ফিকি উঠে। কুহমৰ চৌপাশে ঘা হৈ বাঢ়ি যায় পুজ পানী বয়।

৬২৩। পুনিখাৰ, জালুক ৯ টা পিপলি তিনিটা লোণ সমে পাগে খাব।

৬২৪। বনমালাৰ আগ, বাসকৰ আগ, লৰা তিতাৰ আগ, কাঠাগুৱাৰ আগ, কদমৰ আগ, যাত্ৰা সিদ্ধৰ আগ, নিলকণ্ঠৰ আগ, কটা কমলাৰ আগ, ভেটায় তিতাৰ আগ সবাকো পাতত লুড়ি বান্ধি জুইত দি খুন্দি ৰস লব। নাৰিকলৰ বাকলি, জাতিকলৰ বাকলিৰ খাৰ মিহলাই কেচা বাঁহৰ চুঙত ভৰাই পুৰি খুৱাব।

ফুতনি লেঙ্গ

লক্ষণ ঃ গাত জ্বৰ, কাঁহ, চকু জলজলিয়া হয়।

৬২৫। কাঠাগুৱাৰ শিপা, বৰচৈৰ শিপা, জালুক আঢ়ৈতা লোণ সহিতে খাব।

৬২৬। কাউৰ মনিৰ মূল, কাঠাগুৱাৰ শিপাই আদা সমে বতি খাব।

৬২৭। নিমু তিতাৰ দক্ষিণৰ চাল, জালুক পিপলি, বতি খাব।

৬২৮। গোৰকচৈ, লাইতক, জালুক পিপলি চেঙেলি মাছ সহিতে বান্ধি খাব।

৬২৯। বনচম্পাৰ শিপা, পুৰণি শোকোতা, জালুক লোণ সহিতে পাগে খাব।

৬৩০। মাকৰি ঘিলা ও আদা খাব।

৬৩১। ডিমৰু গছৰ দক্ষিণৰ চাল, বচৰ শিপা, ৰুদ্ৰাক্ষ, জালুক ২ টা পিপলি ৯ টা, পোৰা লোণ সহ বতি খাব।

৬৩২। মাখিয়তিৰ শিপা, লৰা তিতাৰ মূল, কাঠাগুৱাৰ মূল, ভোত এৰাৰ মূল জালুক, পিপলি ৯ টা সহ বতি খাব।

হাগনীয়া লেঙ্গ

লক্ষণ ঃ কিছু কিছু কাহে, হাগে, গাত ঘুহ ঘুহীয়া জ্বৰ।

৬৩৩। কাজল গৌৰী, আদা, মুৰুকীয়া লতাৰ শিপা সবাকো জালুক পিপলি দি পাগে খাব।

শনিপাত জ্বৰ

৬৩৪। চান্দোৰ মূল, কাঠাগুৱাৰ মূল, জালুক পিপলি সমে বতি বৰি কৰি খাব।

শিৰা

লক্ষণ ঃ শিৰ তানে, দাঁত কামোৰে মাতিব নোৱাৰে, মুখে ফেন আহে চকু ঢেল ঢেলাই।

৬৩৫। (জ্বৰ শিৰাৰ লগত চোৱা)

শিঙি মাছৰ বিষ নাশ

৬৩৬। জয়ন্তি ফুলৰ শিপা বতি দিব।

সিৰা

লক্ষণ ঃ ঝুলি ফিকে, বিষায়।

৬৩৭। চেঙ্গা মোৰ, আদা, কলা বাখাৰ, গাঙ্গনীৰ বহী, চুৰা (গুৰ) সমে বতি লিপি দিব, নাশ।

৬৩৮। চোকা ধপাত পানী বা কলাখাৰত তিতাই মেৰাই বান্ধিব।

৬৩৯। চোকা ধপাত পানী বা কলাখাৰত তিতাই মেৰাই বান্ধিব।

শিয়াল কুকুৰে খোৱা দৰৱ

৬৪০। মৈৰা চৰাইৰ পাখীৰ চক্র তিনি মহ্য ও কুচিলা, ঘিউত দেবাই ভাজি দুইকো পুৰি ভস্ম কৰি মধুসমে খাব। একে দিনে ভাল হব।

শিয়াল গলা, ষদুমণি

৬৪১। পানী পতেনি, গোধালতা, ফুটুকিৰ চাল ফেন তুলি বতি দিব নাশ।

৬৪২। চাউল ধোৱাৰ শিপা, বৰিয়ালৰ পাত বতি দিব।

৬৪৩। ভেদাই লতাৰ শিপা, কাঠ বন্তা বৰন্তাৰ চাল, টেপোৰ গোট পুৰি দিব নাশ।

৬৪৪। কাঠ পোকা পুৰি এড়াৰ তেল সমে দিব।

৬৪৫। নীলকণ্ঠ, মৰাণ আদা, মৰিচ ও পাত সমে বতি কৰাই তপতাই গালত দিব।

সিন্দুৰীয়া

৬৪৬। শাল সনৰুৰ বগা কাঠ ফুলা, পুৰান আমঠু, কমলা টেঙাৰ বাকলি সবাকো বতি লিপি দিব। কাটুৰ সিন্দুৰীয়া নাশ।

৬৪৭। তেজমুই, ভোটমৰিচ লিপি দিব।

৬৪৮। আচু কাঠৰ পাত, টগুনাৰ চাল বতি লিপি দিব।

সূৰ্য্য কপালী

৬৪৯। (আদ কপালি ও মোৰ কামোৰনিত চোৱা)

সেপ লোৱা বা সেপ ধুকা

৬৫০। বুড়া শওবাৰ গোট তেজ মুই সমে বতি খাব।

৬৫১। কুকুৰ সুতাৰ দক্ষিণৰ মূল, পাত, এৰা গাখীৰ সমে লিপি দিব।

সোথ - সোত বা সোপ

লক্ষণ ঃ গোটেই গা' উখহে, ভোক নালাগে, গা'ত জ্বাল কৰে কান ফোকায়, পানীৰ সৌহ হয়। গা হালধিয়া পৰে, গাল উখহে, তাকে পাণ্ড কমলা বোলে।

৬৫২। মাগুৰ মাছ, লোণ, জালুক পিপলিৰে আঞ্জা কৰি খাব মাতিয়া সোপ নাশ।

৬৫৩। কোবা ভাটুৰিৰ আলু, গন্ধচানৰ আলু, বত্তি তালুত ভৰুা তথা নাশ।

৬৫৪। তিতা জিকাৰ গোট, ৰঙা এৰাৰ গোট মিহলাই বত্তি নাকত ফুত দিব। হালধিয়া সোভ নাশ।

৬৫৫। আমলখিৰ ৰস, এৰা গাখীৰ সমে খাব।

৬৫৬। খলিহা মাছ ২১ টা, জালুক ২১ টা, পিপলি ২১ টা সমে ৰান্ধি খাব।

৬৫৭। মৰমৰেতিৰ আগ ২১ টা তেল সমে তালুত ককিলা আদা পাছি দিব। নাকেৰে উজাব। হালধিয়া সোভ নাশ।

৬৫৮। তিখাচুৰ ৫ তোলা, ভাংৰ গুড়া ১ তোলা, ধুতুৰা শিপা ১ তোলা মিহলাই গুড়ি কৰিব। পুৱাতে ১ তোলা খাব।

৬৫৯। সোলঙ্গ টেঙাৰ ৰস, কৰ্দৈৰ ৰস, আমলখি শিলিখা, গন্ধচানা, বিৰিনা, ৰাইতক, গৰৰচে, তেজমুই, পচতিয়াৰ মূল, সবাৰো ৰস লৈ থালিক কমাৰৰ ভাতিত, বাহকৰ খৰি সমে পগাব, লোৰাচুৰ এডোখৰ তপতাই তাতে দিব, ৰস কিছু থাকতে ৰসত খৰিৰ চাই মাৰিব। লোহাচুৰক গুৰা কৰি তাতে দিব পুৱা পুৱা খাব।

৬৬০। তকুনাৰ চাল, খুন্দি তাৰে ৰসত মইনাগিৰি ধানৰ উহ চাউলৰ গুড়ি, ৩২ মছলা ও সৈন্ধ্যা লোণ মিহলাই অনুমানে এৰা গাখীৰেৰে খাব।

হাৰ ভাঙিলে যোৰা লগোৰা

৬৬১। কুকুৰ সুতাৰ মুল, লাই জাবৰি সমানে বান্ধিব।

৬৬২। বিহলেঙ্গনী, বিহ ঢেকীয়া, পচতিয়াৰ পাত, বকলৰ পাত, ভোবোৰা লতা, নল জোবাৰ আগ, লাই তৰুৰ ঠাবি, হাড় ঘুৰুা, কলাখাৰ সবাকো ঢেকিত খুন্দিব তেল ঘহিব। ককিলাৰ দাৰ পিছি দৰৰ সমে জিৰ্পিনা বান্ধিব, তেবে ভগা হাড় যোৰা লাগে।

৬৬৩। কেচা তেতেলি পুৰি বেদনাত বান্ধিলে বিষ গুচে ও ভঙা হাড় যোৰা লাগে।

হৰা সৰ্ব্বহৰা (গুল্ম)

৬৬৪। গুণাখিৰ শিপা, জাতি আদা, অগ্নিবৰ্ব পেটা, কাজল গৌৰী তিনিকো চকলিয়াই লোণ সমে শাগ কৰি খাব।

৬৬৫। কনিবিহৰ শিপা, বেতৰ পাত, পচতিয়াৰ পাত ও দিলা, পূৰণ বনী ও মৰিচ পিপলি ৫টা সমস্তকে বতি খাব।

৬৬৬। ঘোৰা কেৰেলাৰ (কাকবিয়াল) শিপা, লাঙ্গল ভঙাৰ শিপা, জালুক ২ টা, পিপলি সমে বতি পাগে খাব।

শুকান হৰা

৬৬৭। ৰবকাজল গৌৰী বন্তাফলিয়া, আৰকচন্দ, ভূমিচম্পাৰ আলু, ৰাম কাতুৰি, কুন্দফুলৰ দক্ষিণৰ চাল, আদা তিনিচকল একত্ৰ কৰি খাব। মাছ, টেঙা, দুধ, একো নাখাব।

হাওৰা হৰা

৬৬৮। ৰৰ লাঙ্গল ভঙাৰ তিনি পতিয়া চায় তাৰ আলু আনিব জালুক পিপলি দি বতি জোল কৰি খাব।

৬৬৯। বনতৰাৰ বিজ, আৰকচন্দ দুইকো খালে হৰা নাশ।

সোপা হৰা

লক্ষণ : গলত সোপা দিয়া যেন কৰে মাতিব নোৱাৰে। তাকে সোপা হৰা বোলে।

৬৭০। কনাৰি পুৰি চালৰ ওপৰত নিয়ৰত দি থব। সোনবৰিয়ালৰ দক্ষিণৰ শিপা ৯ ডাল, জালুক ১টা, পিপলি ১টা, পানী নিদিয়াকৈ বতি এৰা গাখীৰ সমে পুৰাতে খাব।

হৰিতাল (হাইতাল)ৰ বিষ নাশ

৬৭১। তুলসিৰ পাতৰ ৰস খালে হাইতালৰ বেছি বিষ নাশ।

বৈদ্য অমৰ

দ্বিতীয় পঞ্জালী

জহনী (অতি সাৰ) বা কলেৰা চিকিৎসা শৌচ বন্ধ কৰা।

৬৭২। শেকা কেকা বা ছাগল দুৰিৰ (ছাগ লতিৰ) গুটি বতি বড়ি কৰি তপত পানীত মাৰি খালে শৌচ কমে।

৬৭৩। সৰু জাত চাউল ধোৱাৰ গুটি সেইদৰে খালে ভাল হব।

৬৭৪। সাওৰা বা সৌৰৰা শিপা, আডুমৰাৰ শিপাৰ চাল, মদাৰৰ শিপাৰ চাল, বিৰিজ গুটি বতি বড়ি কৰি অনুপাম কাজনাথ বা বাহক বা আডিমৰৰ শিপাৰ ৰসত খাব। শৌচ বন্ধ হব।

৬৭৫। সৰু জাত চাউল ধোৱাৰ গুটি সেইদৰে খালে ভাল হব।

৬৭৬। সাওৰা বা সৌৰৰ শিপা, আডুমবাৰ শিপাৰ চাল, মদাৰৰ শিপাৰ চাল, বিৰিঙ্গ গুটি বতি বড়ি কৰি অনুপাম কজনাথ বা বাহক বা আডিমকৰ শিপাৰ ৰসত খাব। শৌচ বন্ধ হব।

৬৭৭। পলাশৰ শিপাৰ চাল ও গুটি, মদাৰৰ শিপাৰ চাল, জালুক পিপলি, কাচমনি (লাতুৰ মনি) গছৰ পাতৰ ৰসত বতি বড়ি কৰি জামৰ কুঁহিপাত, মধুৰিআমৰ কুঁহিপাতৰ বা দুদ খুৰিৰ চালৰ কাথত খাব। শৌচ হোৰা কমিব।

৬৭৮। কর্পুৰ এমহা, হিং এমহা, আফিং এক আনা, জালুক এক মহা সবাকো বটি বুট সমানে বড়ি কৰি খালে হাগনি বন্ধ হয়।

৬৭৯। জায়ফল ১ তোলা, লং আধা তোলা, ইলাচি দানা আধা তোলা, মৌ ২ তোলা সহিতে মাৰি বুটমাহ সমান বৰি কৰি পানীৰে খাব। শৌচ বন্ধ হব।

বাঁতি হলে (বমি)

৬৮০। ৭১৭ বা ৭১৮ নং ঔষধক কৰাই (চাউল) ভজন পানীত খাব।

পেচাব বন্ধ হলে

৬৮১। পুৰা কুহিয়াৰত ৭২০ নম্বৰত লিখা দৰৱ মাৰি খালে পেচাব চলে।

৬৮২। জায়ফল, লং, মুথা, দালচেনি, ইলাচি, সুৰগা, খৈ, হিং, জিৰা, তেজপাত, যনী, আদা, সন্ধ্যালোন বতি বড়ি কৰি পুৰি কুহিয়াৰৰ ৰসত খাব।

ওঁক হলে

৬৮৩। সৰিয়হ বতি পেটত (নাইত) লেপ দিব।

৬৮৪। ৭১৯ নম্বৰ ঔষধ চেনি অনুপানত খাব।

অতি তাপ পা পোৰণি হলে

৬৮৫। যখাৰ আধা তোলা, চেচা পানীত ভিজাই তালুত পানী দিব।

হেকতি হলে

৬৮৬। ৭১৯ নম্বৰত লিখা দৰৱ আহত গছৰ শুকান চাল পুৰি পানীত দি খাব সবাই সেই পানী খাব। হেকটি আৰু বমি থামিব।

মোৰ উঠিলে অৰ্থাৎ শিৰ ফন্দিয়ালে

৬৮৭। ঈশৰ মুল বতি পানী দি খাব ও ঈশৰ মুল ৰোগীৰ চকুৰ আগত ফুৰাব।

৬৮৮। ৭১৯ নম্বৰ ঔষধ বাহকৰ বা কজনাথৰ পাতৰ জুই দিয়া ৰসত খাব। ফাকু যদিব। বালি বা কেচুমতা গুৰি কৰি ভাজি শেঁকিব ও গাত মালিচ কৰিব।

৬৮৯। বগৰিৰ দক্ষিণ ফালৰ চাল, ডেম ডেউকাৰ ৰস খাব আৰু ভক্ষণ দিব।
৬৯০। কটা বেঙেনা, কুজি থেকেৰা আৰু কিঞ্চিৎ সন্ধ্যালোণ বতি তপতাই খাব।
৬৯১। বন পিপলি চূৰ্ণ মন্দাকিনীৰ বীজ বতি অনামিকা আঙুলিৰে ফোট দিব।
৬৯২। চান্দোৰ মূল, মাঠ কঠকাৰ মূল, জালুক পিপলি বতি বড়ি কৰি খাব।

সাপৰ ঔষধ

৬৯৩। আৰক চানৰ শিপা, অকল বিৰৰ শিপা, সন্যাসীজতা তিনিকো বতি ৰস কৰি বিহ লগা ঠাইৰ পৰা তিপি ঘহি দাৰৰ মুখলৈকে আনিব, বিষ নাইকিয়া হলে দাৰৰ মুখত আঠা ঠেতেলিয়াই লগাই দিব।
৬৯৪। দ্ৰোণৰ গছকেই কেই জোপামান ঠেতেলিয়াই একে পোৱা নিৰ্জলা ৰস লৈ বিষৰ যি ঠাইৰ পৰা নমাই তিপি ঘহি আনিব, ক্ৰমে বিষ নামি আহিলে দাৰৰ মুখত আদা লোণ থেতেলী দিব।
৬৯৫। কাটা খুটুৰা গছৰ শিপা বতি আধা পোৱা ৰস ৰোগীক খুৱালে বিষ মৰে।

ৰাজ গাঁড়

লক্ষণ ঃ পেটৰ ভিতৰত পিলাই বা কলিজা পকি বা বিষালে বা অন্য কোন টেকেলিয়াই কলহৰা নৰিয়া হলে বা অন্তৰত কোহোৰাহে বিষ বেদনা কৰিলে।
৬৯৬। চজনা গছৰ চালৰ ক্কাথ কৰি পুৱা গধুলি খাব।
৬৯৭। আদা চাজনাৰ চাল ও মচম্বৰ তিতা বতিলৈ লেপ দিব।
৬৯৮। হিং, চজনাৰ চালৰ ক্কাথ, চজনাৰ মূলৰ ৰস সৈন্ধ্যালোণ মিহলাই খাব।

ধ্বজভঙ্গ শক্তি মৰা

৬৯৯। আমলখি, শিলিখা, ভমৰা গুটি, যষ্টি মধু, পিপলি সমান অংশে গুড়া কৰি ঘিউ ও মৌ মিহলাই নিতৌ গধুলি খালে চকা চৰাই নিছিনা বতি শক্তি হয়।
৭০০। যষ্টি মধু আৰু আকনৰ গুৰি হৰতি মধু মিহলাই চেলেকি খায় পিছত গাখীৰ খাব।
৭০১। শ্বেত কুলিকাৰেতৰ বিজ গুড়ি কৰি ২ তোলা পৰিমাণ মৌ সহিতে ৭ দিন খালে ধ্বজ ভঙ্গ ভাল হয়।
৭০২। সোন বৰিয়াল বৰ বৰিয়াল, গুড়, বচ, গজ পিপলি, শঙ্খ-গজা, সমান ভাগ লৈ গুড়ি কৰি মাখন সৈতে মিহলাই পুৰুষাংগত ঘহিলে অঙ্গ দৃঢ় হয়।
৭০৩। ভোলা গুতি, বগৰি, পদ্মৌৰ পুৰঠ পাত সমান অংশ লৈ গুড়ি সেই চাই পাঠিয়ন আৰু বগৰি ৰসত বতি অঙ্গত ঘহিব। কিন্তু দৰৱ লগাবৰ আগেয়ে

মহৰ গোবৰ অঙ্গত ঘহিব লাগে অঙ্গ দৃঢ় হয়।

৭০৪। ভূই চম্পাৰ শিপা, আৰু বগাবন শঠৰ বতি অঙ্গত ঘহা মাত্রে দৃঢ় হৈ উঠিব।

গর্ভ ধান

৭০৫। জাব্রং গুৰি, ঘিউত মাৰি ঋতু স্নানৰ দিনৰ পৰা তিনি দিন চেলেকি খাব পিছত এৰা গাখীৰ খালে গৰ্ভৱতী হয়।

৭০৬। পিপলি, জিৰা, বনজিৰা, জাব্রং গৰুৰ ঘিউ সহিতে খালে বন্ধ্যা গৰ্ভৱতী হয়।

৭০৭। পুষ্য নক্ষত্রত বগা বিৰিনাৰ আৰু আদাৰ মালতি অৰ্থাৎ নিলাজি লতাৰ শিপা তুলি যষ্টিমধু ৫ তোলা সহিতে সবাকো গুৰি কৰি চেনি মিহলাই খাব। পিছত গাখীৰ খাব। বন্ধ্যা গৰ্ভৱতী হয়।

তিৰোতাৰ ঋতু বন্ধ কৰা

৭০৮। তিনি বছৰৰ বেচি পুৰণি গুড়, ঋতুৰ শেষত ৪ তোলাকৈ ১৫ দিন খালে গৰ্ভ নহয়।

৭০৯। হৰিনাৰি, যজাঠি, ৰঙা আজ্ঞাচিতা, হিং, সুকগা সবাকো সিজাই তপতে ক্বাথ খালে গৰ্ম নহয়।

টোপনিত দাঁত চোবোবা

৭১০। কাকবাৰ (কেকোৰাৰ) দাণ্ডৰ ঠেং দুখন বতি গৰুৰ গাখীৰত লৈ সিজাব, এই পদাৰ্থ নিশা ভৰি দুখনত লেপিলে দাঁত চবোৱা গুচে।

কান তাল মাৰি ধৰাৰ ঔষধ

৭১১। গোলাপী আতৰ তপতাই পাৰ চবাইৰ পাখীৰে কানত দিব।

চকু নৰিয়াৰ দৰৱ

৭১২। পুৰ্ণনুৱাৰ ৰস তেলত মিহলাই চকুত দিলে চকুৰ গোৰনী আৰু পানী বোৱা গুচে।

৭১৩। সেই ৰসত তিনি খোজা পানী মিহলাই চকুত দিলে ধোঁৱা ধোঁৱা যেন দেখা গুচে।

৭১৪। হালধি, শিলিখা, মৌ'ত মাৰি চকুৰ পিৰটিত দিলে ওখহা গুচে। বিষ থাকিলে আফিং ও দিব।

৭১৫। লং, মৌত ঘহি তপতাই চকুত দিলে ছানী কাতে আৰু উখহা গুচে।

পিয়াহ খোৱা লবাৰ কফ হৈ গলৰ ঘেৰ্ঘেৰনি হলে

৭১৬। পান এপাত, লজ এটা, জায়ফল এক অনা, ধনী এক অনা, খখাৰ এক অনা,

যʼখাৰ ১ তোলা, পানীত বতি বন্তিৰ জুইত তপতাই তিনি দিন খালে ভাল হয়

পিয়াহ শিৰা বা শিৰ কোঁৰ

৭১৭। হাচুতি, জালুক, চালকুৱৰি, হালধি গুৰি চাই, ছাগলী গাখীৰত মাৰি স্তনত লেপ দিব।

ওকনি মৰা ঔষধ

৭১৮। চম্পা ফুলৰ পাতৰ ৰস চুলিত মাৰি শুকাব তাৰ পিছত ধুই পেলাব ওকনি মৰে।

কোষ্ঠ বা বৰ ৰোগ

৭১৯। কনক চম্পা ফুলৰ চাল ১ তোলা বতি এক পোৱা পানীত গুলি খাব। ৭ দিন এইদৰে খায় ভাত নেখাব কেৱল বুট ভজা খাই থাকিব। পুৱাতে গা ধুই ঘৰৰ ভিতৰত থাকিব, ৰʼদত নোলাব ভাল হব। পিয়াহত গাখীৰ খাব, পানী নেখাব।

৭২০। মাছ পোৰা বা কটকীয়া গছৰ পাত এপাহি শুকায়, একটো পানীত সিজায়, যেতিয়া পানী কাইঠা ৰকম হব তেতিয়া পাত বিলাক গুচাই ক্বাথ খিনি পগায় পগাই আফিং যেন গোট কৰিব। পিচে কণা কেচু ২/৩ ডাল ভোলৰ গুড়ি ১০/১২ টা তুতিয়া গন্ধক, ডাক চুক, দাৰ মুখ, ভাং, আফিং ১ তোলা, বৰকেকেলুৱা (কেকগুা), শালধুনা, ১০ তোলা, মচন্দৰ ১ তোলা, কৰ্পুৰ ৫ তোলা, জায়ফল এটা, খয়ৰ ১ তোলা, মৌ সিঠা বা মম, সবাকো বতি তেলত ভাজি লৈ নৰিয়াত লগাব।

এৰা

৭২১। দ্রোণৰ ৰস, নাকেৰে উজাব, আৰু দ্রোণ শাক ভাজি বা বাঞ্জি খাব।

৭২২। কলা তুলসিৰ ৰস নাকেৰে উজাব।

মুখৰ দুৰ গোন্ধ

৭২৩। যʼনী, ধনিয়া, মৌ, বষ্টি মধু প্ৰত্যেকৰে এক তোলা মিচিৰি ৪ তোলা মিহলাই থব। ৰাতি শুৱৰ সময়ত আধা তোলাকে তপত পানীৰে খাব। মুখৰ দুৰগোন্ধ গুচিব।

বায়ুৰেহি বা বাগি বহাৰৰ দৰৱ

৭২৪। বনশঠৰ পাতৰ ৰস কাপোৰ এখনত লৈ বাগিৰ ওপৰত দি কেইবাৰ মান কলত বহি শুকাব, বাগি বহিব। বনশঠৰ শিপা কানত আৰি লব। পকাৰ লাগিলে

আফিংত বতি লব।

জুলাপ বা শৌচ কৰোৱা দৰব

৭২৫। শিলিখা গুড়া, আমলখি গুড়া, সোনাৰু পাতৰ গুৰি, সৈন্ধা লোণ প্ৰত্যেকৰে চাৰি অনা ওজনে লৈ ৰাতি খায় শুলে পুৱা ভেদ হব।

মুৰ কামোৰনিৰ দৰব

৭২৬। আফিং গুলি কাকত বা ফতা কানিত মাখি জুইত সেকি কুমত লগাব।

৭২৭। কর্পুৰ, চন্দন মিহলাই কুমত দিব।

৭২৮। আকন আঠা গোবৰ খুতিৰ ঘুতিয়াত মিলায় বোকা যেন কৰি ৰদত শুকাই গুৰি কৰি নৰাক উজায় কেইবাৰ মান হাচিলে মুৰৰ কামুৰ আদকপালি সূৰ্য্য কাপালী সকলো পাতৰ ৰস নাকেৰে উজাব।

একুহীয়া ও পেন্দৰ ঔষধ

৭২৯। আকল বিষৰ শিপা, আঢ়ৈ চাউল ধুৱাৰ পানীৰে বতি ৫/৬ দিন লেপ দিব।

৭৩০। কাল জিৰা বটা, ৰঙা চন্দন ঘঁহা, কিঞ্চিতচত আফিং, ধুতুৰা বা সিজুৰ পাতৰ ৰসত গুলি মাটিৰ সজাত তপতাই ৬/৭ দিন লেপ দিব।

বান্দৰ চেলা বা বান্দৰ পেলা

লক্ষণ ঃ অন্দকোষ খজুৱাই ঘা যেন হয়।

৭৩১। মাখন বা ঘিউ লগাব।

ধবল বা পখৰা ওলোৱা ৰোগ

৭৩২। তুতিয়া গুড়ি কৰি ১ তোলা গৰুৰ গাখীৰৰ মাখন জ্বাল দিয়া আধা পোৱা ঘিউ, লোৰ কেৰাহীত পগায়, হিং ১ তোলা সেই ঘিউত ভালকৈ ভাজি পেলাব। তুতিয়া গুড়ি সেই ঘিউত মাৰি ৮/১০ দিন ধবলত ঘঁহিব। মলোতে মলোতে যদি কোনো ঠাইত ঘা হয় তেতিয়াও দৰবতে ঘা শুকাব।

মেহ ৰোগৰ ঔষধ

৭৩৩। তবক বাখৰ, গড়ৰ তেজ ও ৰস মিহলাই এক বতি লৈ প্ৰথম দিন মালভোগ কলৰে খাব। দ্বিতীয় দিনা বিৰিণাৰ পাতৰ ৰসৰে খাব। পিছৰ বাৰ সেই ৰস তপতাই দৰব মাৰি খাব। এইদৰে ৩/৪ দিন দৰব খালে নৰিয়া ভাল হব। ৰোগ কমিলে দৰব দিনটোত বাৰ ৩/৪ খাব।

(এই দৰব ব্যৱহাৰ কৰিবৰ পূৰ্ব্বে কিঞ্চিৎ ধৰ্ম্ম কাৰ্য্য কৰি গুৰু, ব্ৰাহ্মণক, ও

মগনীয়া কেইজনমানক শক্তি অনুসাৰে খোৱাব। আৰু গুৰুজনক ৪ ৰতি সোণ দান কৰিহে দৰৱ ব্যৱহাৰ কৰিব।)

৭৩৪। সিজুৰ পাত, আহুদি লতাৰ পাত, কালজিৰা, ইলাচি, লোন, জালুক, পিপলি, কেটেলা পহুৰ ভোঁহ চুঙা এটাত পানী দি সিজায় অলপ পানী ৰাখি সেই পানী খাব। খেহ ৰোগ গুচিব।

৭৩৫। কলৰ আলু সিজায় ৰস ল'ব। সেই ৰসতে লং, জালুক, পিপলি, ধনিয়া, য'নী বতি খাব। খেহ ৰোগীৰ মুখে তেজ যোৱা গুচিব।

৭৩৬। দ্ৰোণৰ পাত, তিতাভেকুৰিৰ পাত , বনজালুক বতি খাব।

ৰক্তপিত্ত নাক হৰিণা

৭৩৭। ভৱক বাখৰ আৰু জলকীয়াৰপাতৰ ৰস নাকেৰে উজালে নাক হৰিনা ভাল হয়। খালে ৰক্তপিত্ত গুছে।

জহনী

৭৩৮। বন শঠৰ শিপা ১ তোলা আৰু জালুক আধা মহা দুইকো পানী দি বতি প্ৰতিবাৰ শৌচ কৰাৰ মুৰত, আদমহা পৰিমাণে খালে পেট চলা ৰোগৰ শক্তি হয়।

৭৩৯। স্থূল পদ্মৰ ৰস এক তোলা, অলপ চেনিৰ সৈতে খালে বন্ধ হোৱা পেচাব মুকলি হয়।

৭৪০। কোবা ভাতুৰিৰ পাত আৰু যখাৰ বতি তল পেটত লেপ দিলে পেচাব চলে।

৭৪১। ভেটাইৰ ক্বাথ খালে বাতি আৰু মোৰ গুছে।

৭৪২। পানৰ ৰস, আদা ৰস, নহৰু, অলপ লোন দি পগায় খালে মোৰ গুছে।

৭৪৩। পেটত খামোচ মাৰি ধৰিলে কল্পনাথ তিতাৰ পাত ২ তোলা, গুভিয়া বনৰ শিপা, ওক ভেদেলি লতাৰ ৰস লৈ সবাকো কাথ কৰি খালে পেটৰ খামোচ গুচিব, শিৰ তল গুচিব।

৭৪৪। হেকটি হলে কলৰ মুৰাৰ ৰস আৰু চেনি খাব।

৭৪৫। পিয়াহত জালুক ভোমোৰা পানীত পেলাই সেই পানী খাব।

৭৪৬। শৌচ পেচাব বন্ধ হলে, শৌচ আৰু পেচাব দুৱাৰত নৰসিংহ বতি লেপ দিলে শৌচ পেচাব চলে।

কামোৰণি নাশ

৭৪৭। উলুতা মূল, পিপলি, জালুক, মৰাণ আদা, বেলি পকাৰ আলু ১ আঙুল, মেৰমেৰি লতাৰ আলু ১আঙুল, মতা ফুটুকাৰ আলু ১আঙুল, মালভোগ কলৰ

আলু ১আঙুল, সবাকো বতি অলপমান খাব।

কাঁহৰ দৰৱ

৭৪৮। আকনৰ আঠা, চেঙেলি মাছ খছি আকনৰ আঠা ও দি খৰি কাদি শুকাব। তাক বড়ি কৰি খুৱাব ভাল হব।

পেটৰ ৰোগ

৭৪৯। শুকান আমলখি খুন্দি গুড়ি কৰি তাত অলপ কলা নিমখ মিলাই ঠাণ্ডা পানীৰ লগত খোৱাব।

৭৫০। আধাকাপ মান মিঠা আমৰ ৰস, ২৫ গ্ৰাম মান দৈ, এচামুচ আদাৰ ৰস মিলাই দিনে দুবাৰকৈ খোৱালে পেটচলা ৰোগ ভাল হয়।

৭৫১। অলপ জিৰা, একাপ মৌ, মাখনৰ লগত মিলাই খালে পেটৰ ৰোগ ভাল হব।

৭৫২। শুকান টেঙেলীৰ গুটি খুন্দি গুড়ি কৰি, অলপ মাখনৰ লগত মিলাই খোৱাব পেটৰ ৰোগ ভাল হব।

৭৫৩। পিপলিৰ ছাল, সমপৰিমাণে মিচিৰি লগত মিলাই ৰোগীক খোৱাব।

৭৫৪। ধনীয়াৰ পাত, ক'লা নিমখ মিহলাই খাব।

৭৫৫। সুমথিৰা টেঙাৰ ৰস, ছাগলী গাখীৰৰ লগত সমান পৰিমাণে লৈ খোৱালে াপট চলা আৰাম পোৱা যায়।

৭৫৬। পকা বেল, দৈৰ লগত খাব।

৭৫৭। ২৫ গ্ৰাম শতমূলৰ শিপাৰ ৰস, দুই চামোচ মৌ জোলৰ লগত মিলাই খোৱাব।

৭৫৮। তিনি চাৰিটামান কেচা আমলখি খুন্দি নবীৰ চাৰিওকাষে লেপ দিলে ভাল হয়।

৭৫৯। জামুৰ পাত ৫/৬ খন খুন্দি তাৰ ৰস, ছাগলী গাখীৰৰ লগত খোৱাব। ল'ৰা ছোৱালীৰ পেটৰ অসুখ ভাল হয়।

অম্লশূল

৭৬০। আমলখি ও আনাৰৰ ৰস এক তোলা, চাকা কাপোৰেৰে চেকি দুটা লং পিহি দি ৰাতি পুৱা সুদা পেটত খুৱাব।

৭৬১। ডেৰ তোলা কেঁচা আমলখিৰ ৰসৰ লগত দুচামুচ মৌ মিহলাই খোৱাব।

৭৬২। কাজি টেঙাৰ ৰস, গৰম পানীত মিহলি কৰি ৰাতিপুৱা আৰু গধুলি ৰোগীক খোৱাব।

৭৬৩। পকা ভীমকল ভালকৈ পিতিকি তাৰ গুটি বাদ দিব। ইলাচিৰ লগত খোৱাব ৰোগ নাশ হব।

অজীৰ্ণ

৭৬৪। আদাৰ ৰস, সৈন্ধা লোণ তিনিওকো মিলাই ৰাতি আহাৰ খোৱাৰ আগত আৰু পাছত দুচামুচকৈ খালে অজীৰ্ণ ৰোগ নাশ হয়।

৭৬৫। ২৫ গ্ৰাম জালুক, ২৫ গ্ৰাম নিমখ, ৭ গ্ৰাম শুকান ধনীয়াৰ গুড়ি মিহলাই ৰাতি আহাৰ খোৱাৰ পাচত খালে ভাল হয়।

কোনো বস্তু খাই অজীৰ্ণ হলে

৭৬৬। ভাত খাই অজীৰ্ণ হলে ক'লা নিমখ খালে ভাল হয়।

৭৬৭। তেল জাতীয় মাছ, মাংস খাই অজীৰ্ণ হলে নেমুৰ ৰস আধা গিলাছ খাব।

৭৬৮। নাৰিকল খাই অজীৰ্ণ হলে আৰৈ (উহ) চাউল চোবাই খাব।

৭৬৯। কল খাই অজীৰ্ণ হলে নিমখ বা ঘিউ খোৱাব।

৭৭০। বেল বা খোনা খাই অজীৰ্ণ হলে মহানিমুৰ গুটি খোৱাব।

৭৭১। কোমোৰ বা কুহিয়াৰ খাই অজীৰ্ণ হলে কেঁচা আদা চোবাই খাব।

৭৭২। ঘিউ খাই অজীৰ্ণ হলে, জামিৰ টেঙা খোৱাব।

৭৭৩। মদ খাই অজীৰ্ণ হলে, পুকা তেতেলি ৰস এগিলাছ বা কুজি থৈকেৰাৰ ৰস খাব।

৭৭৪। ওলকবি খাই অজীৰ্ণ হলে, গুড় খাব।

৭৭৫। জলা খাই অজীৰ্ণ হলে, তেল খোৱা ভাল।

উপাঙ্গপদাহ

৭৭৬। পকা বিলাহী, সৈন্ধৱ লোণ আৰু আদা মিহলাই আহাৰ খোৱাৰ অলপ আগতে খাব লাগে।

৭৭৭। গাজৰৰ ৰস ২৫ গ্ৰামকৈ, দিনে দুইবাৰকৈ এক সপ্তাহ খোৱাব।

কেচুমুৰীয়া

৭৭৮। কেচুমুৰীয়াত তেজ পৰিলে, পুৰাৰ আহাৰৰ লগত মচৰ দাইল খোৱাব, তাৰ পাচত ১ গিলাচ বিশুদ্ধ মাখন খোৱাব লাগে।

৭৭৮। কেচুমুৰীয়াত তেজ পৰিলে ৫০/৬০ গ্ৰাম গুদাপেটত খোৱাব।

৭৭৯। কেচুমুৰী ৰোগত গুহ্যদ্বাৰ বাহিৰ ওলাই আহে। এড়াৰ তেল একেৰাহে একমাহ মান লগাব।

৮০। এচামুচ ফিটকিৰি, এগিলাচ পানীত মিহলি কৰি গুহ্যদ্বাৰ ধুব লাগে। লগতে এখন কাপোৰ সেই পানীত তিয়াই থব লাগে।

৭৮১। হাড়জোৰা লতাৰ ৰস এই ৰোগত খুৱাব লাগে।

৭৮২। নিমৰ গুটি ভালদৰে খুন্দি পাউদাৰ যেন কৰি মৌৰ সৈতে মিহলাই খোৱাব। দুয়োৰো সমান পৰিমাণ হ'ব লাগে।

৭৮৩। পূব ফালৰ নাহৰ গছৰ ছাল, পানীত ভালদৰে ধুই খুন্দিব তাৰ ৰস উলিয়াই দিনে তিনিবাৰ (এবাৰত ৫ চামোচকৈ) খোৱাব।

৭৮৪। দুপৰ টেঙাৰ পাত খুন্দি গুহ্য দ্বাৰত লিপি ২০ মিনিট সময় থ'ব বা কৰবি গছৰ শিপা খুন্দি গুহ্য দ্বাৰত লগাব।

৭৮৫। পদুমফুলৰ কেচা পাত খুন্দি তাৰ ৰস লৈ চেনী আৰু মাখনৰ সৈতে মিহলাই খোৱালে কেচুমুৰীয়া ৰোগ ভাল হয়।

৭৮৬। সোনাৰু গছৰ গুটিৰ মাজৰ মৰ্জ্জা ১০ গ্ৰাম মান লৈ তাত অলপ পানী মিহলাই ৰাতিপুৱা খালি পেটত খুৱাব লগতে গুহ্য দ্বাৰত লগাই থ'ব।

৭৮৭। মিঠা আমৰ গুটিতো পুৰি তাৰ চাইথিনি লব নাৰিকল তেলত মাৰি গুহ্য দ্বাৰত লগাব। কেচুমুৰীয়া ৰোগ ভাল হ'ব।

কৃমি

৭৮৮। গোল নেমুৰ গুটি ৫ টা খুন্দি পানীৰে গুলি খালে কৃমি নাশ হয়।

৭৮৯। পকা বিলাহী এটা, জালুক এটা অলক নিমখৰ সৈতে মিহলাই খুৱাব।

৭৯০। আমৰ গুটিৰ গুড়ি ২ চামুচ, পানীৰ লগত ভুলি খোৱাব। একেৰাহে ১৫ দিন খোৱাব।

৭৯১। মাটি কঠালৰ কুঁহিপাত খুন্দি তাৰ ১০/১২ গ্ৰাম শুদাপেটত খোৱাব।

৭৯২। গাখীৰত নহৰু সিজাই খাব। কৃমি নাশ হয়।

৭৯৩। কেচা আমলখিৰ ৰস ৪ চামুচকৈ এক সপ্তাহ খালে কৃমি মৰে।

৭৯৪। তুবুকি লতাৰ পাত মিহিকৈ খুন্দি তাৰ ৰস ২ চামুচ কেচুৱাক খোৱাব।

৭৯৫। পিয়াজৰ ৰস ১২ গ্ৰাম খোৱালে কৃমি নাশ হয়।

৭৯৬। ধুতুৰা পাতৰ ৰস কেইটোপালমান খোৱাব।

৭৯৭। নাৰিকল এফাল ৰাতিপুৱা শুদাপেটত খালে কৃমি নহয়।

কোষ্ঠ কাঠিণ্য ৰোগৰ দৰৱ

৭৯৮। সৰিয়হ তেলেৰে পেট মালিচ কৰিলে ভাল ফল পোৱা যায়।

৭৯৯। তিল, আৰৈ চাউল, মিচিৰি আৰু মচুৰ দাইলৰ লগত বনাই খোৱাব।

৮০০। ৰাতিপুৱা খালি পেটত আৰু ৰাতি শুৱাৰ আগতে এগিলাচ পানীত কেইটোপামান

নেমুৰ ৰস মিলাই খোৱাব।

৮০১। কেঁচা অমিতাৰ তৰকাৰী এই ৰোগত বৰ উপকাৰী।

৮০২। পকা অমিতা খালে শৌচ কোমল হয়।

৮০৩। ২৫ গ্ৰাম মান এড়া তেল, গৰম পানী বা গৰম গাখীৰত মিহলাই ৰোগীক খোৱালে শৌচ কোমল হয়।

গ্ৰহণী

৮০৪। ক'লা তুলসিৰ ৰস, চিৰতা তিতাৰ ৰস, দুয়োৰো সমান সমান মিলাই খোৱাব। গ্ৰহণী ৰোগ ভাল হয়।

৮০৫। বগুলী এড়া গছৰ গুৰিত এটা সৰু ফুটাকৰি তাৰ ৰস উলিয়াব। গছ জোপা যিমান বড়া হয় সিমান ভাল। তাৰ ৰস এচামুচৰ লগত আধা চামুচ পানী মিলাই তাক দুভাগ কৰিব। ৩ দিনে দুবাৰকৈ খোৱাব। তেজ গ্ৰহণী আৰোগ্য হয়।

৮০৬। পুৰণি থৈকেৰা অলপ, এগিলাচ পানীত এক ৰাতি তিয়াই ৰাখিব। সেই পানী ৰাতি শুদা পেটত খালে সঙ্কিত গ্ৰহণী ভাল।

৮০৭। আধা পকা ভীমকল দুই তিনিটা টুকুৰা টুকুৰি কৰি কাটি এক ৰাতি এবাতি পানীত তিয়াই ৰাখিব। ৰাতিপুৱা খালি পেটত খাব। একেৰাহে ৮/১০ দিন খাব।

৮০৮। অমৰাৰ ছাল খুন্দি তাৰ ৰস উলিয়াই ১০০ গ্ৰাম মানিমুনিৰ পাতৰ ৰস মৌ বা চেনিৰ লগত খোৱাব গ্ৰহণী ৰোগ ভাল হব। এই দৰবে সঙ্কিত গ্ৰহণীতো ভাল কাম কৰে।

৮০৯। ৩/৪ খন হালধিৰ পাতৰ ৰস, নিৰ্ম্মল চুনৰ পানীত মিহলাই দিনে দুবাৰকৈ ৰোগীক খোৱাব। গ্ৰহণী ৰোগ ভাল হয়।

৮১০। বেল এটা, টুবুকী লতাৰ পাত, ডালিমৰ পাত, মদাৰৰ পাত সকলোৰে সমান পাত লব। বেলটো পাতেৰে মেৰিয়াই জুইত পুৰি গুড়ৰ সৈতে তাক খাব গ্ৰহণী ৰোগৰ জান মৰে।

৮১১। আম, জাম, আমলখি পাতৰ ৰস সমানে লৈ, মৌ আৰু ছাগলী গাখীৰৰ লগত খাব। গ্ৰহনী নাশ হব।

৮১২। ডালিম গছৰ ছাল খুন্দি তাৰ ৰস ১০/১৫ গ্ৰাম ৩/৪ দিন খাব।

৮১৩। দুবৰিৰ বনৰ ৰস ১০/১৫ গ্ৰাম ৩/৪ দিন খোৱাব। গ্ৰহণী ভাল হব।

জলোদৰ ৰোগ (ASCITES)

৮১৪। পিয়াজৰ ৰস দুই টকা নিতৌ পুৱা গধুলী দুবাৰকৈ খাব। পেটৰ জাম বা প্ৰসাব বেছি কৈ হয়।

৮১৫। কেচা কেৰেলাৰ ৰস ২৫ গ্ৰাম দিনে ৩/৪ বাৰকৈ খাব।

৮১৬। নহৰুৰ ৰস এচামুচ এগিলাচ পানীত মিহলাই খোৱাব।

৮১৭। মহাভৃঙ্গৰাজৰ ৰস গৰুৰ গাখীৰৰ লগত ৰোগীক খোৱাব।

৮১৮। পিপলিৰ গুড়ি গৰুৰ গাখীৰৰ লগত মিহলাই খাব।

৮১৯। বেল পাতৰ ৰস, জালুক, মৌ জোলৰ লগত মিলাই খোৱাব। শোথ ৰোগ নাশ হয়।

যকৃত ৰোগ

৮২০। চিৰতাৰ ৰস, ৰঙা আলু, জিলমিল্ শাক যকৃত ৰোগত বৰ উপকাৰী।

৮২১। ভীম কলডিল, পাৰৰ মাংস আঞ্জা কৰি খালে ৰোগত ভাল ফল পোৱা যায়।

৮২২। জহা চাউলৰ লগত, মান কচুৰ মাটিৰ ওপৰৰ কোমল সাহখিনি সিজাই খাব লাগে।

৮২৩। ক'লা তুলসীৰ পাত পানীত সিজাই তাৰ ৰস খালে যকৃত ৰোগ ভাল পোৱা যায়

৮২৪। ছাল কোৰবীৰ পাতৰ ৰস এক গ্ৰাম একেৰাহে দিন খাব।

৮২৫। গাজৰৰ ৰসৰ লগত মৌ জোল মিলাই খাব।

৮২৬। পুৰণা গুড় আৰু পিপলিৰ গুড়ি সমান পৰিমাণে মিলাই খাব। যকৃত ৰোগ ভাল হব।

৮২৭। মূলাৰ পাতৰ ৰস মৌ মিহলাই খালে ভাল হয়।

৮২৮। কেঁচা আৰু পকা অমিতা যকৃত ৰোগত ভাল কাম কৰে।

৮২৯। আকনৰ আঠা কেইটোপালমান পানীৰ লগত মিলাই খাব।

পাকস্থলিৰ ঘা

৮৩০। বেলৰ পাত আৰু ঠাৰি ভাল ধৰণে খুন্দি তাৰ ৰস এগিলাচ ৰাতিপুৱা আৰু গধুলি খোৱাব। নাইবা পকা বেল এবাটি, ৰাতি এবাটি মান পানীত তিয়াই সেই পানী ৰাতিপুৱা সুদা পেটত খোৱাব।

৮৩১। আমলখিৰ ৰস এচামুচ, গাজৰৰ ৰস এচামুচ, দুচামুচ মৌৰ লগত মিহলাই খোৱাব। পাকস্থলিৰ ঘা ভাল হব।

৮৩২। ১০০ গ্ৰাম মান কেঁচা ক'লা হালধিৰ ৰস ৰাতিপুৱা শুদা পেটত খালে এই ৰোগ আৰাম পোৱা যায়।

৮৩৩। আধা পকা অমিতা বইল কৰি খাব।

৮৩৪। মিঠা আমৰ ৰস উলিয়াই খাব।

৮৩৫। মধুৰী গছৰ কোমল কোঁহ তিনিটা একে উশাহতে চিঙি খাব। পাকস্থলিত ৰোগ নাশ হব।

৮৩৬। আপেল সৰু সৰু কৈ কাটি পানীত তিয়াই থব। তাৰ পাচত অলপ গৰম কৰি সেই পানীত মৌ মিহলাই খোৱাব।

বমি

৮৩৭। দুবৰি বনৰ ৰস, চুনৰ পানী, দুয়োকো মিলাই খোৱালে সকলো প্ৰকাৰৰ বমি বন্ধ হয়।

৮৩৮। এচামুচ গাজৰৰ ৰস, এচামুচ মৌ মিহলাই খাব।

৮৩৯। ক'লা তুলসী পাতৰ ৰস আৰু মৌ খালে বমি বন্ধ হয়।

৮৪০। নিমৰ গুটি ২/৩ টা খুন্দি তাৰ ৰসৰ লগত মৌ মিহলাই খাব।

৮৪১। ধনিয়াৰ গুটি খুন্দি তাৰ ৰস খালে বমি বন্ধ হব।

৮৪২। ৫০ গ্ৰাম মহানিমৰ পাত, অলপ সিজাই সেই পানী খালে বমি বন্ধ হয়।

৮৪৩। ভেকুৰি তিতাৰ ৰস খালে বমি বন্ধ হয়।

বায়ুৰোগ

৮৪৪। গৰম গাখীৰত মৌ দি খালে পেটৰ বায়ু বন্ধ হয়।

৮৪৫। আধা কাপ পানী দুটা লং পিহি দিব। তাৰ পাছত সেই পানীখিনি গৰম কৰিব। আধা থাকোতে নমাই থব। ঠাণ্ডা হলে খাব।

৮৪৬। আমলখি, শিলিখা, ভোমোৰাৰ গুটি পানীৰ লগত মিহলাই খাব। বায়ু জাম হোৱা ভাল হয়।

৮৪৭। গাজৰৰ ৰস, মৌ জোল মিহলাই খালেও ভাল ফল পোৱা যায়।

৮৪৮। গৰুৰ গাখীৰত এটা পিপলি দি গৰম কৰি খাব। পেটত বায়ু নাশ হয়।

৮৪৯। পেটত বায়ু জমা হলে খাটি সৰিয়হৰ তেলেৰে নাভীৰ ওচৰত মাজিচ কৰাব।

৮৫০। কেইটামান শিলিখা ভাজি খালে ভাল হয় বা কেঁচা শিলিখা চোবাই খালেও ভাল।

৮৫১। কেঁচা মূলা এই ৰোগত বৰ উপকাৰী অলপ নিমখ লগাই কেঁচাই খাব পেটৰ

বায়ু নাশ হব।

৮৫২। আহাৰ খোৱাৰ আগতে অলপ গুড় খাব। বায়ু নাশ হব।

বলিয়ালি বা পগলা

৮৫৩। পানী হিদলৰ আগ ৭ টা মানুহৰ গাখীৰ আৰু একে বৰণৰ ছাগলীৰ গাখীৰ লগত গৰম কৰি খোৱাব লাগে।

৮৫৪। বগা অপৰাজিতাৰ পাত আৰু মূল, মহানিমৰ পাতৰ ৰস দুটাৰ সমান পৰিমাণে লৈ খোৱালে ভূতে পোৱা ভাল হয়।

৮৫৫। এক কিলো ঘিউ, গৰুৰ মুত ৪ লিটাৰমানত হিং, লোণ পিপলি জালুক প্ৰত্যেকৰে ১ তোলাকৈ ঘিউত পগায় ৰোগীক খোৱালে ভাল হয়।

৮৫৬। মানুহৰ পিয়াহ, ভেতাই তিতাৰ আগ এতোলামান ৰাতিপুৱা বতি খোৱাব।

নোখোৱাৰ দৰব

৮৫৭। শিৰীষ ফুল, নহৰু, আদাৰ গুৰি, স্বেত সৰিয়হ, বচ, মজাঠি, হালধি, পিপলি এই কেইটা বস্তু ছাগলীৰ মুতেৰে বটি বড়ি বনাব। এই বড়ি ছাত শুকুৱাব পাছত পানীৰে গুলি নাকেৰে উজাব। এই দৰবকে চকুত অঞ্জন দিব।

৮৫৮। কৰ্পূৰ এতোলা শিলৰ বাটিত লৈ ম'হৰ শিঙেদি দুই দণ্ড মেলি ঘহি তিলৰ তেলত মৰিব, সেই তেল ৰোগীৰ তলুৱাত ঘহি ঘহি টোপনি অনাব আপোনা আপোনি সাৰ পায় উঠিলে, মনৰ বিকাৰ আতৰিব।

৮৫৯। নিমৰ পাত, হিং, বচ, সাপৰ চোকৰা আৰু সৰিয়হ এই বিলাক বস্তু ধূপ দিলে ডাইনি আদি গুছে বা পগলা ৰোগ আৰোগ্য হয়।

৮৬০। জালুক, পিপলি, সৈন্ধৱ লোণ, মৌ গোৰচনা এইবিলাকৰ সমান জোখত লৈ বাটি অঞ্জন দিলে সৰ্ব্ব প্ৰকাৰ ভূতে পোৱা বা পগলা ৰোগ নাশ হয়।

ভগন্দৰ ৰোগ

৮৬১। চজিনাৰ মূল, বৰ গছৰ কোঁহ কেইটামান ভাল দৰে খুন্দিব। সেই দৰব গুহ্যদ্বাৰত লগাব।

৮৬২। গৰুৰ এৰা গাখীৰ, অলপমান সৰিয়হ বটি দুয়োকো মিলাই গুহ্যদ্বাৰত লিপি থব।

৮৬৩। আকন গছৰ আঠা, আচু কাঠৰ গুড়ি, সিজুৰ আঠা, তিনিওকে সমানে লৈ খুন্দি বড়ি বনাই ৰোগীক খোৱাব।

৮৬৪। আমলখি শিলিখা, ভোমোৰাৰ গুড়ি, পিপলি ভাল দৰে খুন্দি একেবাৰে ৮/১০

দিন খোৱাব। ভগন্দৰ ৰোগ ভাল হব।

৮৬৫। গুহ্যদ্বাৰত এড়া গুটিৰ তেল সানিব লাগে।

৮৬৬। বচ গছৰ শিপা, তিল, শিলিখা, নিমৰ পাত সকলো বোৰৰ সমান পৰিমাণে লৈ বাটিব, গুহ্যদ্বাৰত কিছু সময় প্ৰলেপ দি ৰাখিব।

এন্দুৰীয়া

৮৬৭। কেঁচা হালধি এটুকুৰা খুন্দি, ভীমকলৰ খাৰৰ লগত মিলাই খালে এন্দুৰীয়া ৰোগ ভাল হয়।

৮৬৮। আচুকাঠৰ গুড়া, সিজুৰ আঠা, আকনৰ আঠা সকলোবে সমান লৈ অন্দুৰীয়াত লগাব।

৮৬৯। এড়া গছৰ ৰস, খীৰৰ সমানে লৈ খাব।

৮৭০। বৰ মানিমুনি পাত এমুঠি খুন্দি এন্দুৰীত লগাব।

৮৭১। মহানিমৰ পাত পানীত গৰম কৰি সেই পানীৰে এন্দুৰীয়া ধুলে ভাল হয়।

৮৭২। ম'হৰ গাখীৰৰ দৈ, সৰু মিহি চাউলৰ সৈতে বনাই ৰোগীক খোৱাব লাগে।

৮৭৩। গুলঞ্চ পাতৰ ৰস, গৰুৰ ঘিউৰ লগত খাব।

৮৭৪। কৰবী গছৰ শিপা খুন্দি এন্দুৰীয়াত লগাব।

৮৭৫। নহৰু ২/৪ ফুটা খুন্দি অলপ নিমখ দি এন্দুৰীয়াত বান্ধি দিব।

সাৰ বেমাৰ

৮৭৬। কেঁচা অমিতাৰ তৰকাৰি এক সপ্তাহমান খালে সাৰ বেমাৰ ভাল হয়। (মচলা নিদিয়াকৈ বনাই খোৱাব)

৮৭৭। নহৰু কেই কোটামান খুন্দি ৫০ গ্ৰাম মান গৰম কৰা গৰুৰ গাখীৰত মিহলাই খুৱাব। একেৰাহে দুদিন খোৱাব ৰোগ ভাল হব।

৮৭৮। দিনে দুই গিলাচকৈ কুহিয়াৰৰ ৰস খাব।

৮৭৯। মূলা পাতৰ ৰস একাপত ৪/৫ চামুচ মান চেনী মিহলাই খাব। বা কেঁচা মূলা চোবাই খালেও সাৰ বেমাৰ আৰোগ্য হয়।

৮৮০। তিতা কেৰেলাৰ পাত বা কেৰেলা ৰস অলপ পানী মিহলাই দিনে দুবাৰ কৈ খোৱাব। ৰাতিপুৱা আৰু গধূলি।

৮৮১। ১০০ গ্ৰাম গাজৰৰ ৰসত ৪/৫ চামুচ চেনী মিহলাই খালে সাৰ বেমাৰ ভাল হয়।

৮৮২। কেঁচা হালধি খুন্দি তাৰ ৰসৰ লগত চেনী, মৌ, ঘি মিহলাই সাৰ বেমাৰত খুৱাব।

৮৮৩। সাৰ বেমাৰত ৰক্তহীন হ'লে, ৫০ গ্ৰাম মান খিচমিচ ৰাতি অলপ পানীত তিয়াই ৰাখি সেই পানীতে খিচমিচ কেইটা খচি তাৰ পানীত মৌ মিহলাই খোৱাব। ৰক্তহীনতা দুৰ হ'ব।

৮৮৪। শিলিখা ৫/৬ টা ভাল দৰে খুন্দি পুৰণি গুড়ৰ লগত খালে সাৰ বেমাৰ নাশ হয়।

৮৮৫। শগুনীলতাৰ ৰস ঘোলৰ সৈতে খালেও সাৰ বেমাৰ ভাল হয়।

৮৮৬। তিতা ফুলৰ ৰস ২০ গ্ৰামত সামান্য চেনি মিহলাই ৰাতিপুৱা আৰু গধুলি তিনি দিন খোৱাব।

৮৮৭। বগাজামু গছৰ ছাল ৪ আঙুল দক্ষিণ ফালৰ লব। ছাল ডোখৰ খুন্দি তাৰ ৰস উলিয়াই মৌৰ সৈতে খাব।

৮৮৮। য'ম লাখুটিৰ তিনিদাল শিপা (৬ ইঞ্চি দীঘল হ'ব লাগে)। ওপৰৰ ছাল এৰুৱাই ভাল দৰে খুন্দি তাৰ ৰস বাহিৰ কৰি গৰুৰ গাখীৰৰ লগত মিহলাই খোৱাব। সাৰ বেমাৰ অতি সোনকালে ভাল হয়।

৮৮৯। কাজি নেমুৰ ৰস পানীৰ লগত মিশ্ৰণ কৰি ৰোগীক খাবলৈ দিব।

কলেৰা ৰোগৰ দৰৱ

৮৯০। আমৰ কুমলীয়া কোঁহ কেইটামান খুন্দি তাত এগিলাচ পানীত গৰম কৰিব তাতে অলপ নিমখ দি গৰমে গৰমে ৰোগীক খোৱাব এনে কৰিলে ৰোগৰ বীজাণু মৰে।

৮৯১। পিয়াজৰ ৰস, নেমুৰ ৰস, পদিনাৰ ৰস, অলপ নিমখ মিহলাই এক ঘণ্টাৰ অন্তৰে অন্তৰে ৰোগীক খুৱাব এই ৰোগ ভাল হয়।

৮৯২। নিমৰ পাত খুন্দি তাৰ ৰস এগিলাচ পানীৰে খাব। দিনে দুবাৰকৈ।

৮৯৩। জলকীয়াৰ ৰস কেইটোপমান, এগিলাচ পানী মিলাই খাব। ১ ঘণ্টাৰ অন্তৰে অন্তৰে ৰোগীক খোৱাব এই ৰোগ ভাল হয়।

৮৯৪। এক গ্ৰাম নহৰুৰ ৰস, গ্ৰাম ৫০ মৌ, ১০০ গ্ৰাম পানীত মিলাই। প্ৰতিবাৰতে ১৫ গ্ৰামকৈ ৰোগীক খোৱাব উপকাৰ পাব।

৮৯৫। অলপমান জলকীয়াৰ গুটি ভালকৈ খুন্দি, সমান পৰিমাণৰ কৰ্পূৰ মিহলাই, মৌৰ সৈতে বীড় বনাই খালে কলেৰা ৰোগ আৰাম পায়।

৮৯৬। কেঁচা হালধীৰ ৰস ১০ গ্ৰাম মান দিনে তিনি বাৰ খাব। কলেৰাৰ প্ৰতিষেধকৰ কাম কৰে।

৮৯৭। অমিতাৰ আঠা বা গুটি এই ৰোগ ভাল কৰে।

হেঁকটি

৮৯৮। মৰাণ আদা থেতেলী খালে সকলো প্ৰকাৰৰ হেঁকতি ভাল হয়।

৮৯৯। পদিনাৰ পাত খুন্দি খাব।

ফোঁহা

৯০০। বিশল্যকৰণীৰ পাত খুন্দি ফোঁহাত লিপি বাখিব।

৯০১। সোনবৰিয়ালৰ পাত খুন্দি ফোঁহাৰ মুখত লগালে ফোঁহা বহি যায়। ও সহজে পকে।

৯০২। পচতীয়াৰ পাত খুন্দি ফোঁহাত প্ৰলেপ দিলে সহজে পকি পূজ আদি বাহিৰ হৈ সহজে শুকায় আৰু বিষ কমে।

ঘামচি

৯০৩। হেলচি শাক খুন্দি ঘামুচি হোৱা ঠাইত লগাব।

৯০৪। তেজপাত খুন্দি ঘামচি হোৱাৰ ঠাইত লগাব।

৯০৫। গোলনেমু ফালি গাত ঘহিব লাগে।

৯০৬। মহানিমৰ পাত পানীত সিজাই সেই পানী ঠাণ্ডা হলে গা ধুব।

৯০৭। কেঁচা হালধীৰ ৰস, দুবৰী বনৰ ৰস মিলাই ঘামচিত লগাব। ঘামচি নাইকিয়া হয়।

দুষ্টবৰ্ণ

৯০৮। কেইখন মান বিশল্যকৰণীৰ পাত খুন্দি ঘাঁত লগাব।

৯০৯। চতিয়ানা গছৰ আঠা লগালে দুষ্টবৰ্ণ ভাল হয়।

৯১০। বাহকৰ পাত, কেঁচা হালধি দুয়োবে খুন্দি ৰস উলিয়াই ঘাত লগাব। লগোৱাৰ আগতে ভাল ধৰণে পৰিষ্কাৰ কৰি লব।

৯১১। মহানিমৰ পাত, ফুল আৰু গুটি লৈ সকলোকে একেলগে খুন্দি ঘাত লগাব।

বেচু বা বেওঁজ

৯১২। ধুতুৰাৰ পাত কেইখনমান খুন্দি বেচু হোৱাৰ ঠাসত বান্ধি ৰাখিব।

৯১৩। পচতিয়াৰ পাত ও শিপা, তিলৰ লগত বটি লিপি থব।

৯১৪। এৰাপাত ১ খিলা খুন্দি বেচু হোৱাৰ ঠাইত লগাই ৰাখিব।

৯১৫। নিমৰ তেল দি বেচুত মালিচ কৰিব।

ৰক্তপিত্ত

৯১৬। ৰক্তপিত্ত হলে কুন্দলী আৰু চেনী মিহলাই খুৱাব।

৯১৭। আমলখিৰ ৰস আৰু চেনী মিহলাই ৰক্ত পিত্তত খাব লাগে। ৰক্তপিত্ত ভাল হয়।

৯১৮। পদুম ফুলৰ পাতৰ ৰস ১৫ গ্ৰাম, অলপ চেনী মিহলাই খাব।

৯১৯। অৰ্জ্জুন গছৰ ছালৰ গুড়ি ৫ গ্ৰাম মান গৰুৰ গাখীৰ ও গৰুৰ ঘিউ আৰু চেনী মিশ্ৰ কৰি খোৱালে ৰক্ত পিত্ত ভাল হয়।

৯২০। বিশল্যকৰণীৰ পাতৰ ৰস ২৫/৩০ গ্ৰামকৈ একেৰাহে এসপ্তাহমান খালে ৰক্তপিত্ত ভাল হয়।

৯২১। বগা বাহকৰ পাতৰ ৰস, পিপলি গুড়ি, শিলিখাৰ গুড়ি, মিহলাই অলপ মৌজোল দি খোৱাব। ৰক্তপিত্ত ভাল হয়।

৯২২। ছালকোৱৰীৰ বিজলুৱা ৫০ গ্ৰাম মান লব তাৰ লগত মিচিৰি মিলাই একেৰাহে ৮/১০ দিন খোৱাব। আৰোগ্য হয়।

ৰক্তহীনতা

৯২৩। কেচা পিয়াজ খালে তেজ বৃদ্ধি হয়।

৯২৪। আমলখিৰ ৰস দুচামুচ মান, মৌ আৰু অলপ পানী মিহলাই খোৱাব তেজ বৃদ্ধি হব।

৯২৫। কাটা খুটুৰা এমুঠি তৰকাৰী বনাই খুৱাব তেজ বৃদ্ধি হব।

৯২৬। আঙুৰ ২০০ গ্ৰাম নিতৌ ৰোগীক খুৱাব তেজ বাঢ়িব।

৯২৭। বিলাহীৰ ৰস, নেমুৰ ৰস সমানে খাব ৰক্তহীনতা ৰোগ নাশ হব।

৯২৮। পালেং শাকৰ ৰস আধা গিলাচমানত দুচামুচ মৌ মিহলাই খালে ৰক্তহীনতা দুৰ হব।

ৰক্ত বিকাৰ

৯২৯। গোল নেমুৰ ৰস, গৰম পানীত মিলাই পুৱা পুৱা দুবাৰকৈ খালে তেজ পৰিষ্কাৰ হয়।

৯৩০। তিতা কেৰেলাৰ ৰস ৫০ গ্ৰামকৈ নিতৌ খোৱাব তেজ পৰিষ্কাৰ হব।

৯৩১। ভাল কচুৰ ঠাৰি সিজাই বা পাতত দি ৰোগীক খোৱাব। তেজ পৰিষ্কাৰ হব।

৯৩২। তেজ পৰিষ্কাৰ কৰিবলৈ নিতৌ এটা কমলা খোৱাব।

৯৩৩। কেচা হালধিৰ ৰস ৫০ গ্ৰাম মান কৈ ৰোগীক খোৱাব, তেজ ভাল হব।

৯৩৪। গুড়ৰ সৈতে চাহপানী খালে তেজ পৰিষ্কাৰ হয়।

ৰক্ত বাত

৯৩৫। আহঁত গছৰ ছাল ভাল ধৰণে পৰিষ্কাৰ কৰি তাৰ ২৫ গ্ৰাম ছাল দুবাৰকৈ খোৱাব। আৰু তাৰ ৰসৰে গা ধুৱালে দিব।

৯৩৬। চতিয়ানা গছৰ ছাল খুন্দি তাৰ ৰস, এবা গাখীৰৰ লগত মিলাই ১৫/২০ দিন একেৰাহে খোৱাব।

বুকুৰ ৰোগ

৯৩৭। মানিমুনি শাকৰ ৰস ১০/১২ চামুচ, মৌ বা মিচিৰি মিহলাই ৰোগীক খোৱাব। বুকুৰ বিষ ভাল হয়।

৯৩৮। চাৰিটা কোমল নেফাফোৰ কৌঁহ পাতত দি পুৱা খালি পেটত খোৱাব।

৯৩৯। চজিনা পাতৰ কেচা ৰস ৫০ গ্ৰাম পুৱা খালি পেটত খালে এই ৰোগ ভাল হয়।

৯৪০। চজিনাৰ পাত আঞ্জা কৰি খালেও বুকুৰ বেদনা কম পোৱা যায়।

৯৪১। ক'লা তুলসিৰ ৰস ৫০ গ্ৰাম মৌ জোল মিহলাই খালে উচ্চ ৰক্তচাপ কমে।

৯৪২। জেতুকাৰ পাত খুন্দি ভৰি আৰু হাতৰ তালুবোৰ লগাব লগতে মূৰতও ভৰপা দিব।

৯৪৩। সৰ্পগন্ধাৰ ৰস দিনে দুবাৰকৈ খাব বুকুৰ ৰোগ ভাল হব।

নিম্ন ৰক্তচাপ

৯৪৪। গৰুৰ গাখীৰ আধা লিটাৰত গাজৰ কাটি দি, এটা পাত্ৰত উতলাই খালে শৰীৰত শক্তি পোৱা যায় আৰু গাত আইকণ বৃদ্ধি হয়।

৯৪৫। দুটা কেঁচা পিয়াজ, আৰু দুটা মুৰ্গী কণী আহাৰৰ লগত নিতৌ খালে নিম্ন ৰক্তচাপ ৰোগ আৰাম পোৱা যায়।

৯৪৬। কলজিল আৰু পাৰ চৰাইৰ মাংস বৰ শক্তিদায়ক। ইয়াক নিতৌ খালে গাত শক্তি বাঢ়ে।

৯৪৭। তীমকলৰ জিলা, দিনে দুবাৰকৈ বান্ধি খাব। ৩/৪ দিন একেৰাহে খোৱালে নিম্ন ৰক্তচাপ নাশ হয়।

৯৪৮। কেচা আমলখি কেইটামান খুন্দি তাৰ ৰস এক পোৱা গৰুৰ গাখীৰত মিলাই খোৱাব নিম্ন ৰক্তচাপ ভাল হব।

৯৪৯। অৰ্জুন গছৰ ছালৰ ৰস ২০০ গ্ৰাম, দুই লিটাৰ পানীত গৰম কৰি সমানে দুভাগ

কৰি দিনে এভাগ কৰি খাব। এই দৰব ১৫/২০ দিন খালে নিম্ন ৰক্তচাপ ভাল পোৱা যায়।

৯৫০। মাটি দাইল নিম্নৰক্তচাপৰ কাৰণে বৰ উপকাৰী দিনে এবাৰ কৈ খাব লাগে।

৯৫১। নিম্নৰক্ত চাপৰ কাৰণে আপেল বৰ উপকাৰী সদায় ২/৩ টা কৈ খাব।

হৃদৰোগৰ দৰব

৯৫২। হৃদৰোগত ৰুদ্ৰাক্ষ গুটি পিন্ধিলে হৃদৰোগ নাশ হয়।

৯৫৩। নিতৌ চজিনাৰ পাত ৫০ গ্ৰাম মান আঞ্জা বনাই আহাৰৰ লগত খোৱাব হৃদৰোগ ভাল হব।

৯৫৪। সোনবৰিয়ালৰ শিপাৰ ৰস ও গৰুৰ গাখীৰৰ লগত মিলাই ৰোগীক খোৱাব।

৯৫৫। ২৫০ গ্ৰাম মান গৰুৰ গাখীৰৰ দৈ আহাৰ খোৱাব পাছত খাব।

৯৫৬। বিশুদ্ধ মৌ জোল পুৱা গধুলী ২০/২৫ গ্ৰাম মান ৰোগীক খোৱাব।

৯৫৭। কুহিয়াৰ ৰস নিতৌ আধা কাপ মান খাব।

৯৫৮। দিনে ৬/৮ টা লং খাব পাৰিলে ভাল।

একাংগী

৯৫৯। নহৰু কেইই ফুটা মান মাখনৰ লগত খোৱাব একাংগী ৰোগ আৰাম পাব।

৯৬০। চজিনা গুটিৰ পৰা তৈয়াৰ কৰা তেলেৰে একাংগী হোৱা ঠাইত মালিচ কৰিব লাগে ভাল ফল পোৱা যায়।

৯৬১। বচ তেলেৰে দিনে তিনি চাৰিবাৰ মালিচ কৰাব একাংগী ভাল হব।

৯৬২। পিয়াজ ৰস নাকত দিব বা নাকেৰে তাৰ ৰস উজাব একাংগী ৰোগ নাশ হব।

উন্মদ ৰোগ

৯৬৩। পালেং শাক নিতৌ এমুঠি আঞ্জা বনাই খাব।

৯৬৪। সৰ্পগন্ধাৰ মূল খুন্দি ২০ গ্ৰাম, ভাত খোৱাৰ পাছত খালে উন্মাদ ৰোগ ভাল হয়।

৯৬৫। বগা অপৰাজিতাৰ শিপা খুন্দি তাৰ গুড়িৰ লগত অলপ ঘিউ আৰু চাউল ধোৱা পানী মিহলাই নাকেৰে শুঙিলে উন্মাদ ৰোগ নাশ হয়।

৯৬৬। কোমোৰা গুটি কেইটামান খুন্দি মৌ জোল মিহলাই খোৱাব। উন্মাদ ৰোগ ভাল হব।

ককাল বিষ

৯৬৭। জাইফল এটা পানীত তিয়াই ভাল ধৰণে খুন্দি তিল তেলৰ লগত মিলাই

ককাল বিষৰ মালিচ কৰাব।

৯৬৮। দুপৰ টেঙাৰ পাতৰ ৰস দিনে দুবাৰকৈ একেৰাহে এক সপ্তাহমান খোৱাব।

৯৬৯। নহৰু ৪/৫ কোটা, শুকান আদা, পচতিয়াৰ পাত সকলো খুন্দি তাৰ ৰসৰে মালিচ কৰাব ককালৰ বিষ নাশ হয়।

মৃগীৰোগ

৯৭০। নিসিন্ধা পাতৰ ৰসত অলপ আফিং মিহলি কৰি নাকেৰে শুঙিলে মৃগীৰোগ ভাল হয়।

৯৭১। কেঁচা হালধি পুৰি তাৰ ধোঁৱা শুঙিলে মৃগীৰোগ ভাল হয়।

৯৭২। কোমোৰাৰ গুটি খুন্দি মৌ মিহলাই খাব।

৯৭৩। বকুল ফুলৰ পাত ও ফুল গুড়ি কৰি জালুকৰ গুড়ি, গৰুৰ মূত্ৰৰ লগত মিলাই নাকেৰে শুঙিব মৃগীৰোগ ভাল হয়।

৯৭৪। জেতুকাৰ পাতৰ ৰসৰ লগত গাখীৰ মিলাই খোৱাব মৃগীৰোগ ভাল হয়।

নিউমনিয়া ৰোগ

৯৭৫। কলা তুলসীৰ ৰস, আদা (মৰাপ) ও মৌ তিনিওকে নিউমনিয়া ৰোগত খোৱাব দিনে ২ বাৰ।

৯৭৬। বোন্দা কেচু এটা অলপ পানীত তিয়াই ৰাখি তাতে ৯ টা জালুক খুন্দি দিব। তাৰ পানী ডাঙৰ মানুহক ২ চামুচ আৰু সৰু ল'ৰা-ছোৱালীক ১ চামুচকৈ খোৱাব।

ব্ৰণকাইটিচ্

৯৭৭। মৰাপ আদাৰ ৰস, মৌ জোল, ক'লা তুলসীৰ ৰস পানী সমে গুলি খাব।

৯৭৮। শুকান হালধি গুড়ি এচামুচ, এগিলাচ গৰুৰ গাখীৰত মিলাই ৰোগীক খোৱাব এই ৰোগ ভাল হব।

৯৭৯। কেঁচা আমলখি ব্ৰণকাইটিচ্ ৰোগত বৰ উপকাৰী। কেঁচাই কেঁচাই চোবাই খাবলৈ দিব।

৯৮০। শুকান আদা, জালুক ২/৩ টা, পিপলি ৪/৫ টা মিলাই খুন্দি খাব লাগে।

মূৰ্চ্ছাৰোগ

৯৮১। আধা গিলাচ গৰুৰ গাখীৰত ২৫ গ্ৰাম শতমূলৰ ৰস মিলাই ৰোগীক খোৱাব।

৯৮২। আমলখিৰ ৰস সমান পৰিমাণৰ লৈ খোৱাব।

কৃমি

১৮৩। অকন মান হিং পানীৰ লগত মিলাই খালে কৃমি নাশ হয়।

১৮৪। নহক কেই ফোটামান গাখীৰত সিজাই খালে কৃমি নাশ হয়।

পেলু হলে

১৮৫। আদা, কেএৰকন দুয়োকো শুকুৱাই ছাগলীৰ গাখীৰৰ লগত মিলাই খোৱাব।

সাধাৰণ ককাল বিষ

১৮৬। কেঁচা আলুগুটি সৰু হলে পাঁচটা ডাঙৰ হলে ২টা মান ভালকৈ খুন্দি মিহি কৰি বিষ হোৱা ঠাইত আধাঘন্টা মান বান্ধি থলে বিষ কমে।

১৮৭। তুকবিয়া লতাৰ আলু, নিমখ, জালুক, মাহ চাউল সকলোকে বাতি খাব। ককাল বিষ নাশ হব।

১৮৮। পানীত থকা বৰ পুনি, কলমৌ খুতুৰা শাক, চেঙেলি মাছৰ লগত নিমখ, জালুক দি আঞ্জা বনাই খোৱাব ককাল বিষ নাশ হয়।

১৮৯। জালুক তিনি তোলা, মৰাণ আদা তিনি তোলা, গৰুৰ ঘিউ আধা পোৱাৰ সৈতে সকলোকে এক কৰি খুন্দি আধা কোলা পৰিমাণে খোৱাব। বিষ কমিব।

প্ৰমেহ (GONORRHOEA)

১৯০। কেঁচা হালধি অলপ খুন্দি, গুড় আৰু আখৈ মিলাই খোৱাব। এই দৰৱ এসপ্তাহমান খাব লাগে।

১৯১। হাতী খুতুৰাৰ ৰস, গাখীৰ, খীৰ মিশ্ৰণ কৰি খাব।

১৯২। পুৰণা ৰোগ হলে, খুতুৰাৰ ৰস, কেঁচা হালধিৰ ৰস, অলপ মান য'খাৰ কিছু পানী মিহলাই খোৱাব।

১৯৩। প্ৰস্ৰাৱ কৰোতে কষ্ট হলে ফিটকিৰি দিয়া পানী ২/৪ বাৰ খাব আৰু কলা তুলসীৰ পাত ১৫/২০ খন চোবাই ৰোগীক খাবলৈ দিব।

১৯৪। হেলচি শাক এই ৰোগত ভাল। তাৰ ৰস দিনে পঞ্চাশ গ্ৰাম খাব। একেৰাহে ৭ দিন খাব।

১৯৫। দেৱদাৰু গছৰ ছালৰ ৰস ৫০ গ্ৰাম, মিচিৰি সৈতে খালে ভাল হয়।

১৯৬। গাজৰ পাতৰ ৰস ৫০ গ্ৰামকৈ এক সপ্তাহ খাব লাগে।

১৯৭। ক'লা তুলসী গুটি ৫০ গ্ৰাম একলিটাৰ পানীত ৰাখি অলপ মিচিৰি মিহলাই খালে ভাল হব।

১৯৮। বাসক পাতৰ ৰস মাখনৰ লগত মিলাই খাব।

বহুমূত্ৰ ৰোগ

৯৯৯। আমৰ ৰস আৰু জামুৰ ৰস একেলগে দুয়োবে সমান পৰিমাণে মিলাই খোৱাৰ ভাল হব।

১০০০। ২০০ গ্ৰাম গাজৰৰ ৰস, ১০০ গ্ৰাম পালেঙৰ ৰস মিশ্ৰন কৰি খালে বহুমূত্ৰ ৰোগ ভাল হয়।

১০০১। ১০/১২ টা আমলখিৰ ৰস, মৌ মিলাই খালে বহুমূত্ৰ ৰোগ ভাল হয়।

১০০২। শিমলুৰ শিপা খুন্দিগুড়ি কৰি মৌ জোল মিহলাই খাব।

১০০৩। শুকান অশোক গছৰ গুটি ব্যৱাহাৰ কৰিব লাগে।

১০০৪। টেঙেচি বা চেঙেলি টেঙা এমুঠি পাতত দি খোৱাব লাগে।

১০০৫। তৰুৱা কদম গছৰ আঠা খোৱাব লাগে।

১০০৬। জায়ফলৰ গুড়ি, চাল কোমোৰাৰ ৰসৰ লগত মিলাই খোৱাব লাগে।

১০০৭। পকা ক'ল, খেজুৰৰ শিপা, তাল গছৰ শিপা খুন্দি গৰুৰ গাখীৰৰ লগত নিতৌ পুৱা খালে বহুমূত্ৰ ভাল হয়।

মূত্ৰকৃচ্ছ ৰোগ

১০০৮। তুবুকী লতাৰ শিপাৰ ৰস এই ৰোগত বৰ উপকাৰী।

১০০৯। কেঁচা হালধীৰ ৰস, গৰুৰ গাখীৰৰ লগত খোৱাব। দিনে তিনি পালিকৈ। তিনি দিন।

১০১০। আৰৈ চাউল ধোৱা পানীৰ লগত, নাৰিকলৰ ফুল খুন্দি দুয়োকে মিলাই খোৱাব।

১০১১। শুকান আমলখিৰ গুড়ি সমান পৰিমান গুড়, অলপ পানীত মিহলাই খোৱাব।

১০১২। কেঁচা আমলখিৰ ৰস এই ৰোগ ভাল কৰে।

১০১৩। আমলখি তিনিটা, শিলিখা তিনিটা, ভোমোৰা তিনিটা ৰস উলিয়াই অলপ পানী মিহলাই খোৱাব।

১০১৪। মালভোগ কলৰ শিপাৰ ৰস খোৱাব।

১০১৫। মিচিৰি আৰু নাৰিকলৰ পানী এই ৰোগত খোৱালে জ্বলা পোৰা কম হয়।

১০১৬। শিমলু গছৰ ৰস, মিচিৰি লগত মিলাই খাব।

১০১৭। মূলাৰ ৰস দিনে দুবাৰকৈ খোৱাব।

মূত্ৰাঘাত

১০১৮। ৫/৬ খন দুপৰ টেঙাৰ পাত খুন্দি তাৰ ৰস খোৱালে প্ৰস্ৰাব নিয়মিয়া হয়।

সেই পাতৰ সিঠাবোৰ নাড়ীৰ চাৰিওফালে প্ৰলেপ দিব লাগে।

১০১৯। অশোক ফুলৰ গুটি খুন্দিগুড়ি কৰি বিশুদ্ধ ঠাণ্ডা পানীৰ লগত খুৱাব।

১০২০। খুটৰা শাক বিশুদ্ধ গৰুৰ ঘিউত ভাজি খুৱাব।

১০২১। বগা অপৰাজিতাৰ শিপাৰ ৰস এই ৰোগত দিনে ২ বাৰকৈ খোৱাব।

১০২২। দুবৰি বন খুন্দি তাৰ ৰসৰ লগত অলপ চেনি আৰু মৌ জোল মিহলাই ৰোগীক খুৱাব।

১০২৩। সিজুৰ পাত অলপ খুন্দি গৰম কৰি তলপেটত প্ৰলেপ দিব। দৰৰ কিছু সময় ৰাখিব। মুত্ৰাঘাত কিছু উপশম ঘটে।

১০২৪। অনন্ত মূলৰ ৰস, বেঙেনা ঠাৰিৰ ৰস, ঘোলৰ সৈতে খুৱাব। সহজে প্ৰস্ৰাব হয়।

১০২৫। এটা পিয়াজ খুন্দি তলপেটত লিপি ৰাখিলে প্ৰস্ৰাব সহজে হয়।

১০২৬। সৌৰা গছৰ পাত একৰাতি পানীত তিয়াই ৰাখি সেই পানী পুৱা খালি পেটত ৰোগীক খোৱাব।

লিঙ্গত ঘা

১০২৭। কেঁচা হালধিৰ ৰস অলপ পানীত মিহলী কৰি দিনে তিনিবাৰ খোৱাব।

১০২৮। অনন্ত মূলৰ ৰসেৰে ঘা ধুলে ভাল হয়।

১০২৯। তুবুকী লতাৰ শিপাৰ গুড়িৰে ঘা ধুব লাগে সহজে শুকাই।

শালমইনা

১০৩০। কেঁচা সৰিয়হ বাটি মুখত প্ৰলেপ দি কিছু সময় ৰাখিলে শালমইনা ভাল হয়।

১০৩১। গোল নেমুৰ ৰস, পুৱা গধূলি শুদা পেটত খাব। আৰু নেমু ফালি মুখত ঘহিব।

১০৩২। মচুৰ দাইল ঘিউত ভাজি খুন্দিব তাক গৰুৰ এবা গাখীৰৰ সৈতে মিলাই মুখত প্ৰলেপ দি ৰাখিব।

কৰ্কট ৰোগ

১০৩৩। নয়ন তৰা পাতৰ ৰস এই ৰোগত বৰ উপকাৰী।

১০৩৪। ৫০ গ্ৰাম মান আঙুৰৰ ৰস এমাহ মান একেৰাহে খালে ভাল ফল পোৱা যায়।

১০৩৫। গাজৰৰ ৰস বা কেঁচা গাজৰ খালে ৰোগ কিছু উপশম হয়।

১০৩৬। আধা পকা বেহ থুই ১০০ গ্ৰাম মান পানীত তিয়াই ৰাখি সেই পানী ৰাতিপুৱা

শুদা পেটত ৰোগীক খোৱাব। প্ৰথম অৱস্থা ৰোগ ভাল হয়।

১০৩৭। নহৰু এটা পিহি তাৰ ৰসৰ লগত অলপ পানী তিয়াই ৰাখি সেই পানী ৰাতিপুৱা শুদা পেটত ৰোগীক খুৱাব। প্ৰথম অৱস্থাত ৰোগ ভাল হয়।

১০৩৮। নহৰু এটা পিহি তাৰ ৰসৰ লগত অলপ পানী মিহলাই খালে আৰম্ভ হোৱা কৰ্কট ৰোগ ভাল হোৱা দেখা যায়। বা নিতৌ ৫/৬ ফোটা নহৰু খালে কেতিয়াও এই ৰোগ হব নোৱাৰে।

১০৩৯। ঘেহুৰ পাত আৰু ঠাৰি খুন্দি তাৰ ৰস এগিলাচ দিনে দুবাৰকৈ খোৱাব। একেৰাহে এমাহ মান খোৱাব। কৰ্কট ৰোগ ভাল হব।

স্বপ্নদোষ

১০৪০। পকা ভীমক'ল চালি তাৰ গুটি অংশ বাদ দি বাকী অংশ এপোৱা গৰুৰ গাখীৰৰ লগত ৰাতিপুৱাই খাব।

১০৪১। নাৰ্জী ফুলৰ গুটি খুন্দি চেনীৰ লগত মিহলাই খাব।

১০৪২। জেতুকা পাতৰ ৰস, চেনী মিহলাই গাখীৰৰ লগত মিলাই খাব।

১০৪৩। শতমূলৰ আলু, এপোৱা গাখীৰত গৰম কৰি খালে যথেষ্ট আৰাম পোৱা যায়।

১০৪৪। বাদাম খুন্দি গৰম গাখীৰৰ লগত খাবলৈ দিব।

১০৪৫। এপোৱা গৰুৰ গাখীৰত ১০/২০ টা জালুক পেলাই গৰম কৰিব তাৰ পাচত জালুক কেইটা চাকি পেলাব। গাখীৰ খিনি ৰাতি শোৱাৰ আগতে খাব লাগে।

১০৪৬। ২ টা মান নহৰু ঘিউৰ সৈতে খাব।

টোপনী নহা ৰোগ

১০৪৭। টেঙা টেঙেচিৰ ৰস ২৫০ গ্ৰাম, ১০০ গ্ৰাম গৰুৰ গাখীৰৰ লগত খোৱাব।

১০৪৮। মানিমুনি শাক দিনে এমুঠি মানৰ আঞ্জা বনাই খোৱাব।

১০৪৯। দৈ গাখীৰত জালুক আৰু চেনী, মিলাই ৰাতি শুৱাৰ আগতে খোৱাব।

১০৫০। সৰ্পগন্ধাৰ শিপাৰ ৰস অলপ পানী মিহলাই আহাৰ খোৱাৰ আগতে খোৱালে টোপনি ভাল হয়।

১০৫১। সৰিয়হৰ তেলৰ লগত অলপ নেমুৰ ৰস মিহলাই ভৰিত তুলুৱাত সানিলে ভাল টোপনি হয়।

১০৫২। শিলিখিৰ গুড়ি গুড়ৰ লগত মিহলাই খাব।

১০৫৩। মেদেলুৱা গছৰ কোমল পাত ৩/৪ খন খুন্দি ৰাতি শোৱাৰ আগতে খাব। ভাল টোপনি আহে।

১০৫৪। ৰাতি টোপনি নাহিলে ৪/৫ চামুচ পিয়াজৰ ৰস (ৰস পিয়াজ) খালে ভাল টোপনি আহে।

বাত বিষ

১০৫৫। নিতৌ তিনি সাজ ওলকচু খালে বাত বিষ ভাল হয়।

১০৫৬। কেটাহি বেঙেনাৰ ঠাৰিৰ ৰস, জালুক গুড়িৰ লগত মিলাই খাব লাগে বিষ নাশ হয়।

১০৫৭। ছজনাৰ ছাল খুন্দি তাৰ গুড়ি খালেও বাত বিষ নাশ হয়।

১০৫৮। বাত বিষত কেঁচা হালধিৰ ৰস বৰ উপকাৰী।

১০৫৯। ভেদাইলতাৰ ৰস বাত বিষৰ কাৰণে বৰ উপকাৰী। পুৰণি বাত বিষও ভাল হয়।

১০৬০। নহৰু থেতেলিয়াই মাখনৰ সৈতে খোৱাব লাগে। বাত বিষ ভাল হব।

১০৬১। নহৰু, শুকান আদা, পচতীয়াৰ পাতৰ গুড়ি এড়ি তেলৰ লগত ব্যৱহাৰ কৰিব লাগে। বাত বিষ ভাল হয়।

চকুত আচিনাই হলে

১০৬২। আমৰ পাত চিঙিলে যিটো আঠা ওলাই সেই আঠা আচিনাইত লগালে আচিনাই বহি যায়।

১০৬৩। কনা শিমলুৰ ঠাৰি ভাঙি তাৰ আঠা লগাব ৩/৪ বাৰ এই আঠা লগালে ভাল হয়।

চকুত ফুল পৰা

১০৬৪। তুলসী পাত আৰু মৌৰ লগত মিলাই চকুত দিব। ফুল পৰা ভাল হব।

১০৬৫। সৰিয়হ পাতৰ নিয়ৰ নিতৌ চকুত লগাব। কুকুৰি কনা ভাল হয় ও দৃষ্টি শক্তি বৃদ্ধি হয়।

দৃষ্টি শক্তি বঢ়াৰ দৰৱ

১০৬৬। জেতুকাৰ পাত ভাল ধৰণে ধুই খুন্দি তাৰ ৰস ওলিয়াব। সেই ৰস হাত, ভৰি ও মুখত ঘঁহিব।

চকুৰ পৰা অনবৰত পানী ওলাই থাকে

১০৬৭। চাৰি পাঁচটা বাদাম এক ৰাতি পানীত তিয়াই থব। পিচদিনা পুৱাতে সেই

বাদাম কেইটা খুন্দি, তিয়াই থোৱা পানীৰ সৈতে খোৱাব। এই দৰৱ যিকোনো অসুখতে ভাল কাম কৰে।

কেচুমুৰিয়াৰ দৰৱ

১০৬৮। কেঁচা হালধী, কেচুমুৰ তিনিটা পুৰি ছাই কৰি, নেগুৰিয়া শামুকৰ চুন, সবাকো মিহি কৰি খুন্দিব। সেই দৰৱ কেচুমুৰিয়া হোৱা ঠাইত পুৰা গধূলি লগাব।

১০৬৯। যিকোনো কেঁচা ক'ল, হালধী, তিল, গৰুৰ দৈ গাখীৰ সকলোকে বাতি লেপি দিব।

১০৭০। গড়ৰ শুকান মাংস, কেটেলা পহুৰ ভুক, বৰালি বুকুৰা লতা, লেতা গুটি, তিতা কেৰেলাৰ গুটি, লাই জাবৰি সক মানিমুনি, সকলো বাটি পগাই খাব। ভাল হব।

১০৭১। ১০ বছৰৰ আগৰ পুৰণি গুড় এই ৰোগত খালে ভাল কাম কৰে।

১০৭২। সক সক মৌ (পেন, পেনি বুলি জনা যায়) তাৰ সিতা, পুৰণি আহু চাউলৰ কৰাই, পুঠিমাছ, মঙ্গলবাৰে শনিবাৰে সিজাই খোৱাব। কেচুমুৰি ৰোগ ভাল হব।

১০৭৩। বুন্দা কেচুৰমুৰ তিনিটা, কপৌ ঢেকিয়াৰ পাত তিনিটা, এটা চেঙেলি মাছ, আমৰা, আমলখী, জালুক, পিপলি, লোণ নি ভালকৈ আঞ্জা বনাব বাতিপুৱা সেই দৰৱটো ৰোগীক খালি পেটত খাবলৈ দিব।

১০৭৪। আগিয়া চিতা এক অনা, মাহুদি আঠা আধা তোলা, হালধি এক অনা, শুকান আদা এক তোলা সকলো বতি ৰোগত লেপি দিব।

অৰ্শৰ ৰোগৰ দৰৱ

১০৭৫। অস্তি সংহাৰৰ ৰস সদায় নিয়মিতৰূপে ব্যৱহাৰ কৰিলে ক্ৰিমিৰোগ আৰু সকলো প্ৰকাৰৰ কেচুমুৰিয়া ৰোগ ভাল হয়।

কেচুমুৰিয়া

১০৭৬। সিজু গছৰ আঠা আৰু শুকান হালধি গুড়ি মিহি কৰি খুন্দি মলদ্বাৰত লগাই দিব।

হৃদৰোগ

১০৭৭। অৰ্জুন গছৰ ছালৰ গুড়ি ৫০ গ্ৰাম, ২০০ গ্ৰাম গাখীৰত মিলাই তিনিদিন একেৰাহে খাব।

১০৭৮। ময়দা অলপ, অৰ্জুন গছৰ ছালৰ গুড়ি অলপ, তাৰ চাৰি গুণ ছাগলী গাখীৰ,

ঘিউ অলপ চেনী অলপ দি গৰম কৰিব। চেচা হলে অলপ মৌ মিহলাই খোৱাব।

চুলি পকা

১০৭৯। এড়ি তেলৰ লগত অপৰাজিতাৰ ফুল পাগ কৰি ঘহিলে চুলি ক'লা হয়।

১০৮০। ক'লা তুলসী পাতৰ ৰস ১০০ গ্ৰাম, ইলাচী ১০০ গ্ৰাম, ২০০ গ্ৰাম পানীত গৰম কৰি চাৰি ভাগৰ এভাগ ৰাখিব। পাছত সেই তেল সদায় চুলিত ঘহিব চুলি ক'লা হব।

অতি কম বয়সত চুলি পকা

১০৮১। কৰবী গছৰ মূল ও ছাল গাখীৰত জুবুৰিয়াই চুলিত প্ৰলেপ দিলে চুলি কমে ও দীঘল হয়।

সাপে কামোৰিলে

১০৮২। তিতা কেৰেলাৰ গুটি, লাতুমনি শিপা, অকন বিহ গছৰ শিপা সকলো এক কৰি দাঁতৰ মুখত দিব। বিষ নষ্ট হব।

১০৮৩। আৰক চনৰ শিপা তেলেৰে ঘঁহিব তেতিয়া বিষ নামে।

১০৮৪। বিহলঙনীৰ শিপা, সাপে কামোৰা মানুহজনে হাতত লৈ থাকিলে বিষ কমে।

ঘুমুৰোগ

১০৮৫। ভাতঘিলাৰ দক্ষিণ ফালৰ শিপা, একে বৰণীয়া গৰুৰ গাখীৰৰ লগত মিলাই খোৱাব।

১০৮৬। বগা নহৰু, পানী নহৰু, বৰঢেকীয়া, লেথাই শামুকৰ জিভা, জালুক, নিমখ দি পগাই খোৱাব।

১০৮৭। বগা বাহেকৰ আগ তিনিটা, এটা গোল নেমু টেঙাৰ ৰস, তাত এটা পাতি পইচা জুইত পুৰি ৰঙা কৰি সেই ৰসত পেলাই দিব চেঁচা হলে এই ৰস খোৱাব।

শিশুৰ ঘুমুৰোগ হলে

১০৮৮। ছাল কুৰবীৰ দুখন পাত খুন্দি তাৰ ৰস অলপ গাখীৰ মিহলাই শিশুক খাবলৈ দিব। তিনিদিন একেৰাহে খোৱাব।

১০৮৯। শনিবাৰে বা মঙ্গলবাৰে এমুঠি লাই জাবৰি আনি পতাত খুন্দি তাৰ ৰস দুৱাৰমুখত বহি শিশুৰ গাত ঘহি দিলে পৰালগা ভাল হয়।

১০৯০। তেজমুই ঠাৰি বা শিপা তামোলৰ লগত খালে ঘুমুৰোগ ভাল হয়।

১০৯১। আহু চাউল তিনিমুঠি, বাগচকলিয়া, নহৰুৰ পাত তামোলৰ ঠাৰি কাতিমহীয়া কলখাৰ সকলো বিলাক ভাজি পাচত খুন্দিব, ক'ল খাৰৰ লগত খাব।

১০৯২। ভীমকলৰ থিয় ডিলাৰ ভিতৰৰ কোমল কুঁহিতো হাতেৰে মুহাৰি তেল মথি খাব।

১০৯৩। একে বৰণীয়া গৰুৰ গাখীৰত আকনৰ আঠা টোপমানৰ লগত মিলাই খাব।

১০৯৪। সিজুৰ পাত পাতত দি নিয়ৰত ৰাতিটো থৈ পুৱা খাব।

১০৯৫। আকন ফাটি ওলোৱা আগ তাত নিমখ জালুক দি ঘিউত গৰম কৰি খাব।

প্ৰমেহ ৰোগ

লক্ষণ ঃ মুততে যান্ত্ৰণা হয় ঘনাই ঘনাই পেচাব কৰে, মুত ওলাওঁতে বা শেষত বীৰ্য্য পতন হয়। মুৰ ঘুৰাই।

১০৯৬। বাহকৰ মূল আৰু পাত মৌৰে খাব।

১০৯৭। পিপলি শিপা, ছাগলী গাখীৰেৰে খোৱাব।

১০৯৮। মহা নিমৰ পাত, জাইফল খুন্দি একে বৰণীয়া গৰুৰ গাখীৰত মিলাই খোৱাব।

১০৯৯। কলা তুলসীৰ পাত খুন্দি খালে বিন্দুসাৰ ৰোগ আৰোগ্য হয়।

১১০০। পাৰিজাত ফুলৰ শিপা, বাহি মাছৰ লগত জালুক, পিপলি দি আঞ্জা ৰনাই খোৱাব।

১১০১। বেজু কচুৰ শুকুৱা গুড়ি, আমৰা গুটি শুকান থৈকেৰা এক কৰি খোৱাব।

জণ্ডিচ ৰোগ

১১০২। আৰৈ চাউল খচা পানী, গৰুৰ গাখীৰ, য'ম লাখুটিৰ শিপা মিহলাই খাব।

১১০৩। কেঞা বনৰ শিপা, কপতি মাছ, লোণ জালুক দি আঞ্জা কৰি খাব। বিন্দুসাৰ নাশ হব।

১১০৪। শুকান শিলিখাৰ গুড়ি গুড়ৰ লগত সানি খাব।

১১০৫। চাল কোৰবীৰ আগ পিহি গৰুৰ গাখীৰত মিলাই খোৱাব।

গা উখহাৰ দৰব

১১০৬। ক'লা তুলসীৰ পাত, বেলপাত, মুঠা, জালুক সবাকো এক তোলা পৰিমাণে লৈ পানীত সিজাই অলপ লোন মিহলাই দুইবেলা তিনিদিন একেৰাহে খাব। ১৫ দিন মিঠা বস্তু একো নাখাব। সকলো বস্তু সমান পৰিমাণে লব।

১১০৭। টংলতিৰ শিপা, শ্বেতভেদালিৰ শিপা, তাৰে গছে পাতে সবাকো বাতি লোণ, জালুকদি ১ তোলা কৰি বস ২ বেলা তিনি দিন খাব।

১১০৮। ক'লা তুলসীৰ বস ১০ তোলা, তেল তিনি তোলা, জালুক, লোণ তপতাই খাব। গা উখহা ভাল হব।

১১০৯। কেএগ্রাবনৰ গুটি ৩০ টা, নেমু টেঙাৰ গুটি ৩০ টা, চুন এক মহা, কানি ৩ বতি, গৰুৰ মুত ১ পোৱা সবাকো মিলাই খাব।

দাঁতৰ এন্দুৰিয়া

১১১০। গেন্ধাই ফুলৰ পাত, জাই পাত্র, মইনৰ কাইট, বচ, কটকী, তিতা আৰু পোৰা, আমলখি ৰসেৰে মুখ ধুলে। দাঁতৰ এন্দুৰীয়া ভাল হয়।

দাঁতৰ শিৰা

১১১১। বনসতৰ শিপা, একেটা উশাহে তুলিব আগ দাতেৰে কামুৰি ধৰিব পাছে চোবাব দাত টান হয়, আৰু দাত শিৰা ভাল হয়।

১১১২। সোন বৰিয়ালৰ গছৰ পাত দুখোৰে খাব। দাত শূল নাশ হয়।

দাঁত কলাৰ দৰৱ

১১১৩। কৰ্পূৰ, জালুক দুয়োটা বাটি লিপি দিলে দাত কলা ভাল হয়, দাঁত নসৰে।

দাঁতৰ পোকৰ

১১১৪। বিলকনিৰ শিপাৰে দাঁত খকিকালে বা চোবালে দাঁতৰ পোক ওলায়।

১১১৫। তৰাগুটি আৰু তেজমুই বাতি লিপি থলে দাঁত পোক ওলাই।

১১১৬। মালভোগ ক'লৰ গেলা আলু' ৰবকচুৰ গেলা আলু, বগা নহৰু, কনি বিহৰ গুটি, সবাকো পিহি পূবা ভাগত গালত লগাই থব দাঁত পোক মৰে।

১১১৭। মবান আদা বা জাতি আদা, গাঠিয়ন, ৰবকচুৰ সৰুকো বাতি টেকেলীত ভৰাই সিজাব, তাৰ ভাপ ললে দাতৰ পোক ভাল হয়। কিন্তু পুৱাৰ ভাগতে সেই ভাপ লব।

দাঁতৰ বিষ

১১১৮। ভীমকলৰ পাতৰ মাজৰ ঠাৰি ভাল জুইত অলপ সেকি, বিয়ান সময় পাৰে বিষ হোৱা দাতেৰে কামুৰি থাকিব লাগে। তেতিয়া দাঁতৰ বিষ কমে।

দাঁত পোকে খোৱা

১১১৯। কেচা হালধি জুইত পুৰি দাঁত মাজিলে দাতৰ পোক ভাল হয়।

দাঁতৰ গুৰিত তেজ যোৱা

১১২০। কন্দে টেঙাৰ শিপা আৰু কেহ্‌ৰাজৰ শিপা ভালদৰে খুন্দি দাতৰ গুৰিত লগাব লাগে।

দাঁত লৰা

১১২১। কেঁচা নিমৰ ঠাৰিৰে দাঁত মাজিব। দাঁত লৰা বন্ধ হয়।

১১২২। বকুলৰ গুটি ২/৩ টা চোবাব লাগে।

দাঁত সৰোৱা দৰব

১১২৩। পাৰৰ গু,মাটি মাহ সৈতে বাটি খালে দাঁত সৰে।

প্ৰসুতাৰ দৰব

১১২৪। লং, জালুক, কাণি জাই, পান, চোবাতৰ শিপা, টংলতিৰ শিপা, ধপাতৰ শিপা, বেলপাত, হিং, মেটেকা, গাঠিয়ন, মুঠা, লোণ, সকলোবে এক মহাকৈ খুন্দি তাৰে বড়ি বনাই মৰাপ আদাৰ ৰসেৰে খাব।

১১২৫। ভেদাই লতাৰ পাত, পুতিয়া, কলা তুলসি পাত তিনিৰো ৰস লোণ আৰু জালুক দি খাব। প্ৰসুতা ভাল হব।

১১২৬। চেং মৰাৰ আলু, গৰৈ মাছৰে পাতত দি কৰকৰা ভাতৰে বাতি পুৱা খোৱাব।

পুৰণি প্ৰসুতাৰ দৰব

১১২৭। কুসুমৰ শিপা, লেটা গুটিৰ শিপা, ভেকুৰীৰ গুটি, আমলখি গাছৰ গোক সবাৰো ৰস খাব।

প্ৰসব হোৱাৰ দৰব

১১২৮। হোৱাং চৰাইৰ ঠোঁট বা তেল শিলত পিহি পানীৰে খোৱাব।

প্ৰসৱত বেছি বিষ হলে

১১২৯। কেঁচা কল, জলকীয়া চজিনাৰ ছাল, ধতুৰা পাতৰ ৰস, আকনৰ পাত, সৈন্ধাৱ লোণ সবাকো বাটি লেপি থব। বিষ ভাল হব।

লৰা ছোৱালী হোৱাৰ দৰব

১১৩০। পচতিয়া গছৰ দক্ষিণ ফালৰ ছাল, বৰ আহঁতৰ দক্ষিণ খালৰ ছাল, ৰকনৰ আগ তিনিটা, চোতাল ফুৰৰি এক জোপা সবাকো পিহি ৰস খাব।

স্ত্ৰী ঋতু হোৱাৰ দৰব

১১৩১। মাখিয়তিৰ শিপা, তামোলৰ শিপা, ৰকনৰ ছাল, তিনিওকে পিহি খোৱাব।

ঋতু বন্ধ হোৱাৰ দৰৱ

১১৩২। জবা ফুল তিনি পাহ, দুবৰি বন, ভোগজিৰা ১ মহা তিনিওকো ৩/৪ দিন একেৰাহে খাব।

প্ৰসৱৰ পাচত পাচ নাহিলে

১১৩৩। বেঙেনা ফুল পানীত গুলি খোৱাব।

১১৩৪। যমলাখুতিৰ আলুৰ ৰস, একেবৰণীয়া গৰুৰ গাখীৰৰ লগত মিলাই খোৱাব। দুয়োৰে সমান পৰিমাণৰ হলে ভাল।

প্ৰসুতাৰ দৰৱ

১১৩৫। কনা শিমলুৰ শিপা, কেটাহি বেঙেনাৰ শিপা, বগা এৰাৰ শিপা সবাৰো বাটি ৰস উলিয়াই খোৱাব।

১১৩৬। নাহৰ গছৰ ফুল, নেউলৰ আগমাংস, লেথাই শামুকৰ পানী, ডাউকৰ মাংস, জালা, ভোগজিৰা, কলৰ শিপা, ঘুণৰগুৰি, ঢেকিয়া, মেতেকাৰ আলু সকলো খুন্দি ৰস উলিয়াই গৰম কৰি খোৱাব ও মূৰত ভৰণ দিব।

লৰা নোহোৱাৰ দৰৱ

১১৩৭। হাতী ভেকুৰীৰ শিপা তিনি বছৰীয়া হব লাগে, ঔ'ৰ শিপা, মৰান আদা শিপা খুন্দি ৰস খাব।

পাৰনী ৰোগ

১১৩৮। ধনিয়াৰ গুটি ২ তোলা, আধা পোৱা পানীত আগ দিনাই পাত্ৰত তিয়াই থব। পুৱা সেই পানী অলপ চেনি মিহলাই খোৱাব।

১১৩৯। গধুলি গোলাপ ফুলৰ মূল বাতি গৰুৰ গাখীৰত মিলাই খোৱাব। তিনি দিন একেৰাহে এই দৰৱ খোৱাব।

১১৪০। বাঘনলা আগ তিনিটা, টকুনাৰ আগ তিনিটা, পিপলিৰ ঠাৰি, লেটাগুটি পাঁচটা, পুলি তামোলৰ কুহি সবাকো এক কৰি খুন্দি ৰস লব, সেই দৰৱ চেনাবাখাৰেৰে খুৱাব।

পাৰনী ৰোগৰ নোখোৱাৰ দৰৱ

১১৪১। কোৱা ভাতুৰীৰ পাতৰ ৰস দুই তোলা, তিল তেল দুই তোলা মিলাই এখন কাহৰ কাহীত ব'দত দিব। গৰম হলে হাতৰ আৰু ভৰি তলুৱাত ঘহিলে গা পোৰণি নাশ হব।

১১৪২। ঠাণ্ডা পানীৰে ভালকৈ হাত ভৰি ধুই কোৱাভাতুৰীৰ পাতৰ ৰস তিল তেলত

মিহলাই হাত ভৰি আৰু গাত ঘহিলে ভাল হয়।

১১৪৩। পদ্ম পাতৰ শয্যা পাতি শুৱাই, চন্দন পানীত তিয়োৱা বিচনীৰে বিচিব, আৰু গাত চতিয়াব। চেচা পানীৰে গা ধুলে গা জুৰ পৰে।

১১৪৪। হাইঠা গছৰ বাকলি আৰু টুবুকি লতা খুন্দি তাৰ ৰস হাত ভৰি তলুৱাত ঘহিব।

পিত্তৰোগৰ দৰব

১১৪৫। জালুক ২১ টা, নিম পাতৰ ৰস, শিলিখাৰ ৰস, অলপ লোণ মিহলাই খোৱাব।

১১৪৬। বগা বাহেকৰ গছৰ মূল, মিঠা আম গছৰ মূল, কাজল গৌৰী কেঁচাই খুন্দি ৰস উলিয়াই খোৱাব।

১১৪৭। জালুক, পিপলি, আদা, আমলখি, শিলিখাৰ গুড়ি, মুথা, বিৰিংগুটি, এলাচি, তেজপাত, সকলোৰে গুড়ি এমহা, লং তিনি তোলা, চেনি মিহলাই খাব। পিত্ত ভাল হব।

১১৪৮। কাজলগৌৰিৰ ৰস, শিলিখাৰ ৰস, কলা গৰুৰ মুত পুৰা গধূলি দুবাৰকৈ এক সপ্তাহ খোৱাব।

১১৪৯। পিপলিৰ গুড়ি ৫ তোলা, ঘিউ ১০ তোলা, চেনি এপোৱা, শতমূলৰ ৰস ১০ তোলা, আমলখিৰ ৰস ১ পোৱা, এৰা গাখীৰ এসেৰ সবাকো মিলাই গৰম কৰিব। তাতে ডালচেনি, তেজপাত, এলাচি, শিলিখা, কালজিৰা, ধনিয়া, মুথা বাহ-কর্পূৰ, আমলখি প্রত্যেকৰ এমহা, মিলাই গৰম কৰি প্রায় ১০ দিন এই দৰব খোৱাব।

১১৫০। আদা, জালুক, পিপলি, আমলখি, শিলিখা, ভুইৰাগুটি, চিতামূল, তেলীয়াধুনাৰ মূল, প্রত্যকৰ এক তোলা, বচ, যঁনী, গৰবচে, জিৰা কালজিৰা, পুন, চেঙামোৰ, দুদখৰি, কেহেঁৰু, সোমলতা, কর্ন মুলাৰ শিপা, ৰঙাচন্দন, জয়ন্তী শিপা, কেহ্ৰাজ, বনসট, লতি পোৰোলাৰ পাত, মানিমুনি সকলোৰে ২ তোলা মিলাই আদাৰ ৰসৰে মাৰিব। বগৰি গুটি সমান বৰি কৰি চাউল ধচা পানীৰ লগত খাব।

১১৫১। চূর্ণ, আম্ভু, ধপাত, ষৰাৰ, আকনৰ আঠা, আজ্ঞাচিতাৰ শিপা সবাকো সমানে লৈ বতিব, কোমোৱা এটাৰ ভিতৰত ভৰাই পুতিব, দিনে এবাৰকৈ খাব। লগতে জহৰীয়া ধপাত, বনতিল, আৰু তুতিয়া বটি মূৰত ভৰণ দিব।

পেট খোঁচ মাৰি ধৰা

১১৫২। খড়ী মাটিৰ গুড়ি য'ধানৰ গুড়ি, কটাখুতুৰাৰ শিপা ১ তোলা, চন্দনৰ দৰে বটিব। গৰম কটি এখনত সেই বটা দৰৱ অলপ সানি খাব।

গৰ্ভ নষ্ট কৰা দৰৱ

১১৫৩। জাতি বাহৰ কুহিপাত ১ মুঠি, ৰঙা লাটুমনি গুটি ৩/৫ টা, জালুক তিনিটা, অকনমান নিমখ। কুহমীয়া গৰম পানী কৰি খোৱাব। নিশ্চয় নাশ হ'ব।

প্ৰসৱৰ কাৰণে

১১৫৪। উতগুৰাৰ ঠেং, বাঘৰ যোনী পানীত তিয়াই খাব।

প্ৰসূতাৰ দৰৱ

১১৫৫। লং, ইলাচি, জাইফল, পিপলি, ডালচেনী, কলাজিৰা, মিথি, মৰিচ, মিচিৰি ১ পোৱা, ডাউকৰ মাংস, কেটেলাৰ ভুৰ, নিলকণ্ঠ, তেজমুই শিলিখা গুটি, গড়ৰ মাংস, লেটা গুটি, মিলাই খোৱাব।

কাহৰ দৰৱ

১১৫৬। ধপাত তিতাৰ শিপা, বাহেকৰ শিপা, তেজমুইৰ শিপা, সবাকো বাটি লোণ জালুক মিলাই ৰোগীক খোৱাব।

১১৫৭। প্ৰাতহ হৰিদ্ৰা, পিপলি সকলো পানত খোৱাব। অতি সোনকালে ভাল হ'ব।

১১৫৮। পিপলি, আদা, মৌ প্ৰাতহে হৰিদ্ৰা সৈন্ধা লোণ পানত খাব। শুকান কাহঁ ভাল হয়।

১১৫৯। শোহনী বনৰ ৰস, লোণ মিহলাই গৰম কৰি খোৱাব।

১১৬০। ৰবচা বনৰ আলু, বাতসোৰাৰ জালিৰ আগ, লোণ, জালুক, পাতত দি খাব।

শিশুৰ পানী লগা আৰু কাহৰ দৰৱ

১১৬১। মৌ জোল, কলা তুলসীৰ ৰস, আদাৰ ৰস সমান পৰিমাণ লৈ দু চামুচকৈ দিনে ৪ বাৰ কৰি খোৱাব।

উৰাশূলৰ দৰৱ

১১৬২। তেজমুইৰ শিপা, পুলি কাইটৰ শিপা, জালুক, চুমপাতৰ গুটি ৩ টা, চুমগছৰ মৰা খুতি বা উভতাই জেকৰা খুটিৰ আগদোখৰ চাই কৰি সকলো, একত্ৰ কৰি খাব।

১১৬৩। শ্যামাকচু এক মহামান, পকা কল এডোখৰৰ মাজত সোমাই খোৱাব।

১১৬৪। দীগলতিৰ আগ সাতটা, কেঁএঞাকঠালৰ আগ ৩/৪ টা, জালুক ৫ টা, সবাকো খুন্দি লোণ দি খোৱাব।

১১৬৫। নাহৰ পতিয়া লতাৰ পাত এটা, নীলকণ্ঠ দুই আঙুল, জালুক একাল, পিহি খোৱাব।

ৰক্তচাপৰ দৰব

১১৬৬। বৰুণৰ গছৰ পাত ও ঠাবি আৰু দুয়ো খুন্দি খোৱাব।

অং মৰা

১১৬৭। পাৰ চৰাইৰ গু আৰু সৈন্ধব লোণ পুৰি অং মৰা ঠাইত লগাৰ।

১১৬৮। তগৰ খুলৰ দক্ষিণৰ শিপা ৭ খণ্ড সাত খন তামোলাৰ লগত খাব।

১১৬৯। কোটাহি বেঙেনাৰ শিপা সাত টুকুৰা ৭ খন তামোলৰ লগত খাব।

কাহঁৰ দৰব

১১৭০। চৈ এটকা, আদা এটকা, পিপলি এটকা ও শিপা এটকা, আগিয়াচিতা ২ অনা, সবাকো খুন্দি সিজাই খালি পেটত পানীৰ লগত মিলাই খোৱাব।

১১৭১। আদা দুটকা, পিপলি, জিৰা, জালুক, সমানে লৰ খুন্দি মৌৰ লগত মিলাই খাব।

১১৭২। ভাতঘিলাৰ চাল বা শিপা, বেঙেনাৰ আগ, যখাৰ পিপলি সকলোকে ভাল ধৰণে খুন্দি পানীত গৰম কৰি খোৱাব, কাহ ভাল হ'ব।

১১৭৩। কেহৰাজৰ আগৰ ৰস, একেৰকীয়া গৰুৰ গাখীৰত মিলাই খাব।

১১৭৪। বাঘ আচুৰাৰ মুল, বকুলৰ শিপা, জাইফল সকলো বাটি গৰুৰ গাখীৰত মিলাই খাব।

১১৭৫। আমৰাৰ পাত, ছাল ও গুটিৰ ৰস মৌ লগত খাব।

উদফাই

১১৭৬। মাটি মাহ বান্ধি খাব।

১১৭৭। সিজুৰ পাত তিনিখন, পাতত দি নিয়ৰত ৰাখিব। ৰাতিপুৱা ১ তোলা সমানৰ ৰস গৰুৰ গাখীৰত খাব।

গা-সুৰা

১১৭৮। একপোৱা গৰম নকৰা গাখীৰ, এটা কুকুৰা কনীৰ কুহুমৰ সৈতে খালে গা-সুৰা ভাল হয়।

১১৭৯। যিকোনো টেঙা, বাহেক গছৰ শিপাৰ লগত খাব।

১১৮০। কনা সিমলুৰ পাতৰ ৰস, চেঙেলী মাছৰ লগত তৰকাৰী বনাই খোৱাব।

নখচুকিয়া

১১৮১। শুকান শিলিখা খুন্দি তাৰ গুৰিৰ লগত অলপ লোণ দি বান্ধি খাব।

নখত খৰ হলে

১১৮২। নহৰুৰ দুই ফোটা খুন্দি লগাব।

১১৮৩। কনি বিহৰ গুটি এটা $\frac{1}{4}$ ভাগ খুন্দি নখত কিছু সময় বান্ধি এক সপ্তাহ ললে ভাল হয়।

১১৮৪। দুদ্ধ লতাৰ আঠা নখৰ খৰত লগাব।

আহুদি ওলোৱাৰ দৰব

১১৮৫। ৰঘুমলাৰ ছাল, জালুক, সিজুৰ ছাল, নিমখ সৈতে ৰস খাব।

১১৮৬। কঠালৰ শিপাৰ পৰা নিজে ওলোৱা ৰস এটকা আনি, চেঙেলী মাছ এটা নিমখ অলপ জালুক পাঁচটা সৈতে খোৱাব।

মানুহে যাদু কৰিলে

১১৮৭। পাৰনি গছৰ ছাল এডোখৰ, আকন গছৰ আলু, উৰহি গছৰ আলু বা শিপা এডোখৰ খুন্দি খাব লাগে।

যক্ষ্মা

১১৮৮। খাটি অশোক ফুল পুৰি ছাই কৰি তাৰ লগত ছাগলীৰ আগ মঙহ দি পিহি ছাই কৰি, কেচা ছাগলীৰ গাখীৰৰ লগত খালি পেটত খাব। ২ দিন খাব।

ককালৰ বিষ

১১৮৯। তুকুৰীয়া লতাৰ আলু বা শিপাৰ ৰস খাব।

গ্ৰহনী বেমাৰৰ দৰব

১১৯০। ভীম কল এটাৰ মাজত, এক ৰতি কানি সোমোৱাই কলটো পুৰিব। কানি থকা অংশটো ৰোগীক খোৱাব। এই দৰব ৰোগীক মাত্ৰ এবাৰ খোৱাব।

বুকুৰ বিষ, আৰু জ্বলা পোৰা ভাল হোৱা দৰব

১১৯১। লেটা গুটি এটাৰ চাৰি ভাগৰ এভাগ, ২ $\frac{1}{2}$ টা জালুকৰ লগত বাতি বড়ি বনাই খোৱাব। এই দৰব তিনি পালি তিনি দিন খোৱাব।

শিশুৰ কাহ ভাল হোৱা দৰব

১১৯২। তুলসীৰ পাতৰ ৰস এচামুচ, লগত মৌ জোল তিনি টোপাল দি খোৱাব। কাঁহ ভাল হব।

গৰ্ম্মী ৰোগৰ দৰব

১১৯৩। জবা ফুলৰ কুঁহীপাতৰ লগত মিচিৰি অলপ একেলগে এগিলাচ পানীত তিয়াই থব, সেই পানী ৰাতিপুৱা শুদা পেটত খাব। গৰ্ম্মী ৰোগ ভাল হব।

বলিয়া মানুহ ভাল হোৱাৰ দৰব

১১৯৪। এখন আগলতি কলপাতত, এডোখৰ ভাল গুড়, আৰু অলপ গাখীৰ থব লাগে। ঘৰৰ তিনি আলি মুৰত। লগতে এটিলিম ভাঙ সৈতে আগ কৰিব ঠাইঠোখৰ ভাল ধৰণে মুচি লব। সেই ঠাই ৰোগীজনে সেৱা কৰিব আৰু ভগৱানক প্ৰাৰ্থনা কৰি কব মই একো নাজানো। মোক ভাল কৰা এইদৰে কৈ আৰু পাচলৈ ঘূৰি নাচাব। যাওতে লগতে এটা ক'লা বা বগা ৰঙৰ কুকুৰ লৈ লব। যদি কুকুৰে গুড়, গাখীৰ খায় তেন্তে জানিব ৰেমাৰ ভাল হব। যদি নাখাই তেন্তে ভাল নহয়।

মানুহ উখহি হালধিয়া হলে

১১৯৫। আকাশীলতা অলপ গৰম পানীত পেলাই থব। আৰু সেই পানীৰে ৰোগীক গা ধুৱাব। কিছুদিন ধুলে ৰোগী ভাল হয়।

কেচুমুৰীয়া

১১৯৬। পানী শিঙৰী গছ '৯' জোপা বা এঘাৰ জোপা, জেতুলী পকাৰ শিপা চাৰি আঙুল একেলগে খুন্দি এটা মাটিৰ টেকেলীত এক লিটাৰ পানীত দৰববোৰ তিয়াই থব। তাৰ লগত বুন্দা কেচু তিনিটা দিব। টেকেলীটো ভাল ধৰণে সোপা মাৰি তিনি দিন তিনি ৰাতি থৈ দিব। তিনি দিনৰ দিনা দৰববোৰ ভাল ধৰণে মিলাই কাপোৰেৰে চাকি পেলাব। ৰসভাগ এটা বৰলত ভৰাই লৈ দিনে তিনি চামুচকৈ তিনিদিন খোৱাব। সিঠাবোৰ পুনৰ আধা লিটাৰ পানীতথৈ দিব। এইদৰে তিনিদিন থব, তিনি দিনৰ পাচত তাত এপোৱা মান উখুৱা চাউল তিয়াই দিব আৰু পাৰ চৰাইৰ পোৱালি এটা এদিন একো খাবলৈ নিদিয়াকৈ বান্ধি থব। পাচত সেই চাউল পাৰ চৰাইটোক খোৱাব। পুনৰ এদিন পাৰটো বান্ধি ৰাখিব পিছদিনা পাৰটো ৰোগীক ৰনাই খোৱাব।

পাৰটোৰ নাৰী পেট সকলোবোৰ বান্ধিব। আৰু ৰোগীক খোৱাব। যিমান পাৰে সিমান ৰোগীক খাবলৈ দিব লাগে। একে পালিতে ৰোগ ভাল হয়।

বাত বিষ

১১৯৭। শিয়ালৰ মাংস আৰু কলিজা বাতি বিষ থকা ৰোগীক খোৱালে ভাল হয়। সম্পূৰ্ণ প্ৰমান পোৱা।

দাঁত পোকে খোৱাৰ দৰব

১১৯৮। গোলাপ ফুল, তগৰ ফুল, জবা ফুল, লগত এজোপা নিলাজী বনৰ শিপা ঠেতেলি পানীত গৰম কৰিব তাত ফুল তিনি পাহ্ পেলাই অলপ নিমখ দিব। সেই পানীৰে মুখ কুল কুলি কৰিব। লগতে তাৰ সিঠাবোৰে দাত মাজিব। পোকে খোৱা ভাল হব। (নিলাজী বন জোপা বেলি নোলোৱাৰ আগে আগে আনিব। তিনিদিন এইদৰে কৰিব।)

সাপে খালে

১১৯৯। বৰ শুমুনি শিপা, গন্ধক ২০ গ্ৰাম, ফিটকিৰি অলপ মান তিনিওকে ভাল ধৰণে পিচিব। সাপে খোৱা ঠাইত অলপ কাটি উক্ত দৰব লগাই ভালদৰে বান্ধি দিব। বান্ধ দিয়াৰ নিয়ম বান্ধ তিনিটা দিব সাপে খোৱাৰ ঠাইতো মাজত কাপোৰেৰে বান্ধিব। বিষ থকালেকে বান্ধিব।

আৰবীয়া বেমাৰ

১২০০। মিৰিকা মাছৰ ফিচা এডোখৰ, জজা তামোল দুটা দুভাগ কৰিব। মিৰিকা মাছৰ ফিচা জুইত পুৰি ছাই কৰি তামোল দুভাগত লগাই নাকেৰে উজাব।

এন্দুৰীয়াৰ দৰব

১২০১। বৰ মানিমুনি পাত পাতত দি, তাৰ লগত এটা আলুক দি পিচি এন্দুৰীয়া হোৱাৰ ঠাইত বান্ধি দিব। এইদৰে এদিন সম্পূৰ্ণ বান্ধি ৰখাৰ পাচত ভীমকলৰ খাৰ কৰি ঘাঁত লগাব। দৰব লগাবৰ সময়ত ঘাঁ ভাল ধৰণে ধুই লব।

চকুত ফুল পৰা

১২০২। তুলসীৰ আগ এটাৰ ৰস, আৰু কনা শিমলু হাতেৰে মোহাৰি ৰস দিলে ভাল হয়।

পাচাৰৰ দৰব

১২০৩। একে বৰণৰ গুৰু গাধীৰ আধা পোৱা (মোক + পোৱালী) ঘৰুৱা মদ আধা

গিলাচ দুইটা মিলাই, বুট, মিচিৰি তিয়াই তাৰ পানী সকলোবোৰ মিলাই ৰোগীক খোৱাব। কুহিয়াৰ গধুলী পুৱা নিয়ৰত তিয়াই থৈ পুৱা গধুলী খাব।

প্ৰসুতাৰ দৰৱ

১২০৪। জামু গছৰ ছাল চাৰি আঙুল, কৰৰী গছৰ চাৰি আঙুল, চুমনীয়া গছৰ ছাল চাৰি আঙুল একেলগে খুন্দি পানীত তিয়াই গৰম কৰিব। তাৰ পানী ৰোগীক খাবলৈ দিলে প্ৰসুতা ভাল হ'ব।

সেৰা বেমাৰ

১২০৫। তৰা গছৰ বুঢ়া পাত বঘুমলাৰ পাত আৰু ফুল, চুমনীয়া গছৰ ছাল সকলোকে খুন্দি গৰম কৰিব তাৰ ৰস ৰাতিপুৱা শুদা পেটত খোৱাব।

হাত ভৰিৰ হাড় ভাঙিলে ভাল হোৱাৰ দৰৱ

১২০৬। পখনা বেদ (হিন্দীত, নেপালীত) গছৰ শিপা এটুকুৰা, কেচা চিমৰি (হিন্দীত) ৫ গ্ৰাম, কুকুৰাৰ কণীৰ বগা অংশ থিনি গৰুৰ গাখীৰৰ লগত ২০ গ্ৰামৰ লগত মিলাই খোৱাব। দিনে দুবাৰ।

তেজ গ্ৰহণী

১২০৭। কেঁচা চিমৰী (হিন্দীত) ৩ গ্ৰাম গৰম নকৰা এবা গাখীৰৰ লগত মিলাই ৰাতি শুৱৰ সময়ত এবাৰ আৰু ৰাতিপুৱা এবাৰ খোৱাব।

এন্দুৰীয়াৰ দৰৱ

১২০৮। দুবামলী ফুলৰ আগ বটিব, বৰ থৈকেৰা পুৰি লব দুয়োকে তেলৰ লগত মিলাই ঘাঁত ঘহিব।

জ্বৰ সাৰ

১২০৯। এড়াৰ গুটি একে বৰণীয়া গৰুৰ গাখীৰৰ লগত খোৱাব।

জ্বল সাৰ

১২১০। নাহৰ ফুলৰ মূল, ম'হৰ মুত্তেৰে ৰাতি মৌৰ লগত খোৱাব।

১২১১। বাহকৰ খাৰ আৰু আমলখীৰ ৰস মৌৰ লগত খোৱাব।

এজমা

১২১২। দ্ৰোণ বনৰ আগ বা পাত অলপ, ১৫/২০ টা জালুক, মধান আদা ২০০ গ্ৰাম তিনিওটাকে খুন্দি ৰস উলিয়াব লাগে। সেই ৰস বয়স অনুপাতে খোৱাব লাগে। যেনে ২০ বছৰৰ ওপৰত দিনে তিনিবাৰকৈ খাব।

গৰলৰ দৰৱ

১২১৩। ৰৰ নহৰু ডাঙৰ হলে চাৰি ভাগৰ এভাগ, সৰু হলে এটা সম্পূৰ্ণ লব। নহৰু দুটা, দুয়োটাকে খুন্দি শোৱৰ সময়ত ডিঙিত লেপ দি বান্ধি ৰাখিব। যেতিয়া দৰৱে সপক্ হৰ্পকৈ টানিব তাৰ কিছু দেৰিৰ পাচত দৰৱৰ বান্ধ খুলি দিব। এইদৰে দুদিন বান্ধিব।

গা চলা

১২১৪। ৰঙা জবা ফুল ১০/১২ টা, সেই অনুপাতে তুলসীৰ পাত আৰু আগলৈ খুন্দিব দুয়োটা বেলেগে বেলেগে খুন্দিব। তুলসীৰ ৰসৰ লগত জবা ফুলখিনি মিলাই খোৱাব। ২/৩ দিন খালে মাইকী মানুহৰ গা চলা ভাল হয়।

জ্বৰ হলে গা উখহা

১২১৫। গৰুৰ মুট, ধোৱা খোৱাৰ পানী মিলাই খোৱালে ৰোগ ভাল হয়।

এৰা ভাগ

১২১৬। পচতীয়াৰ পাতৰ ৰস, ১০/১২ টা জালুক, মধুৰীৰ পাতৰ ৰস তিনিওৰে ৰস উলিয়াই দিনে তিনি বাৰ খাব। তিনিদিন খুৱাব।

কৰাঙনৰ চুকত ঘা হলে

১২১৭। দীগলতিৰ আগ পাচটা বাতি মাকৰ গাখীৰে লেপ দিব ভাল হব। লৰা কৰাঙনত চুকৰ ঘা ভাল হয়।

১২১৮। আকনৰ পাত তিনিটা, পকা পান তিনিখন, বঙালী এৰাৰ ছাল বাতি লগাব।

একুহিয়া

১২১৯। গোলনেমু এটাৰ ভিতৰত, কুকুৰা কণীৰ এটা কুহুমু, ৰোগীৰ মূত, ভৰাই পুনৰ টেঙাটো ভালদৰে সাফৰ বন্ধ কৰিব। তাৰ পাচত টেঙাটো ৰঙা মাটিৰে চাৰিওফালে লেপি, জুইৰ শালত দক্ষিণ ফালে এককোত আতৰত পুতি থব। ৰোগী প্ৰথমতে ফুলি যাব তাৰ পাচত ভাল হব।

নিমুনীয়া

১২২০। বান্দা কেচু এটা, এটা বাহঁৰ চুঙাত ভৰাই ৪/৫ টা জালুকৰ সৈতে সিজাই সেই পানী ৰোগীক খোৱাব।

নাৰেজাৰ দৰৱ

১২২১। ধুতুৰাৰ পাত, চজিনাৰ গছৰ ছাল ভাল ধৰণে খুন্দি গৰম পানীৰে সেক দিলে

নাৰেঙ্গা ৰোগ ফুটি বাহিৰ হব ও বিষ কম হব।

১২২২। কপাহৰ আলু, মেটেকাৰ আলু, ৰবপুনি, ৰঙা পুৰে সবাকো খুন্দি খোৱালে এই ৰোগ উপশম ঘটে।

গৰ্ভ নাৰেঙ্গাৰ দৰব

১২২৩। নাহৰ পতিয়া লতাৰ পাত, পুৰণি বচ সবাকো বাটি খাব। নাশ হব।

মূদগড়ৰৰ দৰব

১২২৪। যম লাখুটিৰ আলু সাত চকল, চেঙেলি মাছ সাতোটা, বাহৰ কুঁহি তিনিটা, জালুক ৭ টা অলপ নিমখ দি বাহৰ চুঙাত সিজাই খোৱাব।

ঢকা মূদগৰৰ দৰব

১২২৫। কাঁপে বাথৰ কুহিয়াৰ ৰস সমে খাব।

পয়ালগা

১২২৬। ভেটফুল, ছাগলীৰ গাখীৰৰ লগত মিলাই খোৱাব পয়ালগা লৰা ভাল হব।

১২২৭। ডোম চোৰাতৰ শিপাৰ গুড়িৰে ফুট দিলে পয়া লগা ভাল হয়।

১২২৮। পকা ভীম কল, এখন চালনিত ভাল ধৰণে চালি তাৰ লগত ভেট ফুল খুন্দি দৰব একে ৰকণৰ গৰুৰ গাখীৰৰ লগত মিলাই ৰোগীক খোৱাব। পয়া ৰোগ নাশ হব।

গৰল ৰোগৰ দৰব

১২২৯। বাহক গছৰ পাত, ও শিপা, জেকুৰিৰ গুটি লোণ দি ভাজি খাব। গৰল নাশ হব।

কুকুৰি কণা

১২৩০। বুঢ়া পানৰ ৰস সদায় তিনি চাৰি টোপ চকুত দিলে ভাল হয়।

১২৩১। ৰোগীয়ে নেদেখাকৈ এটা পকা কলত এজনী জোনাকী পৰুৱা ভৰাই খোৱাব। তিনিদিন এইদৰে খোৱাব।

কুকুৰি কাপৰি

১২৩২। বুঢ়া এৰা গছৰ গুটি, মৰা গছৰ গুটি, আকন গছৰ পাত এটা নহক বাতি ঘহিব নাশ হব।

গৰ্ভস্ৰাৱ

১২৩৩। কোমটিৰ মূৰ দুইটা চেঙেলী মাছৰ মূৰৰ লগত পুৰি ছাই কৰি চুলি সমে

ঘহিব।

১২৩৪। জাইফল ১ তোলা, হুবলি ১ তোলা, লোন পানী ২ তোলা সবাকো গুড়ি কৰি খালে ভাল হয়।

বাতজ্বৰ

১২৩৫। শতমূল, আমৈ লতাৰ ৰস, আদা, পিপলি আৰু মৌ লগত মাৰি খাব।

১২৩৬। উৎকৃষ্ট গৰুৰ ঘিউ গৰম কৰি খালে জ্বৰ ভাল হয়।

১২৩৭। এটা পকা আকনৰ পাতৰ চাৰি ভাগৰ এভাগ ২ $\frac{১}{২}$ টা জালুকৰ লগত খাব।

পিত্তজ্বৰ

১২৩৮। যেতক পৰাৰ ৰস দুতোলা মৌৰে খাব।

১২৩৯। মগুমাহ, আমলখিৰ ছাল, পোৰা ললিতাৰ গুটি বা মূল, নিমৰ ছাল সবাকো ভালকৈ বটি ৰস উলিয়াই চেকি খাব। দুই তোলামান পুৱাতে খাব।

কফ জ্বৰ

১২৪০। পচতিয়াৰ পাত পাতত দি ৰস, জালুক পিপলি যখাৰ আৰু মৌৰ লগত খাব।

১২৪১। বাহকৰ শিপা ক্কাথ মৌ দি খাব লাগে।

১২৪২। আমৌলতা, নিমৰ ছাল, আদা, কেতুৰি, পিপলি ভেকুৰিৰ শিপা, কটা বেঙেনাৰ শিপা সবাকো মিহলাই খাব।

১২৪৩। যখাৰ, পিপলি, মৌ আৰু সিজুৰ পাত পাতত দি তাৰ ৰস উলিয়াই খাব।

১২৪৪। চিৰতা, পিপলি, নিমৰ ছাল, আমৌলতা, কেতুৰি, কটা বেঙেনা, বটি মৌৰ লগত খাব।

১২৪৫। ভাত ঝিলাৰ শিপা, বেঙেনাৰ আগ, যখাৰ, পিপলি সবাকো বটি অলপ পানীৰ লগত মিহলাই খাব।

ডোম জ্বৰ

১২৪৬। ডোম জ্বৰত বাঘ দুধ পিহি কপালত ফোট লব।

সৰ্ব্ব জ্বৰ

১২৪৭। ভাত ঝিলা মৌৰ লগত খালেও ভাল হয়।

পুৰণি জ্বৰ

১২৪৮। আমৌলতাৰ ৰস, পিপলি গুটি মৌৰে খাব।

১২৪৯। শেৱালি ফুলৰ পাত পাতত দি তপতাই ৰস মৌৰে খাব।

১২৫০। যেতক পৰা শেৱালী ফুলৰ পাত আৰু আমৌলতা মিহলাই খাব।

১২৫১। বগা কৰবীৰ শিপা, বগা অপৰাজিতাৰ শিপা, বগা জবাৰ শিপা প্রত্যেকৰে এতোলা, পুৰণি গোটা গুড় তিনি তোলা, জালুক সবাকো বাটি ৭ টা লাড়ু কৰি ৭ দিন খাব।

১২৫২। বনসঠৰ শিপা গৰুৰ মুতেৰে খাব।

১২৫৩। দুদ মুৰি দুতোলা, লং সাতোটা, ইলাচি ৯ টা, জিৰা আধাতোলা, চিৰতা আধাতোলা, জালুক আধাতোলা, গোলমৰিচ আধাতোলা, কটকী তিতা আধাতোলা, সবাকো বাটি বড়ি কৰি পানী অনুপাতে খালে পুৰণি জ্বৰ ভাল হয়।

কপনি জ্বৰ আৰু টাইফয়েড

১২৫৪। নীলকণ্ঠৰ শিপা সৰু সৰু ২/৩ ডাল উঘালি এজোপা কাটি ধুই পটাত বাটি অকনমান কুহমীয়া গৰম পানীত কিছুত জালুক নিমখ দি ২ চামুচ পানী দি চেকিব। দিনে ২ বাৰকৈ খোৱাৰ আগে। পিছত তিনিবাৰ খাব।

ৰক্তস্ৰাৱ (Haemorrhage)

১২৫৫। নাৰ্জীফুলৰ চাৰি পাঁচখন আৰু পাঁচ ছয়খন বিশল্যকৰণীৰ কেঁচা পাতৰ ৰস উলিয়াই তাত অলপ চেনি মিহলাই খোৱালে অতি সোনকালে ৰক্তস্ৰাৱ ভাল হয়।

ৰক্ত দুষিত ৰোগ

১২৫৬। কলিয় কচুৰ ঠাৰি আৰু পাতৰ তৰকাৰি সপ্তাহত দুদিনকৈ খাব। লাগে শৰীৰৰ তেজ শোধন হোৱাত সহায় কৰে।

১২৫৭। এক গ্ৰাম ফিটকিৰি পিহি, ১২৫ গ্ৰাম দৈ আৰু ২৫০ গ্ৰাম পানী মিহলাই খালে যিকোনো ৰক্তস্ৰাৱ বন্ধ হয়।

১২৫৮। এগিলাচ ঠাণ্ডা পানীত আধা গিলাছ নেমুৰ ৰস মিহলাই দিনে তিনিবাৰকৈ খোৱাব।

শোধ বা শোৰ (Ascites)

১২৫৯। আচুকাথ, আজাচিতাৰ শিপা, অকলবীৰৰ শিপা, হালধি, শিলিখা, অমৰলতা, আদা, পুৰ্ণ নুৱাৰ শাক সবাকো খুন্দি ৰস খাব। ইয়াৰ আগতে নিমছাল, লজ্জিগোবোলাৰ পাত আৰু কাটা বেজেনাৰ শিপা মিহলাই খালে শোৰ জ্বৰ

গুছে।

১২৬০। আমৌলতা, বাহক ছাল আৰু কটা বেঙেনাৰ শিপা, কাথ, মৌ মিহলাই খালে শোব জ্বৰ গুছে।

১২৬১। কটকী তিতা, চিৰতা মূল, ধনালতাৰ শিপা, পিপলি, বিৰিং গুটি সুন্দৰ পমাল, আমলখি, শিলিখা ভূইৰ গুটি, আদা, জালুক সবাকো সমভোগ গুড়ি যিমান হব সেই পৰিমাণে খোৱা চুণ মিহলাই ২ ৰতি পৰিমাণে বড়ি কৰি খাব।

১২৬২। কেঞ্জা গুটি আৰু নেমুটেঙাৰ গুটি পাঁচ গণ্ডা, চুন এমহা, আফিং ২ ৰতি, কলা গৰুৰ মুতৰ সৈতে বাতি ৰস খাব। পাঁচদিন পাঁচ পালি খাব।

১২৬৩। কলা তুলসি, বেলপাত, মুথাৰ শিপাৰ গুড়ি খালে গা উখহা ভাল হয়।

১২৬৪। পুষ্টিকৰ আহাৰ ইয়াৰ প্ৰধান দৰব।

১২৬৫। বেলপাতৰ ৰস ৫০ গ্ৰাম ৰসৰ লগত সমানে মৌ মিহলাই দুটা জালুক পিহি দিনে ২ পালি তিনিদিন খাব।

১২৬৬। পুৰ্ণনুবাৰ এশ গ্ৰাম পাতৰ ৰসত সামান্য পানী মিহলাই দিনে দুবাৰকৈ খাব। একেৰাহে ৩/৪ দিন খাব।

১২৬৭। ২৫ গ্ৰাম কেৰেলাৰ ৰস পানীত মিহলাই দিনে তিনিবাৰকৈ খালে এই ৰোগ ভাল হয়।

১২৬৮। পিপলি গুড়াৰ লগত গাখীৰ মিহলাই খাব।

১২৬৯। বেলপাতৰ ৰস ২৫ গ্ৰাম, ৮ গ্ৰাম জালুক আৰু ৮ গ্ৰাম মৌৰ লগত খালে এই ৰোগ ভাল হয়।

১২৭০। মহাভৃঙ্গৰাজৰ ৰস গাখীৰ সৈতে ১২ গ্ৰামকৈ দিনে খাব।

১২৭১। ২০০ গ্ৰাম পানীত ২৫ গ্ৰাম বুট সিজাই তাৰ পৰিমাণ আধা হলে তাক চেকি খাব।

১২৭২। অপৰাজিতাৰ পাতৰ ৰস বা ফুলৰ ৰস খালে এই ৰোগ নিৰাময় হয়।

১২৭৩। পুৰণি গুড়ৰ লগত, বগা পুৰ্ণ নৌৱা, তাত আদা ১০ গ্ৰাম ভালকৈ বটি সকলো মিলাই খাব।

মহাকুষ্ঠ ৰোগৰ দৰব

১২৭৪। হাইঠা গুট (মনিছাল) আধা তোলা, গৰম গাখীৰৰ লগত দিনে ২ বাৰকৈ খালে আৰু কেৱল গাখীৰ খাই দিন কটালে কুষ্ঠ ৰোগ ভাল হয়।

১২৭৫। কনক চম্পা ফুল গছৰ ছাল ১ তোলা বটি এপোৱা পানীত গুলি খাব। সাতদিন এইদৰে ভাত মাখাৰ বুট ভাজি খাই থাকিব। পুনতে গা-ধুব আৰু

ঘৰৰ ওচৰত থাকিব। পিয়াহত পানী নাখাব গাখীৰ খাব।

১২৭৬। নিমৰ ছাল আৰু পাত লগতে শেৱালী ফুল শুকোৱাই গুড়ি কৰি সমজোখত মৌ মিহলাই বা এৰা গাখীৰেৰে খাব।

১২৭৭। চুনৰ পানীৰে ৮/১০ টোপ, অৰ্জুন তেল সদায় ২ বাৰকৈ এমাহ বা ২ মাহ শুদা পেটত খাব। তেজ পৰিষ্কাৰ হৈ কুষ্ঠ ৰোগ ভাল হয়।

১২৭৮। ভেকুলিয়া আউনী পানৰ ৰস অনুমানেৰে, এৰত্তি পৰিমাণে হাইতাল, তিনি চাৰিমাহ খালে গলিত কুষ্ঠ ভাল হয়।

১২৭৯। আউনী পান আঠখনৰ পৰা আৰম্ভ কৰি ৬০ খন লৈকে ৰস খাব। ক্ৰমান্বে ক্ৰমান্বে বঢ়াই খাব।

১২৮০। কাঞ্চনৰ শিপা, কনাবিৰ মূল, জলকীয়াৰ মূল, টুবুকি লতাৰ মূল, সমজোখে বাতি দুৰত্তি পৰিমাণে বড়ি কৰি পুৰা গধুলি বগা অপৰাজিতাৰ শিপাৰ ৰসেৰে এমাহ বা দুমাহ খালে ভাল হব।

১২৮১। পচতিয়াৰ পাতৰ শুকান গুড়ি এজোখ, মৌ দুজোখ, ঘিউ দুজোখ, এখন সজাত ভৰাই ভালকৈ মুখ বন্ধ কৰি মাটিৰে লেপ দিব। আৰু এমাহকাল শিপাৰ ৰসেৰে এমাহ বা দুমাহ খালে ভাল হব।

১২৮২। মাকৰি ঘিলাৰ সাহ, কঠনাৰ গুটি, গুড় আৰু শিলিখা, গৰুৰ মুতেৰে খাব।

১২৮৩। হালধি আৰু কলৰ খাৰ বাতি লগাব।

১২৮৪। মনঃশিলা আৰু বনসঠৰে খাৰ বাটি লগাব।

১২৮৫। পদাপোকা বাটি লেপ দিব।

১২৮৬। শিলিখা, আমলখি, আমঠু, নাগৰ গু, কয়লা, সুৰগা, বগা কাঠ ফুল সবাকো লোৰ সজাত লৈ লোৰ মাৰিৰে মাৰিব। এদিন নেমু টেঙাৰ ৰসত বাটিব আৰু ২ দিন পানী দি বাটি ঘাত লগালে ভাল হয়।

সন্যাস ৰোগ

১২৮৭। বগৰি গুটিৰ সাহ, পিপলি, বিৰিনাৰ মূল, নাগেশ্বৰ ফুলৰ কেশৰ সকলোকে মিলাই পানী দি বাটি খাব।

১২৮৮। পিপলি গুড়ি আৰু মৌ চেলেকি খাই থাকিলে সৰ্ব প্ৰকাৰ মুছ, কুছ, ভ্ৰম, সন্যাস ৰোগ ভাল হয়।

মূৰ্চ্ছা ৰোগ

১২৮৯। ৰসসিন্দুৰ ২ ৰতি, পিপলি গুড়ি মৌৰ লগত সাত দিন খাব।

তেওঁৰ বা অচেতন

১২৯০। হাওলতা, চতাবৰী, যষ্টিমধু, তেলীয়া ধুনালতাৰ মূল, বগা চন্দন, ৰঙা চন্দন, সৰু ইলাচী সবাকো বাটি সমজোখে বড়ি কৰি খাব।

পুৰুষৰ শক্তি বঢ়াব

১২৯১। পলাশৰ শিপাৰ ছালৰ গুড়িত মৌ মিহলাই বা ঘিউ দি ৰাতিপুৱা খালে বিৰ্য্য ও ৰতি শক্তি বাঢ়ে।

১২৯২। ভুই কোমোৰা দুই তোলা, ঘিউ আধা তোলা, গাখীৰ একসেৰ। প্ৰথমে ভুইকোমোৰা বাটি ঘিউৰ সৈতে সানিব তাৰ পাছত গাখীৰৰ লগত মিহলাই পগাই ৰাতি ২০/২৫ দিন খাব।

১২৯৩। শতমূলৰ প্ৰায় ২৫ গ্ৰাম আলু ভাল দৰে সানিব তাৰ পাছত গাখীৰৰ লগত সদাই খাব।

১২৯৪। আমলখি, ভোমোঁৰা গুটি, পিপলি সমান পৰিমাণ গুড়ি কৰি, ঘিউ, মৌ মিলাই নিতৌ গধুলী পৰত খাব শক্তি বাঢ়ে।

ৰতি বল্লভ মোদক

১২৯৫। চেনি একসেৰ, শতমূল ২ সেৰ, দেশী ভাঙৰ কাথ দুইসেৰ, গৰুৰ গাখীৰ ২ সেৰ, ছাগলী গাখীৰ ২ সেৰ, ঘিউ পোৱাৰ তলা, দেশী ভাঙৰ গুড়ি ১ পোৱা, আমলখি, মুঠা, বান্দৰ কেকোৰাৰ গুড়ি, নাহৰ ফুল, মাহৰ পাত, ইলাচি, ডাল চেনী, কালজিৰা, হাতী গুৰিয়াৰ শিপা, আদা, জালুক, পিপলি মূল, কেহেৰু, তালৰ গজা, শিলিখা, ধনীয়া, ফুলি কাইটৰ গুটি, যষ্টিমধু, দুদখুৰি, লং, য'নী, মচন্দৰী, কাৰণী, গাজ পিপলি প্ৰত্যেকৰে এক তোলা গুড়ি কৰি দি সবাকো পগাই মৌ এক পোৱাৰে গন্ধক কলাই আৰু কৰ্পূৰ সানিব। এই দৰৰ ১/২ মাহ গাখীৰৰ সৈতে খালে শুক্ৰ আৰু ৰতি শক্তি বাঢ়ে।

ৰতি বৰ্দ্ধক বড়ি

১২৯৬। আকণৰ শিপা ছাল একতোলা, জাইফল ৭ টা, আফিং একঅনা সমানে

সবাকো ভালকৈ বাটি এক ৰতি পৰিমাণে বড়ি কৰি এবা গাখীৰৰ লগত খাব।

কামেশ্বৰ মোদক

১২৯৭। আমলখি, শিলিখা, পিপলি, শুকান আদা, জিৰা, যঁনী, আমৈলতা, মিথি, কালজিৰা, ভূইকোমোৰা, যষ্টি মধু, শিমলুৰ আঠা, ধনিয়া, সৈন্ধালোণ সবাকো মিহলাই পগাই, ঘিউ এপোৱাৰ লগত খাব।

পায়খানা ছাফা কৰা দৰব

১২৯৮। সোনাৰুৰ গুটি আধা ওপৰৰ ছাল গুছাই ভিতৰৰ আবৰণ পানীত গৰম কৰি তাৰ গুটি বাদ কৰি ৰাতি পানীখিনি খাব লাগে। ৪/৫ সপ্তাহ একেৰাহে খাব।

কাঠিণ্য

১২৯৯। এটা ডাঙৰ কেঁচা অমিতা তৰকাৰি কৰি খালে ৰোগ ভাল হয়, দিনে ২বাৰকৈ খাব লাগে। পকা অমিতা খালে ভাল হয়।

নাইগেলা

১৩০০। কেঁচুৰাৰ নাই গেলালে নাৰিকলৰ তেলৰ লগত শুকান ছাগলীৰ গোবৰ মিলাই ঘহিব ভাল হব।

সাপে খালে

১৩০১। বেজ বিচাৰে মানে - দ্ৰোণবনৰ আগ পাঁচটা খুন্দি বড়ি কৰি আঘাত কৰা ঠাইত লগাব বিষ টানে।

জলাতঙ্ক ৰোগ

১৩০২। কনক ধুতুৰা পাতৰ ৰস দুই গ্ৰাম অলপ গুড় আৰু দুই গ্ৰাম গৰম গাখীৰ মিহলি কৰি দিনে দুবাৰকৈ একেৰাহে তিনিদিন খাব।

১৩০৩। আকনৰ শিপা, ৫০ গ্ৰাম ৰসৰ লগত চাৰি পাঁচটা জালুক খুন্দি সমানে দুভাক কৰি তিনি ঘন্টাৰ মূৰে মূৰে খাব।

১৩০৪। এক গ্ৰাম আকনৰ আঠা, ২৫ গ্ৰাম পুৰণা গুড়, ২৫ গ্ৰাম কলা তিল মিলাই খোৱাব।

১৩০৫। বগা আকনৰ শিপা দুই ইঞ্চি, ৩/৪ টা জালুকৰ লগত খুন্দি খালে বিষ কমে।

খোনা

১৩০৬। ১২ টা বাদাম পানীত তিয়াই পিহি ২০ গ্ৰাম মাখন মিলাই এমাহ খালে খোনা ভাল হয়।

শিশুৰ দৰব

১৩০৭। **শিশুৱে গাখীৰ ছন্দিয়ালে ঃ** শুকান আমৰাৰ গুটি ৩৭৫ গ্ৰাম, দহ বাৰটা আখৈ, ১২৫ গ্ৰাম সৈন্ধা লোন একেলগে মৌৰ লগত খাব।

১৩০৮। **শিশুৰ লালতি ওলালে ঃ** বকুল গছৰ ছালৰ ৰসেৰে মুখ কোল কোলিয়াবলৈ দিব লাগে।

১৩০৯। **শিশুৰ শৌচ ঃ** জাতি লাওৰ ফুল পাঁচটা, কপাল ফুটাৰ আগ পাঁচটা, মাটি মাহ পাঁচটা, জালুক পাঁচটা পিহি তালুত প্ৰলেপ দিব।

১৩১০। **কেচুৱা লৰা শৌচ হোৱা ঃ** তুলসী গুটি কেইটামান খুন্দি গাখীৰৰ লগত মিলাই খোৱাব।

১৩১১। **লৰা ছোৱালীৰ ডিঙি ঘেৰ ঘেৰকৰালে ঃ** এৰা গছৰ কোহ তিনিটা, বাঁহ গছৰ কোহ তিনিটা পিচি চুন মিলাই ভৰিৰ তলুৱাত ফোট দিব।

শিশুৰ পেট চলিলে

১৩১২। জামুগছৰ পাত ৫/৬ খিলা খুন্দি তাৰ ৰস উলিয়াই গাখীৰৰ লগত প্ৰতিদিনে আহাৰ খোৱাৰ আধা ঘন্টা পাছত খাব। দিনে তিনি পালি।

কেচুৱাই কান্দিলে (মুতিলে)

১৩১৩। পানী মুতুৱা মাছ আনি চালনিত শুকুৱাই গুড়ি কৰি আন্দাজমতে অৰ্জ্জুন গছৰ ছালৰ গুড়ি, আন্দাজমতে নিমখ, এক চামুচ গাখীৰত গুলি লৈ দুবাৰ আগবেলা আৰু পিছবেলা খুৱাব।

ককাল বিষৰ

১৩১৪। ককাল আথি লতাৰ একমেৰ দি বান্ধি দিলে ককাল বিষ ভাল হয়।

১৩১৫। কেঁচা আলু গুটি দুটা পিহি ককালত লগাই ১৫ মিনিট মান ৰাখিব। আৰাম পাব।

১৩১৬। পুৰঠ নহৰ দুটা খুন্দি বিষ হোৱা ঠাইত ১৫/২০ মিনিট লগাই থব। আৰাম পাব।

১৩১৭। এড়ি গুটি এটা পিহি লৈ, পাঁচ পোৱা গাখীৰত মিলাই দিনে তিনিবাৰকৈ খাব নাশ হ'ব।

১৩১৮। ২০ গ্ৰাম মাটিমাহ খুন্দি বিষ হোৱা ঠাইত মালিচ কৰিব।

প্ৰসৱৰ দোষত ককালৰ বিষ হ'লে

১৩১৯। দুপৰ টেঙাৰ পাত ৮/১০ খিলা খুন্দি তাৰ ৰস উলিয়াই দিনে দুবাৰকৈ একেবাহে এক সপ্তাহ খাব। ভাল হ'ব।

১৩২০। পচতিয়াৰ পাতৰ ৰস, নহৰু ৪/৫ ফুটা, শুকান আদা সকলো খুন্দি তাত এৰিতেল অলপ দি মালিচ কৰিলে ভাল হয়।

১৩২১। বচ তেলেৰে মালিচ কৰিলে ককালৰ বিষ ভাল হয়।

এলাৰ্জী

১৩২২। নহৰু, আদা, জালুক, কলা নিমখ অলপমান, বুট মাহ এটাৰ সমানে বড়ি কৰি খাব।

১৩২৩। আদাৰ ৰস ২০ গ্ৰাম, ২৩ বছৰীয়া পুৰণি গুড়ৰ সৈতে খাব লাগে।

১৩২৪। পুৰৈ শাকৰ ৰ লিয়াই আমবাট হোৱা ঠাইত সানিলে ভাল হয়।

ফিটা পেলু (ক্ৰিমি)

১৩২৫। দহি কচুৰ ২৫০ গ্ৰাম ঠাৰি তৰকাৰী কৰি আহাৰৰ লগত একেবাহে এক সপ্তাহ খালে পেলু নাশ হয়।

১৩২৬। কালমেঘৰ ৪/৫ খন পাত চোবাই আধা গিলাচ পানীৰে সৈতে মিলাই খালে ক্ৰিমি নাশ হয়।

১৩২৭। জালুক ১ টা, বিলাহী ১ এটা, সামান্য নিমখ পিহি মিলাই খাব দৈৰ লগত। ৰাতিপুৱা আৰু ৰাতি শুৱাৰ আগতে এই দৰৱ খাব লাগে।

১৩২৮। ৪/৫ দিন একে বাহে ৪ চামুচকৈ আমলখিৰ ৰস খাব লাগে।

১৩২৯। মাটি কঠালৰ কুঁহিপাত পিহি তাৰ ৰস ১২ গ্ৰাম ৰাতিপুৱা শুধা পেটত খাব। তিনিদিন খাব।

১৩৩০। অমিতাৰ গুটি ৮/১০ টা খুন্দি অলপ পানীত মিলাই একেবাহে ১৫ দিন খাব। কৃমি নাশ।

১৩৩১। অকনমান খোৱা হিং পানীত গুলি খোৱালে কৃমি নাশ হয়।

১৩৩২। টুবুকী লতাৰ পাতৰ ৰস নাইবা শিয়ালৰ ৰস ১০ গ্ৰাম খোৱালে লৰাৰ কৃমি নাশ হয়।

১৩৩৩। দুই ঠোপা ধুতুৰা পাতৰ ৰসত ঘোল মিহলি কৰি খাব কৃমি নাশ হব।

আলুখেতিৰ দৰৱ

১৩৩৪। হাতীৰ হাড় বা দাঁত পেলাই থলে আলু খেতি ভাল হয়।

অৰ্থহৃদ্রোগধিকাৰ

১৩৩৫। স্নেহ প্রয়োগ দ্বাৰা ৰোগীক সিদ্ধ কৰি তেল, নিমখ, লং যুক্ত দশমূল ক্বাথৰ লগত মদন ফুল চুৰ্ণ পান কৰি ৰমন কৰিব। ঘৃত দুগ্ধ কিংবা গুভোদকেৰ সহিতে অৰ্জ্জুন গছৰ ছাল চুৰ্ণ দুই অনা মাত্রাৰ সেৱন কৰিলে হৃদৰোগ, জীৰ্ণজ্বৰ আৰু ৰক্তপিত্ত ভাল হয়। আৰু আয়ুশ বৃদ্ধি হয়।

যকৃত বৃদ্ধি ৰোগ

১৩৩৬। পটলৰ শিপা আৰু নহৰু একেলগে খুন্দি পেটত প্রলেপ দিব লাগে।

১৩৩৭। পকা অমিতা দিনে একোটাকৈ খোৱা ভাল।

উন্মাদ ৰোগ

১৩৩৮। সৰ্পগন্ধাৰ শিপাৰ চুৰ্ণ (গুড়া) ৰাতিপুৱা, দুপৰীয়া আহাৰ খোৱাৰ পাছত বিশ গ্রামকৈ খাব।

১৩৩৯। ১০০ গ্রাম মাটি মাহ এৰাতি এৰাতি পানীত তিয়াই ৰাখি ৰাতিপুৱা মাহখিনি পিহি সেই পানী খালে আৰাম পোৱা যায়।

১৩৪০। অপৰাজিতাৰ শিপা, চাউল ধুৱা পানীত অলপ ঘিউ মিহলাই নাকেৰে শুঙিলে উন্মাদ ৰোগ নাশ হয়।

১৩৪১। কোমোঁৱাৰ গুটি ৪/৫ টা পিহি, মৌ জোলৰ লগত মিহলাই খোৱাব ৰোগ নাশ।

১৩৪২। পালেং শাকৰ ৰস দিনত ১৫০ গ্রামকৈ খুৱাব।

১৩৪৩। মানিমুনি শাকৰ ৰস ৫০ গ্রাম, কুড়চুৰ্ন ২০ গ্রাম, মৌজোল ১২ গ্রাম একেলগে মিহলাই কিছুদিন একেৰাহে খুৱাব।

১৩৪৪। সৰিয়হ ৰাতি তাক শুঙিব লাগে।

একাংগী ৰোগ

১৩৪৫। বচ গছৰ ৪ ইঞ্চি মান শিপা, ভালকৈ ধুই খুন্দি ৰস উলিয়াই ৩/৪ বাৰকৈ ১৫/২০ দিন মালিচ কৰিব।

১৩৪৬। পিয়াজৰ ৰস নাকেৰে শুঙিব লাগে। নাকত কেইটোপাল মান দিব লাগে।

১৩৪৭। ছজিনা গুটিৰ পৰা তৈয়াৰ কৰা তেলেৰে একাংগী হোৱা স্থানত মালিচ কৰিব।

১৩৪৮। নহৰ ৪/৫ ফোটা অলপ মাখনৰ লগত খালে যথেষ্ট উপকাৰ পোৱা যায়।

১৩৪৯। ভেদাই লতাৰ পাত তৰকাৰী কৰি খালেও উপকাৰ পোৱা যায়।

১৩৫০। আদা ৫ গ্ৰাম, পিপলি ৫ গ্ৰাম, জালুক ৫ গ্ৰাম, নহৰু ১৪০ গ্ৰাম, খোৱা হিং, জিৰা, সৈন্ধা লোণ সকলোবে ৫ গ্ৰামকৈ মিলাই এৰি গছৰ শিপাৰ ক্বাথৰ লগত মিলাই খালে এই ৰোগ ভাল হয়।

কমল ৰোগ

১৩৫১। তিতা ফুলৰ ২০ গ্ৰাম ৰস সামান্য চেনি মিশ্ৰণ কৰি দিনে ২ বাৰকৈ তিনি দিন খাব।

দুধ-হীৰা

১৩৫২। ৰঙা এৰাপাতৰ ওপৰৰ মিহি পিঠিত ডাঁলডা ঘিউ বা মিঠাতেল সানি ফটা কাপোৰে তেল থকা ফালে এক আজলি বাদ দি তাপ দিব। তিনি মিনিটত ভাল হব।

১৩৫৩। তিনি মিনিটত ভাল হব ৰঙা এৰাৰ পাত দুখন ওপৰ পিঠিত মিঠাতেল দুবাই এক আজলি বালি গৰম কৰি পাতত ধালি দিব। তাৰ পাছত টোপোলা কৰি পিয়াহত লগাই থব।

কণ্ঠ ৰোগ

১৩৫৪। ভীমকলৰ সাৰৰ লগত কেচা হালধী এটুকুৰা খুন্দি সানিলে ভাল হব।

১৩৫৫। সোম ৰাজৰ পাতৰ ৰস অকন মান নিমখ মিহলাই সানি ৰোগ হোৱা ঠাইত লগালে উপকাৰ পোৱা যায়।

১৩৫৬। লাই বাঁঘিনী গছৰ পাত শুকুৱাই গুড়ি কৰি বটলত ভৰাই K.M.P. নাৰিকল তেলৰ লগত দাঠ কৰি ৰোগ হোৱা ঠাইত দিনে ৩/৪ বাৰ লগাব লাগে।

কোমসাৰ

১৩৫৭। মাইকী বেলি পকাৰ আলুৰ ৰসৰ লগত ক'লা ধপাতৰ ৰস সামান্য মিহলাই নাকেৰে উজাব। এইদৰে কৰাৰ পাছত নাকৰ ভিতৰৰ পৰা মাংসযুক্ত আঙুৰাৰ দৰে গোটা বস্তুটো ওলাই আহে।

খহুলা

১৩৫৮। ২০/২৫ টা মান আমলখি খুন্দি তাত সামান্য নিমখ দি দিনে ৩/৪ বাৰকৈ

একসপ্তাহ খালে ৰোগ ভাল হয়।

১৩৫৯। ২৫০ গ্রাম কাজি নেমুৰ ৰস খালে উপকাৰ হয়।

ঘোমোৰুকীয়া

১৩৬০। এজনী চুক-ভেকুলী জুইত পুৰি এৰাতি মাটিৰ বাচনত তিয়াই ৰাখি তাত এটা অসমীয়া জালুক আৰু গোন্ধোৰা বনৰ ৯ ডাল শিপাৰ ৰস মিলাই দিনে ৮ চামুচ কৈ একেৰাহে তিনি দিন খাব।

১৩৬১। ছাল কুঁৱৰীৰ ২ খন পাত খুন্দি তাৰ বিজলুৱা ৰস খিনিত অলপ গাখীৰ মিলাই ২ বাৰকৈ একেৰাহে তিনি দিন খাব।

১৩৬২। ১০ গ্রাম ভীমকলৰ পাতৰ ৰস, ৫ গ্রাম একে বৰণীয়া গৰুৰ গাখীৰত মিলাই খোৱাব। এই ৰোগ নিৰাময় হয়।

১৩৬৩। জবা-ফুলৰ পাত শুকুৱাই গুড়ি কৰি ছালনীৰে চালি, শুকান মৰান আদা দি একাপত তিনি চামুচ আদাৰ ৰস, জাইফল দুটাৰ ভিতৰৰ অংশ নিমখ আন্দাজমতে দি সকলো মিহলাই বড়ি কৰিব। দিনে তিনিবাৰকৈ মৌৰ লগত সাতদিন মান খাব।

ধনুষ্টঙ্কৰ (Tetanus)

১৩৬৪। জখলী ভাঙৰ চাৰি পাঁচখন পাতৰ ৰস দিনে তিনি বাৰকৈ খুৱাব লাগে।

১৩৬৫। বৰগছৰ আঠা ১০/১২ টোপাল অলপ চেনী বা গাখীৰৰ লগত খুৱাব।

১৩৬৬। অশ্বগন্ধাৰ গুড়িৰ লগত কলমৌ শাকৰ ৰস ১০/১২ দিন খাব।

১৩৬৭। ঢেকীয়া শাকৰ শিপা ৫০ গ্রাম তামোলৰ লগত দিনে তিনিবাৰকৈ খালে সুফল পোৱা যায়।

নখচুকীয়া

১৩৬৮। শুকান শিলিখা দুটা গুড়ি কৰি ১২ ঘন্টা সময় নখচুকিয়া হোৱা ঠাইত সোমোৱাই বান্ধি ৰাখিব লাগে।

শামুকীয়া

১৩৬৯। শামুকীয়া হোৱা ঠাইত নাৰিকলৰ তেল লগাব লাগে। ভৰি পৰিষ্কাৰকৈ ৰাখিব লাগে।

১৩৭০। জেতুকা পাতৰ ৰস কেচা গোবৰৰ সৈতে মিলাই লগালে নখ চুকীয়া ভাল হয়।

১৩৭১। কনি বিহৰ গুটি এফাল খুন্দি নখত অলপ সময় লগালে ভাল হয়।

১৩৭২। ৪/৫ মান ইঞ্চি মান দীঘল বেত এডোখৰৰ এটা মুৰ জোঙা কৰি নখত লগাই আনটো মুৰত জুই লগাই ইয়াৰ ধোৱা নখচুকীয়াত দিলে ভাল হয়।

ভগন্দৰ

১৩৭৩। আধা পোৱা এৰা গাখীৰৰ লগত গ্ৰাম সৰিয়হ বাতি তাত মিলাই সানিব লাগে।

১৩৭৪। প্ৰায় ২ গ্ৰাম সৰিয়হ ভালদৰে বতি তাত অলপ এৰা গাখীৰ মিহলি কৰি সানিব লাগে।

১৩৭৫। ছজিনাৰ শিপা, বকাছৰ কুঁহি পাত একেলগে খুন্দিলৈ গুহ্যদ্বাৰত লগাব লাগে।

১৩৭৬। এৰা গুটিৰ তেল সানিব লাগে।

১৩৭৭। সিজু আঠা, আকনৰ আঠা আৰু আচুকাঠৰ গুড়া সমান পৰিমাণৰ লৈ ভালদৰে পিহি সৰু বড়ি কৰি লগালে এই ৰোগ নাশ হয়।

১৩৭৮। ত্ৰিফলা সমপৰিমাণৰ তিনি গুণৰ লগত ১ গুণ পিপলি মিহলি কৰি ভালকৈ বাতি একেৰাহে ১৫ দিন মান খালেই ভগন্দৰ ৰোগ ভাল হয়।

১৩৭৯। তিল, শিলিখা, কুটজ, নিমপাত, হালধি, বচ গছৰ শিপা, এই সকলো সমপৰিমাণৰ লৈ গুহ্যদ্বাৰত কিছু সময় প্ৰলেপ দিলে এই ৰোগ ভাল হয়।

মূৰ্চ্ছা ৰোগ (Hysteria Epilipsy)

১৩৮০। সিদ্ধি পাত ৬/৭ খন ভাজি তাক ভালদৰে পিহি গাত ঘহিব। তেতিয়া মূৰ্চ্ছা ৰোগ ভাল হয়।

১৩৮১। আদাৰ ৰস নাকেৰে শুঙিলেও এই ৰোগ ভাল হয়।

১৩৮২। ১৫ গ্ৰাম মৌ আৰু ১৫ গ্ৰাম আমলখিৰ ৰস খালেও উপকাৰ পোৱা যায়।

১৩৮৩। তিল তেল ১৫ গ্ৰামৰ লগত নহৰু ৪/৫ কোটা পিহি দুয়োকো মিলাই এদিনত দুবাৰকৈ খাব।

মূত্ৰ কৃচ্ছ ৰোগ (Strongury)

১৩৮৪) আমলখি ৩/৪ টা খাই তাৰ পিছত অলপ পানী খাব।

১৩৮৫) ভোঁমোৰা, শিলিখা, আমলখি প্ৰত্যেকৰে তিনিটাকৈ খুন্দি তাৰ ৰস সামান্য পানীৰ লগত মিলাই খাব লাগে। দিনে তিনিবাৰকৈ।

১৩৮৬) দুপৰ টেঙাৰ পাত ৮/১০ খিলা খুন্দি তাৰ ৰস সামান্য চেনি মিশ্ৰন কৰি দিনে দুবাৰকৈ খাব।

১৩৮৭) কেঁচা হালধি ৬ গ্ৰাম খুন্দি গৰম গাখীৰত মিলাই দিনে দুবাৰকৈ খাব।

১৩৮৮) টুপুৰী লতাৰ শিপা বা ঠাৰিৰ ৰস ১০ গ্ৰাম খাব।

১৩৮৯) মিচিৰি আৰু নাৰিকলৰ পানী দুয়োটাকে খালে প্ৰস্বাৱৰ জলা পোৰা কমে।

১৩৯০) মালভোগ কলৰ শিপাৰ ৰস ২০০ গ্ৰাম খালে এই ৰোগ ভাল হয়।

১৩৯১) আৰৈ চাউল ধোৱা ১০ গ্ৰাম পানীৰ লগত নাৰিকলৰ ফুল পিহি মিলাই খাব নাশ হ'ব।

১৩৯২) মূলাৰ ৰস ২৫ গ্ৰামকৈ প্ৰায় এক সপ্তাহ খাব মূত্ৰকৃচ্ছ ৰোগ ভাল হ'ব।

১৩৯৩) এপোৱা গাখীৰৰ লগত, ৩০ গ্ৰাম শিমলুৰ মূলৰ ৰস আৰু ১০ গ্ৰাম মিচিৰি লগত মিহলাই খালে এই ৰোগ উপকাৰ পোৱা যায়।

১৩৯৪) গৰুৰ গাখীৰৰ লগত কুটজ গছৰ ছাল ভাল দৰে খুন্দি দুয়োবিধ মিহলাই খাব লাগে প্ৰায় ১০/১২ দিন।

১৩৯৫) চেঙেলি টেঙা এমুঠি পাতত দি খাব।

যোনী ৰোগ

১৩৯৬) নাহৰ ফুল এটাৰ এফাল লৈ তাক খুন্দি, কেইটা মান নিমৰ পাত খুন্দি, সৰিয়হ তেলত ভাজি সেই তেলেৰে যোনী মালিচ কৰিব। খজুৱতি কমে।

যোনীত ঘাঁ হলে

১৩৯৭) যোনীত খজুৱতি হলে আমলখিৰ ৰসত চেনী মিশ্ৰন কৰি খাব লাগে আৰু আমলখিৰ ৰসেৰে যোনী ধুব লাগে।

১৩৯৮) নিম পাত সৰিয়হ তেলত ভাজি যোনী মালিচ কৰিলে যোনীৰ খজুৱতি ভাল হয়।

ৰক্তহীনতা ৰোগ

১৩৯৯) কাটা খুতুৰা ১০০ গ্ৰাম দিনে খালে ভাল। পিছদিনাৰ তৰকাৰী খালে যথেষ্ট উপকাৰী। তাৰ আগতে ২০০ গ্ৰাম আঙুৰ খাই লব লাগে।

১৪০০) গোল নেমুৰ একাপ ৰস, আধাকাপ পানী মিহলাই খাব।
১৪০১) নেমুৰ ৰস বিলাহীৰ ৰস সমান পৰিমানে খুৱাব।
১৪০২) দু চামুচ মৌ, আধা গিলাচ পালেং শাকৰ লগত মিলাই খুৱাব।
১৪০৩) কেঁচা পিয়াজ খালে তেজ বৃদ্ধি হয়।
১৪০৪) ২০০ গ্ৰাম পালেং শাকৰ ৰস লগত ২৫০ গ্ৰাম গাজৰৰ ৰস মিলাই ৰোগীক খুৱাব।
১৪০৫) ৰোগীক ২০০ গ্ৰাম আঙুৰ নিতৌ খাবলৈ দিব তাৰ লগত এমুঠি পদিনা খোৱাব সুদায়।
১৪০৬) এটা গাজৰ কাটি টুকুৰা টুকুৰি কৰি এগিলাচ গাখীৰত গৰম কৰি খোৱাব। ৰোগ নাশ।

স্বপ্ন দোষ

১৪০৭) পকা ভীম কল দুটাৰ গুটি বিলাক ভাল দৰে চালি পেলাব। সাহ খিনি এপোৱা গৰুৰ গাখীৰৰ লগত মিহলাই শুদা পেতত খাব।
১৪০৮) নাৰ্জী ফুলৰ প্ৰায় পঞ্চাশ গ্ৰাম শুকান গুটি খুন্দি অলপ চেনি মিহলাই খালে ভাল হয়।
১৪০৯) ৫০ গ্ৰাম জেতুকী পাতৰ ৰসৰ লগত সামান্য গাখীৰ আৰু চেনি মিহলাই খাব।
১৪১০) আমলখিৰ ৰস চূৰ্ণ মৌৰ লগত ব্যৱহাৰ কৰিব।
১৪১১) শিমলু গছৰ আঠা ২ গ্ৰাম, ২৫ গ্ৰাম মিচিৰি আৰু ২৫০ গ্ৰাম গাখীৰ মিহলাই খালে স্বপ্ন দোষ নাশ হয়।
১৪১২) কুটজ গুটিৰ চূৰ্ণ ২ গ্ৰাম পৰিমানৰ লৈ তাত অলপ পানী দি ৰাতিপুৱা আৰু ৰাতি শোৱাৰ সময়ত খাব। স্বপ্ন দোষ ভাল হয়।

ধ্বজ সংযম

১৪১৩) কৃষ্ণ একাদশীত ফল আহাৰ খাব। ভাত, গাখীৰ, মাছ, মাংস নাখাব।
১৪১৪) ২ গ্ৰাম জেতুকাৰ পাতৰ ৰস, অলপ চেনি আৰু এগিলাচ গাখীৰৰ লগত দিনে দুবাৰকৈ খাব। ১৫/২০ দিন একেৰাহে খালে ভাল হয়।
১৪১৫) ১০ গ্ৰাম অশ্বগন্ধাৰ গুড়া, চেঁচা গাখীৰৰ লগত ২০/২৫ দিন খালে ভাল হয়।
১৪১৬) ৫/৬ টা বাদাম পিহি, এপোৱা গৰুৰ গাখীৰৰ লগত শোৱাৰ সময়ত খাব

লাগে।

১৪১৭) ১০/১২ টা জালুক গোটাই ২৫০ গ্ৰাম গাখীৰত মিলাই গৰম কৰিব তাৰ পাছত জালুক কেইটা চেকিব। সেই গাখীৰ খিনি শোবাৰ আগতে খালে এই ৰোগ ভাল হয়।

১৪১৮) এপোৱা গৰম গাখীৰ, ৬০ গ্ৰাম ৰঙা পিয়াজ, সমান পৰিমানৰ ঘিউ মিলাই গৰম কৰি অলপ ডাঠ কৰিব তাৰ লগত মিচিৰি মিলাই ৰাতিপুৱা সদায় খাব। এই ৰোগ নাশ হয়।

১৪১৯) শতমূলৰ আলু ৫০ গ্ৰাম, ২৫০ মিঃ লিটাৰ গাখীৰত গৰম কৰি খালে উপকাৰ পোৱা যায়। ই শুক্ৰ উৎপন্ন কৰে আৰু শুক্ৰ গাঢ় কৰে।

স্মৰণ শক্তি বঢ়াৰ দৰব

১৪২০) সন্ধ্যা লোণ, ত্ৰিফলা, যনী, আদা, জালুক, পিপলি প্ৰত্যেকৰে দুই তোলা ও গুড় ১ তোলা সবাকো মিলাই দিনে আধা তোলা পৰিমানে খালে স্মৰন শক্তি বাঢ়ে।

১৪২১) ব্ৰাহ্মী শাকৰ ৰস ১৫/২০ গ্ৰাম, অলপ গাখীৰ মিলাই খালে স্মৃতি শক্তি বৃদ্ধি হয়।

১৪২২) বাদাম ৮/১০ টা, মিচিৰি ২৫ গ্ৰাম, গৰম গাখীৰ ২০০ গ্ৰাম মিলাই দিনে ২ বাৰকৈ একেৰাহে এমাহ খালে স্মৃতি শক্তি বাঢ়ে।

১৪২৩) ৫০০ গ্ৰাম গাখীৰ, গাজৰৰ ৰস ২০০ গ্ৰাম মিলাই খালে স্মৃতি শক্তি বাঢ়ে।

১৪২৪) মানিমুনি আৰু চেঙেলি টেঙা পাতত দি খালেও শক্তি বাঢ়ে।

১৪২৫) চফ গুটি ২০ গ্ৰাম পিহি সমান পৰিমানে মিচিৰি লৈ তাত অলপ ঠাণ্ডা পানী আৰু গৰম গাখীৰৰ লগত খালে ভাল হয়।

১৪২৬) ৮ টা জালুক খুন্দি ৪০ গ্ৰাম পানীত দি সদায় খালেও স্মৃতি শক্তি বাঢ়ে।

আহুদি উলিয়াৰ দৰব

১৪২৭) বনজাবৰ শিপা, বাত দোৱা মালিৰ শিপা, কলিয়া হালধি, সূৰ্য্য কান্তি বন, নহৰ, এলাজু, চুৰ্ন গাখীৰ সবাকো ৰস লব। গাখীৰৰ লগত মিলাই খাব। বমি হৈ ওলাব।

১৪২৮) গছ মহুদিৰ পাত খুন্দি খাব।

১৪২৯) কনি বিহৰ গুটি এটা তিনি ভাগ কৰি এভাগ লৈ, ২১ চকলা মৰান আদা, ৩ খন পান আৰু ১ টা তামোল চকলিয়াই তিনি ভাগ, সূৰ্য্যকান্তি গছৰ আলু

২১ চকল লৈ, সকলোকে লৈ তিনি ভাগ কৰিব লাগে। তাৰ পাছত তামোল পানত ভাগি.কৰি লোৱা তিনিও ভাগ দৰব এভাগ এভাগ কৰি ইখনৰ পাছত সিখন খাব লাগে। খোৱাৰ আধা ঘণ্টা পাছত এগিলাচ গৰম গাখীৰ খোৱা উচিত।

কেন্সাৰ ৰোগ (Cancer)

১৪৩০) ওদাল গছৰ ছাল ৪ আঙুল, শুকান গুড় অলপ খুন্দি পিহি গৰম কাৰ লোনৰ লগত খোৱাব। বলেৰে হলেও খুৱাব একে পালিত ভাল হয়।

১৪৩১) লতা গুটি, বিৰিণা গছ, ভাত ঘিলা, উইকৰ কৰা এমুঠি, ভাতঘিলা দক্ষিণ ফালৰ ছাল ছয় আঙুল দুয়োকো মিহি কৰি খুন্দি গৰম কৰি গধুলি শুবতে বান্ধি থব লাগে বেমাৰ হোৱা ঠাইত। তিনি পালি বান্ধিব লাগে।

১৪৩২) আধা পকা ঘেহুঁৰ ধুই তাক ২ কাপ জোখৰ পানীত তিয়াই ৰাখি ৰাতিপুৱা সেই পানী খালি পেটত খাব।

১৪৩৩) সদায় ২০০ গ্ৰাম গাজৰৰ ৰস খালে উপকাৰ পোৱা যায়।

১৪৩৪) নিয়মিয়াকৈ ৫/৬ ফোটা নহৰ খালেও এই ৰোগৰ পৰা হাত সাৰিব পাৰি।

১৪৩৫) নয়নতৰা বা পিয়ালী কুঁৱৰীৰ পাতৰ ৰস অতি উপকাৰী।

সাব বেমাৰৰ দৰব

১৪৩৬) আমৌলতা, মৌৰ লগত মিহলি কৰি খালে পাণ্ডু ৰোগ নাশ হয়।

১৪৩৭) একাপ গাজৰৰ ৰসৰ লগত ২/৩ চামুচ মৌ মিহলি কৰি খালে ৰোগ আৰোগ্য হয়।

১৪৩৮) ৫/৬ টা শিলিখা গুড়ি কৰি গুড়ৰ সৈতে খালে সকলো প্ৰকাৰৰ জন্ডিচ ৰোগ ভাল হয়।

১৪৩৯) ২০ গ্ৰাম কেৰেলাৰ ৰসত ১ কাপ পানী মিহলি পুৱাই ও গধুলি খাব লাগে।

১৪৪০) একাপ পানীত ২৫ গ্ৰাম কিচমিচ ৰাতি তিয়াই ৰাখি ৰাতি পুৱা কিচমিচ কেইটা খচি তাক চেকি পানীত কেই গ্ৰাম মান মৌ মিহলাই খালে ৰক্তহীনতা দুৰ হয় আৰু সাব বেমাৰ ভাল হয়।

মূত্ৰাঘত (Retention of Urine)

১৪৪১) টুবুকী লতাৰ ঠাৰি বা শিপাৰ ৰস ১০ গ্ৰাম ব্যৱহাৰ কৰিলে তৎক্ষনাত প্ৰস্ৰাৱ হয়।

১৪৪২) পিয়াজ এটা পিহি পেটত প্ৰলেপ দিলে সহজে প্ৰস্ৰাৱ হব।

১৪৪৩) কটাহী বেঙেনাৰ ৫০ গ্ৰাম ৰস, ২৫ গ্ৰাম মৌৰ লগত মিহলাই খোৱালে এই ৰোগ ভাল হয়।

১৪৪৪) সৌৰাগছৰ পাত ৫০ গ্ৰাম এৰাতি পানীত তিয়াই থব। সেই পানী খিনি ৰাতিপুৱা খালি পেটত খোৱাব। এই ৰোগ নাশ হব।

১৪৪৫) সিজুৰ পাত ৪/৫ খন থেতেলিয়াই অলপ গৰম কৰি পেটত প্ৰলেপ দিব। সহজে প্ৰস্ৰাব হব।

১৪৪৬) কটাহী বেঙেনাৰ ঠাৰিৰ ৰস ২৫ গ্ৰাম, অনন্ত মূলৰ ৰস ২৫ গ্ৰাম, ঘোলৰ লগত মিহলাই খালে এই ৰোগ নিৰাময় হ'ব।

১৪৪৭) ১০ গ্ৰাম ছাগলী ঘিউৰ লগত ফিটকিৰি ২ গ্ৰাম মিহলাই খালে এই ৰোগ ভাল হ'ব।

কোষ্ঠ কাঠিন্য (Canstipation)

১৪৪৮) শিলিখাৰ গুড়ি, গো মূত্ৰৰ লগত নিয়মিত হিচাপে খালে এই ৰোগ নাশ হয়।

১৪৪৯) সৰিয়হ তেলেৰে পেট মালিচ কৰিব।

১৪৫০) এগিলাচ গৰম পানীত এটা কাজি নেমুৰ ৰস ৰাতিপুৱা সুদা পেটত খাব। আৰু শুৱাৰ সময়ত খাব।

১৪৫১) মিচিৰি, মাখন আৰু তিলৰ বাকলি একলগাই ৰাতিপুৱা সুদা পেটত খাব। আৰু শুৱাৰ সময়ত খাব।

১৪৫২) কেহেৰু পাতৰ ৰস ১৫ গ্ৰাম, অলপ চেনি মিহলাই খাব।

১৪৫৩) ত্ৰিফলাৰ গুড়ি ১৫ গ্ৰাম গুলি ৰাতিপুৱা খাব।

যকৃত ৰোগ (Liver diseascs)

১৪৫৪) নহৰু বটি পেটত প্ৰলেপ দিলে যকৃত ৰোগ ভাল হয়।

১৪৫৫) মান কচুৰ মাটিৰ ওপৰৰ কোমল খিনি জহা চাউলৰ লগত সিজাই পায়স কৰি খাব।

১৪৫৬) এক গ্ৰাম মান ছাল কুৰ্বীৰ পাতৰ ৰস দিনে একবাৰকৈ খাব।

১৪৫৭) কলডিল আৰু পাৰ চৰাইৰ মাংস এই ৰোগত ভাল। দুয়োটা একে লগে ভাজি খাব।

১৪৫৮) তুলসীৰ পাত পানীত সিজাই তাৰ ৰস খিনি চেকি সেই ৰস খিনি খাব লাগে যকৃত ৰোগ নাশ ।

১৪৫৯) মূলাৰ পাতৰ ৰস মৌৰ লগত খালে উপকাৰ পোৱা যায়।

১৪৬০) কেচুৱাৰ এই ৰোগ হলে, তিতা কেৰেলা খুৱালে উপকাৰ পোৱা যায়।

হাইজা (Cholera)

১৪৬১) এক গ্ৰাম নাহৰ, ৫০ গ্ৰাম মৌ, ১০০ গ্ৰাম পানীত মিলাই প্ৰতি বাৰত ১৫ গ্ৰামকৈ খাব। ভাল ফল পোৱা যায়।

১৪৬২) লং ৯/১০ টা পিহি পানীৰ লগত মিলাই খুৱাব তেতিয়া ৰোগীৰ পিয়াহ আৰু বমি কম হয়।

১৪৬৩) জলকীয়া ৮/১০ টোপাল এক চামুচ পানীত মিলাই আধা ঘন্টাৰ মূৰে মূৰে খুৱালে ৰোগী যথেষ্ট আৰাম পাব।

১৪৬৪) জালুক আৰু তুলসীৰ পাত পিহি প্ৰায় ১০ গ্ৰাম মান খালে ৰোগ ভাল হয়।

১৪৬৫) নিমৰ পাত ১০ গ্ৰাম খুন্দি এগিলাচ পানীত দি খুৱাব। দিনত ২ বাৰকৈ।

১৪৬৬) খুদ জলকীয়া পিহি খজুৱতি হোৱা ঠাইত লগালে ভাল হয়।

১৪৬৭) আমলখিৰ ২০ গ্ৰাম ৰস চেনিৰ লগত খালে খজুৱতী কমে।

১৪৬৮) এচামুচ হালধিৰ ৰস, একাপ গৰম গাখীৰ, $\frac{১}{৪}$ চামুচ খাটি গৰুৰ ঘিউৰ লগত খুৱাব।

১৪৬৯) মাটি মাহ পিহি ৰুটি কৰি প্ৰায় এমাহ খালে খজুৱতি নাইকীয়া হয়।

১৪৭০) মহানিমৰ পাত ১০ গ্ৰাম ৰাতিপুৱা খালি পেটত খাব আৰু তাৰ সিজুৱা পাতেৰে গা ধুব।

১৪৭১) নাৰিকল তেল ২ চামুচ, ১ চামুচ কিলাহীৰ ৰসেৰে খজুৱতি হোৱা ঠাইত মালিচ কৰাব।

১৪৭২) চিৰতা তিতাৰ ৰস খাব আৰু লগাব।

দুষ্টব্ৰণ (Septic Ulcer)

১৪৭৩) পচতিয়াৰ পাত ১০/১২ টা খুন্দি প্ৰলেপ দিব।

১৪৭৪) চতিয়নাৰ আঠা লগালে দুষ্টব্ৰণ ভাল হয়।

১৪৭৫) মহানিমৰ ফুল ৰুল শিপা আৰু পাত খুন্দি তাৰ ৰস উলিয়াই ঘা ধুলে সহজে ভাল হয়।

তেজৰ ৰোগ - ৰক্তপিত্ত

১৪৭৬) কুন্দলি সৈতে চেনি মিলাই খাব।

১৪৭৭) পদুমৰ কেঁচা পাতৰ ৰস ১৫ গ্ৰাম চেনিৰ লগত খোৱালে এই ৰোগ ভাল হয়।

১৪৭৮) আমলখিৰ ৰস ১৫ গ্ৰাম চেনিৰ লগত খালেও এই ৰোগত উপকাৰ পোৱা যায়।

১৪৭৯) ছাল কুঁৱৰীৰ বিজলুৱা ৰস ১৫ গ্ৰাম মিচিৰিৰ লগত খুৱাব। প্ৰায় এসপ্তাহ খালে ভাল হয়।

১৪৮০) পকা কোমোৰাৰ ৰস ৪/৫ চামুচ চেনিৰ সৈতে খুৱালেও এই ৰোগ নিৰাময় হয়।

১৪৮১) বিশল্যকৰণীৰ পাতৰ ৰস ৩০ গ্ৰামকৈ কেইদিন মান ব্যৱহাৰ কৰিলে ভাল ফল পোৱা যায়।

ৰক্ত বিকাৰ (Blood poisoning)

১৪৮২) লাও লতাৰ ৰস ২৫ গ্ৰামকৈ ৰাতিপুৱা খালে ৰক্ত পিত্ত বিকাৰ ভাল হয়।

১৪৮৩) কলা কচুৰ ঠাৰি পাতত দি সিজাই খালে তেজ পৰিস্কাৰ হয়।

১৪৮৪) পকা আমৰ ৰস একাপ, একাপ গাখীৰ, এচামুচ আদাৰ ৰস মিলাই খালে তেজ পৰিস্কাৰ হয়।

১৪৮৫) কেঁচা হালধী কেই ডোখৰ মান ভাল দৰে পিহি এক বাতি পানীত তিয়াই ৰাখিব আৰু সেই পানী পুৱা খাব।

অকালত চুলি পকা

১৪৮৬) জাবৰি গাইৰ গাখীৰ, জেতুকাৰ পাতৰ ৰস ১৫ গ্ৰাম, আমলখি ৮/১০ টা বতি মিলাই এক ঘণ্টা মান চুলিত লগাব পকা চুলি কলা হয়।

১৪৮৭) ৰঙা জবাৰ ফুল আৰু আমলখি একে লগে পিহি ৰাতিপুৱা গা ধোৱাৰ আগতে লগাব ৰোগ ভাল হ'ব।

১৪৮৮) কেহেৰুৰ পাতৰ ৰস মূৰত ঘহিব।

১৪৮৯) নিমৰ গুটি গুড়ি কৰি প্ৰতিদিনে তাত মহাভৃঙ্গৰাজৰ ৰস ৫০ গ্ৰাম দি ৰ'দত এদিন শুকোৱাই তাত নিমৰ গুটিৰ গুড়ি মিলাই খাব।

চুলি সৰা (Alopecia)

১৪৯০) তুলসি পাতৰ ৰস, আমলখি থেতেলিয়াই ১৫/২০ মিনিট সময় মূৰত ঘহিব। চুলি সৰা বন্ধ হ'ব।

১৪৯১) কেবেলাৰ শিপা ২০০ গ্ৰাম খুন্দি মূৰত প্ৰলেপ দিব।

১৪৯২) তিল তেল ৫০ গ্ৰাম দিনে খালে চুলি সৰা বন্ধ হয় আৰু দীঘল হয়।

১৪৯৩) কেহেৰাজৰ পাতৰ ৰস খুন্দি মূৰ ধুব।

স্তনৰ ৰোগ (Disease of the breast)

১৪৯৪) গাখীৰ যদি কমে ঃ- এড়ি তেলেৰে স্তনদ্বয় মালিচ কৰিব লাগে। আধা লিটাৰ গাখীৰত ৫০/৬০ গ্ৰাম মান মাটি মাহ তিয়াই থব লাগে। ৰাতিপুৱা সেই মাহ চোবাই খাব লাগে।

১৪৯৫) শতমুলৰ শিপাৰ ৰস ৫০ গ্ৰাম ২ লিটাৰ গাখীৰত মিলাই ৭ দিন খাব। তেতিয়া গাখীৰ বেচি হ'ব।

১৪৯৬) অমিতাৰ তৰকাৰীও খালে গাখীৰ বাঢ়ে।

১৪৯৭) স্তন সৰু হলে ঃ- যৌৱন প্ৰাপ্ত যুৱতিৰ স্তন সৰু হলে ৫০ গ্ৰাম খোৰা আলুৰ ৰস নাইবা শতমুলৰ ৰস ৫০ গ্ৰাম একেৰাহে এমাহ খালে এই ৰোগ ভাল হ'ব।

স্তনৰ বিষ হলে

১৪৯৮) হালধি এটুকুৰা পিহি অলপ পানীত দি স্তনত কিছু সময় প্ৰলেপ দিলে বিষ কমে।

স্তনত খুদ খণ্ড বা ফোঁহা হলে

১৪৯৯) হালধি এটুকুৰা পিহি অলপ পানীত দি স্তনত কিছু সময় প্ৰলেপ দিলে বিষ কমে।

স্তন ৰোগ প্ৰতিষেধকাৰ বন দৰৱ

১৫০০) স্তনৰ যি কোনো ৰোগ প্ৰতিৰোধ কৰিবলৈ হলে কুহুমীয়া গৰম পানীৰে স্তনদ্বয় ভালদৰে ধুব লাগে। ধুই বিশুদ্ধ সৰিয়হ তেলেৰে স্তনদ্বয় ভাল দৰে দুবাৰ মালিচ কৰিব লাগে।

গৰ্মিঘাৰ দৰৱ

১৫০১) মহানিম পাতৰ ৰস ১ ছটাক, গৰু ঘিউ ৪ ছটাক সমুদ্ৰা সংখৰ চুৰ্ণ ১০ অনা, তুতিয়া চাৰি অনা আৰু ১ টা শিলিখা পুৰি গুড়ি কৰি আধাঘণ্টা লগাব। তাৰ পাচত পাতল কাপোৰেৰে ঢাকি থব। ঠাণ্ডা হলে এবিধ মলমৰ দৰে বস্তু তৈয়াৰ হব। এই মলম ঘাত সাত দিন একেৰাহে লগালে ঘা ভাল হব।

অৰ্শৰ দৰৱ

১৫০২) হিং ৪ তোলা, গোগোল ১ মহা, গৰু ঘিউ (পুৰণি) ৰ তোলা সবাকো বটি

পাঁচ দিন লগাব।

শূলৰ দৰব

১৫০৩) বিলঙ্গনীৰ আগ, দিগলতিৰ আগ, লোণ, জালুক সবাকো বাতি পাতত দি খাব। (চেচাঁ পানী নিষেধ)।

বিঁয়েযক্ষ্মাৰ দৰব

১৫০৪) পুৰণি লফা গুটি, হাইঁৰ মল, কেঁচা গোবৰ, জালুক, বছ, নৰসিংহৰ পাত সবাকো বাতি জোল কৰি খাব।

চাউনিৰ দৰব

১৫০৫) তেজমুইৰ শিপা, পান - ১ খিলা, লং ১ টা, গৰখীয়া তুলসীৰ শিপা, লোণ সবাকো বাটি জোল কৰি খাব।

লেং কাহঁৰ দৰব

১৫০৬) পুৰৈ শিপা, বিঁইমইনাৰ ছাল, কেহেৰু ছাল, বগা লাটু মণিৰ শিপা, মৰান আদা, পিপলি, লোন, জালুক সবাকে বতি বড়ি কৰি খাব।

চেঙা কামুৰণীৰ দৰব

১৫০৭) নিম পাত, শিলিখা, জালুক ২৪ টা সবাকে বতি জোল কৰি দিনে ২ বাৰকৈ ৩ দিন খাব।

কাছু কামুৰণীৰ দৰব

১৫০৮) কাছুৰ পিত, কাঠমাছ, বঙ্গালী জলকীয়া, লেটাগুটি, কেটেলোৰ ভুৰু, লোণ, জালুক সবাকে বাতি জোল কৰি গৰম অবস্থাতে খাব।

কাঁহ্ কফৰ দৰব

১৫০৯) শিলিখা, শগুণীলতা, পিপলি সকলো বাতি মৌৰে বড়ি কৰি খাব। দিনে চাৰিটাকে তিনি দিন।

যাতকবালিৰ দৰব

১৫১০) হিং, বছ, ৰবাহৰ ৰস, ৰকণৰ আগ ৮ টা, জলকীয়া ৮ টা, লোণ জালুক সবাকে বাতি পগাই খাব।

খৰৰ দৰব

১৫১১) কেঁচা মালভোগ কলৰ ৰস, ডালিমৰ ৰস পগাই খাব।

পুৰা ঘা'ৰ দৰব

১৫১২) কুজি থৈকাৰাৰ গুটি, আমৰাৰ গুটি দুইকো বতি লিপি দিব।

পুৰৈয়া ৰোগৰ দৰব

১৫১৩) কৰফুলৰ বাকলি, কৰদৈৰ ছাল, সুমথিৰাৰ বাকলি, ডালিমৰ বাকলি, ৰঙা কাঠফুলা, শিলিখা, আমগুটি সবাকে বতি লিপি দিব।

দাঁতপোকৰ দৰব

১৫১৪) আকন গছৰ আঠা এটা মাটিৰ বাচনত ৰাখি তিনি দিন ৰ'দত শুকুৱাই দিব। তাৰ পাচত দুই চামুচ পানী দি পুনৰ গলাই লব তাত অলপ তুলা ভিজাই লৈ দাঁতৰ গুৰিত কিছুসময় ৰাখিলে দাঁতৰ বিষৰ যন্ত্ৰনা উপশম হব।

পিত্তৰোগৰ দৰব

১৫১৫) ৰঙা আঁহতৰ শিপাৰ ছাল ১ ছটাক বতিলৈ ৰস উলিয়াই আধা লিটাৰ পানীত সিজাই আধা পোৱা থাকোতে নমাব। তাক ঠাণ্ডা কৰিলে ৩ তোলাকে মৌ'ৰ সৈতে খালে এক সপ্তাহৰ ভিতৰত ৰোগ ভাল হব।

পিত্তজ্বৰৰ দৰব

১৫১৬) শেৱালী ফুলৰ পাতৰ ৰস দুই তোলাকে মৌৰে খালে পিত্তজ্বৰ ভাল হয়।

ধাতু ৰোগৰ দৰব

১৫১৭) বট গছৰ আঠা, ১০ ফুটা মিছিৰি আৰু চেনীৰ গুৰিৰে সৈতে এক সপ্তাহ খালে ধাতু ৰোগ ভাল হয়।

ভ্ৰম ৰোগৰ দৰব

১৫১৮) বেলপাত বতি মুৰত ভৰণ দিলে ভুল বকা বন্ধ হয়।

তনচিলৰ দৰব

১৫১৯) চাম ঘাঁহৰ আলু এটা পুৰি লব। ১১/২ কাল আলুকৰ লগত বতি এটা বড়ি বাতিপুৱা আৰু এটা শুৱাৰ সময়ত খালে তনচিল ভাল হয়।

বগৰি গুটি দৰব

১৫২০) ডিঙিত হোৱা বগৰী গুটি ভাল কৰিবলৈ এটা বগৰী গৰম কৰি গুটি হোৱা ঠাইত সেকি দিলে বেমাৰ ভাল হয়।

নখ চকোৰা

১৫২১) বেতঁৰ বুকটো পুৰি তাৰ ছাই লগালে নখ চকোৰা ভাল হয়।

সন্তানহীনা মাতৃৰ বাবে

১৫২২) ন খিলা জেতুকা পাত আৰু এফলীয়া ডিমৰ এটা একেলগে কৰি অলপ মৌ দি ঋতুস্নান হোৱা দিনৰ পৰা তিনিদিন সেৱন কৰিলে সন্তান সম্ভাৱনা বৃদ্ধি হয়।

বাতবিষৰ দৰৱ

১৫২৩) পানীকাইট, বকলৰ পাত, তেজমূইৰ পাত, কনী বিহৰ পাত বতি বান্ধি খাব।

গলহাঙ্গাৰ

১৫২৪) আদা ২০ গ্ৰাম, জালুক ৩ টা, দৰুন পাত ২০ গ্ৰাম, তেতেলী ১০ গ্ৰাম সবাকে বতি ১০.০ গ্ৰাম ৰস উলিয়াই তাত ২৫ গ্ৰাম মৌ দি দিনে খালী পেটত তিনিবাৰকৈ খাব। প্ৰতিবাৰত ৪ চামোচ। ৫ দিন।

মগ্ধাৰ দৰৱ

১৫২৫) ৩ বছৰীয়া গুটিৰ নেমু টেঙাৰ ৰস, কুঁহিয়াৰ পাতৰ ৰস লোণ জালুক দি পগাই খাব।

মৃৰ্গি বেমাৰৰ দৰৱ

১৫২৬) বগৰী গুটিৰ সাঁহ, পিপলি, বিৰিঙাৰ শিপা নাহৰ ৰস লোণ জালুক দি পগাই খাব।

উদফাইৰ দৰৱ

১৫২৭) বিলাহী বেঙেনাৰ শিপা, খাৰুৱা বেঙেনাৰ শিপা, মেহেন্দ্ৰাৰ শিপা, কেটেলাৰ ভুৰু, লোণ জালুক দি পগাই খাব।

মাটিয়া খোৰৰ দৰৱ

১৫২৮) নুনী পাত, জালুক, পিপলি, লোণ সবাকে বতি চেঙেলী মাছেৰে বান্ধি খাব।

আলকনীৰ দৰৱ

১৫২৯) বহ, মহুদৰী, লোণ, জালুক সবাকে বতি পগাই খাব।

মুদগৰৰ দৰৱ

১৫৩০) যমলাখুটিৰ আলু ৭ চকল, চেঙেলী মাছ সাতটা, ভলুকা বাঁহৰ কুঁহিপাত ৩

টা, জালুক ৭ টা সবাকে বতি বাঁহৰ চুঙাত সিজাই খাব।

মেলেৰীয়া জ্বৰৰ দৰব

১৫৩১) ভেদেলী লতা, মাতক তকা চৰাই এটা, বৰ দ্ৰোৰণ১ মুঠা দি সিজাই খাব।

টাইফয়েড য নিউমোনিয়াৰ দৰব

১৫৩২) মাটি কঠালৰ কোমল পাত, মিচিৰি, আমলখীৰ চাল বটি পানীৰ সৈতে উতলাই গৰম কৰি খাব। পানী লগতো উপকাৰ।

তালু খৰৰ দৰব

১৫৩৩) কোমোৰা এটা, গানবিৰিনাৰ আলু জালুক একে লগ কৰি বটি মূৰত ভৰণ লৈ ৰাতি থাকি ৰাতিপুৱা ধুই দিব।

কেচুৰী পৰা লগা

১৫৩৪) মকুৰা ফুল বটি লব। পকা ভীম কল চাকি ছাগলী গাখীৰেৰে খুৱাব।

লৰাৰ ঘুমুতীয়া ৰোগ

১৫৩৫) কেটেলা প... ...ংস, লোণ, জালুক, পিপলি, কালজিৰা দি সিজাই জোল খাব।

কেছুমুৰীয়া

১৫৩৬) বোন্দা কেচুৰ মূৰ এটা, কপৌ ঢেকীয়া পাত, চেঙেলী মাছৰে সিজাই ৰাদ্ধি ৰাতিপুৱা বাহি পেটত জোল খাব।

তেজ গ্ৰহণী

১৫৩৭) জামুছাল, আমৰ ছাল আৰু আমৰ ছাল তিনিওকে খুন্দি ৰস উলিয়াই দিনে ৩ বাৰকৈ (চাৰি চামোচকৈ) খাব।

সঞ্চিত গ্ৰহণী

১৫৩৮) পকা বেল, পুৰণা গুড় ছাগলীৰ গাখীৰ একেলগে খালি পেটত খালে পুৰণা সঞ্চিত গ্ৰহণী ভাল হয়।

১৫৩৯) আঠিয়া কলৰ গুটি ছালি ছাগলীৰ গাখীৰৰ লগত দিনে ৩ বাৰকৈ খাব।

নাকেৰে তেজ যোৱা

১৫৪০) লাই জাবৰি পাতত দি নাকেৰে উজাব লাগে। দিনে ৩ বাৰকৈ।

১৫৪১) দ্ৰোণ বনৰ ৰস নাকেৰে উজাব। তিনি দিন।

পেট কামোৰা

১৫৪২) নীলকণ্ঠ খুন্দি তাৰ ৰস দিনে তিনি পালিকৈ তিনি দিন খাব।

প্ৰসাৱ জ্বলাপোৰা

১৫৪৩) কৃষ্ণ তুলসিৰ গুটি ২৫ গ্ৰাম পিচি গাখীৰৰ লগত মিহলাই খাব।

১৫৪৪) ছালুকৱৰীৰ ৰস দিনে আহাৰৰ পাছত খাব লাগে।

১৫৪৫) জামুৰ ছালৰ ৰস গাখীৰত মিহলাই খাব।

১৫৪৬) আমলখিৰ ৰস, শিলিখাৰ ৰস আৰু ভোঁমোৰাৰ ৰস পগাই দিনে তিনি বাৰকৈ খাব লাগে।

১৫৪৭) কুহিয়াৰ ৰস এপোৱাকৈ দিনে তিনি বাৰ খাব।

প্ৰসাৱ বন্ধ হলে

১৫৪৮) দুপৰ টেঙাৰ পাতৰ ৰস খাব লাগে।

মাইকী মানুহৰ ৰক্ত শ্ৰাৱ হলে

১৫৪৯) টুবুকি লতাৰ ৰস খুন্দি খাব লাগে।

১৫৫০) দুবৰি বনৰ ৰস মৌ জোলৰ লগত মিহলাই খালে ৰক্তশ্ৰাৱ বন্ধ হয়।

বহুমূত্ৰ

১৫৫১) ৰবজামুৰ ৰস খাব লাগে। এই ৰোগ ভাল হয়।

কেচুমুৰীয়া

১৫৫২) আমলখি পাতৰ ৰস, তাল মিচিৰি, কেঞাবনৰ গুটি ৩ টা একেলগে খুন্দি খালি পেটত খাব লাগে। দৰব খোৱাৰ পাছত মূলা শাকেৰে ভাত খাব লাগে।

১৫৫৩) গৰুৰ গাখীৰ গৰম কৰি গোল নেমুৰ ৰস চেপি তিনিদিন ৩ পালি খাব লাগে।

কৃমি

১৫৫৪) গোল নেমুৰ গুটি ৩ টা খুন্দি খালী পেটত খাব লাগে।

১৫৫৫) মাটি কঠালৰ কোঁহ খুন্দি চেনিৰ লগত মিহলাই খালে কৃমি মৰে।

১৫৫৬) শুকান নাৰিকল খালেও কৃমি মৰে।

যক্ষ্মাৰ ঔষধ

১৫৫৭) জেতুকা পাতৰ ৰস দিনে ২ বাৰকৈ ৩ মাহ খাব।

১৫৫৮) টোকমাহ, দ্রোনৰ ৰস আৰু তালমিচিৰৰ ৰস দিনে ৩ বাৰকৈ তিনিদিন খাব।

১৫৫৯) পুৰণা গুড়ৰ লগত পিপলি মিহলাই খাব লাগে।

কাহঁৰ ঔষধ

১৫৬০) ১ টা নেমুৰ ৰসত মৰাণ আদা মিহলাই খালে উপকাৰ পায়।

স্মৃতি শক্তি হ্রাস হলে

১৫৬১) ৩০ গ্রাম পানীত ৮ টা জালুক মিহলাই খালে স্মৃতি শক্তি বাঢ়ে।

যকৃতৰ ঔষধ

১৫৬২) বগা পদুমৰ ফুল ও জালুক ১০০ গ্রাম পূৰ্ণনোবাৰ শিপাৰ সৰস মিহলাই ১২ দিন খালে ভাল হয়।

১৫৬৩) ক'লা পাৰচৰাইৰ মাংস আঠিয়া কলৰ ডিলৰ লগত তৰকাৰী কৰি খালে এই ৰোগ ভাল হয়।

বিষৰ

১৫৬৪) নীলা অপৰাজিতা ফুলৰ শিপাৰ ৰস গাখীৰৰ লগত মিহলাই খালে বাত বিষ ভাল হয়।

১৫৬৫) অপৰাজিতাৰ শিপা হালধিৰ ৰসৰ লগত খালে হাড়ৰ মাজৰ বিষ যাব।

সাপে খোৱা

১৫৬৬) নাহৰৰ পাত পিচি মুখত লগালে ভাল হয়।

১৫৬৭) সাপে খোৱা ঠাইত আৰকচন্দ লগালে ভাল হয়।

১৫৬৮) কৃষ্ণ সৰাৰ শিপা সাপে খোৱা ঠাইত লগালে ভাল হয়।

কোষ্ঠ কাঠিণ্য

১৫৬৯) আমলখি, শিলিখা আৰু ভোমোৰা সিজাই পুৰা তাৰ ৰস খাব লাগে।

চন্দনাশ্বপ

১৫৭০) ত্রিফলা শুকুৱাই পানী খাব দিনে ৩ বাৰ।

পেটত বিষ

১৫৭১) টুবুকী লতাৰ ৰস খাব লাগে।

যকৃৎ ৰোগ

১৫৭২) বগীজাম গছৰ মূল দক্ষিণ ফালৰ ৮ ইঞ্চি পৰৰ গাখীৰৰ লগত খাব।

মৃগী বেমাৰ

১৫৭৩) নহৰু খুন্দি তাৰ ৰস নাকেৰে উজাব লাগে।

১৫৭৪) গাখীৰৰ লগত জেতুকা পাতৰ ৰস মিহলি কৰি ১০০ গ্ৰামকৈ খুৱালে যথেষ্ট উপকাৰ পোৱা যায়।

১৫৭৫) অনন্ত মূলৰ শিপা ধাৰণ কৰিলে লৰা বা ছোৱালীৰ মৃগী ৰোগ ভাল হয়।

১৫৭৬) কেঁচা হালধি পুৰি নাকেৰে শুঙিব লাগে।

মুৰ্চ্ছা বেমাৰ

১৫৭৭) সিপ সন্ধ্যা ৰস ২৫ লিটাৰ, ১০০ গ্ৰামকৈ গাখীৰৰ লগত মিহলাই খোৱাব লাগে।

১৫৭৮) নহৰু ৪/৫ ফুতা পিহি তাত তিল তেল ১২ গ্ৰাম মিহলি কৰি খোৱাব লাগে।

১৫৭৯) অনন্ত মূল ২৫ গ্ৰাম আধা পোৱা গৰুৰ গাখীৰৰ লগত মিহলি কৰি খাব লাগে।

এন্দুৰে কামুৰিলে

১৫৮০) এন্দুৰে কামুৰিলে পনৌ নোৱা গছৰ পাত খুন্দি ইয়াৰ ২৫ গ্ৰাম পাতৰ ৰস খালে উপকাৰ হয়।

চিকাহি কামুৰিলে

১৫৮১) কলীয়া তুলসী পাত খুন্দি, আলু গুটি পিহি তাত লগাই দিব।

ভেকুলিয়ে কামুৰিলে

১৫৮২) ভেকুলিয়ে কামুৰিলে তুলসী পাত, সৰিয়হ ,সিজু পিহি গাখীৰৰ সৈতে লগাব লাগে।

জুইয়ে পুৰা

১৫৮৩) ছালকুঁৱৰী ৰস লগাব লাগে।

হাইফাই বা হাপানী ৰোগ

১৫৮৪) এটা নেমুৰ ৰসৰ লগত, মৰান আদা খুন্দি খোৱালে ভাল উপকাৰ পোৱা যায়।

১৫৮৫) ১৫ গ্ৰামকৈ আমলখিৰ শিপাৰ ৰস ব্যৱহাৰ কৰিলে হাইফাই ৰোগ নাশ হয়।

১৫৮৬) ভেকুৰীৰ গুটি ১৫ টা মান খুন্দি বা চোবাই খালে এই ৰোগ নাশ হয়।

১৫৮৭) সৰিয়হৰ তেলেৰে বুকু মালিচ কৰিলে ভাল হয়।

১৫৮৮) বগা বাহকৰ পাত ৮/১০ খিলা খুন্দি দিনে দুবাৰকৈ একেৰাহে এমাহ মান খাব।

১৫৮৯) পুৰণি ঘিউ, আকন পাতত লগাই জুইত সেকি সেই পাত বুকুত বান্ধিব লাগে।

১৫৯০) যষ্টি মধু আৰু ৰঙা চন্দন পিহি গাখীৰৰ লগত মিলাই খাব নিয়মীয়াকৈ ১৯ দিন খাব।

১৫৯১) ৰবাব টেঙাৰ শিপা ~ গ্ৰাম, শিলিখা ৫ টা, আদা ১০ গ্ৰাম ভালদৰে পিহি অলপ সৈন্ধ্য লোন মিলাই দিনে ২ বাৰকৈ খাব।

১৫৯২) বগা পদুম ফুল আৰু জালুক ১২ গ্ৰাম লৈ ভালদৰে পিহি কেইদিনমান একেৰাহে খুৱাব।

১৫৯৩) তুলসী ৰস, মৌ, মৰান আদা সমান পৰিমানে লৈ ৰাতিপুৱা আৰু গধুলি দিনে দুপালিকৈ খোৱাব। কিছু দিন খুৱাব।

১৫৯৪) ৩০০ গ্ৰাম পৌনগৌৰা শিপাৰ ৰসত ২ টা জালুক, আৰু অলপ গঙ্গাৰ জল মিহলাই দিনে দুবাৰকৈ একেৰাহে ১২ দিন খাব।

লেং কাহ (Whooping Cough)

১৫৯৫) তিতা ফুলৰ পাতৰ ৰস ২৫ গ্ৰাম মৌৰ লগত মিহলাই খালে লেং কাহ ভাল হয়।

১৫৯৬) অপৰাজিতাৰ শিপাৰ ৰস ২৫ গ্ৰাম উলিয়াই তাত সামান্য পানী মিহলি কৰি দিনে তিনি বাৰকৈ খাব লাগে।

১৫৯৭) লং ৪/৫ টা জুইত গৰম কৰি মৌৰ লগত খালে ভাল ফল পোৱা যায়।

১৫৯৮) দ্ৰোন বনৰ পাত ১০/১২ টাৰ ৰসলৈ সমান পৰিমানৰ তুলসীৰ ৰস আৰু অলপ মৌ মিহলাই খালে লেং কাহ ভাল হয়।

১৫৯৯) ২৫ গ্ৰাম মান মৰান আদাৰ ৰস মৌৰ লগত খালে এই ৰোগ ভাল হয়।

মৃগীৰোগ

১৬০০) ব্ৰাহ্মী নাইবা মানিমুনিৰ ৰস ৫০ গ্ৰাম আৰু কূড় গুড়া ১০ গ্ৰামৰ লগত মৌ মিহলি কৰি খালে এই ৰোগ নাশ হব।

১৬০১) পিয়াজৰ ৰস ৫০ গ্ৰাম ঠাণ্ডা পানীত মিলাই ৰাতিপুৱা খালে এই ৰোগ ভাল হয়।

১৬০২) জেতুকাৰ পাতৰ ৰস ১০০ গ্ৰামৰ লগত গাখীৰ মিহলাই খালে ভাল ফল পোৱা যায়।

পালজ্বৰ

১৬০৩) সিজ্জিলতা, আমলখি আৰু মাটি কেঞ্চা তিনিওটাকে মিলাই ২৫ গ্ৰাম ৰস উলিয়াই ১/২ লিটাৰ পানীত সিজাই আধা পোৱা হলে তাক খালে পাল জ্বৰ ভাল হয়।

১৬০৪) দ্ৰোৰোন ফুলৰ কেচা ৰস ১২ গ্ৰাম, ২ গ্ৰাম জালুক, গুড়ৰ লগত মিলাই খালে পাল জ্বৰ ভাল হয়।

১৬০৫) অপৰাজিতাৰ পাতৰ ৰস নাকেৰে সুঙিলে পাল জ্বৰ ভাল হয়।

১৬০৬) পচতীয়াৰ শিপাৰ চুৰ্ন ১২ গ্ৰাম বা ইয়াৰ পাত চুৰ্ন ২৫ গ্ৰাম কিছু দিন খালে পাল জ্বৰ নাইকীয়া হয়।

মেলেৰীয়া

১৬০৭) তুলসী পাত, বেলৰ পাত ৫০ গ্ৰামকৈ লৈ অলপ মৌ জোলদি দিনে দুবাৰকৈ খালে মেলেৰীয়া নাশ হয়।

১৬০৮) গলজনৰ ৰস ২৫ গ্ৰাম মৌৰ লগত মিলাই খাব পাৰিলে ভাল।

কন্যাকাল নোহোৱাৰ (Deley puberty)

১৬০৯) দুবৰি বনৰ ৰস ১০০ গ্ৰাম মানকৈ খাব লাগে। দিনে দুবাৰকৈ একেৰাহে তিনিদিন খাব লাগে। দুবৰি বনৰ ৰস পিঠাৰ লগত মিহলি কৰি খালেও কন্যাকাল হয়।

১৬১০) অনন্ত মূলৰ ৰস ৫০ গ্ৰাম গৰুৰ গাখীৰ ২০০ গ্ৰামত মিহলি কৰি ৩/৪ দিন একেৰাহে খাব লাগে।

১৬১১) ৰঙা জবা ফুল ৮/১০ পাহ পিহি ৰস খালে ঋতু হয়।

ডোম জ্বৰ

১৬১২) এই জ্বৰত বাঘৰ দুধ ৰৰ উপকাৰী। ডোম জ্বৰত বাঘৰ দুধ পিহি কপালত ফোট দিলে জ্বৰ ভাল হয়।

পোৱা জ্বৰ

১৬১৩) নিমৰ কুঁহি, বগাবি কুঁহি, নিৰ্মল পানীত গুলি মুৰত ঢালি দিলে ভাল হয়।

পিত্ত জ্বৰ

১৬১৪) মগুমাহ, আমলখিৰ ছাল, নিমৰ ছাল, পোৰালোতিৰ মূল বা ছাল গুটি সবাকো বতি ৰস উলিয়াব লাগে। সেই ৰস খিনি চাফা কাপোৰেৰে দুই তিনিবাৰ চেকি দুই তোলা পৰিমানে পুৱাতে খুৱাব। পিত্ত জ্বৰ নাশ হব।

শিৰ জ্বৰ

১৬১৫) শিমলু গছৰ পশ্চিম ফালৰ ছাল পানী মদাৰৰ শিপা ও ছাল দুয়োকে বটি আবেলি পৰত নৰিয়াৰ মুৰত ভৰণ দিলে নৰিয়া ভাল হয়।

লেঙৰ দৰৱ

বলিয়া লেঙৰ দৰৱ

১৬১৬) বৰালি মাছৰ দাঁতৰ ছাই, আহতৰ শুকান ছালৰ ছাই, তগুনাৰ ছাই, সবাকো বতি ফাকু যেন কৰি পুৰা এটকামান পানীত মিহলাই তিনি দিন একেৰাহে, খাব। মিঠা বস্তু খাব নেলাগে।

লেপ লেঙৰ দৰৱ

১৬১৭) বৰচাৰ মূল, ৰবাহি লতাৰ মূল, এটা জালুক, পিপলি দুটা সকলোকে এক টকা ওজনৰ পানীত তপতাই দি দুই পালি কৰি খাব।

চন্দ্ৰ লেঙৰ

১৬১৮) ডালিমৰ মূল, বচ, জালুক, পিপলি নিলকণ্ঠৰ মূল, জাৰ বন্তাৰ মূল সবাকো পগাই খুৱাব।

বাউলী লেঙৰ

১৬১৯) মাকৰি ঘিলা পুৰি ছাই কৰি ১ মহা লব, কেতেলাৰ ভুক, বনটিয়হৰ মূল ১ তোলা, চাপাৰ মূল ১ তোলা সবাকো বাটি ৩ টকা পানীত তপত কৰি দিনে দুই পালি কৰি খাব।

কুকুৰা লেঙৰ

(কাণেৰে নুশুনে, গাত জ্বৰ হয়)

১৬২০) পিপলি এটা, কুকুহা লতাৰ মূল ৰ মহা, জালুক লতা মূল ৰ মহা সবাকো চন্দন যেন কৰি ২ টকা মান পানীত অলপ লোণ দি তপত কৰি ৰোগীক খোৱাব। কুকুৰ লেঙ নাশ হয়।

শক্তধৰি লেঙৰ

১৬২১) ভীম ৰাজ আৰু মিঠা আমৰ ছাল পুৰি ছাই কৰি, ১০ টকা পানী পেলাই খাৰণি উলিয়াব। সেই খাৰণি প্ৰতিদিনে ১ টকা পৰিমানৰ পানীত গৰম কৰি এদিনত দুবাৰকৈ খুৱাব।

ধাই লেঙৰ দৰৱ

১৬২২) মৰান আদা, চিচিৰঙ্গা জৰাৰ মূল, গোবৰত হোৱা মুঠাৰ শিপা, বাত ৰাজৰ মূল, তেজমুইৰ মূল সকলো বোৰৰ এটকাকৈ লৈ অলপ পৰিমানৰ পানীত গৰম কৰিব। অলপ নিমখ দিব। তিনি পালি খাব।

টলকা লেঙৰ

১৬২৩) ঘৰুৱা বেঙেনাৰ শিপা ১ তোলা, টিকনি বৰাৰ আগ আধা তোলা, জাতি আদা ১ তোলা, জালুক ১ তোলা, পিপলি ১ টকা সকলো বোৰ বাতি খুৱাব।

গৰকা লেঙৰ দৰৱ

১৬২৪) মাটি কান্দুৰীৰ শিপা, বেঙেনাৰ শিপা, লং ফুলৰ ফুল, কেটেলাৰ ভুৰু, জালুক, পিপলি, লোন অলপ, তেজমুইৰ শিপা সবাকে ১ টকা পৰিমানে এক লিটাৰ পানীত সিজাব লাগে। সেই পানী একপোৱা মান ৰাখিব। দিনে ৩ টকা পৰিমানে চাৰি বাৰকৈ খুৱাব।

কাকৰি লেঙ

১৬২৫) তৰা গাজলি আৰু গুটি, জালুক ১০ টা, পিপলি ১০ টা, চাতয়নাৰ ছাল, সবাকো বটি খুৱাব, চেচা পানী নাখাব।

কাহৰ দৰৱ

১৬২৬) বেঙেনাৰ আগ, যখাৰ, পিপলি, ভাত ঘিলাৰ শিপা, সকলোকে খুন্দি অলপ পানী দি খাব।

হুৰাৰ দৰৱ

১৬২৭) আঠিয়া কলৰ দক্ষিণৰ ফালৰ শিপা, নাঙল ভঙাৰ দক্ষিণ ফালৰ শিপা, মৰিচ, পিপলি সকলোকে বটি খুৱাব।

১৬২৮) আলাম্বু, বন কপাহ, নহৰু এটা, কনমৰা সকলোকে পুৰি ছাই কৰি একে ৰকমৰ গাখীৰৰ লগত খাব।

মুদগৰৰ দৰব

১৬২৮) ঘুনৰগুৰি, আৰৈ চাউল, দুয়োকো মিলাই গৰুৰ গাখীৰৰ লগত খাব।

১৬২৯) ৰুদ্ৰাক্ষ, বগৰি গুটি, বাজ্ঞা কল গছৰ পানী তিনিওকে মিলাই খাব।

১৬৩০) সিজুৰ দক্ষিণ ফালৰ শিপা, গোৰকচেৰ ৰস মনমৰতি টেঙাৰ ৰস, জালুকৰ লগত মিলাই খাব। মুদ গৰৰ ৰোগ ভাল হয়।

বায়ুৰ দৰব

১৬৩১) যমলাখুটিৰ মূল, দেওলতাৰ মূল, কটা মালিৰ শিপা, মাকৰি থিলা সবাকো খুন্দি বাতি পুৱাই খুৱাব।

বাত বিষ

১৬৩২) মৰান আদা, ঘিউ দি পগাই খোৱাব বাত বিষ ভাল হয়।

১৬৩৩) বেচামাছ বা শিঙিমাছ, হাঁহিয়তিৰ সৈতে আঞ্জা ৰনাই খোৱালে বাত বিষ ভাল হয়।

তেজ গ্ৰহণী

১৬৩৪) জামুৰ ছাল, কেচা আঠিয়া কলৰ আহ, জালুক, পিপলি সকলোৰে ৰস উলিয়াই গৰম কৰি, দৰৱ খোৱাব চাৰি ঘণ্টা মানৰ পাচত ২৫০ গ্ৰাম গৰম গৰুৰ গাখীৰ খাব।

পেট কামোৰাৰ দৰৱ

১৬৩৫) বাদুলি আৰু ডাউকৰ মাংস, বকুলৰ ছাল, লেটাগুটি সকলোকে বটি ছাগলী গাখীৰৰ লগত খাব লাগে।

তেজ সাৰ

১৬৩৬) বাহেকৰ পকা পাত, আৰৈ চাউল সমে ভাল ধৰণে খুন্দি গুড়ি কৰিব লাগে সেই গুড়ি ১ মহা কৰি প্ৰতিদিনে এবাৰকৈ খাব লাগে। বেমাৰ ভাল নোহোৱালৈকে উক্ত দৰৱ খাব।

জল সাৰ

১৬৩৭) কেচা কঠালৰ সাহৰ লগত আমগুটি বটি খালে জল সাৰ ভাল হয়।

খহুৰ দৰৱ

১৮৩৮) আগিয়াচিতাৰ মূল, বিহলঙ্গনী গছৰ ছাল খুন্দি খহত লগাব।

পাখৰি বেমাৰ

১৬৩৯) আমৰাৰ মূল, লেটুকৰ গছৰ ছাল সমান লৈ খাব লাগে।

স্ত্ৰী পুষ্পিতা হোৱাৰ দৰব

১৬৪০) ঋতু স্নানৰ পাচত এৰণ্ড বীজ ভক্ষণ কৰি ধুতুৰাৰ বাঢ়ি ককালত বান্ধিলে গৰ্ভ হব।

ভূত খেদৰ দৰব

১৬৪১) বৰুণ গছৰ দক্ষিণ ফালৰ ছাল, আমৰ গজলা, ছাল ও মূল, বিহ কচুৰ শিপা ১ ৰতি বচৰ শিপা, কদমৰ ছাল সকলোবোৰ খুন্দি ৰোগীৰ গাত ঘহি দিব ভাল হব।

সৰু লৰা ছোৱালী মদগৰৰ দৰব

১৬৪২) ফানে বাখৰ কুহিয়াৰ ৰসৰ লগত খালে ভাল হব।

গা শুৱাৰী যোৱাৰ দৰব

১৬৪৩) কনাই শিমলুৰ পাত চেঙেলী ও গঁৱে মাছেৰে ভাজি বনাই এক সপ্তাহ খুৱাব।

পুৰৈয়া ৰোগৰ দৰব

১৬৪৪) সুমথিৰা টেঙাৰ বাকলি, আম গছৰ ছাল দুয়োকে ভাল ধৰণে খুন্দি দিব।

গৰল ৰোগ

১৬৪৫) সৰিয়হ, চন্দিনাৰ গুটি, যৱধান, মূলবীজ সমানে লৈ লিপি থব।

সাপে খোৱাৰ দৰব

১৬৪৬) সাপে খালে লগে লগে এডাল বচিৰে তানকৈ বান্ধি তাৰ পাচত ২৫০ গ্ৰাম মান গৰুৰ ঘি গৰম কৰি খুৱাব।

১৬৪৭) বগা কৰবীৰ মূল অলপৰ লগত জালুক ২০ টা মান খুন্দি খুৱাব।

জুইয়ে পোৱাৰ দৰব

১৬৪৮) নাৰিকল তেলৰ লগত চুনৰ পানী মিলাই পোৰা ঠাইত লগাব।

দা কুঠাৰে কাটিলে

১৬৪৯) ক'লা কচুৰ ৰস দি বান্ধি থব।

ঋতু বন্ধ হোৱাৰ দৰব

১৬৫০) দুবৰি বন, ৰঙাজবা ফুল তিনিপাহ, অলপ জিৰা সকলো বাটি খোৱৰ। পুনৰ ঋতু হ'ব।

ঋতু বেচিকৈ হলে

১৬৫১) গাখীৰ অলপ, আমৰ কুহু ১ টা, ভীম ক'ল এটা মিহি কৰি দুই তিনি দিন খাব।

পিত্তৰ দৰব

১৬৫২) পিপলিৰ গুৰি, এমহা মৌৰ লগত এক সপ্তাহ খুৱাব।

মাত নোহোৱা হলে

১৬৫৩) মিচিমি তিতা এক অনা, মিছিৰি ২ টকা বটি খুৱাব।

পিয়াহ বেছিকৈ লাগিলে

১৬৫৪) আমৰ ছাল, জামুৰ ছাল এতোলাকৈ ৫০০ গ্ৰাম পানীত সিজাব। ২৫০ গ্ৰাম থাকোতে নমাই থব। অলপ মৌৰ লগত খুৱাব।

বাত বিষৰ দৰব

১৬৫৫) তিলৰ ফুল, সৰিয়হ তেল, সন্ধ্যা লোণ অলপ, গৰুৰ মূত অলপ ভাল কৰি খুন্দি বটলত ভৰাই এক সপ্তাহ মান ৰ'দত গৰম কৰিব সেই দৰব গাত ঘহিব দিব।

মুৰত খহু হলে

১৬৫৬) ভোমোৰাৰ গুটি, শিলিখা, ভেকুৰী গুটি সমানে লৈ মিহিকৈ খুন্দি মুৰত লগাব।

ভেকুলিয়ে কামুৰিলে

১৬৫৭) জালুক অলপ, পিপলি অলপ পানৰ লগত খুন্দি ৰস লব। সেই ৰস ঘিউ গৰম কৰি খোৱাৰ ঠাই টুকুৰাত ১০, ১২ দিন এৰেন্মাহে লগাব। তেহে ভাল হ'ব।

চেলাই কামুৰিলে

১৬৫৮) বকুল ফুল, ঘিউ লগ কৰি লগাব। বিষ কম পাব।

মকৰাই খোৰা

১৬৫৯) পানৰ ৰস, ঘিউত গৰম কৰি দিনে ৪/৫ বাৰ লগাব।

মুখত হোৱা বেমাৰ

১৬৬০) কৰ্পূৰ, হালধি, দুবৰি মিহিকৈ বাটি ভাল পানীৰে মুখ ধুব।

পিত্তৰ দৰৱ

১৬৬১) নিৰ্ম্মল চুনৰ পানী সকলো পিত্ত ৰোগত উপকাৰী।

ঋতু বিষীণি হলে

১৬৬২) হিং চাৰি অনা, কৰ্পূৰ এটকা, একে লগ কৰি ঋতু হোৱাৰ আগতে খোৱাব।

ফোঁহোৰ দৰৱ

১৬৬৩) জালুক, তেলৰ পাত, কৰ্পূৰ তিনিওকে একে লগে খুন্দি ফোহাত বান্ধি দিব।

বুকুৰ চমচমনি ৰোগৰ দৰৱ

১৬৬৪) খড়ী মাটি, চেনি, খালে বুকুৰ চমচমনি বা পিত্ত ৰোগ ভাল হয়।

১৬৬৫) আমঠু গুড়ি আৰু চেনি খালে ভাল।

১৬৬৬) শিশু গছৰ পাতৰ ৰস একছটাক, মিছিৰি পানী খোৱালে বুকুৰ চমচমনি ভাল হয়।

১৬৬৭) কাজল গৌৰিৰ ৰস, শিলিখাৰ ৰস আৰু ক'লা গৰুৰ মুত ৰাতি পুৱা আৰু গধুলি এক সপ্তাহ খুৱাব।

১৬৬৮) ৰোকা নাৰিকল আধা পোৱা, গৰু ঘিউ আধা পোৱাত ভাজি সেই নাৰিকলৰ পানীত সিজাব। তাৰ পাচত ধনিয়া, পিপলি, মুঠা, ডালচেনী, এলাচি, মাহপাত, নাহৰ ফুল সকলোৰে একতোলকৈ গুড়ি তাত দিব। সদায় আধা তোলা পৰিমানে এই দৰৱ খুৱাব।

১৬৬৯) চেঙেলী টেঙাৰ ৰস, মিঠা আমৰ ছালিৰ ৰস, কাজল গৌৰী কেচাই খুন্দি ৰস উলিয়াই চেনীৰ লগত মিলাই খুৱাব।

১৬৭০) আদা, জালুক, পিপলি, আমলখি, শিলিখা, ডাইৰ গুটি, বিটলোন, মুঠা, বিৰিংগুটি, এলাচি, তেজপাত প্ৰত্যেকৰ গুড়ি এমহা, লং তিনি তোলা, তউৰী মূল গুড়ি আৰু চেনী সবাকো মিলাই এমহা পৰিমানে খালে অম্লপিত্ত বা বুকুৰ চমচমনি ৰোগ ভাল হয়।

১৬৭১) পিপলিৰ গুৰি ৫ তোলা, ঘিউ ১০ তোলা, চেনী একপোৱা, শতমূলৰ ৰস

১০ তোলা, আমলখি ৰস একপোৱা, এবা গাখীৰ সকলো মিলাই খোৱাব।

১৬৭২) তেজপাত, এলাচি, শিলিখা, ডালচেনি, ক'লাজিৰা, ধনীয়া মুথা, বাঁহ কৰ্পূৰ, জালুক গুৰি সকলোবে তিনি তোলা কৈ মিহলি কৰিব। গৰম গাখীৰ সৈতে আঠমহা পৰিমান এই দৰব খালে অম্লপিত্ত ওকা, বাতি, অৰুচি আভোক, পেতৰ বিষ আৰু থেহ ৰোগ গুচে।

১৬৭৩) নিমপাত শিলিখাৰ ৰস, জালুক ২১ টা লোণ বটি তপতাই খাব।

মূৰৰ বিষ বা মূৰ কামোৰণী

১৬৭৪) আমৈলতা শিপা, তিল, একে বৰণীয়া গৰুৰ গাখীৰেৰে বটি কপালত লিপি থব লাগে। তেতিয়া মূৰৰ বিষ কমে।

১৬৭৫) গমাৰী গছৰ ছাল, কাঁটা খুতুৰাৰ শিপা, বন কপাহীৰ আলু সকলোবে এক তোলাকৈ বগা আৰু ৰঙা চন্দন আধা তোলা। কাঁজী পানীৰে বটি মূৰ আৰু কপালত ৭ দিন লগাব। মূৰ কামোৰণি ভাল হয়।

১৬৭৬) বগৰি পাতৰ পিঠিৰ পিনে অলপ কলিচুন লগাই দুই কুমত বহাই দিলে মূৰৰ বিষ কমে।

১৬৭৭) নিৰাদল চুন মিলাই সুঙিলে মূৰ কামোৰণি ভাল হয়।

১৬৭৮) আকনৰ আঠা, গোবৰ খুঁটিৰ খুটিয়াত মিলাই বোকা যেন কৰি ব'দত শুকুৱাই গুড়ি কৰি নাকেৰে সুঙিলে কেইবাৰ মান হাচি আহিলে, মূৰৰ কামোৰণী ভাল হব। আদ কপালি বা সূৰ্য্য কপালি ভাল হব।

১৬৭৯) কেহবাজৰ ৰস, ভীম কলৰ ৰস, তিলৰ তেল ব'দত পগাই মূৰত ঘহিব সকলো বিষ নাশ হব।

মূৰ গৰম হলে

১৬৮০) আমলখি অলপ ঘিউত ভাজি পানীত বোকাৰ নিচিনাকৈ মাৰি মূৰত লিপি দিলে মূৰ ঠাণ্ডা হয়। কেতিয়াবা আমলখি নাভাজিলেও উপকাৰ পোৱা যায়।

১৬৮১) কৰ্পূৰ আৰু চন্দন ভাল কৈ খুন্দি মূৰত লিপি দিব।

১৬৮২) শুমঠৰ গুটি শুমঠৰ ৰসেৰে বাতি মূৰত লিপি দিব।

১৬৮৩) লং পিপলি আৰু বকলৰ পাত অলপ নিমখৰ সৈতে বাতি কুমত লগাব।

১৬৮৪) বিৰিং গছৰ গুটি তিলৰ তেলত দি নাকেৰে উজাব।

অগ্নিবায়ু

১৬৮৫) ত্ৰিফলা ভিজোৱা পানী, শতমূল ৰস, ভুই কোমোৰা ৰস, আমলখি ভিজোৱা পানীয়ে বায়ু নাশ কৰে।

১৬৮৬) ৰঙা বুকু ফুল পাত ৰসৰ নস্য ললে মূৰ্চ্চাগত বায়ু ৰোগ শান্তি হয়।

১৬৮৭) দুবৰি ঠাৰি বা গুটি, ডিমৰু, ঘিউত ভাজি খাব সকলো অগ্নিবায়ু নাশ হব।

১৬৮৮) পচতীয়াৰ শিপাৰ ছাল ৰঙ্গ তোলা, ভাতৰ টেঙা নিসনিৰে বাতি সৰ্ব্বগাৱত মূৰৰ খালৰ পৰা ভৰিলৈকে নমাই নিব। আৰু নাকেৰেও উজাব। তিনিদিন এইদৰে কৰিব। ৰোগ ভাল হব।

নোখোৱাৰ দৰব

১৬৮৯) লং পুৰি সুঙিলে ভাল হব।

১৬৯০) যব ধানৰ চাউল একে ৰৰণীয়া গৰুৰ গাখীৰেৰে বটি আধা পোৱা গাখীৰত খালে বায়ু শাম্য হৈ ভাল হয়।

১৬৯১) কাবাতৰ পলিতা পুৰি ধোৱা সুঙিব।

ধুন্দ বায়ু

১৬৯২) জামু গুটিৰ শাহ, চেঙামোৰাৰ কচু, পুৰণী কোমোৰা ৰস, কেতেকিৰ ঠাৰি, মালভোগ কলৰ মঠা, শিলিখা, আইজং, পুৰণী গুড়, কলাজীৰা, ভোগজীৰা, মিলাই ছাগলী গাখীৰৰ লগত মিহলাই ৭/১০ দিন খাব।

কৰ্ণ বায়ু

১৬৯৩) জামুৰ গুটিৰ শাহ, চেঙামোৰাৰ আলু, ইহৰ মূলৰ শিপা, ডিমৰুৰ পানী, টেঙা দৈ গাখীৰ সবাকো বটি চেনীৰে খাব।

খিলামুখী বায়ু

১৬৯৪) অমৰাৰ ছাল, আমৰ ছাল, জামুৰ ছাল, হেমলতাৰ মূল, চন্দ্ৰ লতাৰ মূল, সোলং টেঙা ৰস সকলোৰে ৰস পগাই খাব।

সিৰা

১৬৯৫) কনি বিহৰ পাত ও শিপা, মাটোকটোকা কদম গছৰ ছাল, কাউৰী ঠেঙিয়াৰ ছাল, আমেলতাৰ পাত ও শিপা। তেজমুহৰ গুটি, চতিয়নাৰ গছৰ ছাল, সবাকো বটি ভৰিৰ বুঢ়া আঙুলীত বান্ধ দিব। অণ্ডকোষ নাশ।

১৬৯৬) আকলবিৰৰ মূল, আৰৈ চাউল খন্ধ পানীত বটি ৫/৬ দিন লিপি দিলে

পুৰুষৰ সিৰা ভাল হয়।

১৬৯৭) জীয়া শামুকৰ ভিতৰত পেটু গুচাই খোলাটোৰ ভিতৰত ঘিউ আৰু তাৰে চাৰি ভাগৰ এভাগ সৈন্ধৱ লোণ ভৰাই ৭ দিন বান্ধত দি তপত কৰিব। সেই ঘিউ ঘহিলে সিৰা উপশম হয়।

১৬৯৮) বিহলেঙনীৰ পাত, সৰাই তিতাৰ গুটি, মৰাপাটৰ গুটি পদ্মাকো গুড়ি কৰি লগাই দিব।

১৬৯৯) ৰঙা চন্দন, যষ্টিমধু, পদ্মকাঠ, বিৰিনাৰ মূল আৰু ভেঁট, সমান পৰিমানে লৈ গাখীৰত বটি লেপ দিলে, অণ্ডকোষও ভাল হয়।

১৭০০) ঘৰৰ ভিতৰত থকা চুক ভেকুলিৰ তেজ লেপ দিব।

১৭০১) একলবিহৰ গুটি ১ ফলাৰ লগত আদা তিনি চকল মিলি দিলে ভাল হয়।

১৭০২) উদালৰ গুটিৰ লগত আদা তিনি চকল বটি লেপ দিব।

১৭০৩) বচ আৰু বগা সৰিয়হ বটি লেপ দিব।

১৭০৪) সৰাই তিতা, জহৰীয়া ধপাত, খাৰণী সঁতাৰ খাৰ আৰু মাঠোকটোকা সৰাকো খুন্দি লেপ দিব।

ভ্ৰম ৰোগ

১৭০৫) বৰিয়ালৰ শিপা, খিচমিছৰ লগত শতমূল পগাই খোৱাব।

১৭০৬) সৰিয়হৰ তেলৰ সৈতে নহৰু খালে ভাল হয়।

১৭০৭) ডাঙৰ পাত ভাজি গাত ঘহিব। মৰ্চ্ছা ৰোগ ভাল হয়।

১৭০৮) নিশা মৌৰ লগত শিলিখা আৰু ভইৰা গুটি পুৰা গুড়ৰ লগত ৭ দিন খোৱাব।

১৭০৯) বচৰ পাত, তুলসীৰ পাত, বিহলেঙনী, হাচিয়তী, নৰসিংহ লাইমাৰী, ধনচৈৰ পাত, আদা, হিঙৈ খাৰ, সকলো বটি মূৰত ভৰণ দিব।

তেজুৰ ৰোগ

১৭১০) সাওলতা, চতাৱৰী, যষ্টিমধু, তেলীয়া ধুনা, বগা চন্দন, ৰঙা চন্দন, এলাচি, আমলখি সকলো সমান পৰিমানে লৈ খুন্দি বৰি বনাই খোৱাব। কণ্মী গুটিৰ সমান বৰি কৰিব।

অবশ বায়ু

১৭১১) পুৰণি তেতেলি, বখাৰ ৪/৫ তোলা, দুইকো থক থকীয়াকৈ খচি তালুত ভৰণ দিব।

অগ্নিবায়ু

১৭১২) শুকান শিলিখা, শুকান আমলখি, হেমলতা, জাতি চন্দন, ঘিউ দুই সেৰ, তিল তেল দুই সেৰ, পানী তিনি সেৰ, সবাকো পাতিলাত পাগ কৰি সেপাদি পানীত পুতি থব, সাত দিনৰ অন্তৰে অন্তৰে খাব।

১৭১৩) মাটি মাহৰ গাজী, ধুই চোকোৰা শুচাই তেলৰ টেকেলিত ভৰাই তাত তেল দিব। শিল এডোখৰ দিব শিলিখাৰ গুটি দিব, মুখত চাক দি বান্ধিব, ওপৰে হীৰাৰ মাটি লিপিব। যি ঠাইত কলহ থাকে সেই ঠাইত পুতিব। সেই মাহ মুৰত ভৰণ ললে, উৰ্দ্ধ বায়ু, জলবায়ু নাশ হয়।

সঞ্চিতা বায়ু

১৭১৪) শুক ভেদালিৰ আগ, জলকীয়া, বাতি বৰি বনাই বেচা মাছ এটা, এক পাব বাঁহৰ খৰি খুটিয়া কৰি ঘিউত ভাজি খাব। সঞ্চিতা বায়ু নাশ হব।

অপস্মাৰ বায়ু

১৭১৫) মনঃ শিলা, ৰসাঞ্জণ আৰু পাৰৰ লাড একেলগে বাটি অঞ্জণ দিলে অপস্মাৰ আৰু উমাদৰ বায়ু নাশ হয়।

অশ্মৰী বায়ু

১৭১৬) এতোলা মূলাৰ ৰসত এতোলা চেনী মিহলি কৰি খালে সৰ্ব্বঅশমেৰী ৰোগ ভাল হয়।

১৭১৭) গোক্ষুৰ গুটিৰ গুড়ি, মৌ, ছাগলী গাখীৰৰ লগত খালে অশ্মৰী ভাল হয়।

পানী লগা

১৭১৮) আদাৰ ৰস মৌৰ লগত মিলাই খালে চৰ্দ্দি অতি সোনকালে ভাল হয়।

১৭১৯) পিপলি গুড়ি অলপ, গৰম পানীৰে খালে ভাল হয়।

১৭২০) গৰুৰ গাখীৰ গৰম কৰি তাত অলপ জালুকৰ গুৰি আৰু অলপ আদাৰ ৰস মিহলি খালে আৰাম পোৱা যায়।

নোখোৱাৰ দৰৱ

১৭২১) পানী লগা হলে বাতি শুৱাৰ আগে গৰম কৰা পানীত অলপ লোণ দি ভাল ধৰণে হাত ভৰি ধুই ভলুৱাত অলপ সৰিয়হৰ তেল ঘহিব লাগে। পানী লগা উপশম হয়।

১৭২২) প্ৰথমৰ পৰা লোণ মিহলোৱা পানী কানত দুই এটোপকৈ দিলে চৰ্দ্দি ভাল

পোৱা যায়।

১৭২৩) কুকুৰ বিষ হলে পুৰণি ঘিউ, আদাৰ ৰস আৰু কর্পূৰ মিহলাই মালিচ কৰিব।

কামেশ্বৰ মোদক

১৭২৪) জিৰা, ষ'নী, আদা, আমলখি, শিলিখা, অমৰলতা, পিপলি, জালুক, ভুই কোমোৰা, যষ্টিমধু ধনীয়া, শিমলুৰ আঠা, ওসিপা, কালজিৰা, মিথী, সৈন্ধ্য, গোক্ষুৰ, কুলিকাহিৰে গুটি, তেজপাত, ডালচেনি, এলাচি, জায়ফল, আত্মাচিঙৰ শিপা, পুৰ্ণণুৰা, কিচমিছ, প্রত্যেকৰে গুড়ি এক তোলাকৈ দেশী ভাঙৰ গুড়ি এপোৱা, চেনী এক কিলো দি ভাল ধৰণে পগাব লাগে। ঘিউ এপোৱা দি মোদক কৰিব। এই দৰব খালে হাঁপনি গ্রহণী আদি নানা ৰোগ ভাল হয়।

ঘুণুৰ (উদঙ্খাহি) (Hooping Cough)

১৭২৫) কোৰা ভাতুৰি, কলৰ বাকলি, নাৰিকলৰ বাকলি, পুৰি তাৰ ছাই খাব লাগে।

১৭২৬) এই বেমাৰত এটা পইতা চৰাইৰ ভৰি কেইখন কলৰ ভিতৰত ভৰাই ৩/৪ দিন খালে, হাঁপানী ৰোগ ভাল হয়।

১৭২৭) বন নহৰু খুন্দি ৰস লব, লবা তিতাৰ পাতেৰে বটি দুয়োকে একে লগে পগাই ৰোগী খোৱাব।

১৭২৮) কগা পদুমৰ শিপা, জালুকেৰে বটি ১ তোলাকৈ খালে উদফাহি ৰোগ নাশ হয়।

১৭২৯) তিতা ভোলৰ গুটি, চতিয়নাৰ ছাল, ভাত কেৰেলাৰ আলু, কাঠগুাৰ ছাল, পগাই ক্বাথ কৰি খাব।

জ্বৰৰ দৰব

১৭৩০) শিলিখা, জালুক, পিপলি, সুৰগা সমান পৰিমানে গুড়ি কৰি সিজুৰ আঠাৰ লগত মাটি মাহৰ সমান বৰি কৰি খুৱাব।

হাগতি বা তেজ হাগনী ও শাও পৰিলে ভাল হোৱাৰ দৰব

১৭৩১) বকুলৰ গুটি, লোহাচুৰ, বৰুনাথৰ শিপা খুন্দি খাব।

১৭৩২) খুদখৰি ছালৰ ৰস, ডালিম পাতৰ ৰস, ভৃঙ্গৰাজৰ ৰস তিনিওকে সমান পৰিমানলৈ খুৱাব।

১৭৩৩) মিঠা আমৰ ছালৰ ৰস, জামপাতৰ ৰস, তুলসী পাখীৰৰ লগত মিলাই

ৰোগীক খুৱাব।

১৭৩৪) খুদখৰিৰ ছাল, জালুক, আদা গুড়ি সকলোৰে দুই তোলাকৈ লৈ এক লিটাৰ পানীত সিজাই ২৫০ গ্ৰাম মান কৰি নমাই থব। সেই দৰৱ গুড়ৰ লগত মিলাই ৰোগীক খুৱালে নাশ হব।

১৭৩৫) ভীম কলৰ শিপা, দক্ষিণ কালৰ তাৰ লগত জালুক আৰু পিপলি লগত মিলাই খালে ৰোগ ভাল হয়।

১৭৩৬) উখুৱা চাউলৰ কৰাইৰ পানী নীলকণ্ঠ বটি পি খাবলৈ দিব।

১৭৩৭) কেচা বেল এটা, জুইত পুৰি বাহি কৰি গুড়ৰ লগত মিলাই খাব।

১৭৩৮) ডালিম, মদাৰ, জাম, টুবুকীলতা, সকলোৰে পাতেৰে এটা কেচা বেল পুৰিব। পিছ দিনা সেই বেলটো গুড়ৰ লগত খালে এই বেমাৰ বৰ উপকাৰী।

১৭৩৯) চাউল খচা পানীৰ লগত চেনী আৰু মৌ মিহলাই খালে তেজ গ্ৰহণী ৰোগ ভাল হয়।

১৭৪০) নাৰিকলৰ পানীৰ লগত ভুই তামোলৰ শিপা খুন্দি খালে তেজ গ্ৰহণী ৰোগ ভাল হয়।

১৭৪১) কেন্দুগুটি ৫/৬ টা খুন্দি এপোৱা পানীত খচি খালে তেজ গ্ৰহণী ৰোগ ভাল হয়।

১৭৪২) ২৫০ গ্ৰাম তেতেলি পাতৰ ৰসত এডোখৰ লো গৰম কৰি সেই ৰসত পেলাই দিব লো ৰঙা হব লাগে। সেই ৰস খালে তেজ গ্ৰহণী ৰোগ ভাল হয়।

১৭৪৩) শামুকৰ চুণ আৰু সৈন্ধৱ লোন, দুই বাতি মৌৰ লগত খালে হাগনি ভাল হয়।

১৭৪৪) ভাম ক'লৰ , মনোহৰ ক'লৰ, চম্পা কলৰ শিপাৰ ৰস, মৌ লগত খালে হাগনি ভাল হয়।

জ্বৰ

১৭৪৫) কাউৰ মনিপাত, বেলপাত, শেৱালী ফুলৰ পাত তিনিওৰে ৰস ২ তোলা পৰিমানে খালে জ্বৰ এৰে।

১৭৪৬) আমলখি, শিলিখা, ভইৰগুটি, নিমপাত, সৈন্ধৱ লোণ বনি জিৰা য'খাৰ সকলোৰে সমান পৰিমানেৰে বাটি ২ ৰত্তি পৰিমানে বৰি বনাই খুৱাব।

সাওঁ পৰিলে

১৭৪৭) পুৰ্নি তেতলিৰ কুহি পাত ভাল ধৰণে খুন্দি চাফা কাপোৰেৰে চাকি অলপ তপতাই খোৱাব।

১৭৪৮) কেচা বেল পাত পুৰি মিচিৰি বা গুড়ৰ লগত খাব এক সপ্তাহ মান একেৰাহে খুৱাব।

১৭৪৯) তিনি চাৰি খিলা হালধিৰ পাত খুন্দি তাৰ ৰস লব আৰু সমপৰিমানে চুনৰ পানী লগত খাব। সকলো তেজ সাওঁ বা হাগনি ভাল হয়।

গৰ্ভ নষ্ট কৰাৰ দৰব

১৭৫০) জাতি বাহৰ কুহি পাত ১ মুঠি, ৰঙা লাটুমনি গুটি ৩/৫/১ টা, জালুক তিনিটা অকন্নমান নিমখ কুহুমীয়া গৰম পানী কৰি খোৱাব। নিশ্চয় নাশ হব।

প্ৰসৱৰ কাৰণে

১৭৫১) উতণুৱাৰ ঠেং, বাঘৰ জীনি পানীত তিয়াই খুৱাব।

প্ৰসুতাৰ দৰব

১৭৫২) লং, ইলাচি, জাইফল, পিপলি, ডালচেনি, ক'লজীৰা, মিঠি, মৰিচ, মিচিৰি ৰ পোৰা ডাইকৰ মাংস, কেটেলাৰ ভুৰ, নীলকণ্ঠ, তেজমুই, শিলিখা গুটি, গড়ৰ মাংস, লেটা গুটি মিলাই খুৱাব।

কাহৰ দৰব

১৭৫৩) ধপাত তিতাৰ শিপা, বাহেকৰ শিপা, তেজমুই শিপা, সবাকো বাটি লোন মিহলাই জালুক মিলাই ৰোগীক খুৱাব।

১৭৫৪) প্ৰাতহে হৰিদ্ৰা, পিপলি, সকলো পানত খোৱাব। অতি সোনকালে ভাল হব।

শিশুৰ পানী লগা আৰু কাহৰ দৰব

১৭৫৫) মৌ জুল, কলাতুলসী, ৰস, আদাৰ ৰস সমান পৰিমানে লৈ দুচামুচলৈ দিনে ৪ বাৰ কৰি খোৱাব।

কাহঁৰ দৰব

১৭৫৬) পিপলি, আদা, মৌ প্ৰাতঃহে হৰিদ্ৰা সৈন্ধৰ লোণ পানীত খাব। শুকান কাঁহ ভাল হয়।

১৭৫৭) শোহনী কলৰ ৰস, লোণ মিলাই গৰম কৰি খুৱাব।

১৭৫৮) ৰবচা গছৰ আলু, বাতডোৰাৰ মালিৰ আগ, লোণ, জালুক পাতত দি খাব।

চেঙা

১৭৫৯) আদাৰ ৰস পুৰণি গুড়ৰ লগত মিলাই খাব।

১৭৬০) দুতোলা গৰুৰ ঘিউত আধা মহা জালুকৰ গুড়ি সানি খাব।

১৭৬১) পুৰণি তেতেলি ৫ তোলা আধা সেৰ পানীত কিছু পৰ গুলি থৈ লাহে লাহে পানী থিনি চালিলৈ তাত চেনি মিলাই খালে ভাল হয়।

১৭৬২) দুবৰি আৰু কেচা হালধি বটি ঘহিব।

১৭৬৩) ফুৰণি তেতেলি গুটিৰ শাহ ঘহি দিব।

১৭৬৪) অমৰা গছৰ মূলৰ ৰস গাত ঘহিলে ভাল হয়।

১৭৬৫) পুৰঠ মহানিমৰ পাত সিজাই নীলা কাপোৰ এডোখৰ তিতাই ঘনে ঘনে ঘহিব ভাল হব।

১৭৬৬) পুৰণি বাহৰ খৰিচা, ছালৰ কোতা, হোকাৰ পানী, মাছ ধোবা চালনিৰ পানী মিলাই গাত ঘহিলে ভাল হয়।

শক্তিহীনতা ৰোগ

১৭৬৭) শতমূল শিপাৰ ৰস আধা কাপ, গাখীৰ এপোবাৰ লগত মিলাই খাব।

১৭৬৮) মহানিমৰ ছালৰ ৰস অলপকৈ নিতৌ খুৱাব।

১৭৬৯) পকা আম একেৰাহে দুমাহ মান খাব (ভাত খোৱাৰ আগতে ৫ টা মানকৈ)।

১৭৭০) ২০ গ্ৰাম ভীম কল এপোৱা গৰুৰ গাখীৰৰ লগত মিলাই খাব। শৰীৰৰ শক্তি বৃদ্ধি হয়।

১৭৭১) এপোৱা মান বুত মাহ একৰাতি পানীত তিয়াই পুৱা খালি পেটত খালে শৰীৰত শক্তি বৃদ্ধি হয়।

১৭৭২) পচতীয়া পাতৰ গুড়ি, গৰুৰ ঘিউ লগত একেৰাহে ২/৩ মাহ খালে ভাল ফল পোৱা যায়।

১৭৭৩) মৌ জোলত, পিয়াজৰ ৰস মিলাই খুৱাব।

গৰ্মী ৰোগ

১৭৭৪) শতমূলৰ ৰস ২৫ গ্ৰাম এপোৱা গৰুৰ গাখীৰৰ লগত খাব।

১৭৭৫) অনন্ত মূল গৰম পানীত সিজাই তাৰ কাথ সেই স্থানত লগাব লাগে ৰস বন্ধ কৰি ঘিউত ভাজি খাব।

১৭৭৬) অনন্ত মূলৰ কেঁচা ৰস দিনে ৪ বাৰকৈ খাব।

কাহৰ দৰব

১৭৭৭) কাহঁহে থাকিলে আৰু গা দুৰ্বল অনুভৱ কৰিলে "জা গ্ৰাউৰী" নামৰ বন শাক অলপ তেলেৰে শুকান মাছ বা পাৰ মাংস দি অকনমান জোল দি বনাই জোল আৰু শাক খালে ভাল হয়।

জুক সোমালে

১৭৭৮) পেটত বা আন অংশত জুক সোমালে তিয়হৰ পাত গুড়াকৰি পানীৰ সতে মিহলাই খুৱালে জোক বাহিৰ হয়।

কেচুৱাৰ তালু বহি যোৱা

১৭৭৯) খেৰৰ চালৰ পুৰণা খেৰ অকনমান গুড়া কৰি মিঠা তেলৰ লগত মিহলাই তালুত লগাই দিলে ভাল হয়।

১৭৮০) নাকৰ পৰা বেচিকৈ তেজ ওলালে কেচা গোবৰ শুঙিবলৈ দিলে ভাল হয় বুলি কয়।

শৌচ হলে

১৭৮১) ২/৩ দিন বেচিকৈ শৌচ কৰিলে পাঠাৰ মাংস কেৱল নিমৰ পাতেদি সিজাই খুৱালে শৌচ বন্ধ হোৱা দেখা যায়।

কামশক্তি বঢ়াৰ ঔষধ

১৭৮২) গোটা মগুমাহ ১ মুঠি, জালুক ১ মুঠি, য-ধানৰ চাউল ১ মুঠি, তিল ১ মুঠি এই চাৰি বিধ আমৰ খুটিত পাগ মাৰি তামৰ পীৰাত বহি এৰা গাখীৰত সিজাই আগলি কল পাতত বহি খাব। তিনি দিনলৈ টেঙা, গাখীৰ, গুড় নাখাব। খৰলিকৈ আঞ্জা খাব।

গাঠিয়া মুদগৰৰ ঔষধ

১৭৮৩) বন্ধা আগিয়া চিতাৰ শিপা, কলিয়া জালুকৰ চাল, জালুক ৫ টা, লোন ৫ ৰতি বটি কুহুমীয়াকৈ খাব।

১৭৮৪) জেতুকা (ৰবিয়ালৰ মূল), বৰচাৰ মূল এই তিনি বস উলিয়াই কচুপাতত খাব।

চুচৰা জাতীয় ৰোগ

ব্যাধিৰ লক্ষণ :- প্ৰথমে বুৰবুৰিয়াদি ফোঁহা হয়, খজুৱালে ঘা হয়, দেক্ দেকীয়া দি পানী বয়, সেই পানী আঠাৰ দৰে, যতে সেই পানী লাগে তাতে

ফোঁহা হয়। তাৰ ঔষধ।

১৭৮৫) নীলকণ্ঠৰ শিপা, বকুল বিহৰ শিপা, কেতকী ফুলৰ শিপা, মদাৰৰ চাল ওভোতাই আনিব, বনঔৰ শিপা, পান ১ পাতি বটি দিব নাশ।

১৭৮৬) গাত ঘামচিৰ দৰে গোটেই গাতে হয়, খজুৱালে ফোঁহা ভাগি দেকদেকিয়া হয় তাৰ ঔষধ জাকি ফুলি ৰঙা, এদলীয়া ঢেকীয়া, দুৰাকাছৰ কনী, ডেকা গছৰ তামোল চাৰিকো বটি ঘহিব নাশ।

ক্ষুদ্ৰ শৌচত তেজ যায়

১৭৮৭) কুকুৰ সূতাৰ আগৰ ৰস, এক বৰণীয়া গৰু গাখীৰ, পুৰা জাতি কুঁহিয়াৰৰ ৰস, আঠিয়া কলৰ গুটি গুচাই লব, তিনি মঙ্গলবাৰে দুপালিকৈ খাব নাশ।

১৭৮৮) চেঙেলি মাছ এটা, সৰু মানিমুনি, দিঘলতিৰ মৰা আগ ৫ টা, চোম ৰঘুমলা গছৰ আগ ৫ টা লোণ জালুক দি বটি বান্ধি খাব।

গাঠিয়া মুদগৰৰ ঔষধ (গাঠি খৰিপোৰে)

১৭৮৯) জাতি কুঁহিয়াৰৰ ৰস, যমলাখুটিৰ ৰস, মিঠা আমাৰ দক্ষিণৰ ছাল, কুকুৰ সূতাৰ ৰস, এক বৰণীয়া গৰুৰ গাখীৰ গোট কৰি পগাই খাব।

১৭৯০) মালভোগ শাক চেঙেলি মাছেৰে বান্ধি খাব ভাতৰে।

১৭৯১) আদাৰ ৰস, এটা এফালি জালুক লোণ দি পাগে খাব।

জলসাৰ ক্ষুদ্ৰ শৌচ ঘনে ঘনে বস্তু যায় তাকে জলসাৰ

১৭৯২) সিজুৰ আগ কোমল চাই খুন্দি লব, লোণ জালুক দি গঁৰে বা চেঙেলি মাছ সৰু সৰু টুকুৰা কৰি বান্ধি খাব তিনি পালি।

১৭৯৩) আমলখিৰ ৰস এৰাঁ গাখীৰ সমে খাব বিন্দুসাৰ নাশ।

শিৰামুৰি

১৭৯৪) তিলফুলৰ গুড়ি, সিজুৰ আঠা লিপি দিব শিৰামুৰি নাশ।

১৭৯৫) ডিমৰু শিপাৰ ৰস চেঙেলি মাছেৰে বান্ধি খাব শিৰামুৰি নাশ।

পুনিয়া ৰাজপীড়াৰ ঔষধ

১৭৯৬) লং ফুলৰ শিপা, তৰাৰ গুটি খালে পুনিয়া ৰাজপীড়া ৰোগ ভাল হয়।

আহোম ফোঁহোৰাৰ ঔষধ

১৭৯৭) বিৰালি খুজিয়া লতাৰ পাত পাতত দি লেপিব আৰু খাব।

পুনিয়া ফোহোৰ

(পেটত হয় বাজফুটি ঘ' হয়)

১৭৯৮) হাতী কেৰেলাৰ গুটি, জাতি কেৰেলাৰ গুটি পিহি পিপিৰ পুনিয়া ফোহোৰ গচে।

১৭৯৯) আমৈলতা, কথনাৰ শিপা, মৰাণ আদা, লং, বেতু, জাইফল, কালজিৰা, জালুক পিপলিৰে সন্ধ্যা বেলা ঘহি দিব।

কাঁহৰ ঔষধ

১৮০০) সৰু মানিমুনি, বৰ মানিমুনি দুইৰো দুভাগ, লাই জাবৰী আগ এভাগ, নালকচৰ শিপা, হাতী কেৰেলাৰ গুটি, গোৰখচেৰ শিপা, আঢ়েটা জালুক, আঢ়েটা পিপলি সবাকে বটি জুলীয়াকৈ তপতাই খাব।

১৮০১) মালতীফুল তিনিকুৰি, তিলফুল তিনিকুৰি, লতা দুবাসামিৰ শিপা, মৰাণ আদা, পিপলি নটা, জালুক পাঁচটা, ঘিউ ঘোলে সমে বটি খাব সৰ্ব্ব কাহ নাশ।

গাত জ্বৰ, কাহেও, সদায় মুৰটো দোঁৰাই থাকিব খোজে তাৰে ঔষধ

১৮০২) বিহমানৰ শিপা, পনিয়াৰ শিপা এটা, এফাল জালুক দি বটি তপতাই খাব।

গা'ত আদখনিয়া জ্বৰ, পানী ঘনে ঘনে যায়

১৮০৩) কলিয়া তুলসীৰ শিপা, মালভোগ কলৰ শিপা, তিহৰনি ফুলৰ শিপা খুন্দি ৰস লব, তপতাই খাব আদখনিয়া লেং নাশ।

অলিয়া বলিয়া কৰে, তালিটুপলি বান্ধি লৰমাৰে এৰাঁ চৰা ধৰণে হয়, তাকে বলিয়া লেং বোলে তাৰে ঔষধ

১৮০৪) ঔৰ শিপা, পাতিদৈৰ শিপা, তিয়হৰ শিপা, এবুৰি তৰাগুটি বটি কুহমীয়াকৈ তপতাই খাব।

১৮০৫) বকুলৰ শিপা, আকল বিৰৰ শিপা, বড়া ফুটুকাৰ শিপা খুন্দি ৰস তপতাই খাব নাশ।

ফুটা লেং

(উশাহ লওঁতে ফুটে, গাত অলপ জ্বৰ, মুখত পানী নাই)

১৮০৬) মুনি গছৰ শিপা, আমচেঙেলাৰ শিপা, নুফুলা ববচাৰ শিপা তিনিবো ৰস উলিয়াই পগাই খাব।

১৮০৭) ভেৰেণ্ডাৰ শিপা, মাধৈফুলৰ শিপা, চম্পাফুলৰ শিপা, বগৰিগুটিৰ সাহ, কুলিকাইটৰ গুটি বটি তপতাই খাব।

সোপা লেং

(বুকুত সোপামাৰি ধৰে, কাহে, গা'টো জ্বৰ)

১৮০৮) নাহৰ গছৰ ৰঘুমলা, নাপালে আমৰ ভজাৰতীৰ আগ, ৰঙা যুগী এৰীৰ শিপা, লেতিগুটিৰ শিপা, এটা এফাল জালুক, ডেৰটা পিপলি, অলপ মৰাণ আদা সবাকে বটি পগাই খাব।

১৮০৯) সৰু মানিমুনি, তোলোথাপকাৰ শিপা, অলপ আকনৰ আঠা দি পগাই খাব।

তপত লেং

(গাত জ্বৰ, অনবৰত দেইপুৰি থাকে)

১৮১০) বৌমাছৰ পিত, চাউল, মহাতিতা, হাইঠাৰ ছাল, অলপমান বটি তপতাই খাব।

১৮১১) মেটেকাৰ আলু, সৰলতাৰ পাত, ৰাতুলমনিৰ পাত বটি মুৰত ভৰণ দিব, ভৰি তলুৱাতো দিব।

চামহাৰা

(চালৰ তলে মঙহৰ ওপৰে পুৰি ফুৰে, গা মাৰি মুৰ্চ্চৰি নিয়ে)

১৮১২) আম আদাৰ ৰস, জাতি চন্দন দুইকো গাত ঘঁহিব।

১৮১৩) অমৰাৰ আলু, পাতালি কোমোৰা, মেটেকাৰ আলু, কেচা আঠিয়া, পকা আঠিয়া সবৰে খুন্দি ৰস লব, এৰী গাখীৰৰ সৈতে মিলাই তিনি পালি খাব।

পোৰা হাৰা

(গোটেই গা পোৰে, চেঙ চেঙ ভক্ ভক্ কৰে, শৰীৰ ক্ষিনায়, টোপনি নাহে)

১৮১৪) পানী চেঙেৰী, পানী কলমুশাক, মুশাক কেহেক, শেলুক, ভেটফুলৰ মূল, পদুমৰ মোলা, শতমূল, টিয়ঁহৰ জালি, স্থলকমূল, চাল কোমোৰা, কেতেকী, কঠাল, চালকুৱৰীপাত সবাকে খুন্দি চেপি ৰস লব, চাকিব, এৰা গাখীৰে চেনিয়ে মিহলাই খাব।

১৮১৫) বজ্ৰবানিকাইট, সিজুৰ কাইট, গোখুৰ কাইট, ডিমমাথিয়াৰ শিপা, মৌ, আঠিয়া কলৰ শিপা, পুৰা কুঁহিয়াৰ, নৈকাৰৰ কুঁহিয়ৰী লোহিয়া সবাকে খুন্দি ৰস উলিয়াই এৰা গাখীৰ চেনিৰ সৈতে খাব।

অৰ্জীন হাৰা

(পেট ভোট ভোটায়, জিনজিনায়, উগাৰ আহে, পেট উখহি থাকে)

১৮১৬) কাঠাগুা ফুলৰ শিপা, কলিয়া হালধি, জাতি হালধি, জাতি আদা, মৰাণ আদা, হাতী কেবেলাৰ গুটি এটা, পাঁচোটা জালুক, পাঁচটা পিপলি একেলগে বটি বাতিপুৱা শুদা পেটত তিনিদিন তিনি পালি খাব।

কেকহাৰা

(পেট উখহি থাকে, খাব নোৱাৰে)

১৮১৭) মৰাণ আদা, জাতি আদা, তুলালতাৰ মূল, জালুক পাঁচটা, পিপলি পাঁচটা সবাকে বটি পুৰা খাব।

ফুটা হৰা

(সৰ্ব্ব শৰীৰ ফুটে বিন্ধে)

১৮১৮) জেবোয়াৰ গুৰি, কাগুৰ গুৰা, বাঠীৰকুৰাই তিনিকোপুৰি চাই লব, অকলবিৰৰ শিপা সমে বটি লং, বেটু দুটা, জাইফল একাল দি খাব।

১৮১৯) বাত শালিধানৰ তুঁহ, ভেকেগুা এৰাৰ খৰি, গৰু কোবোৰা মাৰি সবাকে জুই জ্বলাই সেক লব।

কোবহৰা

(পেটত কোবৰ দৰে বাঢ়ে, ভোক নালাগে পেট ডাঙৰ হৈ আহে, গা শুকাই যায়)

১৮২০) মৰাণ আদা, সোন্দৰ পথাল চাৰি আঙুল সিজুৰ শিপা চাৰি আঙুল, সূৰ্য্যকান্তি দহ ৰতি বাটি প্ৰভাততে খাব।

উখহ হৰা

(গোটেই গা উখহে, গাৰ তেজ পানী হয়)

১৮২১) সিজুৰ পকাপাত, বিহলঙনিৰ শিপা, ভজাৱতীৰ পাত, হাইঠাৰ চাল, ৰাত মনিৰ পাত সবাকে গুৰি কৰিব, শালি ধানৰ চাউল (তিনি পিঠি) কৰাই গুৰি কৰি, পাঁচটা পিপলি জালুক দি ৰাতি নিমখ দি খাব।

১৮২২) লোহাচুৰ গুৰি, আগুকলৰ গুৰি, কুমাৰ চৰুৰ খোলা দুটকা ডাঙৰ গুৰি, এতোলা তিখাচুৰ গুৰি, ৰূপ আওতা মহীৰগুৰি এতোলা, দেৱোণফুলৰ গুৰি এতোলা, লাতকচিৰ গুৰি চাৰি তোলা, গুনৰাজৰ গুৰি চাৰিতোলা, লাতৰুনৰ দুটকা, জগৰুকোমোৰাৰ গুটি চাৰিটকা, জালুক চাৰিটকা, পিপলি চাৰি টকা, মৰাণ আদা দুটকা, জাতি আদা এটকা সবাকে গুৰি কৰি লব, নিতৌ এতোলাকৈ খাব।

মেনহৰা

(খোচ মাৰি ধৰে, উশাহত ফুটে গাত পাতলীয়া জ্বৰ)

১৮২৩) চেপাৰ কোল পুৰি চাই লব, একুৰি এবিধ কাঁইট পুৰি চাই লব, কেৰাচিন তেল, পছুৰ ভুৰু, কেতেকী ফুলৰ ডিলা, কেটাই কঁঠালৰ আলু কোৱাভাতুৰীৰ মূল, কেহেৰাজ সবাকে বাটি ৰস লব, পাঁচটা জালুক পিপলি দি পগাই খাব।

উদফাই

১৮২৪) মাহতিতা, নীলকণ্ঠ আকনৰ পাতৰ গুৰি, চাৰিটা নেমুটেঙাৰ বাকলিৰ গুৰি চাৰিটকা, জাতি হালধি এটকা, কলীয়া হালধি দুটকা, পিপলি দুটকা সবাকে গুৰি কৰি নিতৌ আধা তোলাকৈ খাব।

১৮২৫) উদে বাগৰা ঠাইৰ মাটি, বাদুলিৰ বাতি (বমি) উদে আধা খোৱা কৰা মাছ ভাজি দেৱাই ছাই কৰিব, বেজৰ থুই সমে বাটি গুৱাক্ চবাই মাংসৰ লগত খাব।

দৰব খুৱাই এআঠু পানীত নামি ভৰিৰে পানী লৰাই থাকিব, ৰোগীয়ে বমি কৰি শেষ নহয় মানে নুঠিবা পাছত এৰাঁ গাখীৰ, কৰ্কৰা ভাত আৰু আঠিয়া কলেৰে সৈতে খাব।

অশৌচ লগাৰ দৰব

১৮২৬) মালভোগ কলৰ থুৰিপাত, কেশৰ, জয়ন্তীফুলৰ শিপা সোঁহাতৰ কেঁএগ্ৰা আঙুলিৰ জোখকৈ তিনি খুতুৰা লব, পাঁচখন তামোল, পাঁচখন পান চুন লগাই আগলী পাতত শাৰী কৈ থব আগকালৰ একে মুখে খাব তেতিয়া অশৌচ হব।

১৮২৭) শাল কাঠৰ নাঙলৰ মুখৰ কাঠ, শালধনা বাত মৌ, পানীৰে লো কাঁড় এপাত পিহি তাৰ লগত বাটি খাব।

হেদালি কামোৰাৰ দৰব

১৮২৮) ভেচেলিমাছ দেৱাই ছাই লব কৰদৈৰ শিপা, আমগছৰ বদুমলা, ৰবৰ কুঁহি বগৰীগুটি সবাকে বাটি খাব।

দুইঘুং

(লৰাৰ ডিঙি সাউত কৰে পানী লগাৰ দৰে হয়)

১৮২৯) নাক ডেয়োনাৰ আগ, ধলাঝুগিয়ৰীৰ আগ, গোমধানৰ গুটি তিনিকো বাতি নেমুটেঙা ৰস আৰু তেলৰ লগত মিলাই মুৰত দিব, ভৰি তলুৱাতো দিব, জুইত সেকিব।

১৮৩০) চতিয়নৰ চাল, ধনা বাহকৰ আগ, ভেটাইতিতাৰ শিপা অলপ হাইঠা চাঁলেৰে বাটি খুৱাব।

মেঘ ঘুং

(ডাৱৰীয়া হলে উকায়, অলপ কাহে ডিঙি বাজে)

১৮৩১) কোৱা ভাতুৰীৰ আলু, ঢেনুসজা, বিহলঙনিৰ শিপা, আম চেঙেলাৰ শিপা, হাতী চেঙেলাৰ শিপা, কটা আজনৰ শিপা সবাকে বাটি জুগলী গাখীৰৰ লগত খাব।

১৮৩২) বন কনাবিৰ আলু পুৰি নিয়ৰত দি থব। একে বৰণীয়া গৰুৰ গাখীৰেৰে খুৱাব।

হেলেভিয়া ঘুং
(হিয়া পিঠি লৰি থাকে তিনিদিন)

১৮৩৩) বেলৰ শিপা, বনবগৰীৰ শিপা, তৰা গুটি, বিলক্ষনিৰ চাল, মূল কেটেলো' পদুৰ ভুক, মৰাণ আদা, জাতি আদা, নটা জলকীয়াৰ লগত বাটি বগৰি গুটিৰ সমান বড়ি কৰি দিনে এটাকৈ খাব।

তেজসাৰ

১৮৩৪) কুকুৰঠেঙিয়া শাক, কনাশিমলুৰ আগ, মেটেকাৰ কুমলিপাত, সূৰ্য্যকান্তি ফুলৰ পাত, ওদালৰ চাল অলপমান, চালনীৰ ওপৰৰ ৰাতশালি ধানৰ চাউল তিনিপিঠি ভাজি কৰাই গুৰি কৰিব, ডেৰটা জালুক, তেৰটা পিপলি আৰু অলপ নিমখ দি খাব।

১৮৩৫) শিমলু কাইটৰ গুৰি, মেদেলুৱা গুটি, আহু তিল, পুৰনি আমগুটি, পুৰনি ভাং, অলপ পুৰনি কঠালৰ ডিলা, পুঁৰৈৰ মূল, বৰবিয়নীসাৰটাৰ গুটি, চালনী ওপৰৰ আহু চাউলৰ লগত ভাজি, ডেৰটামানকৈ জালুক পিপলি লগত অলপ লোণ দি ঢেকী নেগুৰত বহি খাব।

পদুম নলা
(গুহ্যৰ কোষত পদুমৰ চকাৰ দৰে বাঢ়ে)

১৮৩৬) তেজমুইৰ শিপা, বনবেলাৰ শিপা, নাথকলপ তিতাৰ পাত, সৰু নীলকণ্ঠ, কেএৰা গুটি, কলীয়া হালধী, কেতুৰী, মাকৰী ঘিলাৰ শিপা সমে বাটি লিপি দিব।

পাছত - পদুমৰ চকা, কচমাছৰ মুৰ, কুচিয়াৰ মুৰ, কনুৰাবাঁহৰ জেং সকলো শুকাই পুৰি ছাই কৰিব, পানী ওলালে এই ছাই ওপৰত হেঁচি লগাই দিব।

১৮৩৭) তিনিকছৰীয়া উৰন্তীৰ শিপা, কেন্দুৰ শিপা পানীহালনৰ শিপা, কটাই নাহৰৰ শিপা, নেমুটেঙাৰ শিপা, কপাল ফুটা একে বৰনীয়া গৰুৰ গাখীৰত অলপ চেনি দি খাব।

কেচুমুৰীয়া
(গুহ্য কোষৰত কেচু মুৰৰ দৰে ওলায় মুৰেদি তেজ বয়)

১৮৩৮) দেওশামুকৰ চুন, টথকেৰাৰ আঠা (কুজী থৈকেৰা), আমৰ আঠা, ধপাত চিঙোতে হাতত ধৰা আঠা, মৰা কেচুৰ মুৰ সবাকে বাটি লিপি দিব।

বিন্দুসাৰ

(প্ৰস্ৰাৱ কৰোঁতে পোৰে, মুৰে পুজ বয়)

১৮৩৯) কঠাল গছত উঠা আকনবিখি লতাৰ পাত, দেমডেউকাৰ গাঠি, মালভোগ কলৰ শিপা, ঔৰ শিপা পকা ভীমকল, কেঁচা আঠিয়াকল সবাকে খুন্দি পানী দি ৰস লব, এৰা গাখীৰ চেনি মিলাই খাব।

১৮৪০) সৰু মানিমুনি, বৰ মানিমুনি, সিজুৰ আগৰ মজা, দহিকচুৰ শিপা, পৰলালতিৰ গুটি, মাহকৰা (আহুকৰা) ৰ শিপাৰ ছাল, অকলবিৰ শিপা, কেটাই কঠাল সমস্তকে খুন্দি ৰস লব। ভালদৰে চাকি এৰা গাখীৰ মিহলাই দুটা গাঠি ৰাখি ভলুকা বাঁহৰ চুঙা ওভোটাই (আগৰ পিনে) ফুটা উলিয়াই ৰসখিনি ভৰাই ভালদৰে বন্ধ কৰি সাতদিন পানীত পেলাই থব। তাৰ পাছত চেনি মিহলাই খাব গাঠিবদ্ধা বিন্দুসাৰ নাশ।

জ্বৰ

১৮৪১) শুকান নাহৰৰ ফুল পিহি গাত ঘহিব আৰু খাব।

১৮৪২) নাৰ্জিফুলৰ পাত পিহি ভৰি তলুৱাত বান্ধিব।

প্ৰস্ৰাৱত তেজ অহা

১৮৪৩) ভেকুৰীৰ শিপা, ভাতভিতাৰ শিপা, জনিগুটি, উজনিয়া লোণ মিলাই খাব।

বাদুলিয়া মোৰ

(পেট উখহে, বমি কৰে গা জিনজিনায়)

১৮৪৪) কনৰজাৰ শিপা, ভজাৱতীৰ পাত, জালুকৰ পাত, পিপলিৰ শিপা, আউনা পানৰ শিপা, কুকুৰাঠেঙীয়া কনৰ আগ সবকে বাটি বড়ি কৰি আদাৰে সৈতে খাব।

১৮৪৫) দুপতীয়া এৰাৰ শিপা, ঠোটনি শাকৰ আগ, কুঁৱৰীলতাৰ শিপা, ডালিমৰ বাকলি, সুমথিৰাৰ শিপা, বাদুলীয়ে খোৱা কল বাকলি, বাদুলিয়ে খোৱা কঠালৰ ডিলা দুইকো পুৰি খাৰ সবাই লব। ওপৰত কোৱা সামগ্ৰী পিহি খাৰনীৰে সৈতে মিলাই বড়ি কৰিব, সেই বৰি মৰাণ আদাৰে সৈতে খাব।

টাঙোন মৰা মোৰ
(পেটত পতাগুটি যেন হৈ বাগৰি ফুৰে উজাই বুকুত ধৰে, হাত ভৰি কোচাই আনে তাকে টাঙোন মৰা মোৰ বোলে)

১৮৪৬) ভেদাইলতাৰ শিপা, শ্বেতভেদাইৰ শিপা দুইবিধ হালধী (কলা আৰু সাধাৰণ) মৰাণ আদা, গোখোৰকটা নটা, নটা পিপলি আৰু জালুক মিলাই খাব।

জেঠীমোৰ
(গাটো ভৰভৰাই ফুৰে, পেটবয়)

১৮৪৭) বৰপুনিৰ শিপা, ভাতভিতাৰ শিপা তোলোঠাকলীয়া, বগৰী গুটি বৰব্ৰাক্ষ এটাকৈ জেঠীকনীৰ চোকোৰা, ডেৰটাকৈ জালুক পিপলি সৈতে বাটি যাব।

১৮৪৮) দেও তৰাৰ গুটি, গোৰখচইৰ গুটি, লাতবনৰ গুটি বাঁহৰ ভিতৰৰ ঘুনগুৰি সবাকে বাটি সিজাই গাত ঘঁহিব।

তেজৰ দৰৱ

১৮৪৯) বৰজামুগছৰ পাচমুখিয়া, আমলখি, ডালত হোৱা মেতুৰা, কিহত গৰু কোবোৰা দীঘলতি, মাখিয়তী খোৰা বাকলি সবাকে দেবাই চাই কৰি লব।

নাকে তেজপৰাৰ দৰৱ

১৮৫০) সেন্দুৰ বন্ধা কাগজ, চুলিৰ চাই, সেন্দৰ সৈতে নাকেৰে উজাব।

১৮৫১) মৰামকৰা ৫ টা, মাখিৰ মুৰ ৫ টা, হৰিণৰ শিঙৰ চোচৰ লগত বাটি নাকেৰে উজাব।

চকুৰ পিঠিত ঘাঁ হলে

১৮৫২) আমলখি, বেলপাত, শিলিখা, হালধি বাটি লগাব।

কৰ্নতানৰ দৰৱ

১৮৫৩) দোবোনৰ মূল নটা, কলবাকলিৰ খাৰণি তপতাই দিব।

১৮৫৪) কগামৰিচ, আদাৰ ৰস, শ্বেতখাৰ আৰু শামুকৰ সাহ তেলত ভাজি সেই তেল কানত দিব।

কনুমূল (কৰ্নমূল) ৰ দৰৱ

১৮৫৫) কাছমনি, কোমোৰা গুটি, মালভোগ কলৰ আঠা সবাকৈবাটি তপত কৰি

ভিতৰে বাহিৰে লগাব।

গলবেথাৰ দৰব

১৮৫৬) কঠাল মূল গুভোটাই আনি বাটি খাব।

গলহেঙেৰাৰ দৰব

১৮৫৭) কেতেকীৰ পাত, বৰুণৰ পাত বাটি দিব।

গলবিষৰ দৰব

১৮৫৮) চম্পাৰ আগ বাটি দিব।

গলবেথাৰ খোৱাদৰব

১৮৫৯) আদা পাঁচ চকল নেমুটেঙাৰ মূল সমে বাটি খাব।

গলহেঙেৰাৰ দৰব

১৮৬০) তেজমুইৰ ছাল, শিপা, আগিয়াচিতাৰ মূল, পিপলি জলকীয়াৰে সৈতে বাটি খাব।

১৮৬১) আবকচন্দ, কুজী থেকাৰাৰ গুটি গাবো মাহৰ পাত বাটি খাব।

গলশিবাৰ দৰব

১৮৬২) ভলুকা বাঁহৰ চোচ, হাঁহখাজ শাক দুটা তামোলৰ সৈতে বাটি দিব।

১৮৬৩) ভেণ্টাই শিপা, কলামধুৰাৰ শিপা, জতমধু (জেষ্ঠমধু) সমে বাটি দিব।

১৮৬৪) গাঠিয়ন, বনসতৰ পাত, কলবাকলিৰ চাই সমে বাটি দিব।

গলসোপামাৰি দৰে, দুই তিনিদিনলৈ থাকে তাৰে দৰব

১৮৬৫) বাঁহবনৰ শিপা (কোঁহ), কঠালৰ মুচি, কলবাকলি চাই বাটি দিব আৰু খাব।

শিতশূলৰ দৰব

১৮৬৬) চুনৰ পানী, চাউলৰ মদ, কেৰাহীৰ পানী, কলাকাউৰী, আম কছুৰী বাটি দিব খাব।

গৰ্মাৰ (গৰ্মী) দৰব

১৮৬৭) নটা জালুক, চালক কুটা, মানুহৰ গাখীৰ সেন্দুৰ তুতিয়াৰে বাটি মাৰি দিব।

উশাহ ধৰাৰ দৰব

১৮৬৮) বামসৰ, দেওসৰ, ক্লাজল গৌৰী তোৰামাহৰ মুৰ জালুক আদাৰ লগত বাটি

খাব।

পিত্তৰ দৰৱ

১৮৬৯) নীলকণ্ঠ, আৰকচন্দ, চণ্ডিয়নাৰ চাল, সিৰতা, হালধি, কাজল গৌৰী বাহক তিতা, তিনি বছৰীয়া শোকোতা সবাকে শুকাই গুড়ি কৰি খাব।

১৮৭০) আদা কেউৰী, হাৰকেউৰী, সিন্দুলতা, পাতিদৈ মুল, তেজমুই, পীতৰ চাউল যখাৰৰ সৈতে বাটি গুৰি কৰি খাব।

সেনপকৰিয়া লক্ষণ

(বুকুৰে পিঠিয়ে শিল মাৰি ধৰে, উশাহ লব নোৱাৰে।)

১৮৭১) দেৰসৰ, ৰামসৰ, ধনুৰ চোছ, জোৰৰ ধুলা, ৰাৰ বাহকৰ আগ, গুই তিতা, তুৰি মাছৰ মুৰ, খাপৰ ধোবা পানী দি বাটি খাব।

নাভিৰ তলত খামোচি মাৰি ধৰি থাকে দিনত কম বাতি বেছি হয়, দুদিন থাকি এদিন ধৰে

১৮৭২) বনৰাজৰ শিপা, আকনবিধি লতাৰ শিপা বাটি গাখীৰৰ সৈতে খাব।

পেট গিজগিজাই থাকে, ঔ বাকলিৰ দৰে উঠি আহে

১৮৭৩) কাজল গৌৰী, মৰান আদা, লোন, গাঠিয়ন, যখাৰ, সোনবৰিয়াল আৰু বাহক তিতাৰ আগ একোটা সুৰাগেৰে সৈতে বাটি পিলি দিব।

১৮৭৪) গুণৰাজৰ বস, চেঙমৰাৰ বস, দেওতৰাৰ বস, কলপটুৱাৰ বস, দুপৰ টেঙাৰ পাত, অশ্বগন্ধাৰ বস, ক'লাগৰুৰ মুত এই সকলো বস যিমান সিমান কলাখাৰ একেলগ কৰি খাব।

কণ্ঠপীড়া

(তলপেট, গুহ্যদ্বাৰ পোৰে, পানী যেন শৌচ হয়)

১৮৭৫) আকন বিধি লতা, গৰখীয়া কবাই, বনকপাহ, শগুনিলতা, কালজিৰা, বোগজিৰা, জাইফল, শ্বেতভেদালিৰ মুল, শালি চাউল তিনিপিঠি গুড়ি কৰি খাব।

১৮৭৬) বনকপাহৰ গুটি এপোহা, মৰাণ আদা সানি ভাজি একেলগে গুড়ি কৰি খাব।

পেটকঠুৱা হয়, গুহ্যত কামোৰে

১৮৭৭) কোমোৰাৰ গুটি, ঘৰচিৰিকাৰ মাংস, শিলিখা নটা, বনকপুৰা টেঙাৰ বস, মৰাণ আদা, লোন জালুক দি বৰি কৰি খাব।

নাৰেঙাৰ দৰব

১৮৭৮) গেউ ধানৰ চাউল, মৰাণ আদা, তুলসীৰ শিপা বাটি খাব।

নাই গুৰিৰ পৰা আহি থকবাত কামোৰ মাৰি ধৰে

১৮৭৯) আৰকচন্দ, নীলকণ্ঠ, লেতাগুটি, কুছিয়া মাছৰ মুৰ, চেঙগাছৰ মুৰ, বেতৰ গাজা তিনটা, নলগাজা তিনটা, জালুক, পিপলি সমে কেকোৰাগাতৰ পানীত সিজাই খাব।

নাৰিকলি বিষ, পেটত হয়

১৮৮০) নাৰিকলৰ খাৰ, কলাখাৰ এলাচুৰে সৈতে খাব।

১৮৮১) চেঙমৰাৰ আলু, জবাৰ শিপা, ভোগজিৰা, কালজিৰা, লং, জাইফল, নটা জলকীয়া, নটা পিপলি বাটি খাব।

কাছকামুৰি

(পেটে বিষায়, দিমাই কামোৰে কলিজা লৰে)

১৮৮২) নাৰিকলৰ খাৰ. বচৰ মূল, কাছৰ নাক, ফুলা ৰবচাৰ শিপা, আদা তিনি চকলৰ লগত বা ় খাব।

কামুৰিৰ দৰব

১৮৮৩) এৰাগুটি আৰু আগ খাৰণি দি খাব।

১৮৮৪) মৰাণ আদা, জাতি আদা, হাইঠা ছাল, দুৰমণিৰ ৰস, লোন, জালুক পিপলি দি বাটি পগাই খাব।

অগ্নিমন্দৰ দৰব

১৮৮৫) পিপলি, ঘিউ, পুৰনি গুড় আদাৰ পাত, বাগজালি, পিপলি জলকীয়া দি বাটি খাব।

কামুৰি বিষৰ দৰব

১৮৮৬) তিতা কেৰেলাৰ পাত, মৰা পাত নাতি সমান ওখত থকা, জামুৰ চালৰ লগত বাটি খাব।

সন্ধি গ্ৰহণীৰ দৰব

১৮৮৭) আচুকৰীৰ আগ সাতোটা চাপ ধানৰ চাউল সমে ভাজি খাব।

শিলা সঞ্চিত গ্ৰহণী
পেট ফিকি থাকে)

১৮৮৮) দিলাৰ চাই পছল, মৰিছ পিপলি সমে বাটি খাব।

শিলা সঞ্চিত গ্ৰহণী

১৮৮৯) নাবি সমান ওখত থকা আমাৰ চাল, অমৰাৰ চাল পিহি ছাগলীৰ গাখীৰত খাব।

তেজ গ্ৰহণীৰ দৰব

১৮৯০) কুকুৰ সুতাৰ মূল, বনকপাহৰ মূল, পুলি শিমলুৰ মূল, আকনবিষ্কাৰ পাত সমে বাটি খাব।

তেজ - সাওঁ গ্ৰহণীৰ দৰব

১৮৯১) গৰখীয়া কৰাইৰ শিপা জলকীয়া আঢ়েটাৰ লগত বাটি খাব।

তেজগ্ৰহণীৰ দৰব

১৮৯২) তিনি বছৰীয়া তামোলৰ খোত সালধুনা সমে বাতি খাব।

১৮৯৩) আমঠু অমৰাৰ চাল, চেঙেলি টেঙা সমে বাটি খাব।

১৮৯৪) সুই লতাৰ আগ নটা, জাবেমৰিৰ আগ নটা, তেলত ভাজি লোন দি খাব।

১৮৯৫) বেলপাতৰ লগত এটা লং বাতি গৰম কৰি খাব।

শাওমূলা

১৮৯৫) সৰু সোনবৰিয়ালৰ মূল গুড়াকৰি খাব।

ককাল ব্যথি

১৮৯৭) আঠিয়া কলৰ মূল, বৰচাৰ মূল, কঠালৰ মুচি, কাঁচমনি চেনিমাছৰ লগত বাঙ্কি খাব।

ককাল সৰিয়া

১৮৯৮) দুধকচুৰ মূল, তাৰ ঠাৰি সাত আঙুল, মিছা মাছ নটাকে, জালুক, পিপলি সমে তিনি আঙুলিৰে চেপি লোণ দি বাঙ্কি খাব।

জ্বৰ খাপৰি বাঢ়ি যায় তাৰ দৰব

১৮৯৯) অপমৰ্গে খাব? কলাখাব, পাতিদৈ খাব, যখাৰ আৰু লোণ গুড়ি কৰি খাব।

১৯০০) বিলাৰ সাহ হাঁহকণীৰ লগত বাঙ্কি খাব।

চালৰ ওপৰত খলপাবাদ্ধে

১৯০১) আগিয়া চিতা, পাতিদৈমুঢ়া পিহি পেটত পাত পাৰি বান্ধি থব।

শিলা খাপৰি

(দক্ষিণ কোষে অৰ্থাৎ সোঁফালে খাপৰৰ মাজত শিল যেন টান হয়)

১৯০২) চাম ঘাঁহৰ পাত, ইহৰ মূল, গুঁইতিতা, মৰাণ আদা, চয়ন্ত (চতিয়না) ৰ মূল, তেজমুই, যখাৰ সমস্ততে খুন্দি সিজাই খাব।

১৯০৩) বাংচিত্ৰ এপোৱা, যখাৰ এপোৱা, লোন এপোৱা একেলগে মিহলাই টেকেলিত ভৰাই মুখবন্ধি মাটিলিপি জুইত পুৰিব, পাছদিনা বড়ি একমহা জোখত খাব। জলখাপৰি, বিচনিয়া ছামধৰা, কলাকুলিয়া আদি ভাল হব।

মৌ-বিচনীয়া

(নাভিৰ পৰা খমলা বান্ধি বাঢ়ে)

১৯০৪) যখাৰ, চামাকচু, কোটাহি বেঙেনা, মৰিচ-পিপলি সমে বাটি প্ৰভাতে খাব।

১৯০৫) আদা, যখাৰ লোণ দি পগাই খাব।

১৯০৬) বিহবান, বিলাহী, বেঙেনাৰ গছ, বনগছ, ৰামবাহক, জাতিবাহক, কলৰ মাদা, গুই তিতা, হাবঘুনুনা, আদা, চোৰাতৰ শিপা, তেজমুই, ৰত্ত চিতা, বকলৰ চাল, মৰিচ-পিপলি দি পগাই খাব।

কাঠীয়াৰ দৰৱ

১৯০৭) কলখাৰ, পুনিখাৰ, মগুৰখাৰ, বিহবলা অপমাৰ্গ, বাৰমহিয়া বেঙেনাৰ গছ, আচুকাঠ, নেগুৰিয়া শামুকৰ চুন, ৰক্তচিতা, আদা গৰুৰ মুত লোন জালুক দি পগাই খাব।

গোটেই গা উখহে, ভোক নালাগে, শৌচ কৰে

১৯০৮) বনশঠৰ আগ, কেবেলাৰ বিচি, ৰবলতাৰ ৰস, আচুকাঠৰ ৰস, মিচকুৰিৰ ৰস একেলগে নতুন টেকেলিত ভৰাই তিনদিন থব, প্ৰভাতে খাব।

হৰকৰা

(বেলপাত তুলসীপাত চোবাই খাব যদি সেই গোছৰ উগাৰ আহে হয় যদি অন্য গোন্ধৰ উগাৰ আহে তেনে নহয়)

১৯০৯) আচুকাঠৰ আগ সাতোটা, কাজল গৌৰী সূৰ্য্যকান্তি ফুলৰ শিপা, কনাবিৰ পাত, বৰ আদাৰ পাত বাটি ৰসলৈ একেবৰণীয়া গৰু গাখীৰত মাৰি খাব।

কফৰা হবা

১৯১০) কথন্দা (কথনা) ৰ শিপা আঠেটা মৰিচ-পিপলি সমে বাটি খাব।

লিঙ্গগাদী ধৰনা

(মৈথুনৰ সময়ত নাৰী পোৰে, বলহীন)

১৯১১) পুৰণি খোলা গুৰি এতোলা, পুৰণি আমলখিৰ গুটি এতোলা, জাইফলৰ গুৰি এতোলা, জুনধানৰ (য-ধানৰ) চাউল তিনিপিঠি, বনৰজাৰ মূল, জনি তিনি সেৰ, এসেৰ ঘিউত কুমাৰী চকত বান্ধি অলপ খাব।

মাৰোৰা

(লিঙ্গদ্বাৰে তেজ ওলায়)

১৯১২) যুগী এৰিৰ লেটা ঘিউত ভাজি খাব।

১৯১৩) মৰা পাত সাতোটা, ভলুকা বাঁহৰ পকাপাত, কংকন ৰুদ্রাক্ষ বাটি খাব।

মুত্রশূলৰ দৰৱ

১৯১৪) শিগু বীৰ পাত, কৰ্দৈ আঠেটা মৰিচ পিপলি সহ ন্যৰমাছ ৰান্ধি খাব।

১৯১৫) কেতেকী কঠালৰ ৰস, কুঁহিয়াৰৰ ৰস, যথাৰ এমহাৰ লগত খাব।

জলসাৰ

১৯১৬) ক'লা গাইৰ মুত, পচতিয়াৰ পাত নটা, গোন্ধ পান, সন্ধ্যা লোণ দি বাটি খাব।

১৯১৭) আমলখি সন্ধ্যা লোণ সমে খাব।

জিকিৰিৰ দৰৱ

১৯১৮) কোমোৰা, বনকুঁহিয়াৰৰ ৰস, এৰা গাখীৰৰ সৈতে খাব।

অজীৰ্ণ মধুসাৰ

১৯১৯) ক'লা অপৰাজিতাৰ মূল তপত পানীত মাৰি খাব।

বিন্দুসাৰ

১৯২০) বেলপাত আঠোটা, জাতি চন্দন, ৰক্তচন্দন, কলীয়া তুলসী, চেনি যথাৰ সম খাব।

চাল মুদগৰ (চালত হয়)

১৯২১) শিলিখা, আমলখি চালৰ গুৰা, মৰিচ সহ বাটি লিপি দিব।

লিঙ্গত আঁঠা হয়

১৯২২) শিলিখা, হাঁইঠাৰ চাল বাটি ঘঁহি দিব।

বাব্দৰ সেলা

১৯২৩) দুবৰিৰ চাঁই তেলসমে লগাব।

১৯২৪) বৰ বিয়নি সাবটা তলিয়াৰ ৰসে বাতি দিব।

একুঁহিয়াৰৰ দৰৰ

১৯২৫) জাবেসৰি শাক বাতি সোঁফালে হলে বাওঁহাতৰ বুঢ়া আঙুলিত, বাওঁফালে হলে সোঁ হাতৰ বুঢ়া আঙুলিত লিপি থব।

১৯২৬) আকনৰ আঠা, সেন্দুৰ, দাৰমুখ, তুতিয়া, জীয়া গৰৈমাছ বাটি লিপি দিব।

মেলেৰিয়া ৰোগৰ চিকিৎসা

১৯২৭) বিকিউজি পাতৰ ৰস, আদা আৰু নিমখ মিহলাই ২ চামুচ গৰম কৰি বাতিপুৱা আৰু গধুলি দিনত দুই বাৰকৈ খাব।

নিউমোনিয়া ৰোগৰ চিকিৎসা

১৯২৮) নাম নাজানা গাছ (দেখিবলৈ দীঘল সেউজীয়া পাতৰ আৰু সৰু সৰু বগা ফুল) ৰ মাজৰ অংশ (কাণ্ড) ধুই ভালকৈ বতিব। ১০০ গ্ৰাম শুকান জলকীয়া, ৪০ টা লং আৰু বাতি থোৱা গাছৰ জাজৰ কাণ্ড ২৫ গ্ৰাম গৰম কৰি দিনত দুই বাৰকৈ পানীৰ লগত খাব।

পেচাবত পাথৰ হলে তাৰ চিকিৎসা

১৯২৯) তেতেলি গছৰ পাতৰ দৰে ("আংলাৰ হতিনা" বিষ্ণুপ্ৰিয়া মনিপুৰী শব্দ) হৰি নাম জপ কৰি সেই গছৰ সাতটা আগ পাত চিঙি আনি ভাল দৰে ধুই বতি খাব। বেমাৰ ভাল হব। তাৰ বাবে আধুনিক Operation ৰ কোনো প্ৰয়োজন নাই।

দাদ, বিখাউজ আৰু গৰুল ৰোগৰ চিকিৎসা

১৯৩০) যি কোনো সাপৰ চকলা, কাটা খুতুৰা শাক ১ মুঠা, সিদল মাছ (শুকান পুঠি মাছৰ মচা), নাৰিকলৰ খোলা এটাত ভালদৰে বাটি তাৰ লগত ১০০ গ্ৰাম তেল মিহলাই দিনত দুইবাৰ লগাই দিব। বেমাৰ ভাল হব।

জণ্ডিচৰ চিকিৎসা

১৯৩১) শেৱালী ফুলৰ পাত, অলপমান আদা, লং ১০ টা এই তিনি বিধ একে লগে বাতি বড়ি বনাই ৰোগীক ৰাতিপুৱা আৰু গধুলি খালি পেটত খাব দিব। পথ্য ঃ হালধি আৰু ভাজা পুৰা মাছ খাব নিদিব। তেলাল মাছ যেনে বৰালী, ৰৌ, পুঠি ইত্যাদি মাছ খোৱা নিষেধ।

বাত বেমাৰ (গাঠিয়া বাত) ৰ চিকিৎসা

১৯৩২) ইলাচী ৫ গ্ৰাম, লং ৫ গ্ৰাম, যকৃত ৫ গ্ৰাম, জয়ফল ১ টা সমস্তকে একে লগে বাতি তাৰ পৰা ৬০ টা বড়ি বনাই ৰাতিপুৱা আৰু গধুলি এটাকৈ খাব। পথ্য ঃ ৰঙা লাউ, মাহৰ দালী আৰু তেলাল মাছ খোৱা নিষেধ।

পেটৰ আৰু সুতিকা ৰোগৰ চিকিৎসা

১৯৩৩) জালুক ৫০ গ্ৰাম, জঙ্গী হৰিতকী ২৫০ গ্ৰাম, ছানা পাত ১০ গ্ৰাম, কলা নিমখ ৫০ গ্ৰাম, নহৰ এটুকুৰা সমস্তৰে একে লগ কৰি বতি সৰু বড়ি কৰি ক'লা গৰুৰ মুতত এক ৰাতি তিয়াই থৈ তুলি থব। ভাত খোৱাৰ পাছত প্ৰায় ১০০ টা মান বড়ি ৰোগীক খোৱালে ৰোগ ভাল হয়। তাৰ বাবে কোনো চিকিৎসাৰ প্ৰয়োজন নাই।

হাতৰ আঙুলি চুইত লাগিলে

১৯৩৪) ৰিকিউজ্জি লতা ২ টা, আদা ২ গ্ৰাম, জালুক ৩ টা আৰু সামান্য নিমখ প্ৰত্যেক.বোৰ বাতি সহ্য কৰিব পৰা গৰম কৰি তাৰে আধা ভাগ আঙুলিত লগাব। তাৰ কিছু সময় পিছত বাকী খিনি অলপ গৰম কৰি দ্বিতীয় বাৰ লগালে উক্ত ৰোগ ভাল হয়।

গৰল লাগিলে তাৰ চিকিৎসা

১৯৩৫) আঠিয়া কলৰ শুকান বাকলি পুৰি তাৰ ছাই সামান্য, অকনমান চুন আৰু নাৰিকলৰ তেল মিহলাই গৰল হোৱা ঠাইত লগালে খুব উপকাৰ পোৱা যায়।

কুকুৰে কামোৰাৰ

১৯৩৬) কথনা ফুলৰ শিপা চাৰি আঙুল, বগা অপৰাজিতাৰ শিপা চাৰি আঙুল, দক্ষিণ ফালৰ বগা কৰবীৰ ছাল বা হালধীয়া ছাল দক্ষিণ ফালৰ ২ আঙুল নাইৰ পোনৰ জোখ লৈ আনিব। শুকান শিলিখা ৭ টা ডালিমৰ গুটিৰ সৈতে

শুকান ছাল ১ মহা, শুকান ভাং-এমহা আটাই বিলাক ভাতি জালুক, জনি তাৰ লগত মিহলি কৰি ৭ টা বড়ি কৰি সাত দিন খাব। গৰুৰ গৰম গাখীৰত খাব।

দৰবৰ গুণ হোবা নেহোবা প্ৰমান চাবৰ হলে হাঁহৰ মঙ্গহ খৰিছা ইত্যাদি খুৱালে প্ৰমান পাব। যদি তাৰ বাকী থাকে তেনেহলে ৰোগীৰ গা অলপ পুৰিব জিনজিন জানুজান্ কৰিব। পুনৰ চাৰি পালি খালে ভাল হ'ব।

আলক্ষনীৰ দৰব

১৯৩৭) কেটকোৰাৰ পাত ৭ টা বাটি তাৰ ৰস খাব।

১৯৩৮) কেটকোৰাৰ পাত ৭ টা পদুনাৰ আগ ৭ টা, কাফুৰ আধা মহা, নেমুটেঙাৰ আগ ৭ টা, ডালিমৰ শুকান ছাল আধামহা, কলা নিমখ আধামহা, জালুক ১০ টা, পকা পান ১ খিলা, মনিগুটি ১ মহা, শিলিখা ৭ টা আটাইকে বাতি খুৱাব।

দাত পোকৰ দৰব

১৯৩৯) আকনৰ আঠা তুলাৰ সৈতে দাতৰ গুৰিত লগালে ভাল হব।

নাবেঙ্গাৰ দৰব

১৯৪০) মৰান আদাৰ ৰস ২ টকা, কফুৰ ১ মহা, কানি আধামহা, জালুক, পিপলি ১ মহা মিহলাই আটাইকে বাটি খুৱাব। ভাল হ'ব।

মাইকী মানুহৰ পাচ নাহিলে

১৯৪১) কথনাৰ সৰাফুল, হিজলৰ সৰা ফুল দুইকো মিহলাই পানীত মোহাৰি খাব।

১৯৪২) ডালচেনি পানীৰ সৈতে মোহাৰি খাব। পেটত ঘঁহি দিব ভাল হ'ব।

লেঙৰ দৰব

(কুহকুহিয়া জ্বৰ তাহমাৰি ধৰে, কাঁহি থাকে)

১৯৪৩) কফুৰ ১ মহা, মৰান আদা ২ টকা, জালুক ২১ টা মৌৰ সৈতে মিহলাই তিনি পালি কৰি খাব।

জ্বৰৰ দৰব

১৯৪৪)- শগুনী লতাৰ পাত, ভেদাই-লতাৰ পাত, নেমুটেঙাৰ পাত সকলোকে পাঁচ সেৰ মান পানীত সিজাই আধাসেৰ কৰিব। মৌৰ সৈতে মিহলাই খাব। বটলত ভৰাই ভালকৈ বান্ধিব।

পথ্য ঃ লোন, উখুৱা চাউলৰ ভাত খাব।

গ্ৰহণী

১৯৪৫) কথনাৰ কুঁহিপাত, সৰু বৰ মানিমুনি আকনৰ কুঁহিপাত, ধুতুৰাৰ কোঁহপাত বাটি ১ টকাৰ জোখত ১ মহা কানি দিব। প্ৰত্যেক দিন খাব তিন পালিকৈ। পথ্য ঃ পুৰনা চাউলৰ ভাত, কাঠ মাছ, টেঙা খাব।

মাইকী মানুহৰ সন্তান নহলে

১৯৪৬) ঘৰাতেকেলা মেকুৰী বহুদিন ঘৰত বাস কৰিব লাগে, সেই মেকুৰীৰ তেজ, আকনৰ তুলা লাগে পূশ্যা নক্ষত্ৰ হ'ব লাগে। তেজ কানৰ ওচৰৰ হ'ব লাগে। তুলাত লগাই গা ধুব দিনাই লগাই দিব। (পুৰুষে দিব) সন্তান হ'ব।

১৯৪৭) মালভোগ কলৰ মাজত গুবৰুৱাৰ পেটু, গেৰেলাৰ গু, সোপা, বৰঘৰৰ দক্ষিণ ফালৰ ছালৰ কুটা কলৰ মাজত গুমাই খাব। মালভোগ কলৰ মাজত সোমাই দিব এটা ২ টাকৈ প্ৰতিদিনে খাব। তিনিদিন।

কলবিহাৰৰ দাক

১৯৪৮) গোৰোকচৈ বাতবাজ, বিহলেঙি, বিহঢেকীয়া, কেশবাজ, দুবৰি, দাবাচা, বিৰিণাৰ মূল, মৰাণ আদা, জাতি আদা, জালুক, পিপলি বাটি খাব বাত বিষ নাশ।

গাঠিয়া মুদগৰৰ দাক

১৯৪৯) তেপোৰৰ চাল, অশোকৰ চাল, বৰহি লতাৰ মূল, কাঠমনিৰ মূল, পকাপান সবাকে বাটি খাব নাশ। গাত ঘহিব আৰু তাৰ সিঠা ভৰণ দিব।

১৯৫০) দুদ খুৰিবা বাৰি, তুলসী, ছাগলীৰ গাখীৰ সবাকে মথি ঘৰণ দিব।

বলিয়া লেজৰ দাক

১৯৫১) গুণবাজ, নালকণ্ঠ, বোনজবা, অৰ্দ্ধেক লিপি দিব আৰু বাটি খাব।

১৯৫২) গুণবাজ, কাঠমনি, জালুক, পিপলি সমে খাব।

বাঘেখোৱাৰ দাক

১৯৫৩) তিতাপুই, বাই বাঘিনী, তিয়হৰ গুটি. তাৰ বাকল, কলা খাব, নীলকণ্ঠ বাটি খাব।

বাজপিৰাৰ দাক

১৯৫৪) ডালিম, ৰ ভোলা, জপৰা আলু বাতি দিব। খাজুলিৰ মূল, কাতাবলিয়াৰ ছাল মৌ দি গা ধুব।

১৯৫৫) বোনচিঁ, তিতাপুই, নাগবিৰ চাল, লং ৰ তোলা, বাজাকলৰ শিপা, শিলিখা, আকাল বিৰৰ শিপা, গাখীৰৰ লগত খাব।

১৯৫৬) ঔৰফুল, আজ্ঞাচিতা দুইকো বাটি খাব।

কেচেমুৰি

১৯৫৭) ভীমকলৰ পকা বাগলা, বৰউ নাখেৰৰ আলু তাৰ চাল সমানে বৰচুবায়েকৰ চাল তিনিকো একত্রে বাটি খুৱাব।

দাতৰ দাক

১৯৫৮) কেহ্‌বাজ, সক মানিমুনি, আদা সমে খাব।

মোৰৰ দৰৰ

১৯৫৯) ঘোৰা দিয়াবাৰ আগ ৮ টা, আগৰাৰ আগ ৫ টা বাটি খাব।

১৯৬০) নেথেনিয়া, কেহ্‌বাজ, মানিমুনি, পিপলি, জালুক ৫ টা সবাৰো ৰস পাগে খাব।

১৯৬১) বিহলেঙি, জালেবৰিয়াল, দাবাচা, সক মানিমুনি নেথোনিয়া তাৰ মূল লোন, বাচৰ ৰস এক তোলা পিপলি ২১ টা, জালুক ২১ টা, জবাৰ সিন্নাৰ এক তোলা মৌ দি বাতি খাব।

বগাছুৰ দাক

১৯৬২) মৌ, সঠামূল, মাকই, ১৩ টা জালুক বাটি খাব।

১৯৬৩) চালৰ ধেকিয়া, কাঠিৰ খুতুৰা বাটি খাব।

শুকান বাছু

(গা কুচি আহে, নাভিৰ পৰা পাক মাৰি ধৰে, ঘনে বাতি আহে, নাভিৰ কাষেদি উঠি আহে)

১৯৬৪) জাতি এবাৰ মূল, বাৰ পকনা পুৰি গাভ বহিব।

নাভিৰ পৰা উৰ্দ্ধক জা

১৯৬৫) কাজল গৌৰি, আবৰুচানা, নীলকণ্ঠ, ৰোগধুৰৰ চাল, মৰিচ পিপলি দি বাটি খাব।

তেজসূল

১৯৬৬) বনবৌৰ শিপা, ডালিমৰ ৰস গাখীৰে দি খাব নাশ।

সৰ্ব্বদাক

১৯৬৭) লং, ভোগজিৰা, কালজিৰা, গুৱামৰি, হিমৰাজ, কেহৰাজ, মিথি, হালধি, মহানিম, তুলসী, নেমুটেঙা, জবাপাত, পনৰু, জালুক, নাৰী তিতাৰ মূৰা পিপলি সমে বাটি খাব।

কুঠিয়া মোৰৰ দাক

১৯৬৮) চেঙা মোৰ, লেদেকা, তেজমুই কোবাভাতুৰি লৰনু খাব।

পেট বিষৰ দৰৱ

১৯৬৯) শুকান থৈকাৰা অলপ পানীত কিছু সময় তিয়াই ৰাখি তাৰ পানী এচামুচ খোৱাব লাগে। এই দৰৱ ৰাতি পুৱা আৰু গধূলী দিনে দুবাৰ খোৱাব।

গাঠি বিষ

১৯৭০) উঁই হাফলুৰ মাটি পানীৰ লগত মিলাই বোকাৰ নিচিনা কৰি সানি থলে গাঠি বিষ কমে।

১৯৭১) শিশুৰ তেল গাঠি বিষত লগালে ভাল পোৱা যায়।

মৃগী ৰোগ

১৯৭২) বচ গুৰি মৌৰ সৈতে খাব। দৰৱ খোৱা কেইদিন মাত্র গাখীৰ ভাত ৰোগীক খাবলৈ দিব। অন্য একো বস্তু নাখাব। এই দৰৱে পুৰণা ৰোগ ভাল কৰে।

১৯৭৩) কেঁচা হালধি পুৰি তাৰ ধোঁৱা শুঙিলে মৃগী ৰোগ ভাল হয়।

মূৰ্চ্ছা যোৱা ৰোগ

১৯৭৪) শতমূলৰ ৰস ২৫ গ্রাম, ১/২ গিলাছ গাখীৰৰ লগত মিহলাই প্রায় চয় মাহ একে ৰাহে খাব।

হৃদৰোগ

১৯৭৫) অৰ্জ্জুন গছৰ ছালৰ গুৰি ৫০ গ্রাম, মিঠ ১০ গ্রাম, ২০০ গ্রাম গাখীৰৰ লগত মিলাই খাব।

১৯৭৬) অৰ্জ্জুন গছৰ ছাল দুই তোলা, পানী তেৰ পোৱা, আৰু গাখীৰ আধা পোৱা, সকলো মিলাই সিজাব। সিজাই আধা পোৱা মান ৰাখি ব্যৱহাৰ কৰিলে বেছি উপকাৰ হয়, তেজৰ চাপত ও ভাল ফল পোৱা যায়।

১৯৭৭) হৃদৰোগৰ কাৰণে অৰ্জ্জুন গছৰ ছাল ভাল ধৰণে খুন্দি পানীত সিজাই চাহৰ দৰে খাব লাগে। এই দৰৱ ৭/১৫ দিন মান একে ৰাহে খাব লাগে।

মোৰৰ দৰব

১৯৭৮) কাউৰী, মনিৰ শিপা, টং লতিৰ শিপা, বিহলঙনীৰ শিপা খুন্দি খোৱাব লাগে।

উশাহ কুটনিৰ দৰব

১৯৭৯) চতিয়নাৰ পূৰ দিশৰ ছাল, কেতাহি জমুনা এটা, শুকান মাছ অলপ ওকে লগে খুন্দি পানী খোৱাব লাগে।

খাপৰিৰ দৰব

১৯৮০) হাতী কুহিয়াৰ এচকল, বাম আদা এচকল, গৰুও পৰ্কী এচকল সিজায় পানী খোৱাব লাগে।

বিঃ দ্রঃ - জীয়ানাহৰ গছত থকা গৰুও পৰ্কী হলে বেচি উপকাৰী।

মুত গৰৰ দৰব

১৯৮১) যমলাখুটি চাবি আঙুলকৈ ৩ চকল, মানিমুনি বন একোচা, জালুক ৭ টা একেলগে খুন্দি পানী খোৱাব লাগে।

চাউনীয়া বা চাহনী

১৯৮২) বন জালুক, গৰু মুত বন (গৰখীয় কবাই) জালুক, টাৰ লগত খুন্দি পানী খোৱাব।

জখোৱা দৰব

১৯৮৩) জৰ ঢেকীয়াৰ পাত, কেটাহী জমুনা এটা খুন্দিলৈ মহৰশিং অলপ পুৰি পানীত খচি খোৱাব।

হেন্দালি কামোৰনি অৰ্থাৎ সন্তান জন্ম হোৱাৰ পাচত মাকৰ পেট কামোৰা দৰব

১৯৮৪) সুমথিৰাৰ শুকান বাকলি, দহী কচুৰ আলু ৩ চকল (এক আঙুলকৈ), জালুক ১ টা ভালকৈ খুন্দি সমানে তিনি ভাগ কৰি ৩ বাৰ খাব লাগে।

নিমুনিয়া

১৯৮৫) বন কেহেৰুৰ আগ তিনিটা, বৰু গছৰ আগ ৩ টা, ধুৰাই লতাৰ আগ ৩ টা, লজা মাৰুলি আগ ৩ টা, জালুক ১ বা ২১ টা খুন্দি বাঁহৰ চুঙাত সিজায় পানী খোৱাব লাগে। এনেদৰে জ্বৰ ভাল হোৱাৰ পাচলৈকে খুৱাই থাকিব লাগে। তেহে সম্পূৰ্ণ আৰোগ্য হব।

বিঃ দ্রঃ ওপৰত উল্লেখ কৰা দৰব সমূহ প্ৰতিটোৰ তিনি পালিকৈ খোৱাব লাগে। ডাক্তৰৰ দৰব দিয়াৰ পাচত বন দৰব নিদিয়াই ভাল।

জণী গ্ৰহণী

১১৮৬) ৰবাব টেঙাৰ ৰস এক গ্ৰাম আৰু চাহ চামোচৰে একচামুচ চেনি মিলাই একত্ৰিশ দিন খালি পেটত খাব।

বতিৰ দৰব

১১৮৭) ভোগ কচুৰ আলু ২৫০ গ্ৰাম সিজাই খাব আৰু বাতি মিঠা তেলত দুটা নহৰু আৰু এটা মটৰ মাহৰ পৰিমানৰ হিং দি গৰম কৰি গুৰৰ সময়ত মালিচ কৰিব।

মটিয়াখাৰ

১১৮৮) বগৰী পাতৰ ৰস চাৰি চামোচ আৰু কুহিয়াৰৰ গুড় এক চামোচ মিলাই প্ৰায় পাচ দিন সূৰ্য্য উদয়ৰ আগতে বাহি পেটত খাব।

পুৰণা কফৰ

১১৮৯) শিলিখাৰ চাল আধা কিলো, শুকান আদা ২০ গ্ৰাম, যষ্ঠি মধু ১০ গ্ৰাম, দুই কিলো পানীত সিজাই প্ৰায় ২৫০ গ্ৰাম ৰস থাকোতে নমাই ৰাখিব প্ৰায় দহ দিন খাব।

পুৰণা বিষৰ

১১৯০) শিঙা পাত চাৰিটা, এটা চেঙেলী মাছ, জালুক ৩ টা, দি সিজাই ভাতৰ লগত প্ৰায় এক পোৱা ৰস পাঁচ দিন খাব।

উকিৰ

১১৯১) দ্ৰোনৰ পাতৰ ৰসেৰে কিছু সময় তিয়া মুৰ ৰাখি ধুব।

লিভাৰৰ

১১৯২) কাজল মুলৰ লগত থকা কলি অমিতা এটা, ১ গলাছ পানীৰ লগত খুৱাব তিনিদিন পুৱা শুদা পেটত।

পিত্তৰ কাৰণে

১১৯৩) এটা ফুল থকা অমিতাৰ কলি, এক চামোচ চেনিৰ সৈতে খালি পেতত পুৱা তিনিদিন খাব।

হাপানী

১৯৯৪) পহঁতা চৰাই ১৫ টা মান দুদিন বান্ধি থৈ (অৰ্থাৎ পহঁটা চুকলীত পেট খালি) এক পোৱা পানীত কলা নিমখ দি দুদিন থৈ একপোৱা পানীত সিজাব। এক চতাক মান পানী ৰাখিব আৰু পুৱা খালি পেটত পাঁচ চামোচ ৭ দিন মান খালে হাপানী ৰোগ ভাল হয়।

সাৰ বা জণ্ডিছ

১৯৯৫) পকা ভীম কল, দহিকচু চালি একে বৰণীয়া গৰু গাখীৰৰ লগত শুদাপেতত পুৱা খুৱাব।

১৯৯৬) পনিয়ালৰ শিপা, জালুক আৰু কালজিৰা পিহি বড়ি কৰিব। দিনে ৩ টাকৈ খুৱাব।

পেচাব হালধীয়া হলে

১৯৯৭) শৰা গছৰ পাত, মিচিৰি, বগা ফুল আৰু টোকমাহ ৰাতি তিয়াই থৈ পুৱা খালি পেটত খুৱাব।

মাইকী মানুহৰ নোৱাৰা হলে পেট কামুৰিলে

১৯৯৮) ধপাত তিতা পাত আৰু বচ পাত খুন্দি খালি পেটত খুৱাব।

সৰু লৰা ছোৱালীৰ হাপানী ব উদফাই অৰ্থাৎ হেগোলা বেমাৰ হলে

১৯৯৯) চুক ভেকুলীৰ জিভা পকা মালভোগ কলৰ লগত খুৱাব।

টনচিল পকা বা পুজ ওলোৱা

২০০০) কপৌ ফুলৰ পাত জুইত সেকি ৰস উলিয়াই দিনে ২/১ দিন দিব। ই সত্তৰ কেনচাৰৰো ঔষধ হব।

এজমা

২০০১) বয়সীয়া মানুহৰ হাপানী বেমাৰৰ প্ৰথম অৱস্থাতে মোন ফুলৰ আগ, পাত (গোড়তেই আগটো), তিনিটা জালুক আৰু তিনিটা পানৰ বুঢ়া আদা খুন্দি ৩ পালি পুৱা খালে বেমাৰ ভাল হয়।

কেঁচুমুৰীয়া

২০০২) পথ্য : ১) এৰি পলু (কেচেক গছৰ পাত খোৱা)

২) কৰকৰা ভাত

৩) জগিঐ গছৰ পাতৰ আগ।

প্ৰস্তুত কৰাৰ নিয়ম :- এগিলাচ পানীত উক্ত গছৰ আগ পাত ৫/৭ টা, এৰিপলু তিনিটাৰ লগত উতলাব লাগে। আধা ঘণ্টামান উতলাই সম্পূৰ্ণ শুকাই যোৱাৰ আগতে নমাব লাগে। সূৰ্য্য ওলোৱা ফালে মুৰ কৰি ওপৰত ঔষধ খিনি কৰকৰা ভাতৰ লগত (ঠাণ্ডা অৱস্থাত) তিনিভাগ কৰি লৈ বাহি পেটত খাব লাগে। এইদৰে আৱশ্যক অনুযায়ী ১০/১৫ দিনৰ মূৰত ২/৪ বাৰ খালে অসুখ ভাল পাব। ঔষধটো গধূলি বনাই ৰাখি পিচদিনা পুৱা খাব লাগে।

নিমখ, হালধী বা মছলা আদি ব্যৱহাৰ কৰিব নালাগে। খাওঁতাই নিজৰ নীতি অনুযায়ী ভগৱানৰ মন্দিৰত অৰিহনা আগবঢ়াব।

গেচ্‌টিকৰ দৰৱ

২০০৩) গছ বিৰিঙা শিপা ৪/৫ জোপা আনি কেঁকলগে গোটাই পানীত ভাল মতে ধুই এটা বাচনত ৮ ঘণ্টা মান সিজাব লাগে। শিপা খিনি আৰু তাৰ বাকলি সহ খুন্দি লব লাগে। পিচত সিজাব। সিজোৱাৰ পাচত চেচা হলে চাকি পানী খিনিয়ে ঔষধ হল।

দৈনিক দুই বাৰ, পুৱা আৰু গধূলি খালি পেটত খাব। এক বাৰত ঔষধ প্ৰায় ২ ছটাক খাব। আনবস্তু খোৱাৰ নিষেধ ৰঙা লাউৰ টৰকাৰি, কচু, জলাপুৰা আদি বস্তু নাখাব। এই ঔষধ প্ৰায় দুই সেৰমান ব্যৱহাৰ কৰিলে গেচ্‌টিক সমুলঞ্চে ভাল হব।

মাইকী মানুহৰ (বিবাহিতা তিবোতাৰ) বহু পৰিমানে গাজোৱা বা তেজজোৱা বন্ধ কৰা ঔষধ

২০০৪) ভেদেলী লতাৰ শিপা ৪ আঙুল মান দীঘল চিঙি আনি ধুই চাফা কৰি খুন্দি অলপ চেচা পানীত মিহলাই প্ৰায় ২ চামুচ ওজনৰ ৩ পালি খাব। মাত্ৰ এদিন হে খাব। উক্ত বেমাৰ ভাল হব।

কেঁশাৰ আৰু টনাটিলৰ ঔষধ

২০০৫) সৰু কথনা গছৰ শিপা আনি ধুই চাফা কৰি খুন্দি অলপ চেচা পানীৰ লগত মিলাই ঔষধ খিনি তিনি ভাগ কৰি ৰাতিপুৱা, দুপৰীয়া, সন্ধিয়া বেলা খালি পেটত খাব।

পুৰুষৰ পুৰুষত্ব লোপ পালে পুনৰ শক্তি হোৱা ঔষধ

২০০৬) নেফাফু গছৰ পূব ফালে মেলি থকা দালৰ বুঢ়া পাত তিনি খিলা চিঙি আনি ভালদৰে ধুই মেলি মজিয়াত বেলেগ বেলেগকৈ পাৰি তাৰ ওপৰত গুড় ১ ছটাককৈ তিনিও খিলা পাতত তিনি ভাগ কৰি দিব। তাৰ পাছত তিনি খিলাকে একেলগ কৰি খুন্দি গোটাই একে বৰণীয়া গৰুৰ ১ পোৱা গাখীৰৰ লগত মিলাই এপালী পূর্ণিমাৰ দিনা খাব। বেমাৰ ভাল হব।

অচিনা

২০০৭) ডেম দেউকা গছৰ পাত খুন্দি ঘহিলে যি কোনো অচিনা ভাল হয়।

খাপবিৰ

২০০৮) পোজাৰৰ গৰ্ক্কিশৰ ছাল ওপৰলৈ চকলিয়াই আনিব। ক'লা হালধী, যখাৰ, জালুক ১ টা, লোন, ধান ১ টা সবাকো বাতি খাব।

২০০৯) পুৰণি তেতেলি টেঙা একতোলা, সন্ধ্যা লোণ একতোলা, মিচিৰি একতোলা, শামুকৰ মুখৰ খোলা ৩ গোট গুড়ি কৰি লাক বান্ধি গোবৰ খুতিৰ জুইত পুৰি বগা আদাৰ বসেৰে তিনি দিন খাব।

মদগৰৰ

২০১০) গাঠিয়ন ১ টা, জাতি তিয়হৰ বাকলি, সোঁতোৰা নেমু টেঙাৰ বাকলি, ১ টা পকা মনোহৰ কল সবাকো গোটাই খাব।

হেদালিৰ

২০১১) সক সোন বৰিয়ালৰ শিপা ১ টা, বৰসোল বৰিয়ালৰ শিপা ১ টা, বগৰী তেতেলিৰ গৰ্ক্কিশৰ শিপাৰ ছাল, ছাগলীৰ গাখীৰেৰে খুৱাব নাশ।

হেদালি কামোৰণী

২০১২) কেবেলাৰ পাত ১ টা, বনকলাৰ আগ ১ টা, আঠুকবিৰ আগ লানিবে খুৱাব।

ধানৰ কীট নাশক ঔষধ

২০১৩) কচ মচগুৰি, তকৰা কদমৰ ছাল, বিলাকনিৰ ছাল, সকল আদা সবাকো খুন্দি বস চতিয়াই দিব সিঠাবোৰৰ টোপোলা কৰি চাৰি চকৰ মাজত দিব।

পেট খল খলাই পানীৰে শৌচ হলে

২০১৪) বজালী জলকীয়াৰ আগ খুন্দি খুৱাব।

২০১৫) ভেটাই তিতাৰ আগ ৫ টা, মচণ্ডৰিৰ আগ ৫ টা, বামসৰ আগ সবাকো খুন্দি তপতাই খুৱাব।

দুধমোৰৰ

২০১৬) মিঠা আমৰ দক্ষিণৰ ছাল, আমৰাৰ দক্ষিণৰ ছাল, কেঐৰকনৰ গুটি ৫ টা, নুফুলা ববচা, বৰকেঞা, কেঞা আঙুলিৰ আগৰে ১ জোখ তুবুকিলতা। তাৰ পাছত চুন, লোণ, জালুক সহিতে সাতটা কচুপাতত খৰিকাৰে ফুটাই খুৱাব।

মোৰৰ

২০১৭) পোতা খাৰ, কাজল গৌৰী, নীলকণ্ঠ কুকুৰ সূতাৰ আলু, নাঙ্গল ভঙাৰ শিপা, কঠালৰ শুকান মুচি, লোণ, জালুক দি তপতাই খাব।

২০১৮) উমাশূল, মুগা গছৰ ছাল, ধেনু সজা, বিহলঙ্গনী, কুমাৰৰ চাকৰ মাটি, লোন, জালুক, নাঙ্গল ভাঙাৰ ছোচ তপতাই খুৱাব।

জ্বৰ খাপৰিৰ

২০১৯) ঘিমৰু লতাৰ খাৰ ১ পোৱা, তুলসীৰ খাৰ ১০ টকা, হিদল গছৰ ছালৰ খাৰ ১ পোৱা, বগা বাহেকৰ ১ পোৱা খাৰ সবাকো লগ কৰি খাৰণী লব।

২০২০) নেমুটেঙাৰ ৰস ৫ টকা, পুৰণি কোমোৰাৰ ৰস ৫ টকা, ক'লা গৰুৰ মুত ৫ টকা, চুনৰ পানী ৫ টকা, যখাৰ ৫ টকা সবাকো লগ কৰি পগাই ১০ টকা মান ৰাখিব। লং ১০ তোলা, ডাঙৰ জিৰা ১ তোলা, শখৰ চুন ১ তোলা সবাকো গোটাই সোলেঙ্গ টেঙাত সুমুৱাই শিলৰ কাহিত ১ ৰাতি থব। ৰাতিপুৱা ১ মহাৰ জোখ কৰি ১০ দিন খাব।

পথ্য ঃ গাগল, ৰৰালি মাছ, পুৰৈ শাক, মাটি মাহ, আৰৈ চাউলৰ ভাত, মহৰ গাখীৰ, মিছামাছ, লাউকোমোৰা, জলকীয়া, বেঙেনা আদি বস্তু নেখাব।

সকলো খাপৰি নাশ

২০২১) গাছ বিৰিণাৰ পাত শিপা, জবা টেঙাৰ পাত ২১ টা, তিয়হ জালি ফুলৰ আলু, ময়না গিৰি ধানৰ তিনি পিঠি সবাকো লগ কৰি সিজাব। ৰাতিপুৱা নাই আৰু মুখত ভৰাই লব। আলপ মান খাব, গুড় কোমল চাউল টেঙা ইত্যাদি নাখাব। বৰ থৈকৰা নেমু টেঙা খাব।

কফ কাটি যোৱা ঔষধ

২০২২) বগা লাটুমনিৰ শিপা, নীলকণ্ঠ, জালুক খালে কফ কাটে।

বোবাৰ (বেঙাৰ)

২০২৩) ঘিউ ৫ টকা, চেনি ১ তোলা, গৰে শোল মাছৰ মূৰৰ শীল মৰা পাখি সবাকো বাটি লৈ গাখীৰ ১ পোৱা তাতে তপতাৰ মিহি চাউলৰ ১ পোৱা ভাতেৰে খাব।

২০২৪) মৰা মাংস, লং ৩ গোট চম্পা ফুলৰ শিপা তামোলৰ লগত খাব।

শক্তি বুদ্ধি বিদ্যা আৰু বল

২০২৫) মেচাকিৰ শিপা ঘিউ বা তেলত ভাজি ৬ দিন খালে শক্তি বুদ্ধি বিদ্যা হয়। কুৰি দিন খালে বল হয়।

সৰ্ব্ব ব্যাধি নাশ

২০২৬) মেচগুৰিৰ মূল গুকাই গুড়ি কৰি তিলৰ তেলেৰে ভাজিৰ ঘিউ দি খাব। ১০ দিন খালে সৰ্ব্ব ব্যাধি নাশ। ১১ দিন খালে শোক সন্তাপ নাশ। ২০ দিন খালে হাতীৰ সমান বল হয়।

কঙ্কাল আউষিৰ

২০২৭) গুণবাজ, আবকচান্দ, চিতা আবল চাল, বেতবিবিশা, বভতিয়া, জালুক পিপলিৰ শিপা, পচতিয়াৰ পাতেৰে কৰাই ভাজি খাব।

নান বাত নাশ

২০২৮) গুণবাজ, পিপলি, গৰুল পক্ষীৰ লাতকল, আজ্যাচিতাৰ মূল, তেজমূই, পদুমৰ পাত বাতি ঘিউৰে খাব।

ব্ৰেচু

২০২৯) দুপতিয়া এৰাপুলি, চাল কুতা, একলবিৰৰ ছাল, লোণ জালুক দি বাতি লিপি দিব।

চকাচণ্ড

২০৩০) কুহিয়া মাহ, সলোৰা খাৰৰ আগ, লোণ জালুক দি বাদ্ধি খাব।

২০৩১) নিয়ৰৰ পানী, চেঙেলি টেঙাৰ ৰস, বিহৰ আঁচলেৰে চকুত চেপি দিব।

২০৩২) কেচাপুহিৰা কলৰ আঠা চকুত দিলে চকাচন্দা গুচে।

২০৩৩) ৰক্তচন্দন আৰু মৌ দিব।

গৰলৰ

২০৩৪) হালধি ১ তোলা, ৰঙা চন্দন ১ তোলা, মনিচাল ১ তোলা আলাদ্ধ ১ তোলা মৌৰ লগত বাটি দিব।

২০৩৫) বনকপাহৰ মূল এক ভাগ, শালি ধানৰ চাউল তিনি ভাগ বাটি লেপি দিব।

২০৩৬) পুৰৈৰ পাতেৰে ওপৰত বান্ধিব গৰল নাশ।

হওঁৱা পৰসুতাৰ ঔষধ

২০৩৭) মতা ঘুকুচ্ছমৈৰ পাত ১ তোলা, ভেদেলি লতাৰ আলু ১ তোলা, নিলাজ্জি বনৰ শিপা ১ তোলা, বেলৰ পাত সবাকো খুন্দি ৰস খাব নাশ।

পোৱনী প্ৰসুতাৰ

২০৩৮) যমলাখুতিৰ আলু ১ তোলা, কুকুৰ সুতাৰ পাত ১ তোলা, ডাউকৰ মাংসৰে খাব। গাত ঘহিব।

২০৩৯) বাহ গছৰ কেওঁখুন্দি মূৰত ভৰণ লব।

দুদমোৰ, বাগচু

২০৪০) মাকৰি ঘিলা, সৰু মানিমুনি, খহুতাপকা, লোন জালুক দি তপতাই খুৱাব।

২০৪১) ডালিম পুৰি ৰস লব। বকুলৰ চালৰ ৰস, গৰু গাখীৰেৰে খুৱাব।

২০৪২) পিয়াজ এফাল জালুক দি তপতাই খাব।

গাগতুন

২০৪৩) কুমজেলেকুৰা তেলত তপতাই মুখত ঘহি দিব। মৌ, মনিচালৰ গুটি বাতি খাব।

২০৪৪) কালজিৰা, ডালিমৰ গুটি বাটি লেপি দিব।

মোৰৰ

২০৪৫) সৰু মানিমুনি, বৰ মানিমুনি, কলসঠৰ মূল, ঢেকিয়াৰ মুল, হাতিসূতা, কোচাৰু, ডিমৰুকল, আগবাৰ শিপা, তিতাপাত, বাঁহক পাত, তামোল গছৰ পাত, মৰিচ পাত, কপাহ গুটি, কনিবিৰণ্ড চাল, তেজমূইৰ ছাল, বিলাকনিৰ ছাল, চতিয়নৰ চাল, গুণবাজ, বকণৰ ছাল, অৰ্জুন সিজু পত্ৰ অৰ্কপত্ৰ, বিহ ঢেকিয়া, কেয়াবনৰ গুটি সম বাগ কৰি তাতে সবাকো দি বাটি বড়ি কৰিব। আগদিনা বাটি থব। পিছদিনা বড়ি কৰিব। ৰ'দত শুকাব। গাখীৰেৰে খাব সৰ্ব্বমোৰ নাশ।

২০৪৬) আকনৰ শিপা, চোৰাতৰ শিপা, তেজমুইৰ শিপা, কনিবিহৰ শিপা, বিহলঙিৰ শিপা বাটি বড়ি কৰি খাব।

ঘুংঘুৰ উৰ্দফাই আৰু মাত ভঙা

২০৪৭) হালধি, জলকীয়া, গুড় আৰু পিপলি একেলগে মিহলাই পিহি ২ তোলা পৰিমান ৰাতি শুবৰ সময়ত খাব লাগে।

২০৪৮) তদুপৰি দশমূলৰ সমপৰিমানে ২ তোলা লৈ কাথ কৰি পানীত দি তাৰ লগত ২ তোলা পিপলি মিহলাই ৰাতি শুবৰ সময়ত খালে সকলো প্ৰকাৰ ঘুংঘুৰ উৰ্দফাই মাত ভঙা ভাল হয়।

২০৪৯) সোম লতাৰ মুল, পিপলি, মনিচাল, ভৃঙ্গৰাজৰ ৰস একেলগে পিহি সনা কৰি খাবে ঘুংঘুৰ উৰ্দফাই আৰোগ্য হয়।

২০৫০) নিমছাল খুন্দি ভৃঙ্গৰাজৰ (ভৃংগৰাজৰ) ৰসৰ লগত মিহলাই পিহি খালে ঘুংঘুৰ উৰ্দফাই ভাল হয়।

২০৫১) অলপ চিতা, শিলিখা সমপৰিমানে লৈ গুড়ি কৰি ২ তোলা মৌৰ লগত মিহলাই ৰাতিপুৱা খালে মাতভঙা ভাল হয়, কাঁহ, উৰ্দফাই আৰোগ্য হয়।

২০৫২) চৈ, পিপলি সমান পৰিমানে ৮ তোলা লৈ কাথ কৰি ৰাতিপুৱা খালে মাতভঙা গুচে।

অৰুচি

অৰুচি ব্যাধি হলে একো খাবলৈ মন নাযায়, মুখত সোৱাদ নালাগে।

২০৫৩) সোনৰূৰ ৰস, মৌ, সৈন্ধ্যালোণ একেলগে মিহলাই মুখত লৈ থাকিলে অৰুচি গুচে।

২০৫৪) পকা তেতেলি, ভোগজিৰা গুড়ি, গুড়, এনাগুটি (এড়াগুটি) তেজপাতৰ গুড়ি, সৈন্ধ্যালোণ একেলগে মিহলাই মুখত লৈ থাকিলে অৰুচি দূৰ হয়।

পিয়াহ, বমি, জ্বৰ

২০৫৫) চেনি, মৌ, বড়কলা মাহৰ গুটি একেলগে মিহলাই খালে বমি, জ্বৰ, পিয়াহ ভাল হয়।

ৰক্তপিত্ত, বিন্দুসাৰ, পিলুসোথ (গেলুসোথ) তেজসাৰ, অম্লপিত্ত

২০৫৬) আমৰিলতা, সতমূল (সতপুন?) বাসকম্বন, সুন্তি বৰিয়াল মূল, মানিমুনি,, খেৰমূল এফলা, আচৰিচম্পা, পুনাসুখান - প্ৰতিবিধ ৪০ তোলাকৈ লৈ চৰুত থৈ আদা, ৭ সেৰ পানী দি উতলাই চাৰিভাগৰ এভাগ থাকোতেই নমাব লাগিব। তাৰপিছত সুচিপুৰান, লোহাচবৰ গুড়ি, ডেৰ সেৰ ৫ তোলা চেনী, ডেৰসেৰ ৮ তোলা ঘিউ একেলগ কৰি সিজাব। বিৰিঙ্গগুটি, পিপলি, ভোগজিৰা, ধনীয়া, তেজপাত, মৰিছ (জলকীয়া), নাহৰফুলৰ গুটি প্ৰতিবিধ ৮ তোলাকৈ লৈ গোটেই খিনি একেলগে মৌৰ লগত মিহলাই ঘিউৰ পাত্ৰত (ভাগুত) একৰাতি থৈ দিব। ৰাতিপুৱা ২ তোলা খাব। ছাগলী, পাৰ, কুকুৰা, হৰিণ আদিৰ মাংস নাখাব। পঞ্চতিয়া মূল, পোন্নালতি, তিতাভেঙ্গৰি, ঘৰুৱাবেঙেনাৰ আঞ্জা খাব। আম, খেজুৰি আৰু ডালিম খাব। ছিঙ্কনৰ ৰস, কপাহি, চুপহিৰ ৰস এদিন ঘঁহিব। তুপৰি সেই ৰস এটা পাত্ৰত ভৰাই মুখখন ভালকৈ ঢাকি টেকেলিত ভৰাই থব। পিছত সেইখিনি এগুৱৰ জুইৰে পুৰিব। সেইখিনি গুড়ি কৰি জলকীয়া আৰু মৌৰ লগত মিহলাই ৰাতিপুৱা এবাতি খাব। নগুনদিয়া পকাত মধু ঘিউত ভাজি চেনী, জলকীয়া গুড়ি মিহলাই খাব। ঔষধৰ নাম কপূৰ্দ্দকৰষ। ৰক্তপিত্ত বেমাৰ ভাল হোবাৰ ঔষধ।

ৰাজযক্ষ্মা

২০৫৭) দশমুল, আদাসুচিঙ্গৰ, আচৰিচম্পা, বাসকছাল, চিতামূল, আমাৰিলতা, আমলখি, খেওপপগুা এই গোটেইখিনি একেলগ কৰি ৪ তোলা পানীৰ লগত আধা তোলা পিপলি গুড়ি মিহলাই নিতৌ খালে ৫ প্ৰকাৰ কাঁহ, উৰ্দফাই, ৰাজযক্ষ্মা, ক্ষেতক্ষয়, জ্বৰ এই সকলোবোৰ আৰোগ্য হয়। ঔষধৰ নাম দশমূনাদি।

২০৫৮) নিমপাতৰ গুড়ি ১ তোলা, চেনী ১৬ তোলা একেলগে মিহলাই ৰাতি শোৱাৰ সময়ত খালে ঘুংঘুৰ, উৰ্দপাই, গ্ৰহণী, খাপৰী, বুকুৰ বিষ, বমি, পেটবেয়া, চেঙ্গা-বেঙ্গা আদি ব্যাধি ভাল হয়। ঔষধৰ নাম হানিসপুন।

২০৫৯) লং, বেটু, বিৰিনামূল, চন্দন, নিলোপল, ভোগজিৰা, পিপলি, আগৰকাছ, ভৃঙ্গৰাজ, নাহৰফুলৰ কেশৰ, চিতামূল, জাইফল, বংসলোচন এই সকলোবোৰ বস্তু সমপৰিমানে লৈ গুড়ি কৰি তাৰ লগত দুগুণ পৰিমানৰ চেনী মিহলাই

নিতৌ খালে ৰাজযক্ষ্মা, গলৰোগ, কাঁহ, হেকটি, গ্ৰহণী, বিন্দুসাৰ আদি আৰোগ্য হয়। ঔষধৰ নাম নবঙ্গাদিপূন।

সোভ

২০৬০) হৰিদ্ৰা, গেৰুসিলা, আমলখি তিনিওবিধ সমপৰিমানে লৈ অঞ্জন দিলে সোভ আৰোগ্য হয়।

সোভসোথ

২০৬১) হালধি, একফলা, দন্তিমূল, চিতামূল, কটুকি, সেমলতা, পিপলিমূল, বহুবিৰিঙ্গ গুটি, কনিবিহৰ গুটি, ঘুনা, গজপিপলি এই সকলোবোৰকে সমপৰিমানে লৈ গুড়ি কৰিব। ইয়াৰ লগত দুগুন পৰিমানৰ লোহাচুৰৰ গুড়ি মিহলাই একেলগে থৈ দি ২ তোলা ঘিউৰ লগত মিহলাই খালে সোভ সোথ গুচে। ঔষধৰ নাম হৰিদ্ৰাঘনো।

২০৬২) বিৰিঙ্গ গুটি ৪ ফলা, দাৰু হৰিদ্ৰা মুথা সমপৰিমানে লৈ শোধিত লোহাচুৰৰ গুড়িত মিহলাই যি পৰিমান হয় তাৰ পাঁচগুন গোমূত্ৰৰ লগত মিহলাই উতলাব। মূত্ৰ শুকালে নমাই তাৰে ২ তোলা খাব। সোভসোথ ৰোগ আৰোগ্য হয়।

কাঁহ, ৰাজযক্ষ্মা, উৰ্দ্ধকাহ, পাঠিৰ বিষ

২০৬৩) বাসকচনি ডেৰসেৰ ৮ তোলা, চেনী ৬০ তোলা, পিপলি গুড়ি ১৬ তোলা, ঘিউ ১৬ তোলা এই সকলোবোৰ একেলগ কৰি অলপ তপতাব। পানী শুকালে ৪ তোলা মৌ মিহলাব। চেচাঁ পৰিলে নমাই ঘিউৰ ভাগুত থব। ৰাতিপুৱা ২ তোলাকে নিতৌ খাব। ঔষধৰ নাম বাস্কাদিকেহা।

ক্ষয়কাঁহ, জ্বৰ, ৰক্তপিত, অৰুচি, উৰ্দ্ধকাহ, মাতভগা

২০৬৪) ৰাম্নাদ্ৰাক্ষা, কাকড়া, ভৃঙ্গি, আচৰিচম্পাৰ মূল, পিপলি, পিহানিৰ মূল, চেনী, মৌ, কাঙনি, ক্ষীৰকাঙনিৰ মূল এই সকলোবোৰ পিহি চকন্ত থৈ ডেৰসেৰ ৮ তোলা ঘিউ, ৮ সেৰ পানী মিহলাই তপতাব। পানী শুকালে নমাই চেকিৰ ৰাতিপুৱা ২ তোলাকে খাব। ঔষধৰ নাম ৰাম্নাদিঘৃত।

গুল্মজ্বৰ, জলজ্বৰ, থাপৰি, গ্ৰহণী, সোভহাৰিনা, শ্বাসকাষ, আতোগ, আকিস, সোথ

২০৬৫) চৈচিতা, পিপলি, পিপ্পলিমূল, সুচিজখাৰ প্ৰতিবিধৰ ৫ তোলাকে লৈ ডেৰসেৰ

৮ তোলা ঘিউ, ডেৰসেৰ ৮ তোলা গাখীৰ, পানী ৭ সেৰ দি তপতাই পানী শুকালে নমাই চেকি ৰাতিপুৱা ২ তোলাকৈ খাব। ঔষধৰ নাম পঞ্চকোনাদ্যঘৃত।

ঙৰুগু, গোধখাপৰি, গোজিহ্বা

২০৬৬) বিৰিঙ্গ গুটি, অশ্বগন্ধাৰ মূল, সৈন্ধ্যলোণ, কটুকিকছলা, আৰৰ মূল, ঙটজৰ মূল আৰু অতিবিশ প্ৰতিবিধৰ ডেৰসেৰ ৮ তোলা কৰি লৈ গোটাব। পানী শুকালে নমাব। ৰাতিপুৱা ২ তোলা খাব। ১০ ঘণ্টাৰ মূৰত (দশদণ্ড) ভাত খাব। ঔষধৰ নাম সুভপুষনাদিঘৃত। তদুপৰি বগৰী গছৰ খৰিৰ এঙাৰৰ জুইত হৰিণাৰ শিং চুচ চুচি পেলাব। তাৰ ধোঁৱাখিনি ল'ব। উল্লেখিত বেমাৰ কেইটা আৰোগ্য হয়।

পেলু

২০৬৭) চিৰতাতিতাৰ পুলি, জাইফল, দাৰুহৰিদ্ৰা এই সকলোবোৰ সমপৰিমানে লৈ (গোটেইখিনি ২ তোলা পৰিমান) পিপলি গুড়ি মিহলাই খালে পেলু গুছে। পলাসৰ গুটি, ঈৰানগুটি, বিৰিঙ্গ গুটি এই সকলোবোৰ সমপৰিমানে ২ তোলা গুড়ৰ লগত মিহলাই খালে পেলু গুচে। তদুপৰি, ঘিউত তোলাঙ্গাছাৰ পাতৰ ৰস চাৰিগুণ, পানী, চাৰিগুণ. তেলাঙ্গছাৰ পানী ৮ তোলা তেলত দি তপতাব। পানী শুকালে নমাব। সেই ঘিউ ২ তোলা খাব। পেলু গুচে।

পাণ্ডুসোভসোথ

২০৬৮) পুৰ্ণনুৰা (অলপ পৰিমনাৰ), তেউৰিয়াঘুনা, বিৰিঙ্গগুটি, দেবদাৰু, মুনামুচিস এফলা, দাৰুহৰিদ্ৰা, হৰিদ্ৰা, দন্তিমূল, চিৰাহতা (চিৰতা), পিপলিমূল এই সকলোবোৰ সমপৰিমানে লৈ তাৰ দুগুণ পৰিমানৰ লোহাচুৰৰ লগত মিহলাই গোটেইখিনিৰ প্ত গুণ পৰিমান গৰুমুত্ৰৰ লগত চকত লৈ অলপ অলপ জাল দিব। মুত্ৰখিনি শুকালে নমাই ঘিউৰ ভাণ্ডত থব। ২ তোলা ৰাতিপুৱা খাব। তিনি প্ৰকাৰ পাণ্ডুসোভসোথ আৰোগ্য হয়। ঔষধৰ নাম পুনৰ্ন্নয়ামন্দুৰ।

পাণ্ডুৰোগ

২০৬৯) দুই হৰিদ্ৰা, এফলা সুকানবেল, আকনবিছাৰ মূল, বিৰিঙ্গগুটি, পুনৰ্ন্নবা, দেবদাৰু, প্ৰতিবিধৰ ২ তোলাকৈ লৈ একেলগে মিহলাব। মিশ্ৰিত খিনিৰ ৫ গুণ পৰিমানৰ এৰা গাখীৰ আৰু গাখীৰত আধা পৰিমানৰ ঘিউ মিহলাই গোটেইখিনি একেলগ কৰি সিজাব। অলপ অলপকৈ জাল দিব। চেচাঁ

পৰিলে নমাব। ৰাতিপুৱা এই ঘিউৰ ২ তোলা খাব। পাণ্ডুৰোগ, মটিয়া হালধীয়া বোদা ফটিকা সোথ এই সকলোবোৰ আৰোগ্য হয়।

বনিয়া, আউৰি

২০৭০) হালধি, দাৰু হৰিদ্ৰাৰ মূল, আচুকাঠ ১ ফলা, ৰেম্বক, দেবদাৰু, জালুক, মানানিৰ মূল, মাখিৰতি, তগৰ ফুলৰ মূল, ঈশ্বৰ জটাৰ মূল, সোমলতা, নিলপেন, ইলাচি, মায়াহি, দন্তিমূল, ডালিমৰ বাকলি, নাহৰফুলৰ কেশৰম তিতা ভেঙ্গৰিৰ মূল, মালতিফুল, বিৰিঙ্গগুটি, চন্দন, পদ্মকাই প্ৰতিবিধৰ দুই তোলাকৈ লৈ তাৰ লগত তিনিসেৰ ১৬ তোলা ঘিউ মিহলাব। ইয়াৰ পিচত গোটেইখিনি একেলগে তপতাব। নমাই লৈ চেকি ঘিউখিনিৰ লগত (জিয়ক, বাউষভক, মেদ মহামেদ, বাউদ্ধি বৃদ্ধি) মিহলাই জাল দিব। একে বাৰে শুহিবলৈ নিদিব। ঘিউখিনি নমাই ৰাকিপুৱা ২ তোলাকৈ খাব। সকলোপ্ৰকাৰ বনিয়া, সকলোপ্ৰকাৰ আউৰি ভাল হয়। ঔষধৰ নাম মহাকৈলাম্বাৰ নেহ।

বনিয়া আৰু ৰক্তবৃদ্ধিৰ ঔষধ

(বেমাৰ একে হলেও ইয়াত আন দৰবৰ নিৰ্দ্দেষ দিয়া হৈছে)

২০৭১) মানানিৰ নাল, মাখিৰতি, পি হানি তিতা, ভেঙ্গৰি, গোখুৰ কাণ্টা, কণ্টকাৰি, ৰাম্নাৰ নাল, কপৌফুল, এড়েণ্ডামূল (এৰাগাছৰ মূল), ভেউড়িয়াঘুনা (দুবৰিৰ নাল), বনৰিহা, সতমূল প্ৰতিবিধ দৰৱ একেলগ মিহলাই খুন্দি চৰত থৈ ৬ সেৰ পানী দি এণ্ডাৰৰ জুইৰে জাল দিব। আধাখিনি পানী থাকোতে নমাই চেকিব। এইখিনি দুই হৰিদ্ৰা এফলা, ৰেম্বক, দেবদাৰু, এনবালুক, ইশ্বৰ জটামূল, সোমলতা, এলাচি, মাজাছণ্ডনগৰ, ৰক্তচন্দনা, দন্তিমূল, ডালিমৰ বাকলি, নাহৰফুলৰ কেশৰ, ৰানিশপাত, তিতাভেঙ্গৰিৰ মূল, মালতীফুল, বিৰিঙ্গগুটি, বাউষভক, মেদমহামেদ, বাউদ্ধি-বৃদ্ধি লগত পিহি ঘিউত দি জাল দিব। অলপ সময়ৰ পিচত ঘিউ নমাই থব। এই ঘিউ দুই তোলাকে ৰাতিপুৱা খাব। সকলোপ্ৰকাৰ বনিয়া গুছে। ঔষধৰ নাম চৈতেছঘৃত।

বাউব্যাধ

(বাউব্যাধ ৪ প্ৰকাৰ)

২০৭২) মাচিমাহ, ৰবিয়ালমূল, চুয়াচিম্বি গান্ধবিৰিনা, ৰাম্না, অশ্বগন্ধাৰ মূল, ব্যসকমূলৰ

ছাল, এই সকলোবোৰকে ২ তোলাকৈ লৈ একেলগে মিহলাই সৈন্ধ্যালোণৰ লগত মিহলাই ৰাতি খাব। পক্ষাঘাত গুছে। ঔষধৰ নাম মাসবনাদি।

ডিঙিৰ বিষ

২০৭৩) বচগুড়ি, পিপলিগুড়ি, টেঙা দৈৰ লগত মিহলাই ভাতৰ লগত খাব। ২১ দিন খাব লাগিব। শাৰীৰিক দুৰ্বলতা ডিঙি লৰাব নোৱাৰা অৱস্থা ভাল হয়।

বাঁতবিষৰ দৰব

২০৭৪) মন্দাৰমূলৰ ছাল, ভদানি মূলৰ চানপাত, অশ্বগন্ধাতিতা, ভেঙ্গৰিমূলৰ ছাল, কটকাৰিমুলৰ ছাল, অ্তচনামূলৰ ছাল, গোখুৰকাণ্টা, পুৰ্নন্নবা এই সকলোবোৰকে একেলগ কৰি পানীত থৈ (প্ৰতিবিধৰ বাবে এসেৰ পানী) জুইৰে গৰম কৰিব ৪ সেৰ মান থকা অৱস্থাত নমাব। বিশুদ্ধ সৰিয়হৰ তেল ১৬ সেৰ, শুকান দেবদাৰু, জাটামাংসি সৈনজবছ (?), ৰঙা চন্দন, তগৰফুলৰ শিপা, এলাচি, সালানি, পিহানি, মুগানি, মাধানিবাস্না, অস্বগন্ধা, সৈন্ধ্যালোণ, পুৰ্ননুৱা এইবোৰৰ প্ৰত্যেক বিধকেই ১৬ তোলাকৈ লৈ খুন্দি তেলখিনিত দি গৰম কৰিব। সতমূলৰ (শতমূলৰ) ৰস ১৬ সেৰ ছাগলী বা গাইৰ গাখীৰ ৪ সেৰ মিহলাব। ইয়াৰ ২০ তোলা, আগৰ ২০ তোলা, গাঠিয়ন ২০ তোলা, তেজপাত ২০ তোলা এই সকলোবোৰ একেলগে পিহি পানীত ডুবাই থব। পানী শুকালে নমাই ছেকি লৈ ভাল পাত্ৰত থব। সৰিয়হৰ তেল ৪ তোলা আৰু গাখীৰৰ লগত মিহলাই খাব। খাই উঠি গৰম পানী খাব। এৰেখিনি দৰব খোৱাৰ উপৰিও গাত ঘঁহিব। সকলো প্ৰকাৰ বাতবিষ ভাল হয়। দৰবৰ নাম - নাৰায়ণ তেল।

বাতবিষৰ দৰব

২০৭৫) মাসকলাই (মাটিমাহ), কয়াছছিলতা ভেৰেন্দামূৰ্ল, বাস্নামূল, সৈন্ধ্যলোন এই সকলোকে সম পৰিমানে লৈ ৪ সেৰ বিশুদ্ধ তিল তাত দি খুন্দি মাটিমাহ ৩ সেৰ বছ তোলা, বৰিয়ালমূল ৩ সেৰ ১৬ তোলা ৬৪ সেৰ পানী দি উতলাব। ১৬ সেৰ থাকোতে নমাই পুনৰ পানী দি গৰম কৰিব। পানী সম্পূৰ্ণ শুকালে পদাৰ্থ খিনি সুগন্ধ দ্ৰব্যৰ লগত মিহলাই গাত ঘহিলে সকলোপ্ৰকাৰ বাতবিষ ভাল হয়। এইবিধ ঔষধৰ নাম মাসতিল।

বাতৰক্তৰ ঔষধ

২০৭৬) চন্দন ২০ তোলা, ভাল অগৰু ২০ তোলা, জাইফল ৩ তোলা, জাইপাত্ৰ ১০

তোলা, ইলাচী ১০ তোলা, কমৈপশুৰ বিছি ১০ টা এই সকলোবোৰ একেলগ কৰি পিহি তেলত দিব। পানী ৩ সেৰ দি উতলাব। পানী শুকালে ছেকি সিঠা পেলাব। ভাল পাতত থব। সেই তেল গাত ঘহিব। ২ তোলা তেল, ৪ তোলা দৈ মিহলাই খাব। খাই উঠি গৰম পানী খাব। ঔষধৰ নাম বিষ্ণুতেল।

বাতৰোগ

২০৭৭) ভেদেলিলতাৰ গছে পাতে খুন্দি ১০ সেৰ লৈ ১০০ সেৰ পানী দি উতলাব। চাৰি ভাগৰ আভাগ থাকোতে নমাই চেকিব। তাৰ পাছত তেল ১৪ সেৰত মিহলাব। তেলৰ সমান গাখীৰ, টেঙা কৰি মিহলাই চিতা ১৬ তোলা, পিপলিমূল ১৬ তোলা, যষ্টিমধু ১৬ তোলা, সুনকা, দেবদাৰু, ৰাস্না, গজপিপলি, ভেদেলিলতাৰ মূল, জাটামাংসি একো দৰবৰ ১৬ তোলাকৈ লৈ পিহি ইয়াত দি উতলাব। গাখীৰ, দৈ আদি গোটেইখিনি শুকালে চেকি লক্ষ্মীচন্দন, অগৰু, গাঠিয়ন, তেজপাত, ইলাচী, সকলোবোৰকে গুড়ি কৰি পিহি ইয়াৰ মাজত দিব। অলপ পানী দি উতলাব। পানী শুকালে নমাই চেকিব। এই তেল গাঁত ঘহিব আৰু খাব।

বাতবিষ

২০৭৮) গুড় আৰু তিলৰ তেল একেলগে মিহলাই খালে বাতবিষ দূৰ হয়।

নিষড়া

২০৭৯) বিশুদ্ধ আত্তখালাৰ, সুখাগুড়ি, বিশুদ্ধ হৰিতাল, বিশুদ্ধ গুগুল, বিশুদ্ধ সিনাজত এই সকলোবোৰকে সমপৰিমানে লৈ গুড়ি কৰি ভৃঙ্গৰাজ ঠাৰিৰ ৰসেৰে তিনিবাৰ তিয়াই, তিনিবাৰ ঘহি ছাত শুকাব বাতিপুৱা ইয়াৰ ৰচ বাটি খাব। নিমৰ পাত, চানফুল দুয়োবিধ সমপৰিমানে ২ তোলা লৈ উতলাই খিউৰ লগত মিহলাই খাব সকলো প্ৰকাৰ নিষড়া আৰোগ্য হয়। ঔষধৰ নাম - বাতৰক্তান্তকচূৰ্ণ।

উৰুবিষ গাৰ মাংসবিষ

২০৮০) সৈন্ধ্যালোণ ৮ তোলা, আদা ১৬ তোলা, পিপলিমূল ১৬ তোলা, চিতামূল ১৬ তোলা, ভনাগুটি দহোটা ৪ সেৰ তেলত দিব, কাঞ্জি ১৬ সেৰ দি উতলাব। কাঞ্জি শুকালে নমাই চেকিব এই তেল ঘহিলে গাৰ মাংসৰ বিষ, উৰুৰ বিষ আৰোগ্য হয়। ঔষধৰ নাম সৰ্পসৈন্ধবাদিতেল।

গাৰবিষ

২০৮১) যাজাহি, দেবদাৰু, বছ্কাঞ্চনৰ ঠাৰি, তেজপাত, কেতবিফলামুখা একে দৰবৰ ১৬ তোলা, জটামাংসি, সুৰামাংসি, দংনফুল, চম্পাফুল, পয়ঙ্গ গুড়, কেগাছিয়ন, সুগন্ধকলা গুড়, মৰুৱাফুল, পিৰিকাফুল একো দৰবৰ ১৬ তোলা, ইলাচী, লং, জাতিচন্দন, মালতিফুল, আগৰকাছ, তাৰাকর্পুৰ একে দৰবৰ ৪ তোলাকৈ লৈ পিহি গাখীৰ ১৪ সেৰ পানী এঙ্গৰি ৮ সেৰ এই সকলোবোৰকে একেলগ কৰি অলপ অলপ জাল দিব। তাৰ পিচত নমাই সিঠা পেলাব। সেই তেল গাত ঘহিব। গাৰ সকলো ব্যাধি দুৰ হয়।

আমবাতৰ পোৰণী

(আমবাত হলে গা উসহে, বিষত জ্বৰ উঠে, খোজকাঢ়িব নোৱাৰে)

২০৮২) নাহৰফুলৰ কেশৰ এশবাৰ ধুই ঘিউৰ লগত মিহলাই সেই ঘিউ প্ৰলেপ দিব। আমবাত ভাল হ?।

২০৮৩) অশ্বগন্ধাৰ মূল, স্বখা দুতুস, আমাৰিলতা, সতমূল, গোখুৰকাটা, ৰাস্নামূল, কাকেতৰি, য়নিস্বচি একে দৰবৰ ২ তোলা, বিশুদ্ধ গুড়, এঙ্গৰি ৪ তোলা, ঘিউ ১২ তোলা এই সকলোবোৰকে একেলগে পিহি এতোলাকৈ বড়ি কৰিব। আমাবাত আৰোগ্য হয়।

২০৮৪) মচুৰডাইল পানীৰ লগত মিহলাই পিহি যি ঠাইত পোড়ে, বিষায় তাত লেপ দিব। আমবাত ভাল হয়।

জ্বৰ

২০৮৫) সিৰিষ গছৰ মজ্জা, সোনাৰু গছৰ মজ্জা দুইকো সমপৰিমানে ২ তোলাকৈ উতলাই পুৰণা গুড়ৰ লগত মিহলাই খালে জ্বৰ ভাল হয়।

এৰৈকয়া, বায়ুজ্বৰ, পিত্তজ্বৰ, শ্লেসজ্বৰ, সন্নিপাত জ্বৰ, জিৰ্ণজ্বৰ, ডোমজ্বৰ, তিয়কাজ্বৰ

২০৮৬) যষ্টিমধু, ৰক্ত চন্দন, আমলখি, বিৰিনামূল, ধনীয়া, পোলালতি, আমাৰিলতা এই সকলোবোৰকে সমপৰিমানে ২ তোলালে মৌ, চেনী মিহলাই খালে এই সকলোবোৰ জ্বৰ ভাল হয়।

বাহজ্বৰ

২০৮৭) অপৰাজিতাৰ পাত, পচতিয়াৰ পাত নাকেৰে উজালে বাহজ্বৰ গুচে।

পিত্তজ্বৰ আৰু অধিক দিনৰ জ্বৰ

২০৮৮) আমাবিলতা, শুকান আমলখি, কন্টকাৰি, স্বছি, কটুকি এই সকলোবোৰকে একেলগে বাটি আধা তোলা মৌ মিহলাই খালে পিত্তজ্বৰ অধিক দিন জ্বৰ হৈ থকা এই সকলোবোৰ গুছে।

অজীৰ্ণজ্বৰ

২০৮৯) আচাৰিচম্পা, স্বথা, খেৰপতাৰ মূল, স্বনাস্বছি, কাকড়াশৃঙ্গি, শিলিখা, পিপলি, বেলৰ মূল, স্বঙ্গতিমূল, সোনাকমূল, পাচলিমূল, মালনি, পিহানি, তিতাভেঙ্গৰি, গোখুৰ কাটা, কন্টকাৰি এই সকলোবোৰকে সমপৰিমানে ২ তোলা লৈ খালে এঁকেয়া, ডোম, তিয়কা, তেয়নিয়া, সন্নিপাত, অজাৰ্নজ্বৰ, আৰোগ্য হয়। ১৫ দিনৰ পৰা অধিক দিনলৈ একেবাহে যি জ্বৰ হয় তাক অজীৰ্ণ জ্বৰ বুলি কোৱা হয়। ঔষধৰ নাম তান্দিয়াদি।

চাৰিদিনীয়া জ্বৰ

২০৯০) বাসকমূলৰ ছাল, আমলখি, শিলিখা, আচুকাঠ, স্বছি এই সকলোবোৰকে সমপৰিমানে ২ তোলা কাথ কৰি মৌ ১ মহা, চেনী ১ মহা মিহলাই খালে চাৰিদিনীয়া জ্বৰ ভাল হয়।

তিয়কা জ্বৰ

২০৯১) আদা, আমাবিলতা, ৰক্ত চন্দন, বিৰিনামূল, ধনিয়া এই সকলোবোৰকে সমপৰিমানে ২ তোলা লৈ কাথ কৰি আধাতোলা চেনী, আধাতোলা মৌ মিহলাই খালে তিয়কাজ্বৰ গুছে।

কুকুৰ বিষ

২০৯২) স্বাছৰৰিয়াল, এড়ামূল, লতামূল, গোৰখচনিয়ামূল, সালনি, পিহানি, তিতাভেঙ্গৰি, গোখুৰকাটা, কন্টকাৰি, জহাধানৰ চাউল সকলোবোৰকে সমপৰিমানে ২ তোলা খুন্দি চকন্ত থৈ ৩২ তোলা পানী দি সিজাব। ৪ তোলা থাকোতে নমাই চেকি সিঠা পেলাব সন্ধিকাখাম. সৈন্ধৱলোণ, সোচ্চলোণ, বিটলোন, এই সকলোবোৰৰ সমান পৰিমানে গুৰি কৰি সেই তপত পানীত মিহলাই খাব। এনেদৰে নিতৌ কিছুদিন খালে কুকুৰ বিষ

আৰোগ্য হয়।

গ্ৰহণী, পেটৰ পেলু, অম্লপিত্ত

২০৯৩) বিৰিঙ্গগুটি, চিতামূল, চৈকলা সকলোকে সমপৰিমানে লৈ গুড়ি কৰিব। এই গুড়িখিনি বহুত দিনৰ পুৰনা লোহাচুৰৰ গুড়িৰ লগত মিহলাই কাপোৰত চেকি চৰুত লব। এই সকলোবোৰ দবৰ, গৰুৰমূত্ৰ, সমপৰিমানৰ গুড় একেলগে মিহলাই সিজাব। এ ভাগ খাই উঠি খাব, এভাগ পিছত খাব। খাই উঠি মুখ ধুব। কিছুদিনলৈ খালে গ্ৰহণী, পেটৰপেলু, অম্লপিত্ত আৰোগ্য হয়।

সন্নিপাত জ্বৰ

লক্ষন ঃ গা ঘামে, মাতৰ স্থিৰতা নেহোৱা হয়, দুই চকু হালধীয়া পৰে, হাঁচি আহে তাৰ পিছত পেট বয় (পাতল শৌচ হয়), গা ক'লা পৰে, টোপনি আহে।

২০৯৪) হিঙ্গুলৰ ৰস ২ তোলা, বিশুদ্ধ অম্লখাৰ, গন্ধক ২ তোলা, হংসপদি গছৰ ৰসৰ লগত মিহলাই ৪ প্ৰহৰ ঘহিব।

২০৯৫) হিঙ্গুলৰ ৰসৰ সমান বিশুদ্ধ অম্লসাৰ, গন্ধক, তাম্ৰদাৰুণ একেলগ কৰি পিহি দানা কৰি কাপোৰত থৈ টোপোলা বান্ধিব। জামিৰ ৰসেৰে চৰু ভৰি টোপোলাৰ তলত আৰু ওপৰত যাতে নালাগে এনে কৰি চাৰিপ্ৰহৰ উতলাব। তাৰপিচত ৰহা পতিয়া, লাটকাঞ্চি, ভাংপাত, আগিয়াজলা, বড়ৰস সংগাদি, হস্তিমুঢ়া, জাতি ধুতুৰা, এড়ামূলৰ ছাল সকলোবোৰকে সমপৰিমানে লৈ ৰস কৰি লোৰ বেলাত (লোৰ পাত্ৰত) থৈ লোৰ দণ্ডেৰে চাৰিপ্ৰহৰ ঘহিব। গোট হলে চৰুত বালিভৰি লোৰ বেলাত থৈ বেলাৰ মুখ ঢাকি ওপৰত পানী দি চৰুপূৰ্ণ কৰ উতলাব। চাৰিপ্ৰহৰ হলে নমাই লোৰ বেলাত থৈ লোৰ দণ্ডেৰে গুড়ি কৰি কলাকচু, কনিবিহৰ গুটি, চিতামূল, সকলোবোৰকে সমপৰিমানে ২ তোলা লৈ উতলাউ এইখিনি আকৌ উতলা পানীৰ লগত মিহলাই দুটা বড়ি কৰিব। ইয়াৰ এটা বড়ি জাইফল, মৌ মিহলাই খাব। খাই উঠি মণ্ড দাইলেৰে বাত খাব। তেন্তে সন্নিপাত জ্বৰ ভাল হয়।

উচ্চ ৰক্তচাপ

২০৯৬) ফগিজাৰ শিপাৰ পৰা প্ৰায় ১০ গ্ৰাম ৰস বাহিৰ কৰি দিনে ২ বাৰ খাব।

২০৯৭) হালকুৰৰীৰ পাত ২/৩ খন খুন্দি মুৰত প্ৰলেপ দিব। এমাহ কৰিব।

২০৯৮) নেফাফুৰ আগ বা পাত এমুঠি লৈ মিহিকৈ বাটি ৰস ১৫ দিন খাব লাগে।

জণ্ডিজ দৰৱ (হালধীয়া বেমাৰৰ)

২০৯৯) অসমীয়া বগৰীৰ পাত (টেঙা) আৰু হোৰা গছৰ (শৰাগছ) পাত ৯/১১ খিলাৰ লগত (বগৰীৰ পাত যিমান সৰহ পাৰে) খুউব মিহিকৈ পটাত খুন্দি মিহি কৰি ১ লিটাৰ পানীৰ লগত মিহলাব। তাৰ পাছত ২০০ গ্ৰাম মিচিৰি মিহি কৰি দৰৱৰ পানীৰ লগত মিলাব। ১৫০ গ্ৰাম এৱাঁ গৰু গাখীৰৰ লগত দিনে খালি পেটত দুবাৰ খাব।

বেচুৰ দৰৱ

২১০০) চোবাটৰ কুমলীয়া আগ ৫টা, নিলাজী বনৰ পাতৰ লগত মিহলাই খুন্দি ঘা ডোখৰৰ ওপৰত লেপ দিব। বেচু ভাল হ'ব।

কান পকা দৰৱ

(শিশু ও বৃদ্ধ সকলোৰে বাবে)

২১০১) মটা কপৌৰ পাতৰ ৰস উলিয়াই পকা কান চাফা কৰি দিনে ২ বাৰ ৩/৪ টোপাল দিব লাগে।

কুমজেলুকোৱাই কামুৰিলে

২১০২) দোম ডেউকাৰ চুচ একেবাৰে ভিতৰৰ শাহ খিনিৰ (মগুহ বোৰ) লগত মাটি মাহ বান্ধি ৩/৪ দিনে খালে ভাল হয়।

নাকৰে তেজ ওলোৱা

২১০৩) লাইজাবৰিৰ ৰস আৰু দুবৰি বনৰ ৩/৪ টা আগৰ লগত ৰস উলিয়াই নাকেৰে উজাব। (দিনে ৩/৪)

ঘা'ত মাখি নপৰাৰ দৰৱ

২১০৪) তুলসীৰ পাতৰ ৰস আৰু নাথুক থোকা পাত খুন্দি ঘা'ত লগালে মাখি নপৰে।

নিউমোনিয়াৰ দৰৱ

২১০৫) কাচি বনৰ ৰস, গুটি জালুক (বয়স অনুপাতে) ২১/২৯ টা দি একে লগে পটাত খুন্দি ৰস উলিয়াই ৪/৫ চামুচৰ লগত অলপ নিমখ দি গৰম কৰি ৩ দিন খাব লাগে।

শ্বাহনীৰ দৰৱ

(সৰু লৰা-ছোৱালীৰ ও ডাঙৰৰ বাবে)

২১০৬) সৰু লৰা-ছোৱালীৰ বাবে সিজু গছৰ আঠা ৩ টোপ আৰু একেবৰণৰ গৰু গাখীৰৰ চাৰি চামোচৰ লগত ৰাতিপুৱা খালি পেটত খোৱাব।

বিঃ দ্ৰঃ— ডাঙৰৰ বাবে মাত্ৰা সৰহ কৰিব।

কটা ঘা

(মানুহ বা গৰুৰ)

২১০৭) নাথুক থোকা গছ খুন্দি ৰস লগালে (৪ দিন মান) কটা ঘা শুকাই।

২১০৮) বিশল্যকৰণীৰ পাত খুন্দি প্ৰলেপ দিব লাগে।

মানুহ বা জীৱজন্তুৰ হাড় ভাঙিলে

২১০৯) হাড় জোড়া বন, ভগা ঠাইত লগাব লাগে।

গবল

২১১০) ডিঙি ডাঙৰ হলে মালভোগ খুটুৰা আঞ্জা কৰি ১০ দিন মান খাব লাগে।

মন্ত্র

হাৰ কটা মন্ত্র

১) অবিচাৰ বিচাৰ কৈলা জন্মা জাতি হাৰ কৰ্ম্মা কৰ্ম্মনশা, কু-কৰ্ম্ম, সু-কৰ্ম্ম পানী উঠিবি। আমুকাৰ আজ্ঞি গৰ্ভৰ ভিতৰে আছে তাত হাৰ কৰ্ম্মা আছয়। সকলো গুছাইলো আৰ কৰিয়া নিশ্চয়। পূৰ্ব্বে ব্ৰহ্মাদেব কৰ্ম্মা কুৰ্ম্মা কৈলা সিকাৰণে সৰ্ব্বব্যাধি মানে ক্ষয় হৈলা, হৰ বিষ্টু হৰ আমুকাৰ প্ৰানপিণ্ড ৰক্ষা কৰি বি কাৰণে তাৰ গাবে পৰ (ফু) পানী জাৰি খাব।

২) গুবাধৰ কৰ গুবা কামিনি অকুল দিলো, নখ ভাঙি ৰাশে নাকাটৈ গুৱা, নখালে শিয়াপান গুনাল বেজিণি অকমকান্ত গো পোৰ আমুকী ভক ভকান্তে, আমুকী পুৰিছে পোৰণি জৰি চকোৰা হেন ফুৰিবি উড়ি ফুৰন্তে, আহিবি পাবে হল বুলন্তে আহিবি আমুকী চিলা হেন ধাই আমুকীৰ শান্ত নাই আন্তৰি আহিবি আমুকৰ কোলনাত একটিবা আৰো বান্ধো তৰা আই আহিৰ সুমতি বন্তা জবা নয় যেন চাণ্ড বান্ধো সূৰ্য্য বান্ধো বান্ধো চান্দ মাই হাতী সোৰ দুৱাৰ মুখত আমুকীক বান্ধি লোহা দ্বাৰি ধৰণি বান্ধিলো চৌদিশে চাই মোৰ হাক গুৰুৰ ডাক সেই মতে বান্ধো সেই মতে থাক।

গৰ্ভত বা জন্মহোৱাৰ মাত্রে ল'ৰা মৃত্যুৰ দোষ শান্তি মন্ত্র

৩) বিজমন্ত্র :– ওঁ ক্রীং কৌং, পৌং স্ত্রী ক্রং কয় হ্রী ভকভমকত শ্রী শ্রী স্বাহা। (ভূজ পত্র গোৰোচনৰ দ্বাৰা এই মন্ত্র লিখি এটা তাবিজত ভৰাই গৰ্ভৱতী কাণত বা বাহুত আৰি দিব। সেই দোষ শান্তি হব।

(প্রথমে ঈশ্বৰৰ চৰণত পূজা কৰিহে কৰিব)

লৰা নকন্দা মন্ত্র

৪) ৰাম স্রাং সং কং কং কং খং গং ক্ষৌ, ক্ষৌ স্বাং স্বাং স্বাং হ্রিং হ্রিং ভূজ পত্র গোৰোচনাৰে লিখি তাবিজত ভৰাই ডিঙিত পিন্ধালে ভাল হব।

মোৰৰ মন্ত্র

৫) এখনি ঘৰ, এখনি দ্বাৰ, অনাদি পুৰুষে স্বজিলে কুমাৰ। পাতাল ফুটি উপজিল জল চৌৰষ্ঠি মোৰৰ ভাঙিলো বল। গঙ্গত কৰি ধৰিলো পানী মাছ কাছ কৰে ভাটি উজনী। আমুকাৰ কুম মাৰোনস নিপাত, নিপাত গোসাই জান। হাগনি

ছান্দনি বৈল কৰি সাৰ। ধৰ্ম্মত কৰি আছে কোন জল। জাত জাত কৰি পোৰা বাঘ হৈ। বাৰী বাঘুনিক বুলিলা আই।

জন্ম জাতি কহিলো তোৰা সিদ্ধ গুৰুৰ বচনে ৰামিবাকে মোৰ আঁৰৈয় মোৰ জাৰো, ধেলা ধেলি মোৰ জাৰে। শুকানি ভেদ যে সুত বাসৰ, জেঠি মোৰ ফৰিঙ্গা মোৰ ভৰিঙ্গা বেকি মহাদেৱৰ মোৰ টুটি ঘা এৰি। মোৰ বচন লৰচৰ মহাদেৱৰ জঠাত ধৰ। ধনন্তৰীৰ বাক্য এৰি যা। বাপ গুৰুৰ বচন। মাথাৰ শিৰৰ বিষ। শিক্ষা গুৰুৰ বচনে টুটি যায় পানী কৃত হৈ পৰ। ইঘৰে ধুবুনী কিকৰ ছালি তোৰ পুত্ৰ ভকাইতে পালি কি বোৰ চালি আঁৰৈয়া মোৰ, দুধ মোৰ, জেঠি মোৰ, মেৰমেৰিয়া মোৰ, গুৰ গুৰিয়া মোৰ সবে গুছি গৈল হৰ বিষ হৰ ৰামৰ আজ্ঞায়ে পানী হৈ পৰ ।।*।। দুধ মোৰ আঁৰৈয়া মোৰ পঘাগুণঠিয়া মোৰ, ভীমতোক, চেচা মোৰ কি কৰিবি কিহ মহাদেৱক সুমৰণে টুটি গৈ বিষ যেবে মোৰ বচন লৰচৰ দেৱীৰ স্তণত ধৰ। মহাদেৱৰ জণ্টাত ধৰ নাৰায়ণৰ চক্ৰত পৰি মৰ, গোবধ স্ত্ৰী বধ পাতকত পৰ। মোৰ বচন গুৰুৰ ডাক আমুকাৰ পাৱৰ শিৰৰ চৌষষ্টি মোৰ মানে পানী হৈ থাক।

মোৰৰ মন্ত্ৰ

৬) কুণ কুণ লতা জলৰ নগৰি কৈ বা দাসৰ কথা। গৈ পালো ভাল মানুহটো। পালো গৈ মানি বান্ধি ৰাখিলো ঈশ্বৰ, ত্ৰিদশ কোটি দেৱতাক কৰিলো সাক্ষী। সনিপাত নিপাত মোৰ জেঠী মোৰ, জাৰোবোবা মোৰ জাৰো, পোৰা মোৰ, জাৰো দুধমোৰ জাৰো ধনুষ্টঙ্কাৰ মোৰ জাৰো হৰ বিষ হৰ। চৌষষ্টি কোটি মোৰ পানী কৃত্য হৈ পৰ। ডুলি ডুলি বৈ শগুণি মুৰত তুলি শিৰ মোৰ কণ্টক তুলি জাৰো। হৰ বিস্ত্ত হৰ। মহাদেৱৰ গুণেৰে চৌষষ্টি মোৰ নমাই জাৰো পানী হৈয়া পৰ। হৰ মোৰ হৰ নামি উঠি যা।

মোৰৰ মন্ত্ৰ

৭) কোন কোন মোৰৰ কোন কোন নাও। গুৰুৰ বচনে জাৰিয়া গুচাওঁ। কোঙ্গা মোৰ কোজি মোৰ, আঁৰৈয়া মোৰ সোপা মোৰ খুণ্ডা মোৰ, পোৰা মোৰ, জেঠি মোৰ, পঘা গুণঠিয়া মোৰ, নিপাত মোৰ জাণ্টে নামি যা তই। গুৰুৰ বচনে জাৰো মই গুৰুৰ বচনে জাৰো মই মোৰ হাক গুৰুৰ ডাক আমুকাৰ মোৰ ধৰা পানী উঠি থাক। ৰাৱণৰ ভয়ে সিংহ পৰ্বতলে সীতা ৰহিল কনত। ৰাক্ষসিনী লোক ভয় লগায় ধ্ৰুত কৰিবে নাপাৰো একো নিশ্চয়। মোৰ মেলি

লগ পাইলো বান্ধিলো হাব জটা হুপাই ভাকিণি আসে পেট উখহে উগাব তোলে অতি পিয়াহে মৰে। মোৰ হাক বামৰ ডাক বাম সীতা সুমৰণে পানী উঠি থাক কটপাট মঙ্গল বাব ভৈৰত প্ৰতি দক্ষিণ দ্বাৰ, কুমাৰ কৰ্কাইৰ লগত গলো। ভাল মানুহৰ লগ পালো। দেখিলো নৈ পানী ভাটিয়ে বান্ধিলো ভৈৰ। উজনিয়ে বান্ধিলো লোহাৰ গড়, আবৈয়া মোৰ গঠিয়া মোৰ, হৰবিষ্ট হৰ অমুকাই আমুকৰ মোৰ জাৰো পানী কৃত্য হৈ পৰ।

কিল জৰা মন্ত্ৰ

৮) আচাবাটো বগাৰাই মাৰো পিঠিয়ে পিঠিয়ে কিল বিচাৰো। বামুনৰ পোশ্য বিশ্বজাতি, কিল পৰগিল একেবাৰে যিমান লাঠি চৰ ভুকু কিল তাৰ পিঠিত গৈবি মিল। চল মন্ত্ৰ চল বামৰ আজ্ঞায়ে চল (কুলাৰ চুকুত ধৰি জাৰিব) বিনা দোষত নকৰিব।

জেঠি মকৰাই খোৱাৰ মন্ত্ৰ

৯) শ্ৰীকৃষ্ণায়ে নমঃ শ্ৰী ধনন্তৰিয়ে নমঃ গঙ্গাদেবীয়ে নমঃ চন্দ্ৰ সূৰ্য্য বায়ু বৰুণ তোমালোকে দুয়ো হৈবা সাক্ষী য'ত আছে ৰবিতলে সবাকো প্ৰনাম কৰো। একেবাৰে এলাও মন্ত্ৰ আৰধনা কৰো। পদুমী কুমাৰী মহাদেউ জি মহাদেৱৰ পৰা ভৈল ক্ষিতি, মহাদেৱৰ বিৰ্য্য ভৈলা কুমজেলেকুৰা পাটবেঙ ভৈলা জন্ম জাতি হৰ বিষ হৰ আমুকাৰ বিষ জাৰিলো পানী উঠি পৰ। দাউবেক খন্দৰাৰ চকু সুন্দৰীৰ এলাতমনে বান্ধো জাৰো পুৰকৰি খৰিয়া সাপ কেৰেলুৱা সবাকো জাৰিলো মহেশ্বৰ আউত ধৰি জাৰিলো পানী বিষ পানী হৈ পৰ। খেদাও খেদিলো হেপাহ, ফেচুলাই দিলে চন্দ্ৰ পদুমী কৰৰী আই তোমাৰ বিষ পানী উঠিজাই কামমত্ত হৈ মহাদেৱে জিয়েকক হৰিলে পেহীলালে বিৰ্য্য কুমজেলেকুৰা, পাতবেং জেঠি মকৰা ভৈলা জন্ম মকৰা কুমজেলেকুৰা কেৰেলুৱা খৰিয়া সাপ জেঠি পাতবেং সবাৰে বিষ জাৰো পানী হৈ থাক।

ত্ৰিদশ দেৱতাই সুধিলে ভণ্ডুৰা গোসাই পাৰ্ব্বতিক কৈকলাগি গৈল পাছে পাৰ্ব্বতিয়ে মহাদেউক কহিলা ভণ্ডৰা গোসাই পদুমি কুৱৰীৰ গৃহে গৈলা নাজানো মহাদেউ কি কাৰ্য্য কৰিলে পাছে ত্ৰিদশ দেৱতাই মেলক পাতিলা বুলিলা পাৰ্ব্বতিক চাই অকাৰ্য্য কৰিলো ভণ্ডৰা গোসাই হৰ বিষ হৰ আমুকাৰ কুমজেলেকুৰা, কেৰেলুৱা জেঠি খৰিয়া সাপ, মকৰা, পাতবেং সবাকো বিষ জাৰো পানী কৃত হৈ থাক। কেন মতে মহাদেউ জীয়েকক হৰিলে এহিবুলি

ত্ৰিদশ দেৱতাই মেলক ভাঙিলা, জানিয়া পাৰ্ব্বতিৰ বিষাদ মিলিলা আপুনি পাৰ্ব্বতি গৈলা পদুমীৰ গৃহে ব্যাকুল হৈয়া জিয়েকৰ ক্ৰন্দন শুনিলা পদুমী কুমাৰী দেখে পৰ্ব্বতি মাতৃ আসে সেহিভাবে ললে বিৰ্য্য ভূমিত পৰি আছে। তপ্ত সুৰ্বণৰ বৰ্ন দেখিও সন্দৰ সেহি বেলা পাৰ্ব্বতিয়ে পদুমি কুমাৰিক সাৱতি ধৰি আছে শুনিয়োক ক্ৰহো পাৰ্ব্বতি আই মোক হৰিলে ভঙৰা গোসাই তেললোন সেহি ৰূপে পৃথিবীত ৰহিলা হৰ হৰ বিষ্ণু হৰ আমুকৰ জেঠি মকৰা পাতবেং খণ্ডিয়া কেৰেলুৱা কুমজেলেকুৱা কেচু সাপ সৰ্ব্ব বিষ জাৰো পানী হৈ থাক। সেহি ভৈলা নৰমনুষ্যৰ খ্যাতি বৈলা দেৱতাই মাদ জন্ম হাতে তুলি লৈলা হাতে পাৰ এৰামতি বিষ নেজাবি উজনী ভাতি মহেশ্বৰ পাৰ্ব্বতিৰ অটত শিৰে ধৰি বান্ধো ত্ৰিশানি জোৰপুৰ কৰি মোৰ হাক গুৰুৰ ডাক সৈতে শুনিতে ছাপি থাক। খুদাই হৰ খুদাই হৰ নৰ নাৰায়ণক স্মৰি আমুকাৰ সৰ্ব্ব বিষ জাৰো পানী উঠি পৰ চলবিষ চল মহেশ্বৰৰ আৰে আৰে চল নচল যদি পাৰ্ব্বতিৰ তনত ধৰহ ৰহে নাজাবি বিষ নাজাবি উজাই। জাই তলা খাই তলা খায় শগুণ শিয়ালে দালত পৰি গুনিয়ে গুনে মনে আলত মন্ত্ৰে আশি কৰিলেক কোন আকাশী বচনে শগুণীয়ে পাই। সমস্ত বিষক পেলাইলেক খাই। হেমগিৰি পৰ্ব্বতৰ সাগৰৰ পৰা উপজিলা বিষ কান্দলি কাল উপজিয়ো বিষ ইহাতে নাহি ঠাই। কালকুট বিষ পানী উঠি যায়। হৰ বিষ্ণু হৰ। আমুকাৰ জেঠি মকৰা, খণ্ডিয়া সৰ্ব্ব বিষ জাৰো পানী হৈ থাক। মহেশ্বৰ আউত ধৰি শিৰত ধৰি বান্ধিলো টিপনি মন্ত্ৰে জুৰ পুৰ কৰি নাজাবি বিষ উদ্ধকত পানী মোৰ হাক গুৰুৰ ডাক যেই মতে জাৰো সেই মতে পানী হৈ থাক। যদি বিষ উজাই চল মহেশ্বৰ ত্ৰিশুলত পৰি মৰ। পাছে মহেশে ত্ৰিদশক মাতিলে আশিয়া ত্ৰিদশ দেৱতাই মেলক পাতিলে কালকুট বিষ পানী উঠি গৈলা। খোদাই হৰ খোদাই হৰ এক যক আই তোমাৰ বিষ গুজন নাজাই তোমাৰ হন্তে উৎপত্তি ভৈলা ত্ৰিদশৰ বচনে মহাদেৱে জিয়েকক কহিলো খোদাই হৰ খোদাই হৰ তেললোন জাৰো চল্লিচ কোটি বিষ জাৰো পানী হৈ পৰ। মহাদেৱেৰ বিৰ্য্য জন্ম ভৈলা জি কহিবা তোমাৰ জন্ম জাতি আমুকাৰ নাথাকিবি বিষ যদি থাক মহাদেউৰ ত্ৰিশূলত পৰি মৰ খোদাই খোদাই বক বক মহাদেউ বিষ্ণু হত ভৈলা দুয়ো গুটি ফুল জোকাৰিবে লৈলা এহি বুলি মহাদেৱে জীয়েকক বুলিলা তোমাৰ বিৰ্য্য পৃথিবী ভেদিলা অভিচাৰ মন্ত্ৰ বিধতাৰ হাতে হাতোৱালী বাটোৱালী বোকন

পাতি থৈলা।

ঢকাৰ মন্ত্ৰ

১০) উদয়গিৰি আছিল শগুণি গুহাগিৰি পৰ্ব্বত যায়। নিতৌ শিঙ্গে ঢোক ঢোকাই। চাৰি খড়া ঝন-ঝুনু বাজে। ঢকা দিগ্নাৰি জাৰিলো পানী কৃত্যা হৈ পৰ। কন্নী বিহৰ বোবাই জাৰিব। ঢকা হোৱাৰ ভাল হয়।

এৱাৰ মন্ত্ৰ

১১) আলু পাতে এৱা দি ঘৰ লিপো এৱা বোলে জাত। নেথাকিব তাত, হৰ বিষ হৰ। আমুকাৰ এৱা জাৰো পানী উঠি পৰ।

(তেল ও পানী জাৰি খাব)

আলক্ষনীৰ মন্ত্ৰ

১২) মাঘ মাহে পূৰ্ণিমা তিথিত মঙ্গল বাৰ দিনা আলক্ষনী উৎপতি ভৈলা দক্ষিণ ফালে বিজো আলক্ষনী পাতালে পালো বিহৰনলা, হৈলো বন্দী। আমৰ গছৰ চামৰ গুৰি আলক্ষনী বাজো পাতালে বেঢ়ি খাল যক্ষিণী খালত বাস। আৰে যক্ষিণী কলৈ পলাই, আৰে যক্ষিণী কৰিবি কিস, মহাদেউ হুং হুং হুংকাৰ নামি গৈল বিষ। মুণ্ডকালী কৰৈ ঘৰ হল আছি বেলি দুপৰ। চাব মাৰি ধৰো কৰিবি কিস, মহাদেৱ হুং হুংকাৰ নামি গৈল বিষ থলে যক্ষিণী বাওঁহাতে কৰ্ম্ম কৰি। আমুকাৰ যা।

এতিক্ষণে এৰি গুং হুং গুং হুং স্থাৰ ছাড়ি যা লঙ্কাৰ পাৰ। নাথাকিবি আমুকৰ ঘৰ বাৰী সিমাসন্ধাৰ।

(বাওঁ হাতে তেল জাৰিব)

আলক্ষনীৰ মন্ত্ৰ

১৩) আলক্ষনী, বিলক্ষনী, শঙ্খিনী, কুলক্ষনী, গজমুখী, নিৰাৰা, বিৰালী ৰথত খেদিলে ৰথোৱালী। আকাঙ্গি খেদিলা আকাজি। চৌবাগী খেদিলো চৌবাজী। শিৰে শিৰে ধাই আৰে আলক্ষনী পলাই যা। পাণ্ডপাত বানে খেদি খেদি খাই। আৰে আৰে আলক্ষনী কৈক লাগি যায় হাতৰ আলক্ষনী বাহিৰে যা পাণ্ডপাত বানে খেদি খাই। পাণ্ডপাত বানে ঘনে ঘনে খেদি খেদি মাৰো। এক বজাৰ শ্মশান শালিয়া জল আলক্ষনী থল আলক্ষনী, আযতি আলক্ষনী, ৰবৰি আলক্ষনী, হালোৱা আলক্ষনী, পোৱা আলক্ষনী সেবা আলক্ষনী, হতৰা আলক্ষনী পটেক

খোৱা আলক্ষনী বান্ধিলো থানে থানে। সূতা জাৰি জলত চৰিলা তেতিক্ষনে আলক্ষনী ভাগিয়া পলাইলা। আৰে আৰে আলক্ষনী নমো শিৱৰ, ইন্দ্র দশকোটি দেৱতাক খেদি খেদি খাৱো গই। আই বসুমতী মোক দিয়া ঠাই। পাণ্ডপাত বানে খেদি খেদি থোৱাগে।

(চুন ও তেল পানীত মিহলাই খাবলৈ দিব লাগে)

নাবেঙ্গাৰ মন্ত্র

সূর্য্যফোটা নাবেঙ্গা

১৪) কুকুৰবাহী নাবেঙ্গা, বাঘমুৰা, মৌ বিচনিয়া ধুমুহা থোৱা, মুকোদোৱা। ভেকুলীয়া শিঙৰী পৰা, পোৱা, আৰ গাম। কচুৱা গাম, বৰলা নাবেঙ্গা, চমকা নাবেঙ্গা, দমকা নাবেঙ্গা, গৰ্ভ নাবেঙ্গা খোচা নাবেঙ্গা, বিন্ধা নাবেঙ্গা হৰ বিষ্টুৰ হৰ পোৱা ভেৱা আমুকাৰ চৌষষ্টি ব্যাধি মানে পানীকৃত্য কৰ। মোৰ হাক গুৰুৰ ডাক, জৰিলো ব্যাধি উঠি থাক। অৰে অৰে তোৰ জানো জন্ম জাতি। মাক গৌৰী বাপেৰ হৰ। জাৰিলো নাবেঙ্গা পানী উঠি পৰ।

দাঁত পোকৰ মন্ত্র

১৫) অন্তগিৰি মৈ খান, মই হলো দাঁতৰ কপৌ পোক যৰযৰি কম্প। দাঁতৰ পোক লৰে চৰে বত্রিশ দাঁতৰ বিষ মাৰো। বিষ বিষ পোৰ চন্দ্র সূর্য্য দুই সাফুৰা। চন্দ্র সূর্য্য লগালো মাথে। দন্তৰ বিষ মাৰিলো সুখে। হৰ বিষ হৰ জাৰিলো আমুকাৰ দাতৰ পোক শাৰী শাৰী হই সৰি পৰা। অন্ত বোলো দান্ত তই আগে-আসি পাছে জাইব খোজ। আগে বান্ধি আছো তোক বিচাৰে অনাদি যকিনী গোৰক্ষ আই অন্ত দান্ত কৰিলো একে ঠাই খোচনিৰে খোছো তোক জীওঁমানে নেৰিবি মোক ঘিটো পাম বাটি খাম। তয়ে ময়ে একে লগে যাম।

(খৰিকা ৩/৫ ডাল উলু লব)'

জুই মৰা মন্ত্র

১৬) অগ্নি মাৰো অগ্নি ভক্ষো অগ্নি কৰো ছাই আমুকাৰ মুখে বানী ব্যাধি নুশুৰিয়া আক হস্তত কৰি আচুৰাই। ঈশ্বৰ মহাদেৱৰ মাথা খাও সোনৰ ছাতা মই জাৰো ব্রহ্মাৰ বোঠা। লঙ্কা দহি হনুমন্ত জয় মুখৰ অমৃত মুখে নমাইলা।

জুইয়ে পৰা মন্ত্র

১৭) লোহাৰ গুৰি পৰ্ব্বত ভজ। হনুমন্তে আনিলে জুই। বায়ে লুৰিলে খৰি লক্ষণে জলালে জুই সীতাৰ ঘৰে লাগিল আছে। হৰবিষ্টু হৰ আমুকাৰ জুই পোৱা

পানীকৃত্য কৰ। অগ্নি মাৰো অগ্নি মাৰো পানীকৃত্য কৰো। যেখানি হনুমন্তে লঙ্কাৰ গৈলা ৰামৰ আজ্ঞা লক্ষণৰ আজ্ঞা সীতাৰ আজ্ঞা বিভীষনৰ আজ্ঞা। বাণী জাৰিলো জুই কৰিলো পানী। মুখৰ অগ্নি মুখে নুমান্ত হৰবিষ্টু হৰ আমুকাৰ জুয়ে পোৰা পানীকৃত্য হই পৰ। (এডাল অহঠা খৰীৰে বা তেল সহ উধান মাটি মিহলি কৰি জাৰি, পোৰা ঘাত লিপি দিব।

আচিনাইৰ (চকুৰ আজনি) মন্ত্ৰ

১৮) ওলাল হাটে পোহৰীয়ে বেচে দুয়ো মাছ ওকনি শিৰত। পোক সৰিল খোপা খোপে, বহ ধাবলি চন্দ্ৰ ছত্ৰ কমলি তোৰ চন্দে মোৰ বৰণ, মই জাৰো কন্মাৰ আজ্ঞাই গুৰুৰ ডাক জাৰিলো আমুকাৰ চকু কোটা খোৱা আচিন্যাই পানী হৈ থাক।

(তেল জাৰি ঘহিব। এডাল নুম চিঙি দিব)

চকুকোটাৰ মন্ত্ৰ

১৯) শিব মহাদেৱক নমি মই জাৰো। আমুকাৰ চকুকোটা উৎপতি কথা। মই কহোঁ সাজে পাজে বুঢ়ী ডুমুনী গৈলেক হাতে কিনিলেক গৰুৱা মাছ। তাহাতে লাগিল পোক। খৰখৰ কৰি পৰিলন্ত কোট জহি আই মাহী আই। মই জাৰো পানী লৰিল চৰিল সৰি সৰি পৰিলন্ত হৰ বিষ হৰ আমুকাৰ চকুকোটা বিষ জাৰো পানী হৈ নামি পৰ। এই কথা লৰচৰ যদি মহাদেৱৰ মাথা খাৱই সত্বৰে পাৰ্ব্বতী গোসানীৰ দোহাইপৰ। (দুবৰী বন একোচাৰে তলত এখন কলপাত পাৰি লব। সেই কলপাতলৈ নমাই নমাই জাৰিব)

তেজ বোৱাৰ মন্ত্ৰ

২০) কটা কটা সাৰ মই ধৰণি ধৰো বিষ নাই। লোকে ধৰণি ধৰে কেশ মই ধৰণি ধৰো ইষ্ট গুৰুৰ উপদেশে। ধৰণি ধৰো, আটি ধৰণি ধৰো। বাটি ধৰো, তেজে পুজে হাৰে মাংসে শুকাই পৰ।

২১) সোনৰ নাঙল ৰূপৰ ফাল বামে লক্ষণে জুৰিলে হাল। হাল বাওঁতে উঠিল মাটি মই তেজ ৰাখো আটি মুটি।

(এই মন্ত্ৰৰে কটা ঠাইত হাতেৰে টিপি ধৰি জাৰিব)

প্ৰসৱৰ মন্ত্ৰ

২২) কালি, কালি বিকালি কালা। মালতি তৈল যুৱতী নাৰী। আগত গুটি পাছত ফুল ৰাপে পুতে চপাই কল। হনুমন্তই দালে জুই জাজৰি হৈ পল মুকলি দুৱাৰ।

গঙ্গা দুৰ্গা আসিল ঝান্তে হাৰ জৰ জৰ মাংসে ফাটি মাথৰে পঢ়িলে দিলে পেটৰ চৰা ঘাট মেলানি। মহাদেৱৰ আজ্ঞা দেবী গোসানীৰ বৰ আমুকীৰ চৰা খসিয়া পৰ। মোৰ হাক গুৰুৰ ডাক আমুকীৰ চৰা ওলাই থাক।

২৩) হস্তিনী দেবী আই হস্তিনীয়ে ফোছ কৰে মেৰুগিৰি পৰ্ব্বত খহি পৰ। শাতালী পৰ্ব্বত ভাঙিব যি নাপাবে। বাউল হৱ বিষ মাৰে ঠাই বিষ্ণু বিষ্ণু মায়া পাতিলে। চৰ্ম্মৰ ভিতৰে বিষ্ণুৰ মায়া বিষ্ণু দিলন্ত পানী আমুকীৰ গৰ্ভদান লৈলা মেলাবো মই পানী জাৰি দিও আমুকীৰ খাই। আমুকীয়ে লাগে গৰ্ভৰ আশ, পানী আদি পানী মুল, হৰ হৰ ব্ৰহ্মাৰ লৰিলন্ত শুল। ব্ৰহ্মা বিষ্ণু আদি ভীমৰ কুমাৰ পৰিলন্ত আমুকীৰ মুফুল আৰ।

(গৰ্ভৱতী মানুহ প্ৰসৱৰ কালত এই মন্ত্ৰৰে পানী জাৰি ভগবানৰ নাম লৈ খাবলৈ দিব)

সৰ্পৰ ধৰণি ধৰা মন্ত্ৰ

২৪) আদি অন্ত ব্ৰহ্মাদেৱক নমস্কাৰ কৰো। বেদ বিচাৰিয়া মন্ত্ৰ পঢ়ো সিদ্ধ গুৰুৰ বচনে ধৰণি ধৰো। চন্দ্ৰ সূৰ্য্য নাযাওঁক যথ চাই কৰিলো ধৰণিবাসুকীক লগ পায়। এই যে মোৰ ধৰণি লাৰ। মহাদেৱৰ জটাত ভৰি পৰ। ধৰণি বান্ধো উজণি ধৰণিবান্ধো সুলান বান্ধো গৌৰী মই ধৰণি, ধৰণি ধৰোনামৰ কুলাকুৰ ওপৰত ধা, হেচো ধৰণি ওপৰক নাজাৰি, সকলো সৰ্প বিষ নামে। চেঙ্গেলী, চেঙ্গেলীয়া নাও। ফাট দিয়া বসুমতী পতালে লুকাওঁ একহাতে দা কটাৰি আন হাতে ললো ডাক দি পুছে চুচন্দ দিপক, লেতাই ধুবুনী কৰিবি কিসক। গুণু গোসাইৰ চৰণ টুট গৈল বিষ। হৰ বিৰ হৰ যেই দ্বাৰে দ্বাবিলি সেই দ্বাৰে খৰ। লহ লহ জিহ্বা, বিকভ দুই দান্ত কোন সৰ্পে খাইলি কাল বিকাল মনুষ্যক জীয়াইবে শীঘ্ৰে বেগে চল। বাহিৰে কনকান্তি তঁলে চাক। এই মন্ত্ৰৰ সৰ্প আহি থাক।

বলিয়া কুকুৰে খোৱাৰ মন্ত্ৰ

২৫) মাঘ মাহে প্ৰতিপদ তিথি সৰমাত হন্তে কুটালে ভৈল উৎপত্তি। উতপতি হন্তে কুটা আগ ভৈল। এতেকে সৰমা কুকুৰ নাম থৈলা। চাৰি গোট দান্ত কৰি জেজ জেজ সৰ্ব্বকালে তোহেৰ নুণ্ডহে খেজ খেজ জাতি গৰ্ণ সহিত সদায়ে কমণ্ডল, বৈতে থাক ভৈতে নুণ্ডহে কন্দল। হেনদেখি সৰমাৰ মনে মহাতাপ, ক্ৰোধ কৰি সৰমায়ে তাক দিলে শাপ। তোৰ ৰকত মৃত্যু নোহক কোন প্ৰাণী,

দশোদিশে ফুৰ তই চুৰা পাত খাই। সৰমাৰ বচণে চতুৰ দিশে যাই। কহিলোহো পানী বলিয়া কুকুৰে খাই। হৰ বিষ হৰ পানী কৃত্য কৰ।

(বিহলগুনিবে জাৰিব আৰু দৰৱ খাব)

মুৰকুচিয়াৰ মন্ত্ৰ

২৬) গৰ্ভৰ ললিতা, গৰ্ভত থিত, তোবেসে নিত, কৰা বচন গৰ্ভত লক্ষ্মী বাস। মই সিদ্ধ গুৰুৰ বচনে জাৰো জান্তে আস সাত ভাল বিহৰে কনি। গজ, গয়া গৰ্ভশলা শুক্ৰ চামৰে খায় উবাহ ঈশ্বৰী দিলে পানী। উপজি আমাৰ মনে জানি।

(পানী জাৰি খুৱাব)

পাচ বিয়া হোৱা মন্ত্ৰ

২৭) মহামায়া দেবী আৰু তোমাসাৰ কৈল উপখ্যান। ৰক্তপাত হৈবি আৰ, কহিয়া মৰ্ম্মে পূৰ্ব্বে পৃথিবী দেবী ৰজস্বলা ভৈলা। বিধাতাৰ বৰে আৰ ৰৰ সঁচাত বৈলা, যেবে ৰৰ সাচত হৈলা আৰু ৰজা ভৈলা। সিকাৰণে স্ত্ৰীমানে ৰজস্বলা ভৈলা। হৰ বিষ্ণু হৰ আমুকাৰ শোণিত পাত হৈ পৰ।

(এই মন্ত্ৰে পানী জাৰি গা ধুব)

গা বান্ধনি মন্ত্ৰ

২৮) ৰজাৰ ৰাজ লোহাৰ গাঠি, লোহাৰে বান্ধে সশৰীৰে ঢাক। বজ্ৰে বজ্ৰে বজ্ৰে মাৰ, বজ্ৰে বান্ধো নৱ দ্বাৰ কালিচাইীৰ পৰা গজ হস্তিলৈকে সীমা কৰি শৰীৰ বান্ধো। বজ্ৰে লোহাকে সাগৰ শুকাই, মেৰুগিৰি পৰ্ব্বত লুকাই। তেহে মোৰ গাঠি শুকাই। মোৰ হাক অনাদিৰ ডাক, বান্ধিলো আমুকীৰ বিজু হই থাক।

(এই মন্ত্ৰে অলপ তেল জাৰি গাত ঘহিব লাগে।)

বোৱা পোকে খোৱাৰ মন্ত্ৰ

২৯) নল চহৰা, দল চহৰা, পৰ্ব্বত চহৰা খোক কটা, কেওঁ কটা, বাস বন্ধ্যা আমি- নাওঁ। মোৰ নাখাবি আনৰ খাবি, যদি খাবি নষ্ট যাবি। মোৰ যদি খাব ৰাম লক্ষণৰ মুণ্ড খাব।

(শনিবাৰে, দেওঁবাৰে জাৰিব)

ৰৰুণী বোৱা মন্ত্ৰ

৩০) ৰামৰ আজ্ঞায়ে, ৰৰুণী সৈ মাইসে যাওঁ। মোৰ ৰৰুণীত কুটি চেনী খাই।

লোকৰ বৰশীৰ ওচৰে নেযাই। মচুন্দৰীৰ বচনে শিৱে দিলে হাত, মোৰ বৰশীত মাছ লাগি থাক। মোৰ বৰশীত মাছ লাগি থাক। মোৰ চোঙ্গে এৰি আনৰ চোঙে যাব তেবে মহাদেৱৰ মাথা খাব।

আধাৰ বেতৰ মন্ত্ৰ

৩১) শিৱ শিৱ শিমলু গজালে গছত টিয়হ গজা, সিফালে বান্ধিলো, কামিনী আই আমুকীৰ আধাৰত জাৰো কুলাৰ চুকে। মোৰ বচন গুৰুৰ ডাক আমুকীৰ আধাৰত জাৰো পানী উঠি থাক।

(কুলাৰ চুকত জাৰিব)

সৰ্ব্বস্থানে জয় হোৱা মন্ত্ৰ

৩২) ওঁ ক্ৰীং হ্ৰীং, হ্ৰীং হ্ৰীং ক্ৰৌং দ্ৰঃ দহ, দহ পাচ পাচ আমুকাৰ অন্যাবধি মৰন কলীল সৰ্ব্বাঙ্গ শৰীৰ ৰক্ষা কুৰু কুৰু স্বাহা।

(ভূজ্জপত্ৰত গোৰোচনাৰে এই মন্ত্ৰ লিখি, আঠু ধাতুৰ তাবিজত ভৰাই লব।)

মানুহ জনে পূৰ্ব্ব দিনা ব্ৰতে থাকি ঈশ্বৰক পূজা কৰি এই তাবিজ পিন্ধিব।

সৰ্ব্বঢাক মন্ত্ৰ

৩৩) ঘোৰ ঘোৰ আঘোৰ ঘোৰা। কঙ্কিণী কাল দুৰ্গা, খং, ছং, ছিং খপিতে ডাকিণী ভেজ বলয় ডাকিণী যোগিণী দৰ্শিলি, সমস্ত, আমুকাৰ গাৰ জাৰিবাক লৈলো। আমুকাৰ গাং গাঙঠি নেপালী হেঙ্গাৰা, চৌৰাঙ্গি পোৰাধমনা, ধমনী নাৰেঙ্গা, মোলোঙ্গা শিয়াল গলা টোৰে এন্দুৰীয়া বেৰা জোৰা চৌষষ্ঠী ৰোগ আমুকাৰ জাৰি পানী কৃত্য কৰো। প্ৰথমে জাৰো মই আমুকাৰ গাত শিঙ্গি মুৰি পৰা, বাঘমুৰা, শিয়াল গলা। কলিয়া ৰাজপীড়া পুৰেয়া, অঙ্গিমা, যম বটিকা, আহোম ফোহোৰা, পাখি মুৰিয়া, পাৰা-পিঙ্গলিয়া, ওফৰাঁ পিঙ্গলিয়া, শিলা ধমনা, জৰখাপৰি, শিলখাপৰি ইত্যাদি সমস্ত ৰোগ জাৰি বাক লৈলো। সিদ্ধ গুৰুৰ বচনে পানী কৃত্য কৈলো। যেতিক্ষনে গৰুড়ৰ ক্ৰোধ উপজিল হাতে বিষ ঢেকিয়া লৈ জাৰিবাক লৈল, গুৰু বোলে মই কোন ভিতি যাওঁ বিহ ঢেকিয়াৰে জাৰি পেলাওঁ। চুৰচুৰিয়া মুৰমুৰিয়া, বতা গতা, চেলেকা, আঙঠা মৌঅৰ ৰোগ জাৰো। চৌষষ্টি ৰোগ জাৰো। ৰোগ পানী কৃত্য পৰ সিদ্ধ গুৰুৰ পাত ৰক্ষা কৰা কামৰূপৰ কামাক্ষা মাওঁ।

(বিহ ঢেকিয়াৰে কোবাই জাৰিব)

খৰৰ মন্ত্ৰ

৩৪) ভুখৰি ভুখৰি লোহাৰ তেল, ত্ৰিদশৰ আগত দিলো সাক্ষী, সৰ্ব্ব খৰনামে নিৰয়মে থৈলা বাধি। খৰ খৰ নিজৰ খৰ আমুকাৰ খৰ জাৰো পানী উঠি পৰ।

(কেচা কলপাতত তেল জাৰি ঘহিব)

চাউল জৰা মন্ত্ৰ

৩৫) সোনৰ নাঙ্গল, ৰূপৰ ফাল, ৰাম লক্ষণে জুৰিলে হাল। সোনৰ নাঙ্গলত উঠিলে ধান্য ভাল। ধান্য এইৰ চাউল জাৰো, সাধুক এইৰ চোৰক ধৰো। কুৰি কুল ধান্যৰ চাউল এক লেৰ, সীতা দেবী বাৰিলা চাউল। সেই চাউল সকলে খাওঁক। চোৰ ভাইৰ মুখে ধুলা উৰাওক পেগৰীৰ ৰাজা দৌলত চৰিয়া। ৰাম দিলা চাউল জাৰিয়া এঁকেক চাউলক শতেক লোকে খাব। সাধুক এৰি চোৰক ধৰিব। শ্ৰীৰামৰ হুংকাৰ চোৰৰ মুখৰ চাউল ধুলা পৰ গত। (উক্ত মন্ত্ৰেৰে কাৰ্য্য কৰিবলৈ হলে একঠামান ৰৰধান কুমাৰী ছোৱালীৰ হতুৱাই খন্দাই চাউল উলিয়াই কাৰ্য্য কৰাব। পৰ্ব্ব দিনাই সেই চাউল ধুই গোসাই ঘৰত থব। পাছ দিনা ঈশ্বৰক ভাবি লৈ জাৰিব কিন্তু বৈদ্যই যাৰ ওপৰত মালা নিয়া চোতা কৰে সেই সকলো বোৰেই কাৰ্য্য কৰা পূৰ্ব্ব দিনা হাবিষ্যান্ন খাব। কাৰ্য্যৰ দিনা একো নেখাব। তেহে উক্ত মন্ত্ৰই গুণ দিব। এই কাৰ্য্য ঘৰৰ কোনো মানুহৰ ওচৰত সোভা হলেহে কৰিব পাৰি।)

চুৰ দিয়া মন্ত্ৰ

৩৬) চুৰ চুৰ মোৰ চুৰ বাজিলে চুৰ। কৰিলো নাঠি, মই চুৰ দিলো হুই গৈল পানী সূৰ্য্য যেন ফল বেল গোট সেই সৰিয়হ তেল জাৰো পানী কৰি মাৰো। গাঙ্গঠি, ঘোৰাশলখা কাচি ললীয়া পৰাগুনঠিয়া পৰা, টেঁচুৰা কৰ যোঁহোৰা। শিঙ্গিমুৰি, বিহুকোহোৰা সকলোকে গোটাই পানী কৰি মাৰো। হুৰ হুৰ বিষ্টৰ হুৰ পানী কৃত্য কৰ।

(তেল চুন মাৰি দিব)

উশাহ শূল আদিৰ সৰ্ব্বধাক

৩৭) শামাই শগুণিৰ পৰিল পাখী। কোন ঘাটে গলি তই নাতৰ পামৰ, একাজি চৌৰাজি শিৰ, পোৰা বাঘমুৰা, শিয়াল পলা, গগলা কোৰাচৈজীয়া জিনজিনোৰা,

সিলসিলিয়া আদি সমস্ত ৰোগ হৰ বিষ্টৰ হর পানীকৃত্য হইপৰ। অৰে অৰে ব্যাধি তোৰ জানো জন্ম জাতি। পৰ্ব্বতৰ পৰা উৎপতি ভৈলি, কি কি, ৰোগৰ কি নাওঁ এক চিত্তে বিচাৰি চাওঁ, তোৰ নাওঁ ওৰোলা, ভোৰোলা, মামৰিয়া, দুৰতিয়া মাকমামৰি গলবেৰা গলহেঙ্গেৰা গল কণ্ঠিয়া গোম, গগলা শিয়াল গলা, সূৰ্য্য ফোট পুৰৰাজ পীড়া মামৰি ৰাজপীড়া, কলিয়া খলিয়া, ৰাজপীড়া, কচোৰা ৰাজপীড়া, চকুৰা ৰাজপীড়া। কচুৰা এন্দুৰীয়া, পদৰুৰা এন্দুৰিয়া, কলগছিয়া, লুডিয়া আধগৰা, গোধা পিঙ্গলীয়া, খণ্ডিয়া কৰা ইত্যাদি সমস্থ ৰাজপীড়া জাৰো। যৈতে বিষ তৈতে জাৰো। যদি তৈতে ভাটি এৰি উজনী কৰা যেই গুৰুৱে প্ৰজিলা সেই জনাৰ মাথা খাব। ৰামৰ আজ্ঞা লক্ষণৰ বাণী যৈতে ব্যাধি ততে হ্‌ল সমস্ত পানী। শিৱৰ পাৱ ৰক্ষাকৰা কামৰূপৰ কামাক্ষ্যা মাওঁ। হৰ বিষ হৰ চৌষষ্ঠি ব্যাধিমানে যেনি জাৰো তেনি টুটি নষ্ট হই পৰ। ৰামৰ আজ্ঞা শিৱৰ দ্ৰোহ জাৰিলো আমুকাৰ সমস্ত ব্যাধি পানী কৃত্য হৈ পৰ। যেবে বচন লৰচৰ তেবে গঙ্গাপাৰত সাতজনী কপিলা বধ কৰ।

(বিহলঙ্গনিৰে কোবাই তিনিবাৰ এই মন্ত্রে পাঠ পঢ়ি জাৰিব।
নহলে পানী জাৰি খুৱাব।)

সৰ্ব্বব্যাধি জৰা মন্ত্ৰ

৩৮) ভাঙো আটি ভাঙো মাটি ভোগে চান্দৰ গাঠি। গাঠি ভাঙো মুঠী ভাতো, তলৰ চেঙেৰী ভাঙো। যত গুৰু চৰাল লৰে তাক পালে গম গড়ে। চট ছিৰা গু কই পাৰে ৰাৱ হৰ বিষ হৰ। আমুকাৰ বিষ ব্যাধি পানী হৈ পৰ। চৰ ভাঙো চান্দো ভাঙো বিহুৰ গুটি। বাহি মুখ চৰ ভাঙো যায় পানী উঠি। চক্ৰৰ চিৰা গুৰুই বাঢ়ে বা আমুকাৰ বিষ ব্যাধি কুজ্ঞান কুমন্ত্ৰ পানী উঠি যা। হৰ বিৰ হৰ আমুকাৰ বিষ ব্যাধি পানী হৈ পৰ। আদি গুৰু নাতী গুৰু। সিদ্ধ গুৰুৰ পাওঁ। ৰক্ষা কৰ কামৰূপৰ কামাক্ষাদেৱী মাওঁ।

নিয়ম ঃ— এই মন্ত্ৰ সাত বেলি গাই। নৈৰ ধাৰনিৰ পানী আনি জাৰিব। কিছুমান তপতোৱা পানীৰ লগত এই দৰে জৰা পানী খিনি মিহলাই সেই পানীৰে ব্যাধি ধুব লাগে। গৰক লগা বা কুমন্ত্ৰ কৰা দোষ গুচিব।

সন্নিপাত জ্বৰত মোৰ হলে
পানী জৰা মন্ত্ৰ

৩৯) শ্ৰী কৃষ্ণায় নমঃ কোন কোন মোৰৰ কোন কোন নাৱ। সকলো মোৰৰ জন্ম

কথা কওঁ। যৈখনি হৰ গৌৰি কৈলাসক গৈল সনিপাত নিপাত হাব মোৰ চিনা মোৰ খুন্দা মোৰ, জেঠি মোৰ পঘাগোপঠিয়া মোৰ, দুখ মোৰ আঠ মোৰৰ কথা কাহিনী আমুকাৰ মোৰ ধৰিছে খুৱাবো পানী। হৰ বিষ হৰ, জাৰিলো মোৰ পানীকৃত হৈ পৰ (তিনি বাৰ জাৰি পানী খাব লাগে) শিৰা, ধনুষ্টঙ্কৰ মাউৰত পৰা ৰোগীৰ মোৰ ভাল হয়।

৪০) শ্ৰীকৃষ্ণ নমঃ শ্ৰী গুৰুৰ শৰণ ৰামগিৰি সন্যাসীৰ আজ্ঞা নিকন্ধি মোৰ, বাঘ মোৰ, বতাহী মোৰ, মুকলি মোৰ, পিশুটা মোৰ, ঘোৰা মোৰ, পোৰা মোৰ, লেঙ্গা মোৰ, পঘা মোৰ, সূৰ্য্য মোৰ, বচোলা মোৰ, ঘিলা মোৰ, হাইকাই মোৰ, কেশখন্তি মোৰ, সোপাদিয়া মোৰ, কোৰকোৰিয়া মোৰ, কৰচুলবীয়া মোৰ, নিদ্ৰাবলী মোৰ, কৃদকী মোৰ, জিঞ্জিলীয়া মোৰ কৰৱা মোৰ।

এতেকে মোৰক খণ্ড খণ্ড কৰো ব্ৰহ্মাদেৱে আনি দিলে গঙ্গাৰ জল। এতেকে মোৰৰ ভাণ্ডিলে বল আকাশলৈ চাই মাৰিলো পানী দেৱৰ বচন নকৰিবা হানি। হৰ মোৰ হৰ, আমুকাৰ গাৰ ব্যাধি হৰ। সোনৰ নাঙল কাপৰ ফাল। কলাকপিলাক জুৰিলো হাল। হাল বায় ফালে মাটি টানি সকলো বিষক কৰিলো পানী কুশুমৰ গা পালটা, ওকালি ভেদ, সনিপাত জেঠি মোৰ কৰিলো পানী মোৰ বচন ৰামগিৰি সন্যাসীৰ বাক জাৰিলো বিষ আমুকাৰ গাৰ মোৰ পানী উঠি থাক।

জিহ্বা বঢ়াৰ মন্ত্ৰ

৪২) শ্ৰীৰাম চন্দ্ৰৰ হুং হুংকাৰ জাৰেঁআ দোজিহ্বা, আলজিহ্বা, খলপিয় জিহ্বা জাৰি পানী কৃত্য কৰো। হৰ ব্যাধি হৰ পানী কৃত্য হৈ পৰ। এই মন্ত্ৰৰে মানুহৰ জিহ্বা বাঢ়িলে জাৰিব ভাল হয়।

বিছাৰ সুঙে বিন্ধা মন্ত্ৰ

৪৩) ওঁ ওম বন্না, চন্না, তান্না সিজৰ দোহাই। ঈশ্বৰ কৰে মানে বাকী শৰীৰে আৰু নাই কি। (এই মন্ত্ৰ বাৰ বাৰ পাঠ কৰি ছয়ত্ৰিশ বাৰ ফু মাৰিব। তেনে হলে বিছা বিন্ধা ভাল হয়।)

গা বান্ধ মেলাৰ মন্ত্ৰ

৪৪) জিনিজিনি তেলী সুকৰি বন্ধাইলো হিয়া, মোৰ মুখ দাপোনৰ ছায়া, মোৰ মুখলৈ চালে লাগিব দয়া। ইমতেল হিমতেল মই ঘহো বাঘৰ চেল, বল

কাম্পে কম্পিলে গগন ভৰাই চাই। চাউচকলা মাটি ৰাজাবন্ধা হাতী আকাশৰ চন্দ্র এনেই পৰি ৰাৰি, মোৰ মুখ চাব কি, মই হম বাঘ, সি হব ছাগ, মোৰ চৰণত পৰি পৰি লাগ, আং মেলো, জাং মেলো, সূৰ্য্য ৰাজা ব্ৰহ্মা বিষ্ণু ৰুদ্র আদি দেবৰ বচনে বন্ধাবান্ধ মেলা, আমুকীৰ গাৱৰ উলা মেলো, খোলা মেলো সৰ্ব্বনলা। চুৰ ধৰণি মেলো গাঠি ধৰণি মেলো, মাটিত পোতা কুকৰ্ম্মৰ বান্ধ মেলো বাল জাৰি মুখবন্ধ মন্ত্র মেলা। দুৱাৰ দলিত কৰা কুকৰ্ম্ম মেলো, সমাজত কৰা কুকৰ্ম্ম মেলো মেলো আমুকাৰ চৌহদ দ্বাৰ। আমুকাৰ আঙ্গমেলা, জাঙ্গমেলা মেলো দশ অঙ্গ। মঙ্গলবাৰ দুপৰ বেলা। নমুঠী ৰৰচাৰ দিলো গাঠি, আমুকাৰ বল বীৰ্য্য বাকশক্তি সবে হওক উদ্গতি মোৰ বচন গুৰুৰ ডাক বুলিলো আমুকাৰ সৰ্ব্ব অঙ্গ মুকলি হৈ থাক। মোৰ বাক্য লৰচৰ কৰ। মহেশৰ ত্ৰিশূলত পৰি মৰ মহাদেবীৰ ভূনত ধৰ।

(পানী জাৰি খুৱাব সৰ্ব্ব কুমন্ত্র ধংস হব।)

মুৰকুচিয়াৰ মন্ত্র

৪৫) গৰ্ভৰ ললিতা, গৰ্ভত থিত। তোৰেসে নিত, কৰা বচনে গৰ্ভত ললি বাস। মই সিদ্ধ গুৰুৰ বচনে জাৰো, জান্তে আস সাত ভাল বিহাৰ কণি। গঙ্গা গয়া বসন্ত গৰ্ভশলা, শুক্র চামৰে খায়। উৰাহ ঈশ্বৰী দিলে পানী, উপজি আমাৰ মনে জানি।

(পানী জাৰি খুৱাব)

বলীয়া কুকুৰে খোৱাৰ মন্ত্র

৪৬) শ্ৰী বৈদ্য ধনন্তৰিয়ে নমঃ শ্ৰী গণেশায়ে নমঃ মাঘ মাহ মঙ্গল বাৰে ত্ৰয়োদশী তিথিত শৰমাৰ হন্তে ভৈলি উৎপত্তি। হৈয়া কুকুৰ যোগ ভৈল্লা। এতেকে তোমাৰ কুকুৰ নাম থৈলা। চাৰি গোটি দান্ত তোৰ কৰে জেঙ্গা জেঙ্গা শৰ্ব্ব কালে তোহাৰ নুগুহে খেঙ্গ খেঙ্গ। জাত গন শহিতে সদাই অমঙ্গল যৈকে যাশ তৈতে তোৰ লাগয় কন্দল। শুনিয়া সৰমাৰ ৰৰ পাইলা তাপ ক্ৰোধ কৰি শৰমা তোক দিলে শাপ তোহাৰ ঘৰত মৃত্যু হৌক সদায়। দেশ দেশ ফুৰিবি চুৰা পাটৰ ভাত খাই। সৰমাৰ বচন সৰস্বতিৰ বাণী বলিয়া কুকুৰৰ বিষ কৰিলো পানী। হৰ বিষ হৰ মই জাৰো আমুকাৰ বলিয়া কুকুৰৰ বিষ পানী উঠিপৰ।

ওৰে ওৰে বলিয়া কুকুৰ তোৰ উৎপত্তি কৈত মলয়া গিৰিত তোৰ

উৎপতি দান্ত খেং খেং হাক ধাই তোৰ বিষ মানে পাতালো লোকাই। বিষ মৰলিয়া আছে চাই যত বিষ মানে পানী উঠি জাই। তিম তিম কৰি তোহোৰ বাজে লৰিলা বিষ। বিষ পলাবৰ শাজে হৰ বিষ হৰ বলিয়া কুকুৰৰ বিষ মানে পানী উঠি যাই। শিবায় বিষ্ণু ৰূপায় বিষ্ণুয়ে শিব ৰূপিনী অনাদি জগদিশায় নমোঃ হৰি হৰা অনে। হৰ বিষ হৰ চল বিষ চল নাম বিষ নাম পানী হয় পানী কৃত্য কৰ। এই বচণ লৰ চৰ সাত কপিলী বধ কৰ ধৰ্ম্ম শাস্ত্ৰ হবে নাশ কৰ। হৰ বিষ হৰ বলীয়া কুকুৰৰ বিষ লাল বিছে আনে চক্ৰ চক্ৰ বান আমুকাৰ বলীয়া কুকুৰে খোৱা বিষ চুমা কৃত্য হৈ পৰ। এই বচণ লৰচৰ শৰমাৰ মাথাত পাব থলছ শিৱ গুৰুৰ পাব ৰক্ষা কৰা কামৰূপৰ কামাখ্যা মাওঁ।

৪৭) শ্ৰী ধনন্তৰিয়ে নমঃ ধৰণি ধৰণি বান্ধু ধৰণি ধৰো আতি মই ধৰণি ধৰো ব্ৰহ্মাৰ গাথি যি খেলিব পাৰে শিহে ধৰণি খেলিব পাৰে। সত্য সত্য ধৰম কৰম লোকাই তেবেসে মোৰ ধৰণি শুকাই সাগৰ শুকাই পৰ্ব্বত লোকাই চন্দ্ৰ সূৰ্য্য বায়ু ককণ সবে হৈবা শাক্ষী সত্য সত্য মোৰ হৈবা গুৰুৰ ডাক যৈতে ধৰণি ধৰো তৈতে ৰৈ থাক। হাৰে অহা হাবে বান্ধু চালে আহ চলে বান্ধু আকাশে অহা আকাশে বান্ধো পাতালে অহা পাতালে বান্ধো। চৌষষ্টি শিৰে সংযোগে একে ঠাইতে বান্ধু আহিল কলকা হালোতে জালোতে আহিল কলকা খেলি খেলাওঁতে বাহিৰে কল ভিতৰে বাগ যৈতে আমোকাৰ ধৰণি ধৰো তৈতে অচলে পৰি থাক তই থাক আচলত পৰি মই আহো গুৰু সেৱা কৰি ধৰণী আই। ধৰণী জোপাই ধৰকোণি ধৰি লো চক্ষুয়ে চাই মোৰ বচন গুৰুৰ ডাক যৈতে আমুকাৰ ধৰণী ধৰে তৈতে আচলে পৰি থাক তলে থলো বিষ ওপৰে মাৰিলো তিপা উজাই যোৱা বিষৰ মোৰত দিলো সোপা। হৰ বিষ যৈতে ধৰণী ধৰো তৈতে ৰৈ থাক *

(তেল আৰু চুণ জাৰি ধৰণি ধৰিব)

সৰ্পৰ ধৰণি মন্ত্ৰ

৪৮) ধৰণী ধৰো ধৰণি ধৰে ধৰণি আতিলতি সেই যেন ধৰণি যিজনে দাণ্ডিব মহাদেৱ পাৰ্ব্বতি আহিব মাথাত ভৰি দিয়ে। মোৰ হাক গুৰুৰ ডাক। চৌষষ্টি ধৰণী ধৰো মুখিৰ ভিতৰে থাক। এই বাক্য লৰচৰ গুৰুৰ মাংসে কাতি ভোজন কৰ।

গুৰুৰ ব্যাধি জাৰা মন্ত্ৰ

৪৯) হাত গুৰু বাত গুৰু আদি গুৰু অনাদি গুৰু সবাকো নমস্কাৰ কৰো। গোসাইৰ ঘৰত বো সোমাল। পৈ ধেনু গোৱালে গৈ জনালে আঙৰি পাঙৰি সবক চেকৰা তেকুৰি মুখে খাই সবেও বিষৰ বহুত লাওমতা চেলপেতি মাইকী চেলপেতি গলদা গলধা ধকাদিঙৰিয়া বাঘচকৰা ভেকুলিয়া মই জাৰো ভিতৰ বাহিৰে মাৰো কুৰলি কাৰলী চিতলী পাথৰী বজাৰ নাৰে নাৰে ধেনু তাৰ মাজে কল্পতৰু গোৱালে দকাইছে গৰু আলাগৰ শগুনি জই জই পানী জাৰিলো বিষক কৰিলো পানী হৰ বিষ হৰ চৌষষ্ঠি বিষ ব্যাধি জাৰিলো পানী কৃত্য উঠি পৰ।

মানুহৰ ব্যাধি জৰা মন্ত্ৰ

৫০) হাত গুৰু বাত গুৰু সিদ্ধ গুৰু আদিগুৰু অনাদি গুৰু সবাকে নমস্কাৰ কৰো। গুৰু ব্ৰহ্মা গুৰু বিষ্ণু গুৰু মহেশ্বৰ চাচমি চুচুৰা ভিতৰ নাৰেঙ্গা মাতি নাৰেঙ্গা হাতি নাৰেঙ্গা গলবেৰা হেঙ্গেৰা খাৰু কতিয়া বাঘচু বাঘগলা শিয়াল গলা মৌবিচনিয়া তেগুয়া ঘোৰসলসা, কোগোৰা নাৰৰিয়া হাতোবালী বাতোবালী, সিলাধমলা, একাঙ্গি, চৌবাঙ্গি পানী-মাঙ্গলী খচ কামচকা চৌষষ্ঠি বিষ ব্যাধি জাৰো পানী উঠি থাক। এই বাক্য লৰচৰ মহাদেৱৰ জন্তা চেদকৰ। এইবাক্য লৰচৰ ব্ৰহ্মাৰ চক্ৰত পৰিমৰ। গঙ্গাতিৰত সাত কপিলা বধ কৰ। মোৰ হাক গুৰুৰ ডাক সেই পিনে জাৰিলো সেই পিনেই পানীকৃত্য হৈ থাক।

চুৰ ধৰা মন্ত্ৰ

৫১) চুৰত মহাচুৰ চুৰ পালে অধম পুৰ সাগৰৰ পাৰ তেবেসে ধনী আমাৰ। হৰ বিভুৰ হৰ যেই পিনেই জাৰিলো সেই পিনে পানী কৃত্য উঠি থাক।

মোৰ মন্ত্ৰ

৫২) হাত গুৰু বাত গুৰু সিদ্ধগুৰু অনাদি গুৰু আদি গুৰু সবাকে নমস্কাৰ কৰো। চৌষষ্ঠি পদ্মা গুনঠিয়া মোৰ, কালেৰুনিয়া মোৰ, সিৰ সিৰিয়া মোৰ জিনজিনিয়া মোৰ, ফণিয়া মোৰ, ধেনুতৰুৰিয়া মোৰ, সিলা মোৰ চৌষষ্ঠি মোৰ জাৰো পানী উঠি থাক।

পেট কামোৰ মন্ত্ৰ

৫৩) পেট কামোৰে আউল জাউল। পিৰাত বহি চোবাই চাউল হেঞ্জুলি পুতি

জেঙুলি পুতি কোক্রোঙ্গা ভোলা পিতি। ৰৰ ৰৰ সিমলু তাত পৰুৱাৰ বাহ শগুনি মন্ত্ৰেৰে জাৰিলো বিষ কৰিলো পানী।

সৰ্ব্বঢাক মন্ত্ৰ

(নাবেঙ্গা মন্ত্ৰ)

৫৪) শ্ৰী কৃষ্ণায়ে নমঃ। শ্ৰী সৰস্বতিয়ে নমঃ। শ্ৰীবৈদ্যধনন্তৰিয়ে নমঃ। স্থান তুলসিহে এহিমানে গৈলা। প্ৰলয় জলত উৎপত্তি ভৈলা। থোক আস্কালে কাষ চাপিলা। নদীৰ তিৰতে পাই যক্ষ সমস্তকে খাইলা। যক্ষৰ গাৰত নাবেঙ্গা সিপাইল। পৃথিৱীৰ বৈদ্য গণে বিচাৰি নাপাইলা। নাবেঙ্গাৰ জালে বিষে যক্ষক্তে মৰিল। দুনাই নাবেঙ্গা জালত পৰিল। মাছে পাই তাক সমস্ত গিলিল। জালোৱা ভুমে আছে জাল বাই। মৰিল মৎস্য সৈতে জালত সোমাই। আনিলন্ত মৎস্য সৈতে লাভাৰ কৰি। নাবেঙ্গা জালে বিষে সৈতে ভুম গৈলা মৰি। চৈধ্য সন্যাসি আছে ৰাজ পথে চলি। দেখন্তে সন্যাসি আছে মৰাশৰ আছে পৰি। দেখিয়া সন্যাসি তাক মহা ক্ৰোধ কৰি। পৰিল নাবেঙ্গা সন্যাসিৰ চৰণত পৰি। গুছিল মৰাশয়ে সৈতে কাতু বাতু কৰি জাৰিলো দুষ্ট ইটো গুৰুক সুমৰি। জাৰিলো তৈল্য সিটো সন্যাসি মন্ত্ৰ গাই পৰিয়া নাবেঙ্গা ভৈলা চাই। হৰ বিষ হৰ জাৰিলো সন্যাসি সৰ্ব্বঢাক মন্ত্ৰেৰে আমুকাৰ চৌষষ্ঠি নাবেঙ্গা পানী হই পৰ।

অৰে অৰে নাবেঙ্গা তোৰ জানে জন্মজাতি বিষুৰ শিৰৰ পৰা ভৈলা উৎপত্তি। ব্ৰহ্মাৰ বিৰ্য্যৰ পৰা ব্ৰহ্মাৰ নাতি, প্ৰথমে লুকি নাবেঙ্গা ভৈলি উৎপত্তি। সাতজাতি নাবেঙ্গা চলায়ো আতি পূৱেচলা পশ্চিমে চলা উত্তৰে চলা দক্ষিণেচল, যৈকে লাগি তিপনি দিয়ো তৈকে লাগি চল। মোৰ হাক গুৰুৰ ডাক সাত জাতি নাবেঙ্গা জাৰে পানী উঠি থাক।

বহি জাই পৃথিৱীত পৰি নাবেঙ্গা ভৈলা উৎপত্তি। কোন কোন নাবেঙ্গা কোন কোন জাতি। মহাদেৱৰ লোটকে নাবেঙ্গা ভৈলি উৎপত্তি। ভৈল বিষ সূৰ্য্যৰ তাপে কোনে কৈলা বিষ। নাবেঙ্গা বিষ জাত মনুষ্যৰ গায়ে। মোৰ বচন মহাদেৱৰ চক্ৰত পৰিমৰ। মোৰ হাক গুৰু ডাক যি পিনে নাবেঙ্গা তুলিলো সেই পিনে নাবেঙ্গা পানী উঠি থাক। নাবেঙ্গা নাবেঙ্গা সাত জাতি নাবেঙ্গা ভৈলি উৎপত্তি কোন কোন নাবেঙ্গাৰ কোন কোন জাতি নানা নাবেঙ্গা ভৈলি উৎপত্তি। লুকু নাবেঙ্গা ভৈলি অন্ন জাতি। মোৰ বচন মহাদেৱ' পাৰ্ব্বতিৰ জনত ধৰ।

নাবেঙ্গা চলোৱা মন্ত্ৰ

৫৫) চল চল সাত জাতি নাবেঙ্গা চল। নচলা নাবেঙ্গা যেবে মহাদেৱৰ ত্ৰিশূলত পৰি মৰিবি তেবে। নচলা নাবেঙ্গা তই পাৰ্ব্বতিৰ ভনত কামোৰ। ব্ৰহ্মাৰ চক্ৰত পৰি মৰিবি তই। শিৰে হৈছে শিৰে মাংস হৈছে মাংস যা ফুৰ দেৱা দেই কৰি সদাশিৱৰ ত্ৰিশূলত পৰি মৰিবি। পৰে যৈতে দিয়ো ধ্বনি ধৰ চাইতো তোলাক যা বিষ নেজানি চলা নাবেঙ্গা চল মহাদেৱৰ আজ্ঞায়ে চল সকলো মাংসে তেজে পুজে নাবেঙ্গা পানী উঠি পৰে। কোন কোন নাবেঙ্গাৰ কোন কোন জাতি পাৰ্ব্বতিৰ আজ্ঞাই বিষত দিলো হাত। সকলো বিষ নাথাকিবি নাবেঙ্গাৰ গাত। চল চল মহাদেৱৰ বাক্য কৰ কালকূট বিষ জাই ভাতি। জাই নাবেঙ্গা শিৰে শিৰে চলি যা নাবেঙ্গা মাংসে মাংসে বিষে তেজে পুজে জা। মোৰ হাক গুৰুৰ ডাক। নাবেঙ্গাৰ বিষ কোপ পানী উঠি থাক।

উপজিল যাত বিষ উপজিল কালি। সেই থানে বিষে কোন থৈছে ৰাখি তেজে মাংসে পুজে চপাই আনে। যত বিষ মহাদেব পাৰ্ব্বতিয়ে খোজোৱা। হৰ মহাদেৱৰ আজ্ঞায়ে চল। সোৱা হেন বিষ খাবোঁ যেবে পানী কৃত্য হোৱা তেবে।

বায়ুৰে নিয়ে যত বিষ টানি সেই বিষ বায়ুৰে নিলে তুলি উঠিব ৰোগী শিব শিব বুলি। গুছিবচ আমুকাৰ গাৱৰ নাবেঙ্গা চলি যোৱা কালিকা নাবেঙ্গা চলি যা তই। নামিল বিষ পানী কৃত্য নাই। মোৰ বন্ধন লৰচৰ মহাদেৱৰ চক্ৰত পৰিমৰ। কালিকাৰ মাথা খাব। জাই সাগৰ শুকাই। তেৱে মোৰ ধ্বনি লৰচৰ নাই। মহাদেৱৰ শপত পাৰ্ব্বতিৰ সপত। এই নাবেঙ্গা নৰল যেৱে মহাদেৱৰ ত্ৰিশূলত পৰি মৰিবি তেবে। নাবেঙ্গাৰ শুকলি মন্ত্ৰ দৰেৱ দিলো ৰাই গৰ্ভ নাবেঙ্গা শুকাই জাই শুকাল গৰ্ভ নাবেঙ্গা যত শিৰজাই চলি নামি নামি নাবেঙ্গা জাই বৈ। সেই নাবেঙ্গা তেজে পুজে শুকাই থাক। মোৰ হাক গুৰুৰ ডাক তেজে পুজে মাংসে শুকাই।

জাই মৰা মন্ত্ৰ

৫৬) নাবেঙ্গা অগ্নিমাৰো। সূৰ্য্যেৰ তাপ বিষে অগ্নি পানি কৃত্য কৰো। মোৰ হাক গুৰুৰ ডাক। নাবেঙ্গাৰ পানী অগ্নিকৃত্য হই থাক। সীতাদেৱী স্মৰণে নুমালো। অগ্নি মাৰিলো উজতাই। মাৰো অগ্নি কৰিলো পানী গাৱৰ পৰা নাবেঙ্গা বাহিৰ হই জাই। শীতল অগ্নি কৰিলো এৰ। অগনি অগনি হৰি নাবেঙ্গাৰ অগ্নিমাৰো

তিনিসত্য কৰি। এবে অগ্নি মাৰিলো নিবন্ধি কৰি। মোৰ হাক গুৰুৰ ডাক। মাৰিলো অগ্নি পানী কৃত্য হই থাক। এই কথা চৰচৰ ব্ৰহ্মাৰ চক্র পৰিমৰ। শ্ৰীৰাম চন্দ্ৰ গোসাইৰ মাথা খাব। নাবেজ্ঞাৰ বিষ জাই মৰি পানী উঠি থাক।

শিবলু শিবলু শিবলু চলে জাই। লোতাই ধুবুনি চৌদিশে চাই চোবস্তি শিৰ নাবেঙ্গা, নাভি নাবেঙ্গা, যুৰা নাবেঙ্গা গৰ্ভ নাবেঙ্গা, আবৈয়া পো ৰোগ, পেত ৰোগ, তলুৱা ৰোগ, গাঠিয়া গগলাগো ৰোগ, কল্লাগাঠিয়া গোৰ ৰোগ। শিৰ পো ৰোগ সিলাধমনা পো ৰোগ কাচাৰা পোৰোগ, নাভি পো ৰোগ, মলপো ৰোগ চল পা ৰোগ। হৰ বিজুৰ হৰ আমুকাৰ তেজ পো ৰোগ জাৰো পানী কৃত্য হই পৰ। আসে আসে ঈশ্বৰে বোলে বিষ নাই তোৰ দুই মুৰ বতি শৰীৰ দেখ দুই গুল বিষ আসিহে। উপজিল বিষ আমুকাৰ নাবেঙ্গাৰ পচিল বিষ মহাদেবৰ আজ্ঞায়ে জাৰো বিষ ভষ্ম জাই ভষ্ম জাই।

দাতৰ পোকৰ মন্ত্ৰ

৫৭) ব্ৰজ ব্ৰহ্মা, ব্ৰজ স্মৰি, পৰ্ব্বত ভাঙো, কোনো স্মৰি মই ধৰিলো ব্ৰজ মুঠি, দসনৰ পৰুৱা আহোক উঠি, হৰি হৰি ভৈলা বড় কৰ্ম্মা, দসন পৰুৱা নিবিচলি বত্ৰিশ দান্ত বিষ নিবাৰো, শ্ৰীৰামৰ আজ্ঞা সিদ্ধ গুৰউৰ পাব। পৰপৰ পৰুৱা।

(বৰিয়ালৰ শিপা সোন বৰিয়ালৰ শিপালৈ এই মন্ত্ৰ
জাৰিব দান্তৰ পোক মৰে)

মোৰৰ মন্ত্ৰ

৫৮) আনিৰ এজনে আজ্ঞাদিলে, সুদৰ্শন চক্ৰপাত হাতে তুলি লৈলা। চৌত্ৰিশ কৌতি মোৰ বিচাৰিবে লৈলা। কোন কোন মোৰৰ কোন কো নাওঁৰ। চক্ৰে মন্ত্ৰে বিচাৰিয়া চাওঁ। ফুতা মোৰ, পোৰা মোৰ, ধকাদিজৰিয়া মোৰ, গাৰুপালতা মোৰ, তেজমোৰ, দেয়ামোৰ, তালু মোৰ, সনিপাত মোৰ, আবৈয়া মোৰ, পথাগুনঠিয়া মোৰ, জিহ্বা মোৰ, ছিসেলিয়া মোৰ, অজিৰ্ণ মোৰ, শিজলিয়ামোৰ, বাত্তি অহা মোৰ। শুন শুন ঐ সব মোৰ, চক্ৰে মন্ত্ৰে কৰে নাশ। আন আন মোৰৰ, কোন কোন নাওঁচক্ৰে মন্ত্ৰে বিচাৰিয়া চাওঁ। সিৰা মোৰ, জিনজিনিয়া মোৰ, সবে মোৰ জাৰি পানিকে মাৰো। জেৰে আমুকাৰ গাত ধৰি থাক মহাদেৱৰ ত্ৰিশূলত পৰি মৰ। আমুকাৰ অঙ্গে জেৰে ফেলনা কৰস, মহাদেৱৰ মাথাত ভৰি দিকস কামোৰ মাৰস, বিষ্ণুৰ দোহাই ব্ৰহ্মাৰ দোহাই আমেকাৰ গাৱে কৰস। ভীমৰ গদাত পৰি ভষ্ম হৰস।

অঙ্গৰ বিষ জাৰা মন্ত্ৰ

৫৯) শিৰাৰ বিষ, চক্ৰৰ নয়, নাৰিৰ বিষ, মাংসৰ জৰৰ, অস্তিৰ জৰৰ, বিষ ব্যাধি ৰোগ সুদৰ্শন চক্ৰে স্মৰি মৰস। আমুকাৰ গাৱে এৰিচাৰ, চৌষষ্ঠি ৰোগ ব্যাধি চাৰ। আমুকাৰ গাৱৰ নৰ নাৰিৰ, মোৰ ব্যাধি চাৰ। আমুকাৰ গাৱত থাক জেৰে। ৰোগিৰ গাৱত বেদনা কৰস, পদুমনি কনাক বধ কৰস। মোৰ হাক গুৰুৰ ডাক। চৌষষ্ঠি মোৰ ব্যাধি পানি কৃত্য হুই থাক। হৰি নামেই ধৰনি ধৰো। মোৰ হাক গুৰুৰ ডাক। আনৰ ধৰনি ধৰো। আতমোৰ শিত মোৰ, কাছমোৰ, কুছিয়া মোৰ, ধনুটঙ্কাৰ মোৰ, বাঘ চোৰা মোৰ। চিল বমনিয়া মোৰ, অজিৰ্ন কৰ নাৰি পাক দিয়া, টুপলি বন্ধা, খুন্দামৰা মোৰ। চেচা মোৰ, জিনজিনিয়া মোৰ, ফুৰনি মোৰ, ঘুৰনি মোৰ। এন্দুৰিয়ামোৰ, বাতিমোৰ পখাগুনঠিয়া মোৰ, পতা গুনিতিয়া মোৰ, আৰৈয়া মোৰ, পুৰৈয়া মোৰ, সনিপাত মোৰ, নিপাতমোৰ। আহিন মাহ পুৰ্ণিমাৰ তিথি গৰ্ভৰ পৰা বত্ৰিচ মোৰ, পোৰা মোৰ ভৈলা উৎপত্তি। কোন মোৰ কোন কোন নাএল। সমস্ত মোৰক বিচাৰিয়া চাওঁ। ব্ৰহ্মাৰ বাক্য পালি জাৰি দিএল। চানঃ চৰ্ম্মকঃ একেবাৰে অমাবস্যা তলে ধৰনি ওপৰেও ধৰো ধৰ হুৰ বিত্তৰ হুৰ আমুকাৰ মোৰ জাৰো পানি উঠি পৰ।

মোৰৰ মন্ত্ৰ

৬০) এলি কচু তেলি পাত। উজনি হাতে বাজো খোপা চৌষষ্ঠি মোৰক মাৰিলো হোপা, মোৰৰ তলি মোৰ পুলি মোৰক খালে উজনি ভাতি কৰি। গগণে কৰিলে উৰাৰ। আকাশৰ শগুনি ডাক দিলে ৰাৰ। চৌকোৰি মলচিল পায়। ৰাৰিত আছে ৰাৰি সেন্দুৰি কেন্দুৰ তলত ঘৰ। লাহে লাহে জাৰি কেন্দুৰ তুলিলোজৰ। ব্ৰহ্মাৰ সাগৰত পৰি ভৰি কান্দোঁ মোৰ আতি অঙ্গি ভঙ্গি কৰি। অজাতি মোৰ আনে সৰে মৰে উফৰি পৰি। কলপাতে বাতি লেপা পানী মোৰক খালো মোৰ কলজালি। মোৰক খালে মোৰ কৰি কিলো। মোৰক কৰিলো সেৱা। হৰিৰ আগে বহি আছে ঈশ্বৰ মহাদেৱ। ঈশ্বৰ মহাদেৱৰ কোন কোন কালি। চৌষষ্ঠি মোৰ জাৰো হৈ জানি। সাজফুল ফুলি আছে আউলি জাউলি। আকাশত বাজিছে তেৰশ ডম্বৰু। তেৰশ ডম্বৰু, তেৰেসে ডম্বৰু নমালো মাথ। চৌষষ্ঠি মোৰ জাৰো অমৃতৰ হাতে। ঈশ্বৰৰ পানী ঈশ্বৰে জাৰে চৌষষ্ঠি মোৰ পানী উঠি পৰে। মোৰ ৰাজ্জ গুৰুৰ ডা আমুকাৰ চৌষষ্ঠি

মোৰ জাৰো পানী উঠি থাক।

মোৰ মন্ত্ৰ

৬১) হাতত আছে সাত সোনৰ খাক। দাহি হাতে অমৃত খালো। বাম হাতে মোৰৰ লাক। তেবেসে পদুলি কন্যাৰ নাওঁ। ফাট দিয়া বসুমতি পাতালে লুকাওঁ কোমৰ নাম সুনি আতি দবাবো। সোনৰ গোসাঁই বহি আছে। হেমগিৰি পৰ্ব্বতত পাতিলে মথনি ধৰি। জাৰো মোৰ হৈজা পানি। গন্ধৰে বোলে মোৰ বচনে নাথাকবি বৈ সাগৰত পৰিমৰ হতশ্ৰীহই। গৰুড়ে বোলে গোঁসাই কৰি মকমকি তলত আছে বসুমতি ওপৰত আছে সুকজৰ থক ধৰি আউজি। মোৰ চুমই। সৰ সবকৰে নামি আহতই। হুম হুমকাৰ। চাৰি জা লঙ্কাৰ পাৰ নাথাকিবি আমুকাৰ ঘৰ বাৰি সিমাসঙ্কাৰ। লৰ তই মোৰ বচন গুৰুৰ ডাক আমুকাৰ জাৰো পানী উঠি থাক।

ৰাজপিৰা, ফোহোৰা, নাবেঙ্গা, গলবেৰা, দান্তবোগ এই কেইবিধৰ বাবে পানী জাৰি দি মন্ত্ৰ মাতিব

৬২) স্মেৰুগিৰি পৰ্ব্বত লুকাই। মোৰ বচন তেবে লুকাই সাতালি পৰ্ব্বত লুকাই। মোৰ বচন তেবেসে লুকাই। মোৰ বচন যদি এৰ। গঙ্গাৰ তিৰত সাত কপিলা বধ কৰ। মোৰ বচন এৰ মহাদেৱৰ ত্ৰিশূলত পৰিমৰ। ভৰি দি বহ। যদি মোৰ বচন এৰ সীতা আইৰ স্তনতধৰ। মোৰ হাক গুৰুৰ ডাক। যৈতে ছুৰছুনদিও তাত থাক। যদি মোৰ বচন এৰ মহাদেৱৰ ত্ৰিশূলত পৰিমৰ। মোৰ বচন গুৰুৰ ডাক যৈতে ছুৰ দিও তৈতে থাক। যদি লৰচৰ ব্ৰহ্মাৰ চক্ৰত পৰিমৰ।

সৰ্পৰ বিষৰ মন্ত্ৰৰ লগত গাৰ মোৰ নামে

৬৩) ফুটুকি ফুটুকি সহস্ৰ ফুটুকি লৈছিলি আছলে চাই। কাৰৰ মাটি কোকাৰ খালি। বি পৰৰ বাহিনি মনে মনে গুণ। ত্ৰিদশ কৌটি দেৱতা কৰ্ম পাতি শুন। হৰ বিষ হৰ চৌষষ্ঠি সৰ্পৰ বিষ মানে নামি পৰ। সৰ্পৰ মাওলি সৰ্পৰ সয্যা বসি আছে কালিদেৱ ৰাজা। মহাদেৱৰ জিও তই কৰিবি কি। অনাদিৰ বচনে তুতি গৈলা বিষ। নথাওঁ নৰহোঁ যাওঁ আপোনাৰ ঘৰ বাৰি। গঙ্গায়ো পাছত যায়। চৌষষ্ঠি সৰ্পৰ বিষ মাতো আজি পানীকৃত্য হই পৰ।

চেঙ্গলিয়া তোৰ বিষ নমাওঁ। পিঙ্গলিয়া গুপৰ মান আতি মন্য ৰাজাৰ মহাদেৱৰ তিনিশ ষাঠি চকৰৰ বিষ মানে নামি পৰ। গুই মৰলি তোৰ বিষ

নমাওঁ। ছৈকো মৰলি তোৰ বিষ নমাওঁ। উলুৱা গোম তোৰ বিষ নমাওঁ। কাছুৰ ৰাই তোৰ বিষ নমাওঁ। ইন্দ্ৰজিৎ তোৰ বিষ নমাওঁ। হাৰিনি তোৰ বিষ নমাওঁ। নেঙ্গনিয়া তোৰ বিষ নমাওঁ। সিঙ্গেনিয়া তোৰ বিষ নমাওঁ। পিঙ্গনিয়া তোৰ বিষ নমাওঁ। পানিছুৰ তোৰ বিষ নমাওঁ, মনিৰাজ তোৰ বিষ নমাওঁ। বৰডাহি তোৰ বিষ নমাওঁ। পানী মৰালি তোৰ বিষ নমাওঁ। পৰ্ব্বতিয়া তোৰ বিষ নমাওঁ। দুইমুৱা তোৰ বিষ নমাওঁ। জাকৰুৱা তোৰ বিষ নমাওঁ। বৰফেটি তোৰ বিষ নমাওঁ। মাটি ফেটি তোৰ বিষ নমাওঁ। চকৰি ফেটি তোৰ বিষ নমাওঁ। হৰ বিষ হৰ চৌষষ্ঠি সৰ্পৰ বিষ মানে আজি পানী কৃত্য হৈ পৰ।

পোৰা ঘাৰ মন্ত্ৰ

৬৪) শ্ৰী শ্ৰী কৃষ্ণায়ে নমঃ ফুঃ। বৈদ্য ধনন্তৰিয়ে নমঃ ফুঃ। শুনিমুনি উলা মুলা মুৰত পাচি কাঞ্চ কুলা, দুমুনি গৈছিলি হাললৈ বাটত লৰা পুৰি থয়। মোৰ হাক গুৰুৰ ডাক মই আমুকৰ পোৰা ঘা জাৰিছো পানী উঠি থাক ফুঃ (তিনিবাৰ গাব।)

(নাৰিকল তেলৰ লগত মাটি মিহলাই জাৰিব)

তেজ ধৰনি মন্ত্ৰ

৬৫) শ্ৰীকৃষ্ণায়ে নমঃ বৈদ্য ধনন্তৰিয়ে নমঃ ফুঃ মই ধৰনি ধৰো আতি মোৰ ধৰনিৰ ঘন ঘন গাঠি মোৰ হাক গুৰুৰ ডাক। আমুকৰ কটা ঘাৰ তেজ ধৰনি ধৰিছে। যৈতে থৈছো তৈতে থাক ফু ঃ তিনি বাৰ গাব।

(মাটি বা চুনৰ টিপা মাৰি ধৰি গাব)

বৰলে পকৰাই খোৱা মন্ত্ৰ

৬৬) শ্ৰীকৃষ্ণয়ে নমঃ ফুঃ বৈদ্য ধনন্তৰিয়ে নমঃ টোকা টোকা বাহৰ গছত শিলো ধোকা, উত্তৰ কুলীয়া নাঙল জালি। দক্ষিণ কুলীয়া মৈ পৌকাই কামুৰিছে বিষ নমাওঁ গৈ হৰ বিস্তৰ হৰ আমুকাক পোকতি কামুৰিছে পানী উঠিপৰ ফুঃ ফুঃ ফু।

চকুত কোৰ খোৱা মন্ত্ৰ

৬৭) শ্ৰী শ্ৰী কৃষ্ণ্যায়ে নমঃ বৈদ্য ধনন্তৰিয়ে নমঃ ফু। ঐ জেঙনী কি কৰিলি অমুকাৰ চুকত কি কৰিলি এণ্ডিয়া ভাল পাৰি কাপোৰৰ উৎপত্তি কোৱালী হেৰ মোৰ হাক গুৰুৰ ডাক মই আমুকৰ চকুত কোব খোৱা জাৰিছো পানী উঠি থাক। ৩ বাৰ ফুঃ

কটা ঘাৰ মন্ত্ৰ

৬৮) শ্ৰী শ্ৰী কৃষ্ণ্যায়ে নমঃ ধনন্তৰিয়ে নমঃ আচল পুখুৰী পিছল পানী ব্ৰহ্মাই দিলে পুখুৰী খানি সেই পুখুৰীত পখাইলো ঘা হৰ বিষ্টৰ হৰ আমুকাৰ কটা ঘাৰ বিষ নাই কিয়া হৈ পৰ ফুঃ

(পানীৰে তিনিবাৰ জাৰিব)

গা বান্ধনী মন্ত্ৰ

৬৯) সাঁচ কাচো কাচ কাচো আন্ধাৰ ৰাতি গা কাছো কাচি চন্দ্ৰৰ পো হাবিত আছে বাঘ ভালুক তাহাক বান্ধো। পহুত আছে সৰ্প তাহাকে বান্ধো। মোক চাই অন্যক ধাৱ ঈশ্বৰ মহাদেউ গোসাইৰ মাথা খাব। সিদ্ধ গুৰুৰ পাৱ ৰক্ষা কৰা কামৰূপৰ কামাখ্যা মা।

(তিনি বাৰ গাই ফুঃ মাৰি কাপোৰ চকুত বান্ধি লব)

মুখ লগা মন্ত্ৰ

৭০) ভাঙ ইটা ভাঙ মাটি ভাঙৰ চুচন্দ গাঠি উৰি গল শগুনী পৰি গল পাখী কোন কোন শগুনে থৈছিল ৰাখি। আকাশৰ শগুনী পাতালত চৰে পাতালৰ শগুনী আকাশত চৰে হৰ বিষ্টৰ হৰ মোৰ হাক গুৰুৰ ডাক যৈতে আমুকাৰ মুখ লগা জ্ৰাৰো তৈতে পানী উঠি থাক।

পোৰা মন্ত্ৰ

৭১) অগ্নি জাৰো অগ্নিমাৰো অগ্নি তলাতল কৰো ভীমে জুৰিলে হাল। ধোবা গল ঘাটলে। ধুবুনীয়ে খোবায় সীতাই চোতালত বঢ়ালে ভাত মই আমুকাৰ জুয়ো পোৰা জাৰো পানী উঠি থাক।

পেট কামোৰা মন্ত্ৰ

৭২) পেট কামুৰিয়া হাওঁ কাওঁ কলা গছত তিতা লাওঁ। সৌৰা গছত শগুনীৰ বাহ পেট কামুৰিয়াৰ বাহ চিলাক মোৰ হাক গুৰুৰ ডাক। মই আমুকাৰ পেট কামুৰিয়া জাৰিছো পানী উঠি থাক।

সৰ্পৰ বিষৰ মন্ত্ৰ

৭৩) শ্ৰীকৃষ্ণ্যায়ে নমঃ। কালি খোজা মানিকৰ ধাৰ তিতা তিতা ধৰনি। পানী চৌবৰি সৰ্পৰ বিষ কাঢ়িলো পানি। হৰতো যি ভাবে খুতিনি সেইদাবে চল। নতু লহ জিহ্বা ভোৰ। লহ (৪) দান্ত। নাথাকো গোসাই মহাৰ পাই। একোহা কালি

দেৱৰ কথা। কালিদেৱৰ কথা। কালি দেৱতাৰ আজ্ঞায়ে শিৱতে লৈলা তুলি। চৌষষ্ঠি বিষ মাৰো নাই নাই কৰি ধ্বনি।

অঙ্গ তোলা

৭৪) অঙ্গ তোলা জাঙ্গ তোলা, আমুকাৰ তোলা সহস্ৰ শিৱ। শ্ৰীগোৰক্ষ আজ্ঞাই আমুকাৰ অঙ্গজাঙ্গ তোলা উঠে কৰালবিৰ।

(এই মন্ত্ৰে সাতবাৰ পানী জাৰি খাব অঙ্গ উঠে)

লোণ জাৰা মন্ত্ৰ

৭৫) লোণ লোণ মহালোন কামৰূপৰ কামাক্ষ্যাদেৱী আহাৰেসে ইস্মালি জোগী লোণ পঢ়িয়া দেই। গাই দিয়ে বাচাত লাগ। বম্বে দিয়ে পাইত লাগে। ম'হে দিয়ে মহিশীত লাগে, হাতীয়ে দিয়ে হস্তিনিক লাগে। হস্তিনীয়ে দিয়ে হাতীক লাগে, পুৰুষে দিয়ে তিৰোতাক লাগে, তিৰিয়ে দিয়ে পুৰুষক লাগে, মাত্ৰছিত্ৰ পোত লাগে, পুত্ৰে দিয়ে মাৰত লাগে, আমুকা দিয়ে আমুকিত লাগে। আমুকিয়ে দিয়ে আমুকাত লাগে। লাগ লাগ কামাক্ষ্যা মাৰ আজ্ঞা। লুনা চামোৰিৰো আজ্ঞা সাঠি মাৰি লাগ, হনুমন্ত বীৰ দেখ, তেৰি শক্তি গুৰু শক্তি কি ভক্তি কি ঈশ্বৰ মন্ত্ৰ বাচ।

(এই মন্ত্ৰ সাতবাৰ পঢ়ি লোণ জাৰি দিব)

আৰে লগা বেমাৰৰ

ধূলা পোৰা মন্ত্ৰ

৭৬) তিনি বাটিতে পটেপতাতে দেখিলা। এলেটলেট খেলাই দিলে ধুলি, সেই ধুলি জগতৰে ধুলি, ধুলি ঈশ্বৰ ধুলি মহেশ্বৰ, ধুলি জৰ্যজাকৰি আমুকা ধুলা পাৰে আমুকি তেজে ঘৰ দুবাৰ ঘৰ তেজে বাৰি দুবাৰ, তেজে সন্ধানে দেখা পাওঁ। আমুকা বুলি আমুকিৰ ফুটি যাই প্ৰান, ধুলি বোপাই বোপাই বোলো তোক জৰতৰ পৰাই আমুকিক আনি দিয়ে মোক। জীৱে মানে তনু চটক মৰিলে হয় মাহ। সনসাল খাটোক কামৰূপৰ কামাক্ষ্যা মাৰৰ আজ্ঞা। ধুলি ঈশ্বৰ ধুলি মহেশ্বৰ এই বুলি আমুকি লয়ে আমুকাৰ দিদি মাণ্ডি দেখিলে নেদেখিলে মৰে মহিকালিকা চণ্ডিকাৰ বৰে। আমুকা আমুকিক লৈয়া ঘৰে। বামৰ আজ্ঞা সিদ্ধ গুৰুৰ পাৱ বজ্ৰ কন্যা কামাক্ষ্যা চণ্ডিকা মাৰ।

(তিনিটা আলি বাটৰ ধুলি আনি ৭ বাৰ মন্ত্ৰ পঢ়ি জাৰিব)

তেল জাৰা মন্ত্ৰ

৭৭) তেল তেল কুকুহাযো তিনি তেল একে বৰণ, জাওঁতে সিংহ আহোঁতে বাঘ আমুকিক দেখি আমুকা হৈলি ছাগলী হৰিণ ভাই। পিৰা দিলে জিনি আমুকা কুকুৰ হেন বহি নাকতেনি। আমুকা বা আমুকিক তেল জাৰি ঘৰ্বিব।

জ্বৰৰ মন্ত্ৰ

৭৮) ৰাম লক্ষণ আছে একত্ৰে বসিয়া। মই জ্বৰ জাৰো একত্ৰে বসিয়া, ব্ৰহ্মায় তামোল কাটে আমুকাই খাই। আমুকাৰ জ্বৰ দুৰ পলাই দুৰ পলাই দুৰ পলাই।

ব্যাধি মন্ত্ৰ

৭৯) সুসম্মা নাৰিৰ মধ্যে জলৰ নিবাস। তাতে সমুদ্ৰে কৰে আবাস। চন্দ্ৰ সূৰ্য্য অগ্নিয়ে তাহাৰ ৰক্ষা। গৰুৰৰ পখাই তাহাৰ সখা। গড়ৰৰ পখাক চিতিয়া লওঁ। জল যুক্ত ব্যাধি সবৰ জানা নাম কহোঁ। জল সাব পানী সাব, বিন্দুসাৰ, জিকিৰি পিড়া, তেজসাব, গাঠিমুদগৰ, চাল মুদগৰ, আগুঠা, সপ্তবিধ সাব, পঞ্চবিধ গাঠি। ব্ৰহ্মাৰ বচনে কৰিলো নাঠি। জেবে সাব অৰ্জকন কৰা গোন্তি। তেবে ঘৰ কৰ হৰৰ পৰ্ব্বতি সিদ্ধ ৰাম চন্দ্ৰ গুৰুৰ আজ্ঞা শিৱত ধৰি। সবে জলব্যাধিত কৰিলো পানী।

সিৰ সিৰ শিমলু গাছে, নাই সিৰ বিষয়ো বাছে। বাদ্য কুমজিয়ে ভয় পায়। আমুকিৰ দুদ বেথ জাৰো মোৰ ডাহিন পাৰ। হৰ বিষ হৰ আমুকিৰ দুদ বেথ পানীহে পৰ।

গলবেৰা, গাজটি আৰো কি আসিল ঘৰ, এৰিতেৰে হামোহা, গলবেৰাস কলকণ্টকি তোৰ মইলা নাওঁ। খুমখুম কৰি মনুষ্যক খায়। শ্ৰী ৰামৰ আজ্ঞা বিভিষনৰ হাজাৰ চাবিজা লক্কাৰ পাৰ। নাহিৰি আমুকাৰ সিমাসক্কাৰ হৰ বিষ হৰ আমুকাৰ গলবেৰা হাজাৰ জাৰো পানীহে পৰ।

বলিয়া কুকুৰে খোৱা মন্ত্ৰ

৮০) মাঘ মাধ দ্বাদশি তিথি সবামত হন্তে ভৈলা উতপত্তি। উতপত্তি হন্তে তোৰ সুজোগ ভৈলা। সিকাৰণে সাবামা কুকুৰ নাম থৈলা দুই পাৰি দন্তে তোৰ কৰে জেহ্ব জেহ্ব। সৰ্ব্বকাল তোহ্যৰ নুণ্ডচে খেজ খেজ। ভক্তি বহু সহিতে সদায় মজল। জেকে বা তৈতে পাৰ নুণ্ডচে কান্দ। হেন সবামাৰ মনত ভৈলা তাপ ক্ৰোধ কৰি সবামা তোহোক দিলো সাপ। তোহৰ মনত মৃত্যু হেক সদায়।

দেশে দেশে ফুৰ তই চুবা পাত খাই। সৰামৰ বচনে তই গাঙ্গ গাঙ্গ ছিওঁ, মাৰ বাটেই থৈ নাৰে ভৱহি বলি বলিয়া কুকুৰে খায়া বিষ কৰিলো পানী।

কুজ্ঞান কুমন্ত্ৰ

৮১) খুচুৰ খুচৰ দিগা উচল পাচল চিত পানা জি বেলি খোচ মাৰে অঙ্গেৰ কাপোৰ গুছে। গুবা ধৰফৰ পানীৰ নাগিনী তাতে আছে নৰ বাঘিনী। অসুৰে তামুল কাটে দেবি খিলাই পান আমুকিক লাগি তামুল কাটে পাঁচখান খাওঁক বাহাতে লয়োক নাখাওঁক হাতে লওঁচু। হাতে লৈয়া নিয়া ৰৌক কামন। কাম দেবে কামহৰে আছে বসি বাট। ৰাজাৰ কুাৰে খেলাইলে নাট। নাট খেলাই পাতিতে ধুলি আকাৰ ধুলি বিকাৰ এই ধুলি জয় জয়কাৰ। এই ধুলি আমুকিক হানে এৰিলে ঘৰদুৱাৰ এৰিলে দুৱাৰ এইৰলে সোদৰ সোদৰ ভাই টিকৰ বুকৰ স্বামিক এইৰলে আমুকাৰ গুবা পান খাই। সিদ্ধ গুৰুৰ পাব ৰক্ষাকৰা কামৰূপৰ কামাক্ষ্যা মাৰ। অপৰাজিত চিকং দদ্যা নিলোত্ পৰ্লু সমদ্ধিত তামুল সহ ভাবেন বসিকৰণ নবিদ্যাতে ভাঙ্গোইটা ভাঙ্গো মাটি ভাগে সিংহ দুৱাৰ হৰ হৰ কুজ্ঞান কুমন্ত্ৰ পানী উঠি পাৰ।

মুখ ভঙ্গা মন্ত্ৰ (মানুহ, জীৱজন্তু সকলোৰে বাবে)

৮২) শ্ৰী শিৱায়ে নমঃ- পাৰ্ব্বতীয়ে বোলে জানা মহাদেউ, ভিক্ষাৰ চাউলে পেট নভৰে তিনি চাৰি প্ৰাণী কাৰ্ত্তিক গণপতি। তুমি কৃষিলৈ যোৱা। ইন্দ্ৰৰ তালৈ যোৱা মাটি খুজি আনা। বলভদ্ৰৰ পৰা নাঙল যুৰ্বলি আনা। যমৰ ৰজাৰ তালৈ যোৱা মহিষ আনা তোমাৰ বষভে সৈতে এহাল কৰা। তোমাৰ হাতত ত্ৰিশূল আছে, তাৰে ফাল লোৱা। চেঙেলীয়া গোমেৰে ডিলা লোৱা সৌকা গোমেৰে শল মাৰি লোৱা। কাৰশলা সাপেৰে এচাৰি লোৱা আৰু কুবেৰৰ ঘৰৰ পৰা কঠীয়া খুজি আনা। পাৰ্ব্বতীৰ আজ্ঞায় মহাদেউ কুবেৰ ঘৰলৈ গৈ কুবেৰৰ খুজে এচুঙা কঠীয়া আনিলে। মহাদেৱে সেই খিনিক অলপ তাকৰ দেখিলে। তাকে দেখি কুবেৰে বোলে প্ৰভু কঠীয়া তাকৰ নেদেখিব। চুঙাটি সমূলি উবুৰিয়াই নেবাকিবা যিমান কৃষি কৰো বোলে তাৰ পৰা কঠীয়া উলাইহে থাকিব। পিচ দিনা কৃষি লৈ গৈ হাল বাবলৈ ধৰিলে। নানা বিধৰ ধান সিচিবলৈ ধৰিলে। ধান ঠুৱলি, কল পকা দিছে। কৃষিতহে মন বহিছে। ঘৰলৈ খাবলৈ নহা হল। পাৰ্ব্বতিয়ে কৃষি চাবলৈ গৈ দেখে যে, কৃষি ভাল হৈছে। মোৰ ভাতৰ আকাল গুছিল। ওহ বৃলি কোৱাত দুটা স্ত্ৰী পুৰুষ বাজহৈ কৃষি

পুৰি নষ্ট কৰিলে। তাকে দেখি মহাদেউৱে খংত খেদি যোৱা দেখি। প্ৰভু আমাক নামৰিব। আমাক থকা ঠাই আৰু আহাৰ দিব লাগে। তেনেকৈ কোৱা মহাদেউৱে কলে, (সাত বাৰৰ নাম কৱ) আৰু তিনি আলি মুৰত বৰদৰা কন্যাৰ গাত লাগিবি। তিনি দিনৰ দিনা লোন, জালুক পিঠা দি তোৰ মোৰ গুণ গাব। সেই দিনাৰ পৰা তইঁত তাত নাথাকিবি। ধেৰ ধেৰীয়া পৰ্ব্বতলৈ যাবি।

(তিনিটা ফু মাৰিব)

সৰ্ব্বজয় কৱছ

৮৩) নমো নমো মহেশ্বৰ ত্ৰিপুৰ দাহক। জগতৰ পতি সৰ্ব্ব ভয় বিনাসকং নমো গণপতি প্ৰভু গৌৰি দেবি সুত। বান্ধিলো কৱছ যিটো আদি অদভুত। সঙ্কত সময়ে ভৈলে কৱছৰ মহিমা শুনন্তে অনুপম। সৰ্ব্ব জয় কৱছ বুলিয়া জাৰ নাম। প্ৰলয় কালত ৰুদ্ৰে প্ৰজা শঙ্কৰন্ত। সেহিমতে মনুষ্য দুষ্কভিতৰন্ত। ঘাট সন্ধি বিষ্ট সন্ধি গ্ৰহ সন্ধি ভয়। সৰ্ব্ব সোজাৰ ঘাটত মই থৈলো বন্দি কৰি। কৰিলোহো বন্দি মই জতেক জগনি। পৰম সঙ্কট যিটো স্মৰিবো। অসুৰৰ ঘাটত মৃত্য পিৱা পাই। অসান্তিয়া ৰাখন্তেক তাত দূৰ্গা দেবি আই। উৰ্নিসৰ ঘাটত সমান নাহি কয়। আসিয়া ৰাখন্তোতাত হৰ মহাদেৱ। বয়স সন্ধিত দেহা অবিভূত হন্তে। আপোনি আসিয়া তাতৰাখন্ত অনন্ত। পৰ্ব্বতত ৰাখ জগত গুৰু। বৃসভ বাহন হৰে ভম্বল ডুম্পৰু। স্থল হন্তে ৰাখনেতাক বৰাহে পথত। যিটো উদ্বাৰিলা তুমি প্ৰলয় জলত। ব্ৰবাহত ৰাখন্তোক অশ্চিনিকুমাৰ। বন মধ্যে ৰাখন্তেক মহিসুৰ ভগৱন্ত। গৃহন্ত পৰ আদিত থাকন্তে ভয় অন্তি। আপুনি ৰাকন্ত তাত লক্ষ্মীভগৱতি। ভূত পিশাচ আদি আনো ভয় জত হৰ মহাদেৱে আসি ৰাখন্ত সতত। জৰ ব্যাধি আদি যত ভয় গণ তাতো ধনন্তৰি আসি কৰিয়ো ৰক্ষণ। শত্ৰু সময়ত ভয়ঙ্কাৰ শুল ধৰি। বীৰ ভদ্ৰ ৰূপে মোক সকলোৱে মানে ঘোৰ বিপুসৰ্ত্ত কণ্টকত ভয় জনে পুনু বীৰ ভদ্ৰ লোক ৰাখিয়ো সততে। পূৰ্বদিশে ইন্দ্ৰে ৰাখন্টকত ব্ৰজধৰি। দক্ষিণত আপুনি ৰাখন্তেক শ্ৰীহৰি। পশ্চিমত ৰাখন্তেক বৰুন অনুপাম। উত্তৰত ৰাখন্তেক কুবেৰ যাৰ দেবি ৰক্ষা কৰয়ো অনাদিসত। অম্বিকানা ৰক্ষাকৰে পৰ্ব্বত সতত। চাৰিটি দিশত কহে ৰাম স্মৰি। আকহেতু ৰাখান কাম। শঙ্কৰে ৰচিলা ডাকিবোলো ৰাম ৰাম।

সৰ্ব্বধাক মন্ত্ৰ (বেমাৰৰ)

৮৪) শ্ৰীকৃষ্ণয়ে নমো। গাং গালঠি ওঠাৰ ব্যাধি গলহাৰা, গলবেৰা, ঘোড়া সলখা, শিলধমলা ৰাত মাল, পোড়া পিঙ্গলিয়া, ওফৰা পিঙ্গলিয়া, ৰাজ পশু, মামৰি আক্কটা এন্দুৰিয়া একাঙ্গি, চৌৰাঙ্গি, বিষালি মাতোবালি বাটোবালি বাভে ভনি নয়ভানি বিষ জাৰো আমুকাৰ পানী কৃত্য হুই পৰ ।

গাং গালঠি গলহাৰা ঘোড়া সলখা, বগৰি গুটিয়া, পোৰা পিঙ্গলিয়া ওফৰা পিঙ্গলিয়া, খৰপিৰা, পদুম নলা, কেছুমুৰিয়া, পঘা গুনঠিয়া একুহিয়া বলধা আধাকৃত আধামাৰে পাবত পবা গাঠিজত গাঠিয়া জিল জিলিকা, একুহি শিৰ শিৰিয়া নাকত নেকে বা কানত কান মুৰাৰি দাত পাজি সেৰিয়া ওঠত গুৱলা গালতবাঘ গলা ডিঙ্গিত যদুমনি বুকুত বুক নেৰেক্ষ্য কলা গাঠিয়া বিহ ফোঁহেৰা পিণ্ডগ্নিয়া ৰাজ পাশু মামৰি আক্কটা এন্দুৰিয়া একাঙ্কি সূৰ্য্য কপালি আদ কপালি শাসন শালিব বিষজাৰো পানী হুইপৰ, উৰি গল শগুনি গাজি গল পাক্ষি কোন কোন বিষক থৈছো ৰাখি বিষে বোলে কোন দিশে জাওঁ কোন বিষৰ কোন কোন নাওঁ গুৰুৰ আজ্ঞাই ব্যাধিৰ জন্ম কথা কওঁ অৰে অৰে ব্যাধি সুনা কৰ্ণ পাতি মহাদেৱৰ বিৰ্য্যে গৌৰিৰ গৰ্ভে তোৰ উৎপত্তি জন্ম ভৈলি ব্যাধি জাৰো পানীকৃত্য হৈ থাক।

গুৰগুৰ মহাগুৰ গুৰ বান্ধিলো আদিপৰ হাট গুৰ বাটগুৰ শেহগুৰ দুটা গুৰ কুটাকুৰ বাঘগুৰ দিও সাগৰ শুকাই পৰ্ব্বত লুকাই তেবেসে মোৰ গুৰ শুকাই হৰ বিষ হৰ আমুকৰ গুৰ দিও পানীকৃত্য হুই পৰ। মোৰ বচন গুৰুৰ সাত কপিলাক বদ্ধ কৰ মোৰ বচন লৰ পাৰ্ব্বতিৰ ভুনত ধৰ মোৰ বচন লৰ চৰ ব্ৰহ্মাৰ চক্ৰত পৰিমৰ হৰ বিষ হৰ আমুকাৰ দিলো দুটা গুৰ টুতি থাক।

গলকটকিয়া ব্যাধি জৰা মন্ত্ৰ

৮৫) "শুন শুন ব্যাধি তোৰ জানো জন্ম জাতি।
উপজিলা মাঘৰ মাহে দোভাগ ৰাতি।।
গলবেৰা, গলকটকিয়া, হেণ্ডেৰ, বাঘ মোৰো।
ৰোগীক এৰি মোৰ অন্যদিশে যা।।
গুৰুৰ আজ্ঞায় জাৰিলো, মোৰ ৰোগীৰ
শৰীৰ এৰি অন্যদিসে যআ।
হৰ বিষ হৰ। মহাদেৱৰ চক্ৰে কৰিলো খণ্ড

খণ্ড হৈ পৰ।।"

(মন্ত্ৰ মাতিব চুন জাৰি দিব)

যক্ষ্মা জ্বৰ জাৰা মন্ত্ৰ

৮৬) "আছে বাৰ লক্ষণ বহিয়া।
মই আমোকাৰ জ্বৰ জাক দুৱাৰে বহিয়া।।
ব্ৰহ্মায় তামোল কাটে আমোকায় খায়।
আমুকাৰ জ্বৰ দূৰে পলায়।।

বাঘ ভালুকে খোৱাৰ মন্ত্ৰ

প্ৰথমে তেজ বন্ধ কৰিব লাগে

৮৭) ৰক্ত নল পানী ঘকটা নলে কম্বুৰী নোলাই পুজ। মোৰ গুৰুৰ পৰিখা বুঝ। চান্দ এৰি, সূৰ্য্য বং কলা কচুৰ ধনুপাত। মই তেজ বাখো আমুকাৰ ওপৰ হাত। জুংযাঠি খাবাৰ ঘা শুকনি খালে শুকাবি, পকনি খালে পাকবি জদি ঘা হৃব শুকাব লাগিবি। সিদ্ধ গুৰু পাব ৰক্ষা কৰা কামৰূপৰ কামাখ্যা মাৰ।

তেজ নবয় মানে জাৰিব। তাৰ পাছত বগা পাৰচৰাই এজোৰ আনি সিন্দুৰৰ ফোট দিব। বাঘেশ্বৰিব নামে আগবঢ়াব আৰু সেই মাৰবে জাৰিব।

৮৮) কোন বাঘে চৰাইল ঘা, চিতা পথৰা বাঘে চৰাই লা ঘা হাতৰ বিষ হাতে যা। নখৰ বিষ নখে যা, মুখৰ বিষ মুখে যা। আছে বিষ পাতাল চলি যা। কাৰ আজ্ঞা হাবে জাৰ আজ্ঞা, শিচেৰ হাৰ, চণ্ডী কালী তুমি আমাৰ মাকৰ দোহায় ধৰ্ম্মৰ কাৰ্ত্তিকৰ মাথা খাব। (বিষ নেনামে মানে জাৰিব) অবাহলে পাৰ জোৰ উৰাই দিব।

ধৰণী ধৰা মনত্ৰ

৮৯) ধৰণী বান্ধু ইন্দ্ৰা, ধৰণী বান্ধু বিষ্ণা, ধৰণী বান্ধু শিৱ পাৰ্ব্বতি। ব্ৰহ্মা বিষ্ণুই জুৰিছে হাল। হাল বাওঁতে উঠিল মাটি। মই বান্ধিলো ধৰণী আটি আটি। ইন্দ্ৰাক নমানী উপৰে ধাও। আস্তিক মুনিৰ মাথা খাও। জৰৎ কাৰুৰ মাথা খাও। ফু (মৰা পাত একোঁহা জাৰি দিব ও বান্ধিব আৰু চুন একে উৰাহে বেৰ দিব।)

৯০) ধৰণা ধৰণী অৰমায়া ধৰণী তই থাক পৰি। মই আছো গুৰু সেৱা কৰি। মোৰ হাক গুৰুৰ ডাক। যতে বান্ধিলো ততে থাক। ইন্দ্ৰাক নমানী উপৰে ধৰ। মই পৰিনিৰ মাথা খাব। ফু।। ।।

(এই মন্ত্রে ধৰণী বান্ধি পিছত বিষ নমা মন্ত্রে জাৰিব)

৯১) (আচুকাঠাৰ পাত অভাৱে এৰাপাত বা কাপোৰেৰে জাৰিব) গুৰু মানু গুৰু মানো অৰে চণ্ডিকা, গুৰু বিনে নায় কেহো, আকাশত বান্ধিলো ত্রিদশ কৌতি দেৱ, পাতালত বান্ধো হাজোঁৰনন্দন। উমা নাথ কামাক্ষ্যা তোমাক প্রনাম কৰো। ও বিষ লাঠি, যি ধাৰে উঠিছা বিষ সেই ধাৰে দিয়া নথি "উৰি গল শগুনি গজি গল পাখি, কোন কোন বিষক থৈছা ৰাখি। কোন বিষ মাৰিলি কোন বিষ ঝৰিলি, কোন বিষ কৰিলি পানী। কালকুট বিষক লৈ শগুনী আকাশত উবালি। শগুণে বোলে গুগুণী কৰিছা কিস। পাখাৰ চোটত তোৰ মাৰি পেলাম বিষ। দুইতল দেখিলো উৰি গল বিষ। ধলীয়া সৰ্পৰ কমল চৰন। যি জানে তোক বিষৰ জনম। এ বিষ লাঠি যি ধাৰে উৰিছ সেই ধাৰে দে ভাটি। হেম গিৰি পৰ্ব্বতৰ ঘাগৰিৰ মালা। উফজিল বিষ খন কান্দলি কালা। ফাটদিয়া বসুমতি পাতালক যাও। বিষ চক্রবান ভেদি কাটিয়া পেলাও। পদ্মিনি কন্যা গোট ৰং চং হালধিয়া হৰণ। হালধিয়া সর্পে খালে নাহিকে মৰণ। কাল বোড়া কেউতীয়া খালে কাল বিকালে। মই জাৰু মানিকৰ ধাৰে। ওৰে বেটা কালীয়া কোটল গৈছিলি। তোৰ বিষ মাৰু মই চালনীচ চালীয়া। ৰামৰ আজ্ঞা সীতাৰ বাণী। জাৰিলো বিষ কৰিলো পানী। ওৰে বিষ ধইয়া। কেলে আছ ৰৈয়া। যি বেলা গোসাই মনুষ্যক গৈলা জটৰ ভিতৰৰ পৰা সৰ্প ব্যজ ভৈলা। ৰামে বোলে দেবি তই নাবান্ধিবি মোক। আচোলৰ ভিতৰত বিচল গাঠি। বান্ধিলো ধৰণী আটি আটি।।

শুন শুন বিষ গন কওঁ জন্ম জাতি। সমুদ্র মথন্তে হ'লা উৎপত্তি। যেতিয়া কৰিলা হৰে সমুদ্র মন্থন। তেতিয়া হ'ল বিষ তোমাৰ জনম। গণ্ডিত বাসুকে নাগে চাৰন্ত নিশ্বাস। ওৰে ওৰে কালকুট তই হৈয়া ত্ৰবাস। শূন্যতেহে হাট খানী শূন্যৰ পহাৰ। শূন্য মধ্যে কালকুট জনম তোমাৰ। শূন্য বিষ ধালিলো যোগীনি কান্ধে বৰে। যি দিশ আছে বিষ সেই লৈ যাবে। নিৰঞ্জন কাম। জাম্প দিয়া ঝাৰো বিষ ঘা মুখে নাম। উঠৰে স্মঁৰে বিষ হৰিদ্রা বৰণ। পুখীয়া মন্ত্রে জাৰো আমুকাৰ পৰান। ফুক দিব।

(বিষ নামে মানে জাৰি থাকিব)।

(ওপৰত লিখা মন্ত্রেৰে জাৰতে বিষ নামি গোট হলে তিপনী মন্ত্রে জাৰিব।)

তিপনী

৯২) তিপনী জাৰো, তিপনী মাৰো।
কালকুট বিষ পানীকৃত্য কৰো।।
খালে খালে মাণিকৰ ধাৰ।
মাৰিলো টিপনী আমুকাৰ বিষ নাই আৰ।।
(তিনি বাৰ জাৰিব।)
শেষত বিষ নাইকিয়া হলে আদা, লোন, আন্ধু মিলাই বতি
ককিলাৰদাৰ পাচি ঘাৰ মুখে তেজ উলিয়াই পেলাব।

সৰ্পৰ বিষ নামা মন্ত্ৰ

(বুঢ়া আঙুলিয়েৰে পৰা মাথালৈ টানি জাৰিব)

৯৩) শ্ৰীকৃষ্ণায়ে নমো। সত্য সত্য দ্বাপৰ কলি, কাল সৰ্পে খালে আমি, ব্ৰহ্মা বিষ্ণু ভৈলা উৎপত্তি নাই বিষ নাই। ব্ৰহ্মা বিষ্ণু মহেশ্বৰ হৰ বিষ হৰ বিষ্ণানি, কুটনি শূল পানী উঠি পৰ।

সাপৰ ধৰনি মন্ত্ৰ

৯৪) চু চুৰ মহা চুৰ।
সাগৰে বান্ধো নাৰীপুৰ।।
সাগৰ শুকায় মানিক লুকায়,
তেবে আমুকাৰ সোলকে,
ধৰনি ৰতি ধৰণি পতি।
ধৰণি ধৰো মই,
আমুকাৰ সাতোশিৰ আটি।।
গঙ্গাৰ তীৰত দশ বামুণ মাৰস।
যি মোৰ ধৰণি লৰস।।
মোৰ হাক গুৰুৰ ডাক।
যৈতে থওঁ তৈতে থাক।।

সাপে খোৱা বিষ ধৰণি মন্ত্ৰ

৯৫) ইয়া বান্ধো, বিষ বান্ধো, গৌৰী পাৰ্ব্বতি
মোৰ হাক গুৰুৰ ডাক।
যেমনে বান্ধো তেমনে থাক।।

হাক চাৰি বিষ উজাই যাস।
উৰে গুৰুৰ খাস।।

বিষৰ তিপনি মন্ত্ৰ

৯৬) বিষৰ খেৰি, জাহানি বিষ উৎপত্তি ভৈলা। শিলৰ পুথুৰী শিলৰ নাদ বিষে দায়ো ধৰে সেহি ঠাই পৰ্ব্বতৰ ওপৰে বিষে চাই বিষ নমাই আনিলো হেৰ তেৰাই। হাতৰ বিষ মাৰিলো, পতাৰ বিষ পতাত মাৰিলো, কান্ধৰ বিষ লাগিল যেবে আমুকাৰ বিষ গুচিল তেবে। পূবৰ পৰা মাৰিলো পশ্চিমলৈ বৈ যায়, নেদেখিলো নুশুনিলো, লৰদি গোসাই, গোৱালত জনালো, আন্ধ দিবো কি কহিবো, তাতে ধৰি লোকে পাইল, বিষ নাই তাত, বিষ নাই ইয়াত, বিষ খাই খাই গৰুণ্ডে, মলচিল হোচ, কৰ্ম্ম জল বিষ উপৰক ধাৰে, মাৰিলো অপাপেকতে মাজে সময়ে, কৰিলো অনাদি বোলন্ত। সিদ্ধ গুৰু মহেশ্বৰ, কুচৰ চাতিতে নমাই আনো, হৰো বিষ আমুকাৰ মাথাত প্ৰদীপ জলে তিপনি মন্ত্ৰত সমস্ত বিষ হৰে হৰ বিভুৰ হৰ আমুকাৰ বিষ ব্যাধি পানী হৈ পৰ।

চুৰ ধৰা মন্ত্ৰ

৯৭) চুৰ চুৰ মহাচুৰ
চুৰ দি আছোঁ ঋনাদিপুৰ।।
মোৰ চুৰ লৰে চৰে।
মেৰু গিৰি পৰ্ব্বত ভাগি পৰে।
থিৰন্ধই যাই।
সাগৰ পানী পৰিল লুকাই,
মই চুৰ ধৰণি ধৰো চৌদিশে চাই।।
ধৰণি গাঠি ধৰণি মাটি।
ধৰণি কৰিছে উজনি ভাটি।।
উজনি ভাটি কৰিছ তই।
ব্ৰহ্মাৰ নাগ পাশে বান্ধিছোঁ মই।।
থৈবো ধৰণি ধৰি।
মই আছো গুৰু সেৱা কৰি।।
মোৰ বচন গুৰুৰ ডাক।
যেতে ধৰো তেতে থাক।।

কুকুৰে কামুৰিলে জাৰা মন্ত্ৰ

১৮) ধৰণি বান্ধো গৰণি বান্ধো
গলে লই
যায় জাতি তোক মাৰি
ধৰণি ধৰো গৌৰী পাৰ্ব্বতি
কাপৰৰ চাই দাত কলিয় (?)
মেৰু তলে সাগৰ সুকায়
তেহে মোৰ ধৰণি লুকায়
মাঘ সপ্তমী তিথি
সৰমাত হন্তে ভৈলা উৎপত্তি
উৎপত্তি হই তোৰ কুকু পুভৈল
এতেকে তোৰ কুকু নাম থৈল।
চাৰি গোটা দাঁতে কৰে জেঙ্গ জেঙ্গ
সৰ্ব্ব দাই নুগুচিল তোৰ খেজ খেজ
গিয়াত গণ সহিতে সদায় মতল
যৈকে যাই তেহিকে পাই লগাইল কন্দল
সৰমা মাই সেহি জানি মনে পাইলা তাপ
ক্ৰোধ কৰি সৰজাত ঋষিয়ে তাকো দিলে সাপ
তোহোৰ ঘৰত সুখ নোহোক সদায়
দিশে দশ ফুৰ তই চুৰাপাতৰ ভাত খাই
সৰমা তাৰ হেন শুণি চাহি হিৰাণি
কুৰৰ বিৰ জাৰি কৰো পানী।
১৯) শ্ৰীকৃষ্ণায় নমঃ
সোমৰ উধান ৰূপৰ তাৰু
মই ভাত বান্ধো আলাসৰ লাৰু
বাঘ বৰণী মাই
মই বান্ধিছোঁ ভাত জুই মই যায়
পাৰিলে পাত,
এই ভাত খাই নিচিন্তিবি আন

মোক দেখিবি দেহ প্ৰাণ
যদি এই ভাত খাই মোক বেয়া বোল
মহাদেবৰ মাথা খায়।

চোৰ ধৰা মন্ত্ৰ

১০০) শ্ৰীকৃষ্ণায় নমঃ
সোমৰ নাঙল ৰূপৰ ফাল,
আহিছে চোৰ জগতৰ কাল।
হাত বান্ধো ভৰি বান্ধো কৰ্ণ বান্ধো,
চক্ষু বান্ধো সৰ্ব্ব শৰীৰ বান্ধো।
চৌদিশে বান্ধিলো চোৰৰ দেবত
জগত উষ্টি চাৰি দিক বান্ধিলো চোৰ
কৰে উজনি ভাটি
মোৰ হাক গুৰুৰ ডাক,
নিনিবি চোৰ আন্তৰি থাক।
যদি মোৰ বচন লৰচৰ।
মহাদেবৰ চক্ৰত পৰিমৰ।।
(সৰিয়হ জাৰি মাৰিব)

জ্বৰ মন্ত্ৰ

১০১) শ্ৰীকৃষ্ণায়। ওম নমো ঋষি চক্ৰপাল
এই যজ্ঞে সেনা পড়য়ে স্বাহী
আৰে আৰে জৰিজ্বৰ
জানো তোৰ জাতি
ৰজ কলাইৰ পো ক্ষেত্ৰ কলাইৰ নাতি
সৰি কানি বধু চলি, মনিপুৰে বাস
আৰে আৰে জ্বৰ
ৰ এজ ৰাকে ৰমু মুদে জাস
ইলিজ্বৰ পিলিজ্বৰ সৃষ্টিজ্বৰ
ৰাজস জ্বৰ পতিজ্বৰ হাড়জ্বৰ
গোটজ্বৰ দবয়া জ্বৰ মৰয়াজ্বৰ

লঙ্গাপৰা সৰিলঙ্গা পৰা
ৰামৰ আজ্ঞা বিভীষণৰ শৰে
শ্ৰীৰাম থৈচন্ত দুৰে
মই জ্বৰ জাৰো হিঙ্কাৰে
চাৰি যা লঙ্কাৰ পাৰ
ই থাইত নাই তোৰ পাৰোৱাৰ
শ্ৰীৰাম থৈচন্ত দুৰে
মই জ্বৰ জাৰো আমুকাৰ
মই জাৰো সুচি চৌষষ্ঠি চুৰচণ্ড
যা আপুনি উঠি।

কেচুৱাৰ কান্দোন বন্ধ কৰা মন্ত্ৰ

১০২) শ্ৰীকৃষ্ণায় চাণ্ডৰকু লিখিতে দৰ?
মনত বান্ধো
হাত মুখ পাৱ
বায়ে চায়ে বান্ধো
[illegible] তোক ৰাৱ
দিঠি মিঠি বান্ধো
চক্ষু চক্ষু চান্দি
সিদ্ধ গুৰু বচন সিৰোগত কৰি
নাকে মুখে চক্ষুয়ে বান্ধো একত্ৰ কৰি
(প্ৰভাতে পাটিত বহি পঢ়িব)

চুলি নপকাৰ মন্ত্ৰ

১০৩. শ্ৰীকৃষ্ণায়ে নমঃ
ব্ৰহ্মা লালে গৰাহো ক্ষত্ৰি নালে চাপো
যেই বয়সে গৰাহো সেই বয়সে থাকো
উত লোক পৱন নেয়ো তৈকে
আমুকৰ কেশ ডাড়ি হাৰ নাড়ী
চুল কলা হুই যায়োক আমুকাৰ কায়
অন্যদিৰ গাৱ হোক সিদ্ধ গুৰুৰ পাৱ

আৰু পতি সাৰ কৰো নৰপতি উখো
যেই বয়সে থৰে কৰো সেই বয়সে থাকো
চান্দ শূলৰ পতি যবে যেন কৰে উজনি ভাটি
পিণ্ডপ্ৰাণ কায়া নোহো নাৰীপুৰুষৰ
শঙ্কৰ যৈতি পিণ্ড প্ৰাণ কায়া ৰক্ষা কৰ
অজৰ অমৰ মিনৰ আজ্ঞা গা ৰক্ষৰ বৰ।
পিণ্ড প্ৰান কায়াৰ মা তাৰ ৰক্ষা কৰ।
(ভাত খাওঁতে হাতত লৈ পানী চটি মাৰি খাব।
মুণ্ড নপকে, মন্দ কৰিব নোৱাৰে।)

শিয়াল কুকুৰে খোৱা জাৰা মন্ত্ৰ

১০৪) শ্ৰীকৃষ্ণায়ে নমঃ
একাদশী দিনা দ্বাদশী ভৈলা
সৰমাৰ গৰ্ভে পুত্ৰ উপজিলা
সেই পুত্ৰৰ নাম শিয়াল কুকুৰ থৈলা
তাৰ চাৰি দন্দে কৰে খাওঁ খাওঁ
তাৰ সৰ্ব্বকালে নুশুচিল খাওঁ খাওঁ
দেশে দেশে ঘুৰে চুৰা পাত খাই
মাৰিলো শিয়ালে খোৱা জাঁই
কুকুৰে খোৱা জাঁই
মোৰ হাক গুৰুৰ ডাক
মাৰিলো শিয়াল কুকুৰে খোৱা জাঁই
পানী উঠি থাক।

চাউল জাৰি চোৰ ধৰা মন্ত্ৰ

১০৫) শ্ৰীকৃষ্ণায়ে নমঃ
আই কালিকাৰ মাথাৰ ফুল
চাউল পঢ়ি দিয়া চোৰ বন্দিকৰো
নাজাৰি চাউল গৰ্ভৰ ভিতৰে
ক্ষিনিকে উতৰ কালিকাৰ বৰ
সাধুক এৰিয়া চোৰক ধৰ

দাত পোক জাৰা মন্ত্ৰ

১০৬) শ্ৰীকৃষ্ণায় নমঃ
আকাহি সৰগ সিমলু তুলা
খৰকৈ জাৰো দাত পৰুৱা
কুট কুটাই মই জাৰো লুত পুতাই
যম দুৱৰি লৰে
দাত পৰুৱা আজুৰি আনে
সৰ যদি সৰ, নসৰ যদি ভিতৰতেমৰ
নমৰ ভিতৰতে সৰি সৰি পৰ
কোৰা কুৰি যোৰা যুৰি
দৰ চন্দ্ৰ ব্ৰহ্মা চোকাৰ বাৰি
আমুকাৰ দাঁতৰ পৰুৱা আমুকাই জাৰে
চকুপাৰি তোপা তিৰিতা কৰি
চৌষষ্ঠি দাঁতৰ পৰুৱা
সৰি খসি পৰি মৰে।

মূৰ কামোৰণীৰ মন্ত্ৰ

১০৭) শ্ৰীগণেশায়ে নমঃ শ্ৰীধনন্তৰিয়ে নমঃ চন্দ্ৰ কপালিয়া বান্ধো, উৰ্দ্ধ কপালিয়া বান্ধো, আদকপালিয়া বান্ধো, সূৰ্য্য কপালিয়া বান্ধো, বামৰ আজ্ঞা শিৰে ধৰি বান্ধু সৰ্ব্ব কপালিয়া, মুৰ কামোৰণী, কপালকামোৰণী, সৰ্ব্ব মূৰ কামোৰণী জাৰিলো। আতি আতি মৰণ ভাটি, যি ধাৰে ধৰশ সেই ধাৰে মাৰো। ভাটি সৰ্ব্ব মূৰ কামোৰণী চক থৈছো বাখি হৰ বিষ্টু হৰ আমুকাৰ মুৰৰ কামোৰণী জাৰিলো শত্ৰুৰ অগুৰি পৰ। সত্য বান্ধু গুৰুৰ পাৰ ৰক্ষা কৰা কামৰূপৰ কামাখ্যা মাওঁ। হৰ বিষ হৰ গুৰুৰ বাক্য জাৰো আমুকাৰ মূৰ কামোৰণী পানী কৃত্য হৈ যাক।।

নিয়ম : এখন গামোচা জাৰিব মতাৰ সোঁহাতে আৰু মাইকীৰ বাওঁহাতে বান্ধি বান্ধিব। নাইবা তুলাৰে পিতিকি জাৰিব। তিনি বাৰ।।

গৰুৰ পোকৰ মন্ত্ৰ

১০৮) গয়াগিৰি গহবৰে মাৰিব বাহ ওলাই মাৰি শিব পিয়াই ধৰি ধৰি মাৰি মেলি ছাই ধুলি মাখি জাকে জগতে জানিব আমুকাৰ জন্তয়। আমুক গৰখীয়া কি

পোক পলু পোক থোপা থোপা জাৰিলো পোক বিৰিণাৰ পাতেৰে থোপাক। হৰি লৰচৰ পৰান্তে ধকা পৰ্ব্বতত মাখি বোৰে মাখি পৰিল আদ পছা হৰয়ে, হৰ ন হাছ নহলেজে ভিতৰে মৰ।।

(কুবাই জাৰিব)

জুই মৰা মন্ত্ৰ

১০৯) শ্ৰীকৃষ্ণায়ে নমঃ। অগ্নি মাৰো, অগ্নি মাৰো, অগ্নি কৰো পানী। ৰামৰ আজ্ঞা সীতাৰ বাণী লঙ্কা পাৰ হৈ, হনুমন্ত যায় মুখৰ অগ্নি মুখে নোমুৰাওঁ হৰ অগ্নি হৰ আমুকাৰ অগ্নি মাৰিলো মই পানী হৈ য়া।।

গলহেঙৰা

১১০) শ্ৰীকৃষ্ণায়ে নমঃ। বকচী দিনতে জাল, বিষৰে নাওঁ। জাৰিলো সকলো বিষ ভাটি দিয়া যাওঁ। হৰক প্ৰণামি সবে বিষে দিলে ভাটি চৌষষ্ঠি বিষ মানে হৈ গৈলা পানী। গুৰুক সুমৰি বায়ু মন্ত্ৰে দিলে চাত ভয়ে পলাই গৈলা বিষ পঞ্চ প্ৰহৰৰ বাট। পঞ্চ প্ৰহৰৰ বাট বিষ পলাই গৈলা তিনি প্ৰহৰৰ পথ বিষ পৰিয়া ঘোমাইলা সেহি বেলা বায়ু মন্ত্ৰে বিষক লাগ পাই হলা হল বিষ যে, পেলাইলেক খাই যেতিক্ষনে হলাহল বিষ যে খাইলা বায়ু মন্ত্ৰে ধৰে বিষ, ভাগিয়া পলাইলা হৰ বাত বিষ হৰ। আমুকাৰ গল হেঙেৰা গলবেৰা জাৰিলো মই পানী উঠি পৰ।।

(তিনি বাৰ জাৰিব)

বিষ জাৰা মন্ত্ৰ

১১১) শ্ৰীকৃষ্ণায়ে নমঃ জাৰো জাৰো পানী হিতা, জাৰো শন চেৰেক, তামুক দিলে বহি যাব পাৰে। ঔ যে দেখ খহতা ডিমক, তোৰ পিয়ালি চকুত ঘৰ, তোক বুলি যাওঁ, আই তোক বুলি যাওঁ বোপাই, খেৰেৰ খেৰেৰ মোৰ হাক গুৰুৰ ডাক আমুকাৰ ককালৰ বিষ পানী হৈ থাক।।

মচকা খোৱা মন্ত্ৰ

১১২) শ্ৰীকৃষ্ণায়ে নমঃ কচ কচ কচাৰী, কচকা জাৰো, মচকা জাৰো, ভঙা জাৰো, চিঙা জাৰো, আগতেল বাঘতেল বকল পক্ষী দিলে বল হাড়ে মাংসে তেজ আমুকাৰ জোৰা লাগি পৰ।।

(বিষ হলে তিনিডাল খেৰেৰে জাৰিব)

মাছুৰ কাইট জৰা মন্ত্ৰ

১১৩) শ্ৰীকৃষ্ণায়ে নমঃ, মাছুৰ মাংস উদে খাই, গৰ্ভৰ কাইট গৰ্ভলৈ যায়। আমুকাৰ মাছুৰ কাইট জাৰো পানী হৈ যায়।

(তিনি বাৰ জাৰিব। হাত লগাই)

মুখ লগা মন্ত্ৰ

১১৪) শ্ৰীকৃষ্ণায়ে নমঃ ঢেৰ ঢেৰিয়া পৰ্ব্বত। খোবৰ ঘৰ কেন মতে পাইলা ৰামত বৰ, সো বেলি হোমনিয়া পৰ্ব্বতত থৈলা। পৰ্ব্ব চিদ্ৰেচাই, ৰামচন্দ্ৰ আঙ্গলিত লাগিলা চেঙ চেঙ ভক ভক দিন যায় ৰাতি নুপুৰাই বিদ্ধ জাম্বুৱন্ত খোব হৰিলা, এতেকতে ৰামচন্দ্ৰই পালে পত্ৰ মাৰি, তিনি খণ্ড কৰিলা এখণ্ড স্বৰ্গ লৈ গ'ল এখণ্ড পাতাললৈ গ'ল মুৰটো গৈ সদাশিৱৰ ডিঙিত মালা গাঠি বৈলা, সত্য সত্য সাত সত্য কৰি কৈছো বালি যোগত পখালী চকোৰাৰ ভেত নহবি, তোৰে মোৰে উৎপত্তি দি কৰ, সিমা সঞ্চাৰ নেজাবি হুং হুঙ্কাৰ চাৰি যা লঙ্কাৰ পাৰ, নেথাকিবি আমুকাৰ, ঘৰ বাৰী সীমা সঞ্চাৰ। এই মন্ত্ৰ লৰচৰ কৰ বিষ্ণু মহেশ্বৰ আজ্ঞা ভঙ্গ কৰ গোবধ শ্ৰীবধ সাত কপিলি বধ কৰ সদাশিবৰ জটাত ধৰ। পাৰ্ব্বতি আইৰ স্তনত ধৰ হৰ বিষ্ণু হৰ আমুকাৰ মুখ লগা ভাঙিলো পানী হৈ পৰ।

(তিনিবাৰ গাব)

পয়া জৰা মন্ত্ৰ

১১৫) শ্ৰীশ্ৰীকৃষ্ণায়ে নমঃ বৈদ্যধনন্তৰীয়ে নমঃ ৰৰ পয়া তই কিমান জাতি, মাৰ দয নলি, বাপেৰ হৰি কি কৰিবি আধা পেট, কি কৰিবি হিয়া পেট, মোৰ ৰচন গুৰুৰ ডাক, যৈতে পয়া লাগিছে তৈতে পানী উঠি থাক।।

(দুবুৰি বনৰ জাৰি)

তাবিজ বা আলনিয়া

(আগৰ স্কন্ধত ছপোৱা কেইটামান তাবিজ ইয়াত পুনৰ তুলি দিয়া হৈছে।)

গৰল বেমাৰ

১) চিত্ৰা নক্ষত্ৰত ফুলৰ শিপা ডিঙিত বান্ধি দিব।

২) গুমনি লতা, নৰসিংহৰ শিপা, পানী যেন, কল গছৰ কেছু, কুমজেলুকা এটা সকলোকে শুকুৰাই ৰূপৰ তাবিজ এটাত (শনি বা মঙ্গল বাৰে) ভৰাই ডিঙিত পিন্ধাব।

৩) বকল বিহৰ শিপা অমিতাৰ শিপা চোৰাতৰ শিপা তিনিকো (পূৱফালৰ) আনি ৰূপৰ তাবিজত ভৰাই ল'ব ৰোগ নাশ।

৪) মঙ্গলবাৰে জেঠিৰ মুৰ এটা এৰি চকৰিত ভৰাই আৰি ল'ব গৰল নাশ।

৫) চিত্ৰা নক্ষত্ৰত কুণ্ডফুলৰ শিপা গলত বান্ধিলে গৰল নাশ।

গৰুৰ পোক

৬) বুঢ়া পুবৈৰ ঠাৰি ডিঙিত বান্ধিব তিনি দিনলৈ নেচাব।

৭) ফেটি সাপৰ (শনি-মঙ্গল বাৰে মাৰা) মূঢ় এটা ডিঙিত বান্ধি দিব। তিনি দিনলৈ নেচাব।

গা-সুৰা

৮) আফুলা বেলৰ শিপা ককালত আৰি ললে গা-সুৰা গুছে।

৯) আকনৰ মূল, সিজুৰ মূল, বগুলি এৰাৰ মূল, বগা আজ্ঞাচিতাৰ মূল, গম সাপৰ মুৰ, পানী পৰুৱা এটা সবাকো একত্ৰ কৰি পিহি শনিবাৰে তাবিজত ভৰাই ল'ব। সাপে খোৱা মানুহক সুধিব। বিষ নাই।

গা-শুৰি হোৱা

১০) ধুতুৰাৰ মূল ৩ ডাল ককালত বান্ধি ল'ব। গা-শুৰিয়া হোৱা ভাল হয়।

গা-ত্বৰাৰ

১১) গুমনি, পানী নে, কুমজেলুকা, কলগছৰ কেছু, নৰসিংহৰ শিপা সবাকো ৰূপৰ তাবিজত ভৰাই ল'ব।

শিৰা

১২) আফুলা ঔগছৰ শিপা (দক্ষিণ ফালৰ) মাদলিত ভৰাই আৰি ল'ব।

পিশাচৰ

১৩) মঙ্গল বাৰে বগা ফুটুকাৰ শিপা লব। জেতুলি পকাৰ শিপা, অথবা কদমৰ শিপা, ক'লা তুলসীৰ শিপা চাৰিকো গোটাই কাণত আৰিব। বচৰ শিপা পিহি গা'ত ঘহিব। এতেকে পিশাচ গুচিব।

মৰকুচিয়া

১৪) কুমতি এটা এৰি চকৰিত ভৰাই ভিঙিত বান্ধিব মৰকুচিয়া নাশ।

১৫) কলা মেকুৰিৰ নখ, ফেটি সাপৰ মূৰ, শনিবাৰে মৰা বাঘৰ লোম আৰু চকু, শনিবাৰে মৰা মানুহ খোচাঁ খুচনী মাৰিৰ আগ, কাছৰ ছলং, তিতা ভেকুৰিৰ শিপা, ক'লা তুলসীৰ শিপা তাবিজত ভৰাই পিন্ধিব।

১৬) আলক্ষনী গছ, ঢোলৰ বেৰতী, পানী পোক ১ টা, মহাদ্রোণৰ শিপা, চিকাৰ লোম ১ ডাল তাবিজত ভৰাই ধাৰণ কৰি পিন্ধিব।

১৭) কুমলীয়া তৰাৰ গজালি, বিৰিয়া জবাৰ শিপা, বগা লাতুমনিৰ শিপা তাবিজত ভৰাই ককালত শনি বা মঙ্গলবাৰে বান্ধিব।

১৮) হাতীৰ কপালৰ চাল, কেচা কঠালৰ শিপা, পানীপৰুৱা ৫ টা, চোতালৰ পোক ২ টা, কুচিয়া মূৰৰ শিল এটা, পলৰীয়া এৰি বাঁহত সুমুৱাই ডিঙ্গত পিন্ধাই দিব। মৰকুচিয়া এৰিব।

সৰ্ব্ব মায়া নাইকিয়া তাবিজ

১৯) কুচিয়া মাছৰ মূৰ, বাঁৰনীৰকাঠি, উধান মাটি, গোটা চাউল, যঁতৰৰ বতিয়া তাবিজত ভৰাই দিব। সৰ্ব্বমায়া নাইকিয়া।

গৰ্ভৱতি তিৰোতাৰ অশৌচ নেলাগে মাহপাৰ হৈ যায় কষ্ট খাই থাকে তাকে মহাদান বোলে। তাৰে তাবিজ।

২০) তাত বোৱা শালৰ যি যিনি সজুলি আছে তাৰে অলপ আনিব, শালমাছৰ ফিচা, শালকাঠ, সবাকো একত্ৰ কৰি চকবাত ভৰাই বাওঁ কানত আৰি লব। অশৌচ লাগিব। সৰ্ব্ব মায়া নাস্তি হব।

সৰ্ব্বজ্বৰ

২১) কৰতি মাছৰ চকু, চান্দ মাছৰ চকু তাবিজত ভৰাই পিন্ধিলে সকলো জ্বৰ নাশ হয়।

২২) ৰবিয়ালৰ শিপা আমন্ত্রণ কৰি ৰবিবাৰে তুলি আনি মূৰৰ চুলিত আৰি লব লাগে।

২৩) ক'লা তুলসীৰ শিপা, বনসঠৰ ছাল কানত আৰি ল'ব।

২৪) আফুলা ববছাৰ শিপা কানত আৰি ল'ব।

২৫) বগা জয়ন্তিৰ শিপা চুলিত আৰি ললে জ্বৰ ভাল হয়।

কুকুৰে খোৱা

২৬) বন মালাৰ শিপা হাতত বান্ধিব।

গল কণ্টাৰ (মানুহৰ গলত ঘেগাৰ বা গৰল হয়)

২৭) ৰক্ত চিতাৰ মূল গলত বান্ধিব লাগে।

চিদিৰ বা চিদ্ৰা

২৮) গো-দন্ত, কাক বিষ্টা এৰি চকোৰাত ভৰাই আৰি দিব।

২৯) কৃষ্ণ কান্তিৰ মূল, কৃষ্ণ অপৰাজিতাৰ মূল আৰি ল'ব।

৩০) গন্ধ কলাই, সাপৰ মুৰ, খলুৱা ভেকুলিৰ দক্ষিণৰ চকু, বাওঁহাতৰ কিনা আঙুলিৰ নখ, বাওঁ ভৰিৰ কিনা আঙুলিৰ নখ তাবিজত ভৰাই আৰি দিব।

নিত্য জ্বৰ

৩১) ভৃঙ্গৰাজৰ মূল দক্ষিণ কানত আৰি ললে নিত্য জ্বৰ গুছে।

৩২) চোৰাতৰ শিপা, বনসঠৰ শিপা, তিনিবৰণীয়া সূতাৰে কানত আৰি লব।

৩৩) চোৰাতৰ শিপা এৰা সূতাৰে বান্ধি কানত আৰি ল'ব।

জ্বৰ

৩৪) কাৰলহা সাপৰ নেজ এৰি চকৰিত ভৰাই কানত আৰি ল'ব।

৩৫) ভোমোৰাৰ পাখা কানত আৰি ল'ব।

৩৬) স্বেত গোলাপৰ শিপা দক্ষিণ কানত আৰি ল'ব।

৩৭) বনসঠৰ শিপা সাত ডাল সূতাৰে বাহুত বান্ধিব।

৩৮) ফেচাৰ বাওঁফালৰ পাখী, আজ্ঞাচিতাৰ শিপা তিনিবৰণীয়া সূতাৰে ডিঙিত আৰি ল'ব।

৩৯) ফেচাৰ পাখী, একলবীৰৰ শিপা, বৰিয়ালৰ মূল, ববচাৰ শিপা, চাৰিকো এৰি চোকোৰাত ভৰাই বাহুত বান্ধি ল'ব।

পালজ্বৰ (এদিন বাদে এদিন উঠে)

৪০) সোন বৰিয়ালৰ মূল কানত বা চুলিত আৰি ল'ব।

৪১) ৰঙা আজ্ঞাচিতাৰ শিপা, সৰু সোন বৰিয়ালৰ শিপা, বিহমলাৰ চাল ৰঙা বগা

সুতাৰে ডিঙিত আৰি ল'ব।·

৪২) কপৌ ঢেকিয়া, সোন বৰিয়ালৰ শিপা, সঠমূল, তিনি বৰণীয়া সুতাৰে ডিঙিত পিন্ধি ল'ব।

৪৩) তুবুকিলতা এডাল শনিবাৰে একে উশাহে তুলি আনি ডিঙিত পিন্ধাই দিব, ভাল হ'ব।

৪৪) ঢেকিয়া গছৰ শিপা এডালৰ অলপ, ৰিলকনি (সোমলতা) বিলাইৰ শিপা অলপ তাবিজত বা এড়ি মোগা খোলাত ভৰাই ৰোগীক পিন্ধাব লাগে। ইয়াৰ নিয়ম ডোম জ্বৰৰ দৰে কৰিব লাগে।

ৰাজ পিড়া, সিন্দুৰিয়া (প্লেগৰ নিচিনা এৰিধ ৰোগ)

৪৫) পদ্ম ঢেকিয়া, তৰুবা কদমৰ ছাল, নহৰ, বচ তিনি বৰণীয়া সুতাৰে বান্ধি কানত আৰি ল'ব।

সোথৰ আলনীয়া দৰব

৪৬) আকলবিৰ ১০০ টুকুৰা কৰি মনি কৰিব। ক'লা কচু, ডাইনী বৰকচু, ক'লা তুলসী, বৰিয়াল, চৰতৰ দক্ষিণৰ শিপা কেওৰা (কিনা) আঙুলিৰ পাবৰ তিনি জোং ল'ব। তিনি বৰণীয়া সুতাৰে সেই মালাৰ মাজত কৱচ কৰি আৰি ল'ব।

৪৭) আদা ১০৮ টুকুৰা কৰি মালা আৰি ল'ব।

৪৮) বেলি বন্ধা, খলিহনা মাছৰ চকু, খহলি ভেকুলিৰ নখ এৰিৰ চকোৰাত ভৰাই গলত আৰি দিব।

ধ্বজভঙ্গ শক্তি মৰা

৪৯) আহত গছত শগুনে হাগিলে সেই বিষ্ঠা শনি বা মঙ্গলবাৰে আনি মৈথুনৰ পূৰ্ব্বে অলপ পানীৰে গুলি লিঙ্গত লেপ দিব, তিনি দিনলৈ এইদৰে কৰি আৰু অলপ মান মাদলিত (বিৰিত) ভৰাই ককালত আৰি ল'ব ৰতি শক্তি বাঢ়িব।

টোপনিত দাঁত চোবোৰা

৫০) ঘোড়াৰ নেজৰ চুলি ৭ ডাল লৈ গলত আৰি ল'ব।

চকুৰ মল কতাৰ

৫১) সিজুৰ শিপা কানত আৰি ল'ব। চকুৰ মল কাতে।

চকু ৰঙা পৰে, পোৰে ওপৰত বিষায়

৫২) সিজুৰ শিপা বাহুত আৰি ল'ব।

সাপে খোৱা

৫৩) আকনৰ শিপা, সিজুৰ শিপা, এৰাগছৰ শিপা, বগা অপৰাজিতাৰ মূল, পানী পৰুৱা, গম সাপৰ মূৰ সকলোকে একে লগ কৰি এটা ৰূপৰ তাবিজত সোমাই দিব। কামটো শনিবাৰে কৰিব। সাপে খোৱা বিষ কমে।

৫৪) তিনি বছৰীয়া ভাংখোৱা চিলিমৰ টিকি ১ টা আৰু বিহ মৰানৰ গুটি ১ টা সাপে খোৱা ঠাইত দি বান্ধি থব। সাপে খোৱা ভাল হব।

৫৫) বগা কৰবিৰ গছৰ শিপা তাবিজত ভৰাই গাত পৰিধান কৰিলে সাপে কামোৰিব নোৱাৰে।

সপোন দেখিলে

৫৬) তুলসীৰ পাত, আৰৈ চাউল, বগা বহাক গছৰ শিপা পিন্ধিব।

৫৭) চোৰাতৰ শিপা আৰু তৰুৱা কদমৰ বাকলি একেলগে মাইকী মানুহ হলে আচলত বান্ধিব আৰু মতা মানুহ হলে গাৰুৰ তলত থ'ব। ভাল হ'ব।

ক্ষেত্ৰৰ তাবিজ

(এবিধ অপদেৱতা সি মাইকী মানুহৰ সন্তান হোৱাত বাধা জন্মে)

৫৮) মৰা গৰুৰ মুত, শিয়ালে হাগিলে সেই বিষ্টা, বাঘৰ নাক ও লিঙ্গ, ভালুকৰ নাক, মাছ গেৰেলাৰ নাক আৰু বিষ্টা সবাকো একত্ৰ কৰি মাদলিত (বিৰিত) ভৰাব। সেই মাদলিতিৰ তলত বিজ্যা ৰাখিব। মাদলি মুৰ দি গা' ধুৱাব। মাদলি বাওঁকালে আৰি ল'ব ক্ষেত্ৰ পলাব।

৫৯) মঙ্গলবাৰে জেঠি এটা ধৰিব তাৰ মুখে নেগুৰে ল'ব। চোতাল পোক এটা লব, কুমতিৰ মূৰ এটা, পানী পৰুৱা এটা চাৰিওকো মঙ্গল বাৰৰ দিনা গোটাই বিড়িত ভৰাই লব।

খেতৰ তাবিজ

৬০) আকনৰ আগ ৩ টা, বিয়নী সাবটা ধনৰ পূব ফালৰ শিপা ৩ ডোখৰ, তিতা ভেকুৰিৰ পূবৰ শিপা ৩ ডোখৰ, কলডিলৰ সৰি পৰা ফুল ৩ ডোখৰ এই বিলাক গোটাই তাবিজত পিন্ধিব লাগে।

৬১) শগুণৰ বাঁহৰ কুটা, চিলনীৰ বাঁহৰ কুটা দুইকো শনিবাৰে আনি তাবিজত

ভৰাই ডিঙিচ আৰি লব।

৬২) তাত বোৱা যি কোনো ২ হাজোনীৰ অলপ অলপ কটাৰীয়েৰে চুচি আনি লব লাগে, লগতে তাত বোৱতে বহা পিৰাখনৰো অলপ চুচি আনিব। তাৰ পাছত এড়ি মুগাৰ এটা খোল বা তাবিজত ভৰাই জ্বৰীয়াৰ ডিঙিত বা বাওঁহাতত পিন্ধিলে এই জ্বৰ ভাল হয়। এই তাবিজ মঙ্গলবাৰে বা শনিবাৰে বনোৱা নিয়ম আছে আৰু তাবিজৰ বহি ডাল তিনি ৰঙীয়া সূতা লব লাগে। যেনে - ৰঙা, বগা, কলা।

ভালোক জ্বৰৰ তাবিজ

৬৩) ভালুকৰ গুপাঙ্গৰ নোম তিনিডাল তাবিজ বা মুগা খোলাত ভৰায় পিন্ধিলে এই জ্বৰ ভাল হয়। সাধাৰণতে এই জ্বৰ দুপৰীয়া সময়ত হয় কাৰণে ইয়াক ভালোক জ্বৰ বোলা হয়।

প্ৰসৱৰ

৬৪) ফেটি সাপৰ মুৰ এটা বাওংকৰঙ্গনত বান্ধি দিলে ভাল হয়। ভাল হোৱাৰ লগে লগেই গুচাই পেলাব। নহলে বিপদ হ'ব।

৬৫) বাঘৰ চুলি উটনুবাৰ আগ মাংস পাকে চৰাইৰ পাকৰি এই তিনিওকে এৰিৰ খোলাত ভৰাই মুৰত বা বিহাৰ আগত বান্ধি ল'ব।

৬৬) কোৱা ভাতুৰি লতাৰ দক্ষিণফালৰ শিপা আনি বাওঁ ভৰিৰ বুঢ়া আঙুলিত বান্ধি দিব ভাল হ'ব।

৬৭) দুপতীয়া তেতেলি গুটিৰ পুনিৰ সৈতে তুলি আনি চুলিত বান্ধিব নাকৰ সন্মুখত ওলোমাই দিব। শীঘ্ৰে প্ৰসৱ হ'ব।

কঁদখাই থকাৰ

৬৮) বাজা কলৰ শিপা, পুঁইবা কলৰ শিপা ককালত বান্ধিলে ভাল হয়।

ককাল বিষ

৬৯) শুকান বেল বেলিৰ গুটি এটা বিন্ধা কৰি বহিৰে ককালত আৰিলে বিষ ভাল-হয়।

৭০) ভগৰৰ শিপা, সক হাৰ জোৰা লতাৰ শিপা, মাধৈ লতাৰ শিপা সমানে লৈ পলৰীয়া এৰি খোলাত ভৰাই পিন্ধিব। বিষ নাশ হ'ব।

৭১) বিষ লতা এডাল ভগৱানৰ নামত একে উশাহে পিন্ধিব লাগে। ককালৰ বিষ ভাল হ'ব।

প্ৰসৱৰ দোষত ককাল বিষ হলে

৭২) শুকান জাইফলৰ মাজৰ গুটিটো বিন্ধা কৰি ককালত পিন্ধিব।

কুকণ্ড শিৰা

৭৩) আফুলা ঔ গছৰ শিপা (দক্ষিণফালৰ) মাদলিত ভৰাই ককালত আৰি ল'ব।

মতা মানুহৰ শিৰা

৭৪) মাটি পাৰিজাতৰ শিপা, সুমথিৰা টেঙাৰ বাকলি দুয়োকো তাবিজত ভৰাই ককালত বান্ধি ল'ব।

মাইকী মানুহৰ শিৰা

৭৫) আৰৈ চাউল কুলা এখনৰ চুৰাত জাৰি চোবাই পেলাব আৰু আচঁলৰ আগত বান্ধি ল'ব।

কনী শিৰাৰ

৭৬) ক'লা মান চান্দা পানীত তিয়াই মেৰিয়াই বান্ধিব ভাল হ'ব।

৭৭) সাগৰৰ ফেন, নহৰ ৯ ফোটা, গোম সাপৰ মুৰ, শ্ৰৱণা নক্ষত্ৰত বিৰিত ভৰাই ল'ব।

বসন্ত নিবাৰন কৰা লগতে তেওঁৰ মূৰ্চ্চা ৰোগ

৭৮) শিয়ালৰ হাড়, শিলিখাৰ গুটি, তিৰোতাৰ বাওঁফালে আৰু পুৰুষৰ সোঁফালে আৰি ললে বসন্ত কেতিয়াও ওলাব নোৱাৰে।

মন্দৰোগ

৭৯) কনবজাৰ মূল, কনিবিহৰ ফুল, ৰঙা যুগী এৰিৰ শিপা, ভজাৱতিৰ শিপা, ঘুনুচাৰ শিপা, লং, ৩ টা, কাকুৰ হৰতি, দেএৰিহ একবাতি, জালুক ৫ টা সবাকো বিৰিত ভৰাই ল'ব। মন্দ ৰোগ ভাল হ'ব।

এন্দুৰিয়া

৮০) গান্ধ বিৰিনাৰ শিপা, একে উশাহে উভালি তাক বছিৰে বান্ধি জুইৰ কাষৰ ওপৰত ওলোমাই থব লাগে। দুয়োটা একেলগে শুকাব।

৮১) গোম সাপৰ মূৰ, সাগৰৰ ফেন, নহৰু ৯ কুটা শ্ৰাৱনা নক্ষত্ৰত বিৰিত ভৰাই ল'ব।

সন্তান হীনা তিৰোতাৰ গৰ্ভৱতী হোৱাৰ

৮২) ঋতু স্নানৰ জল, এৰণ্ড বীজ ভক্ষণ কৰি ধুতুৰাৰ মূল কাণ্ড লৈ কঁকালত বান্ধিলে গৰ্ভৱতী হ'ব।

৮৩) কলা মেকুৰীৰ জল, অকনমান সোন, তিনিটা আৰৈ চাউল, ৩ টা বেজি বা বৰশী, আগৰা গছৰ শিপা, মালভোগ কলৰ থুৰিৰ নাভিটো এটা খোলা মুগা তাবিজত ভৰাই তিৰোতা গৰাকীক শনি বা মঙ্গল বাৰে পিন্ধাব।

গৰ্ভপাত

৮৪) গৰ্ভ পাতৰ আশঙ্কা থাকিলে বগা অপৰাজিতাৰ শিপা ৮ আঙুল কঁকালত বান্ধিলে গৰ্ভপাতৰ আশঙ্কা নেথাকে।

বেচুৰ

৮৫) একে উশাহে চেংমৰা আৰু পানীকচু উঘালি আনি তাৰ শিপা এৰা সুতাৰে বান্ধিব। বন্ধু এজনে প্ৰশ্ন কৰিব ৩ বাৰ। কি বান্ধিছা। উঃ আমুকাৰ বেচু বান্ধিছো। পিছত গছ কেইজোপা নিজৰ চাঙৰ ওপৰত তুলি থব।

মোৰৰ

৮৬) আকন বিদ্ধিয়াৰ মূল হাতত বান্ধিলে মোৰ নাশ।

সৰু লৰা ছোৱালী টুপনিত খক্ মকোৱা

৮৭) বগা অপৰাজিতাৰ পুৱফালৰ শিপা আনি কেঁচা এৰা সুতাৰে ডিঙিত বান্ধি দিব।

গৰুৰ জলসৰা

৮৮) কাউৰী হগা কল পাত, বেঙেনাফুল, পাটি কাউৰীয়ে হগা বা এন্দুৰে তোলা কেচা মাটি নেজৰ গুৰিত বান্ধিব।

আৰৰীয়া

৮৯) ভগবানক চিন্তি কবচ দিব লাগে ক'লা সুতাৰে কাটিব লাগে আৰু কটাৰ সময়ত কি কাৰণে কাটিছে গছ জোপাক দুই ক'ব লাগে। অপৰাধ নকৰে যেন, ছাল টুকুৰা ২৪ ভাগ কৰিব লাগে আৰু গাঠিব লাগে। মালা ডাল প লহৰ গাঠিবে গাঠিব লাগে। মালাডাল বুকুৰ সমানে চিলাই বুকুত পিন্ধাব লগতে বেমাৰ দুই এদিনত নিজে নিজে সৰকি ওলাই যাব লগতে বেমাৰ ভাল হ'ব। পাছত মালাডাল ভালকৈ খুচি বাখিব লাগে। এই ঔষধ শনি বা

মঙ্গলবাৰে দিব।

মুৰ ঘুৰনি

